GRAMIYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999

# সীৰলু

*The sign of ploughing...*




'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৬



ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ অৰ্থসাহাৰ্যত নলবাৰী আৰু বাগ্‌চা জিলাৰ চাৰিটা উন্নয়ণ খণ্ডত আৰম্ভ হৈছে মহিলা কৃষকক আত্মনিৰ্ভৰশীল কৰাৰ প্ৰয়াস। গ্ৰাম্য বিকাশ মঞ্চৰ এই এম. কে. এছ. পি প্ৰকল্পৰ অধীনত কৃষিকাৰ্যত অংশগ্ৰহণ কৰা কেইগৰাকীমান মহিলা কৃষকৰ ছবি।




জামছেড়্‌জী টাটা ট্ৰাষ্টৰ সহযোগত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্পৰ এটা নৱনিৰ্মিত জানৰ দৃশ্য।

# সীৰলু

*The sign of ploughing...*

## 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ

দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, জানুৱাৰী, ২০১৬

স্থান

কাৰ্যালয়

গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী

জিলা ঃ নলবাৰী, অসম

**শুভেচ্ছাৰে—**

শুভেচ্ছাৰে—

শ্ৰীযুত/যুতা........................................................................

........................................................................................

সম্পাদক

সীৰলু, ২০১৬

// সীৰলু

দ্বিতীয় বছৰ ● দ্বিতীয় সংখ্যা, প্ৰকাশ কাল ঃ জানুৱাৰী ২০১৬

'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৬

**Siralu**

A annual journal of Gramya Vikash Mancha
published by Gramya Vikash Mancha
Office campus, Barbari, Dist. Nalbari, Assam

## সীৰলু সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | **পৃথ্বিভূষণ ডেকা, কিশোৰ কুমাৰ কলিতা** |
| সভাপতি | ঃ | **ৰাজুমণি শৰ্মা** |
| সম্পাদক | ঃ | **নয়নজ্যোতি ভূঞা** |
| সহযোগী সম্পাদক | ঃ | **অৰূপজ্যোতি দাস** |
| সদস্য/সদস্যা | ঃ | প্ৰদীপ মহন্ত, মৃণ্ময় কুমাৰ নাথ, শ্বাহ আলম আহমেদ, জুৰি তালুকদাৰ, কিশোৰ কলিতা, ববিতা দাস, দীপাঙ্কৰ চক্ৰৱৰ্ত্তী, কমল কিশোৰ হাজৰিকা |
| প্ৰকাশক | ঃ | গ্ৰাম্য বিকাশ মঞ্চ |
| বেটুপাতৰ স্থিৰচিত্ৰ | ঃ | জিনমনি মহন্ত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ অন্যান্য সদস্য সদস্যাসকল |
| বেটুপাত | ঃ | **সমুজ্জ্বল বৰ্মন** |
| বৰ্ণসংস্থাপন | ঃ | **শ্বফিউল** আহমেদ |
| অংগসজ্জা | ঃ | **তৰণী কলিতা** |
| আৰ্হিপাঠ | ঃ | **দুৰ্গাপ্ৰসাদ হাজৰিকা** |
| মুদ্ৰণ | ঃ | **কালাৰপ্লাছ**, ৰাজগড় ৰোড, গুৱাহাটী- ৩, ফোন ঃ ৯৮৬৪০-৩৩৫২৯ |

## কৃতজ্ঞতা

এই মুখপত্ৰ প্ৰকাশ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু প্ৰকাশৰ বাবে লিখনি আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষী, স্থিৰচিত্ৰ গ্ৰহণকাৰী, নিবন্ধকাৰ, কবি, গল্পকাৰলৈ।

—সম্পাদনা সমিতি 'সীৰলু'।

*Dr. Om Prakash,* I.A.S.
*Deputy Commissioner*

Office of the
**DEPUTY COMMISSIONER**
Nalbari - 781335,Assam,India
Tel. No. : 03624-220496 (O)/03624-220218 (R)
Fax No. : 03624-220469 (O)/03624-220371 (R)
Mobile : 88110 19140
E.mail : dropb777@gmail.com
dc-nalbari@nic.in

सत्यमेव जयते



# শুভেচ্ছাবাণী

সমাজৰ দুৰ্বল শ্ৰেণীৰ মানুহৰ সবলীকৰণৰ লগতে তেওঁলোকৰ জীৱনধাৰণৰ মান উন্নত কৰাৰ বাবে নিৰলস প্ৰচেষ্টাৰে স্বেচ্ছাসেৱী সংস্থা 'গ্ৰাম্য বিকাশ মঞ্চ'ই ইতিমধ্যে যোল্ল বছৰ সফলতাৰে অতিক্ৰম কৰাত অতিশয় আনন্দিত হৈছো। ইং ১৯৯৯ চনৰেপৰা অনুষ্ঠানটোৱে নলবাৰী জিলাক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰূপায়েণেৰে সমাজৰ বিশেষকৈ আৰ্থসামাজিকভাৱে অনগ্ৰসৰ লোকসকলৰ জীৱনত সুখ-শান্তি আৰু সমৃদ্ধি বৃদ্ধিৰ বাবে আৰু তাৰ জৰিয়তে 'প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ বাবে অহৰহ প্ৰচেষ্টাত ব্ৰতী হৈ আহিছে। 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাক মই এই ছেগতে আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন যাচিলো আৰু ভৱিষ্যৎ দিনৰ বাবে শুভ কামনা যাচিছো।

গ্ৰাম্য বিকাশ মঞ্চৰ বিভিন্ন কাম-কাজৰ লগতে উন্নয়নমূলক চিন্তা-চৰ্চা প্ৰতিফলিত কৰাৰ বাবে অনুষ্ঠানটিৰ বছৰেকীয়া মুখপত্ৰ 'সীৱলু'ৰ দ্বিতীয় সংখ্যাটি প্ৰকাশ কৰিব বুলি জানি অতিশয় আনন্দিত হৈছোঁ। প্ৰথম সংখ্যাৰ দৰে 'সীৱলু'ৰ দ্বিতীয় সংখ্যাৰো প্ৰতিটো পৃষ্ঠাতে মানৱ মহত্বৰ শ্ৰেষ্ঠ সৌৰভ বিয়পাবপৰা বীজ ৰোপিত হওক আৰু তাৰ সুবাসে 'গ্ৰাম্য বিকাশ মঞ্চ'ই আগবঢ়াই নিয়া 'প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া'ৰ যাত্ৰাক শক্তি প্ৰদান কৰক! তাৰেই কামনা আৰু পুনৰ শুভেচ্ছাৰে—

ওম প্ৰকাশ
ড° ওম প্ৰকাশ
উপায়ুক্ত, নলবাৰী জিলা

স্থান ঃ নলবাৰী
তাৰিখ ঃ ২৪/১২/২০১৫ ইং

*Vinod Seshan, IAS*
District Magistrate
&
Deputy Commissioner
Kamrup, Amingaon
Guwahati- 781031

☎ 0361-2684404 (O)
0361-2680032 (R)
0361-2684405 (Fax)
94353-40685 (M)
73990-01571 (M)
e-mail : dc-kamrup@nic.in



# শুভেচ্ছাবাণী

স্বেচ্ছাসেৱী সংস্থা গ্ৰাম্য বিকাশ মঞ্চই সফলতাৰে ষোল্ল বছৰ অতিক্ৰম কৰাত অতিশয় আনন্দিত হৈছো। বিগত সময়ছোৱাত অনুষ্ঠানটোৱে অসমৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ (গ্ৰাম্য) জিলাতো বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰূপায়ণেৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নয়নৰ বাবে আৰু তাৰ জৰিয়তে 'প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া'ৰ বাবে প্ৰচেষ্টা চলাই আহিছে। গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিজন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাক মই এই ছেগতে অভিনন্দন যাচিছোঁ। আগন্তুক দিনত গ্ৰাম্য বিকাশ মঞ্চৰ পৰিবৰ্তনৰ যাত্ৰা আৰু অধিক সক্ৰিয়তাৰে আগবাঢ়িব বুলি আশা ৰাখিলোঁ। সমাজৰ সৰ্বস্তৰৰ ৰাইজৰ সক্ৰিয় সহযোগত গ্ৰাম্য বিকাশ মঞ্চৰ পৰিবৰ্তনৰ যাত্ৰা এদিন সাফল্যমণ্ডিত হ'ব বুলি মই আশাবাদী।

গ্ৰাম্য বিকাশ মঞ্চৰ বছৰেকীয়া মুখপত্ৰ 'সীৰলু'ৰ এইবেলি দ্বিতীয় সংখ্যা প্ৰকাশ হ'ব বুলি জানিব পাৰি আনন্দিত হৈছো। অনুষ্ঠানটোৰ সকলো কাম-কাজৰ প্ৰতিচ্ছবি, স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাৰ যাত্ৰাপথৰ অভিজ্ঞতা, উন্নয়নমূলক চিন্তা-চৰ্চা ইত্যাদিৰে 'সীৰলু' সমৃদ্ধ হ'ব বুলি আশা ৰাখিলো, যিয়ে সমাজৰ, সকলোকে বিশেষকৈ নৱ প্ৰজন্মক ধনাত্মক চিন্তা-চৰ্চা, কাম-কাজৰ বাবে অনুপ্ৰেৰণা যোগাব পাৰে। পুনৰ সকলোকে অভিনন্দন আৰু শুভেচ্ছাৰে—

(বিনোদ শেষন) 24/…/15
উপায়ুক্ত, কামৰূপ জিলা (গ্ৰাম্য)
Deputy Commissioner
Kamrup, Amingaon

## সম্পাদকীয়



# সমাজ সেৱাৰ ৰাজনীতি

'সৰোজিনী মাৰ্কেট' নতুন দিল্লীৰ এখন জনপ্ৰিয় বজাৰৰ নাম। দিল্লীৰ দৰে এখন ব্যয়বহুল মহানগৰীৰ বুকুৰ সকলো স্তৰৰ উপাৰ্জনকাৰীয়ে কিবা নহয় কিবা এটা কিনিব পৰা যি দুই-এখন বজাৰ আছে তাৰে অন্যতম এই বজাৰ। সেয়ে দিল্লীলৈ আহিলে সময় পালে আমিও এই বজাৰলৈ এবাৰ পাক এটা মাৰো। কিবা কিনা বা নিকিনা দূৰৈৰ কথা, একোপদ সামগ্ৰী বিক্ৰী কৰাৰ বাবে ফুটপাথত একোজন লোকে কিমান কষ্ট কৰিছে আৰু গ্ৰাহকজনেও আঙুলি মূৰত নিজৰ সক্ষমতাৰ হিচাব কৰি, মনৰ ভিতৰত আৰম্ভ হোৱা যুঁজ-বাগৰক সামৰি সুতৰি কিদৰে ভাল লগা সামগ্ৰীবিধ কিনাৰ সিদ্ধান্ত লৈছে সেইবোৰ চাবলৈকো এনেকুৱা ধৰণৰ সাৰ্বজনীন বজাৰবোৰ ভাল। যোৱা নৱেম্বৰ মাহত দিল্লীলৈ আহোতেও আমি এদিন সন্ধিয়া এই বজাৰলৈ গৈছিলো। মানুহৰ ভিৰ ঠেলি-ঠেলি আমি গৈ আছো। হঠাতে চকুত পৰিল— প্ৰথমশাৰী ফুটপাথৰ কাষতে ডাঙৰকৈ বহিছে এখন মূৰ্তিৰ দোকান। বিভিন্ন ধৰণৰ ধাতুৰে নিৰ্মিত মূৰ্তিবোৰ শাৰী শাৰীকৈ সজাই থোৱা হৈছে মাটিৰ ওপৰতে আৰু দোকানখন একপ্ৰকাৰ ঘেৰি মূৰ্তি কিনাৰ বাবে হেতা-ওপৰা লগাইছে গ্ৰাহকে। লক্ষ্য কৰিলো শাৰী-শাৰীকৈ থৈ দিয়া মূৰ্তি কিম্বা ধৰ্মীয় প্ৰতীকবোৰৰ ভিতৰত আছে— বুদ্ধ, মহাবীৰ, ভগৱান কৃষ্ণ, কাঁচি জোন, অৰ্জুনৰ যুদ্ধৰথ, শিৱ, ত্ৰিশূল, ক্ৰুছবিদ্ধ যীশু ইত্যাদি। দোকানখন ঘেৰি ধৰা গ্ৰাহকসকলৰো পোছাক-পৰিচ্ছদৰ আছে বিচিত্ৰতা। অথচ তেওঁলোক একেখন মূৰ্তিৰ দোকানত উবুৰি খাই পৰিছে তেওঁলোকৰ উপাসনাৰ দেৱ-দেৱী কিম্বা প্ৰতীকক ঘৰলৈ নিয়াৰ তাগিদাত। দোকানৰ কাষতে খন্তেক ৰৈ আমি ব্যস্ত গ্ৰাহকসকলৰ মুখবোৰ চাইছো, চাই, কথা শুনি ধৰিব পাৰিছো- তেওঁলোক দেশৰ বিভিন্ন প্ৰান্তৰৰ পৰা দিল্লীলৈ অহা মানুহ। কিবা নহয় কিবা উপাসনাৰ মাধ্যমেৰে তেওঁলোকে নিজৰ আৰু দহৰ কল্যাণ কামনা কৰা সাধাৰণ মানুহ। এজনে হয়তো ক্ৰুছবিদ্ধ যীশুক হাতত তুলি লৈ শ্ৰদ্ধাত শিৰণত কৰিছে, আনজনে ভগৱান কৃষ্ণক সন্মুখত লৈ অন্যায় অবিচাৰ কিম্বা পাষাণ হৃদয়ৰ বিনাশ কামনা কৰিছে। কিবা এটা ভাবি আমি মূৰ্তিৰ দোকানখনৰ দোকানী যুৱকজনৰ ওচৰ চপাৰ চেষ্টা কৰিলো। কালৈকো গুৰুত্ব নিদি গ্ৰাহকৰ লগত দাম-দৰ থিক কৰাত ব্যস্ত বিশ-পশিছ বছৰীয়া যুৱকজন। তেওঁৰ ব্যস্ততাৰ মাজতে দুই-এটা কথা সুধি গম পালো যে এই মূৰ্তিবোৰ অনা হৈছে উত্তৰ প্ৰদেশৰ আজমগড় নামৰ ঠাইৰ পৰা। ইছলামধৰ্মী যুৱক, দোকানী ৰাজুৰ মতে উল্লিখিত ঠাইৰ এক বিশেষ জনগোষ্ঠীয় লোকৰ প্ৰধান জীৱিকাই হৈছে বিভিন্ন ধাতুৰ মূৰ্তি আৰু ধৰ্মীয় প্ৰতীক নিৰ্মাণ কৰা। অৰ্থাৎ, একেখন হাতেৰেই নিৰ্মিত হয় ঈশ্বৰ-আল্লা-গড কিম্বা উপাসনাভেদে বিভিন্ন প্ৰতীক। স্থানীয় ব্যৱসায়ীসকলেও একেটা বস্তাতে ভৰাই মহানগৰীৰ বুকুলৈ লৈ আহে কোটি কোটি মানুহৰ প্ৰাণৰ দেৱতাক।

সৰোজনী মাৰ্কেটৰ ফুটপাথৰ আমি যেতিয়া মূৰ্তিৰ দোকানৰ সন্মুখত ৰৈ ব্যৱসায়ী ৰাজুৰ সৈতে কথা পাতি এই ব্যৱসায়ৰ আলেখ-লেখ লৈ আছিলো, তেতিয়া দেশৰ সংবাদ মাধ্যম, ৰাজনৈতিক আৰু বুদ্ধিজীৱী মহলত চৰ্চাৰ অন্যতম বিষয় আছিল ভাৰতীয় মানুহৰ সহিষ্ণুতা। কোৱা হৈছে সহৱস্থান আৰু সহিষ্ণুতাৰ অৱক্ষয় ঘটিছে, ক্ষত-বিক্ষত হ'ব লাগিছে 'অতুলনীয় ভাৰত'ৰ মৰ্যাদাপূৰ্ণ ধাৰণা আৰু বিশ্বাসৰ। ভাবিছো— কোনো প্ৰত্যন্ত গাঁৱৰ অখ্যাত শিল্পীয়ে একেখন হাতেৰে প্ৰাণ প্ৰতিষ্ঠা কৰা দেৱ-দেৱীয়েইটো ভক্তিত গদ গদ কৰি ৰাখিছে কোটি কোটি ভাৰতীয়ক! অথচ, তাৰ মাজতে ক'ৰবাত, কেনেবাকৈ লুকা-ভাকু খেলিছে আমাৰ সামাজিক চেতনাই, ক'ৰবাত লুণ্ঠিত হৈছে বিশ্বাসৰ পৃথিৱী! মনলৈ আহিছে এগৰাকী শ্ৰদ্ধেয় কৰিব এটা কবিতা, বৰ সুন্দৰ কবিতা—

"প্ৰাণৰ মানুহ, মোৰ মনৰ মানুহ
সুধিছানে
তোৰ মনৰ মাটিত কুপমণ্ডুকৰ ঠেলা-ঠেলি
বাহিৰত এয়া কতনা সাপৰ কামকেলি
পাহৰিছ নেকি অ'
ভণ্টিজনীৰ শৰীৰৰ দাগ, ভাইটিৰ উচুপনি
ধূসৰ আবেলি...

নৰকৰ কিলবিল সাপে ধৰে নেকি মেৰিয়াই তোক
কৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ কৰি উৰে নেকি ধূলি
তই জান জানো
আমিষ কাহিনী লিখে কোনে ঈশ্বৰ-আল্লাৰ
কোনবোৰ দূতে ঘিউ মৌ খাই কৌতুক কৰে
তই ৰক্ত গঙ্গাত ওপঙা দেখি?

তই জান জানো
এক আৰু বহুৰ নেতিত জাহ যায় তোৰ
বুকুৰ ৰণুৱা ঘোঁৰা
তই হেৰুৱালি তোৰ আকাশ বিয়পা ভাতৰ গোন্ধ
মোৰ প্ৰাণৰ মানুহ, সোণৰ মানুহ
তোৰ যি অমৰ প্ৰাণ
তাৰ বাবে গালে জানো কোনোবাই গান
থ'লে জানো ৰঙা গোলাপৰ পানী আৰু চকুৰ টোপাল?
তোৰ মোৰ নহ'ল সাগৰ যাত্ৰা
তেজে ধোৱা ৰাতিৰ এন্ধাৰত দেখে জানো কোনোবাই
মানুহৰ ঘৰ;
উঠে জ্বৰ— হৃদয়ৰ জীৱনৰ জ্বৰ
সময় জোনাকী ঘৃণাৰ নীলাত নিথৰ
শতিকাৰ মৰাশত ভেন ভেন মাখিৰ প্ৰহৰ...
(ধূসৰ আবেলিৰ গান, নলিনীধৰ ভট্টাচাৰ্য)

শিহৰিত হওঁ, আবেগিকো হওঁ। সঁচাই সময় এতিয়া বৰ ধূসৰ। ধূসৰতাৰ বৰ্তমানত সত্যৰ সন্ধানো সমানেই কষ্টকৰ। এই কঠিন বাস্তৱৰ পৰাই আৰম্ভ হয় সমাজ সেৱাৰ ৰাজনীতিৰ, যিয়ে অৰ্থপূৰ্ণ ভৱিষ্যতৰ সন্ধান কৰে। তথাকথিত ৰাজনীতি কিম্বা কূটিল ৰাজনীতিৰ উৰ্ধত গৈ এখন মানৱীয় সমাজৰ ভৱিষ্যৎ গঢ়াৰ ৰাজনীতিয়ে হ'ল সমাজ সেৱাৰ ৰাজনীতি। নিঃসন্দেহে এই ৰাজনীতিটো পৰিশ্ৰম আৰু কৌশলৰ সমানেই প্ৰয়োজন। ক্ষমতাৰ সলনি সমতা প্ৰতিষ্ঠাৰ এই ৰাজনীতিয়ে সংঘাতৰ সলনি সমন্বয়, শোষণ অৱদমনৰ সলনি মৰম আৰু ন্যায়, সংকীৰ্ণতাৰ সলনি উদাৰতাৰে মানুহৰ সমাজ প্ৰতিষ্ঠাত ব্ৰতী হ'ব পাৰে। আমাৰ দেশৰ চুকে-কোণে অন্ততঃ কিছু সংখ্যক লোকে এনে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আশা কৰো, অসমৰো কিছু সংখ্যক সামাজিক সংগঠন আৰু ব্যক্তি বিশেষে সমাজ সেৱাৰ ৰাজনীতিৰ অংশীদাৰ হৈ ভাগ ভাগ হোৱা সমাজক একত্ৰিত কৰিবলৈ নিৰন্তৰ ব্যস্ত থাকিব, সেই পোহৰেৰে সমাজ আগুৱাব।

(নয়নজ্যোতি ভূঞা)
১ জানুৱাৰী, ২০১৬
সম্পাদক, সীৰলু

## সভাপতিৰ আসনৰ পৰা



# মানুহৰ বাবে মানুহেই ভাবিব লাগিব

মুক্ত অৰ্থনীতিক ভাৰতীয় অৰ্থব্যৱস্থাত আদৰণি জনোৱা সময়ছোৱা আছিল ভাৰতৰ সমাজ, ৰাজনৈতিক ইতিহাসৰ এক টাৰ্ণিংপইণ্ট। মুক্ত অৰ্থনীতিক বিশ্ব বেংকৰ মজিয়াত ঘোৰ বিৰোধিতা কৰা ড° মনমোহন সিং আছিল ভাৰতবৰ্ষত ইয়াৰ প্ৰণেতা। কিন্তু মুক্ত অৰ্থনীতিত এই নব্য ধাৰাই উৎসাহিত কৰিছিল দুৰ্নীতিক। দুৰ্নীতিৰ বৰ্তমানৰ ভয়াৱহ সৰ্বগ্ৰাসী ধাৰা মুক্ত অৰ্থনীতিৰ অভিশাপ স্বৰূপ। কাৰণ ব্যৱসায়ৰ স্বাৰ্থত সকলোৱে জনসাধাৰণৰ স্বাৰ্থক কুঠাৰাঘাত কৰিলে।

প্লেটোৱে কৈছিল "Democracy is a Goverment of foalish people, untill when voters are not educated." এই সত্য ভাৰতীয় গণতন্ত্ৰত পদে-পদে প্ৰমাণিত। গণতান্ত্ৰিক প্ৰমূল্যবোধৰ গূঢ়াৰ্থ নুবুজা এচামৰ হাতত লাঞ্চিত। প্ৰতিটো সময়তে ভয়াৱহভাৱে আঘাত কৰা হৈছে গণতান্ত্ৰিক প্ৰমূল্যবোধক। সেয়েহে গণতন্ত্ৰৰ মন্দিৰ সংসদত এতিয়া কোটিপতি অপৰাধীৰ ৰাজনৈতিক নাটকৰ মঞ্চত পৰিণত হৈছে। দেশৰ স্বাৰ্থক জলাঞ্জলি দি ব্যক্তি স্বাৰ্থৰ খাতিৰত প্ৰতিটো দলেই সংসদত অচলাৱস্থাৰ সৃষ্টি কৰি কৰদাতাসকলৰ ধনৰ অপচয় কৰিছে। আৰু আমি নাগৰিকসকলে সেই ৰং-



ৰহইচ চাই হাত চাপৰি বজাইছো। পাঁচ বছৰৰ মূৰত চৰকাৰ হয়তো সলনি হৈছে। কিন্তু নাটকৰ কাহিনী একেই, সলনি হৈছে অভিনেতা। কিন্তু বাকী নতুনত্ব একো নাই। মাথোঁ নতুন বটলত পুৰণি মদ। গৰিবী হতাওৰ শ্ল'গাণ প্ৰতিটো দলেই স্বাধীনতাৰ পিছৰে পৰা শুনাই থাকিল। কিন্তু গৰিবী নোহোৱা হ'লনে? এনে সময় আহিল যে নিজৰ চৰকাৰৰ কৃতিত্ব জাহিৰ কৰিবলৈ দৰিদ্ৰতাৰ পৰিভাষাই সলনি কৰিবলগীয়া হ'ল। কাৰ্যপালিকাৰ প্ৰত্যক্ষ সহযোগিতাত দুৰ্নীতিয়ে চৰম সীমা অতিক্ৰম কৰিলে। কিন্তু এইবোৰ চিন্তা কৰিবৰ সময় নাই ভাৰতীয়ৰ। মধ্যযুগীয় ধৰ্মীয় ৰাজনীতি এতিয়াও আমাৰ ৰাজনীতিৰ মূল অংগ হৈ থাকিল। এক ঠেক গন্দীৰপৰা আমি ধৰ্মক মানৱীয়তাৰ বহল পৰিসৰলৈ উলিয়াই নিব নোৱাৰিলো। কিন্তু কিয় এনেকুৱা হ'ল? যদি আমি প্ৰায় তিনিশ বছৰমান আগৰ ইতিহাস খুঁচৰিবলৈ যাওঁ; তেন্তে দেখা যায় যে ঐতিহাসিক ভাৱে ভাৰতীয় সমাজ ব্যৱস্থা আছিল এক আদৰ্শ সমাজ। কিন্তু পৰিকল্পিতভাৱে ইয়াক ধ্বংস কৰা হ'ল। ভাৰতীয়ত্বক বাদ দি আমি ইংৰাজৰ ধ্যান- ধাৰণাক আদৰিলোঁ। ৰাজনৈতিকভাৱে আমি স্বাধীন হ'লো। কিন্তু ব্ৰিটিছৰ আৰ্থসামাজিক নীতি আৰু ধৰ্মীয় বিভাজনৰ নীতি আমাৰ মাজত থাকি গ'ল।

এনে এক জটিল সামাজিক আৰু ৰাজনৈতিক পাকচক্ৰত পৰি ভাৰতৰ উন্নয়ন স্থবিৰ হৈ ৰ'ল। স্বাধীনতাৰ ৬৮ বছৰ পিছতো আমি উন্নয়নশীল হৈয়ে থাকিলো। উন্নত হ'ব নোৱাৰিলো। ৰাইজো সজাগ নহ'ল এতিয়ালৈ। দুৰ্নীতি আমাৰ মজ্জাগত হৈ গ'ল। চৰকাৰৰ পৰা আমি সিদ্ধান্ত নহয়, চৰকাৰৰ পৰা ভিক্ষাৰ আশাত ৰৈ থকা হ'লো। উন্নয়নৰ জনস্বাৰ্থ সুদূৰ পাহাৰতে ৰ'ল। এনে প্ৰেক্ষাপটত নতুন ৰূপত আবিৰ্ভাৱ হ'ল কিছু বে-চৰকাৰী অনুষ্ঠানৰ; যিয়ে এচাম লোকক সংগঠিত কৰি সমাজসেৱাৰ এক নতুন ধাৰণাৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। কিন্তু বৰ্তমান কাঁঠফুলাৰ দৰেকৈ গঢ়ি উঠা

কিছুমান এনে সংগঠনে মাত্র চৰকাৰী আঁচনিৰ ধনৰ লোভতেই জনস্বাৰ্থৰ বাবে কাম কৰি থকা সংগঠনৰ সুনামতো কালিমা সানিছে। বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি "গ্ৰাম্য বিকাশ মঞ্চ"ই পোন্ধৰ বছৰ অতিক্ৰম কৰিলে। এই মহান অনুষ্ঠানটোৰ সৈতে জন্মলগ্নৰে পৰা জড়িত হৈ মই নিজেই গৌৰৱান্বিত। বিগত সময়ছোৱাৰ আমাৰ সফলতাৰ হিচাপ-নিকাচ কৰাৰ দায়িত্ব ৰাইজৰ। কিন্তু সফলতাই এটা প্ৰক্ৰিয়াৰ ফলাফল নিৰ্ণয়ৰ একমাত্ৰ মাপকাঠি নহয়। আৰু সফলতা কেৱল এটা অনুষ্ঠানেই কঢ়িয়াই আনিব নোৱাৰে। বিভিন্ন বিষয়ৰ সজাগতাৰ বাবে আয়োজন কৰা অনুষ্ঠানবোৰ তেতিয়াহে সফল হ'ব; যেতিয়া তাৰ প্ৰকৃত অৰ্থ স্বেচ্ছাসেৱকসকলে কমেও ৬০ শতাংশ লোকক হৃদয়ংগম কৰাবলৈ সক্ষম হ'ব নিজৰ কৰ্মৰ মাজেদি। বৰ্তমান আমাৰ সমাজৰ আটাইতকৈ প্ৰয়োজনীয় দিশটোৱেই হৈছে সচেতনতা।

সামাজিক সচেতনতা বঢ়াব পাৰিলেই স্বেচ্ছাসেৱী সংগঠনসমূহৰ লক্ষ্যত উপনীত হোৱাত সহজ হৈ পৰিব। ২০১৫ ইং বৰ্ষটোত এই সংগঠনটোৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব মোৰ হাতত ন্যস্ত কৰা হৈছে। সঁচা অৰ্থত ইয়াৰ বাবে মই সম্পূৰ্ণৰূপে যোগ্য নহয়। কিন্তু সংগঠনটোৰ সদস্যসকলৰ মতামতৰ প্ৰতি সন্মান জনাই পদটোৰ কেনেকৈ মৰ্যাদা ৰাখিব পাৰি তাৰ চেষ্টাত অহৰহ ব্ৰতী আছো। লগতে সমূহ সতীৰ্থ আৰু প্ৰাক্তন সতীৰ্থৰ পৰা দিহা-পৰামৰ্শ শ্ৰদ্ধাৰে কামনা কৰিছো।

বিগত ষোল্ল বছৰে গ্ৰাম্য বিকাশ মঞ্চৰ এই যাত্ৰাত সহায়-সহযোগিতা আগবঢ়োৱা সমূহ ব্যক্তি, প্ৰতিষ্ঠান, জিলা প্ৰশাসন, সংবাদ মাধ্যম, বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থা, বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠান আদিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগেতে সমাগত প্ৰতিটো দিনতেই যাতে একে ধৰণৰ সহযোগিতা লাভ কৰো আন্তৰিকতাৰে কামনা কৰিছো।

সংগঠনটোৰ বিভিন্ন উন্নয়নৰ কাৰ্যসূচীত তৃণমূল পৰ্যায়ত জড়িত হৈ থকা বিভিন্ন ব্যক্তি, সংগঠন আদি যিসকলে নিজ নিজ গাঁৱৰ উন্নয়ন প্ৰক্ৰিয়াটো সক্ৰিয়তাৰে আমাক সহযোগিতা আগবঢ়ায় আহিছে, যিসকলৰ নিঃস্বাৰ্থ সহযোগিতা অবিহনে আমাৰ এই যাত্ৰা কণ্টকময় হৈ উঠিলেহেঁতেন। সেইসকলৈ মোৰ প্ৰণিপাত আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে অনাগত প্ৰতিটো দিনতেই তেখেতসকলৰ একেই সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিছো।



যোৱা ষোল্ল বছৰত সহস্ৰাধিক স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকাই গ্ৰাম্য বিকাশ মঞ্চত পূৰ্ণকালীনভাৱে সেৱা আগবঢ়াইছে। এই অনুষ্ঠানৰ মজিয়াত কৰ্মজীৱনৰ আৰম্ভণি কৰি বহুজনে বিভিন্ন চৰকাৰী, বে-চৰকাৰী অনুষ্ঠানত যোগ দিছে আৰু দক্ষতাৰে সেৱা আগবঢ়াই আছে। বৰ্তমানেও শতাধিক স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই অনুষ্ঠানটোত পূৰ্ণকালীনভাৱে সেৱা আগবঢ়াই আছে। সকলোৰে অদম্য উৎসাহ, অক্লান্ত শ্ৰম আৰু ত্যাগৰ মনোভাবেই অনুষ্ঠানটোক এই পৰ্যায়লৈ উন্নীত কৰিছে। সকলো কষ্ট, যন্ত্ৰণা এৰি সকলোৰে এটাই সপোন। মই প্ৰাক্তন আৰু বৰ্তমানৰ প্ৰতিজন সতীৰ্থলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি অনুষ্ঠানটো গঢ় দিয়াসকলৰ সাংগঠনিক সংস্কৃতি অনাগত দিনবোৰতো অক্ষুণ্ণ ৰাখিব বুলি আশা ৰাখিছো।

গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনাত সাধাৰণ সদস্য/সদস্যা, কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰতিজন সদস্য/সদস্যাই নিঃস্বাৰ্থভাৱে নিজৰ নিজৰ দায়িত্ব অতি দক্ষতাৰে পালন কৰাৰ লগতে অনুষ্ঠানটোৰ সপোন বাস্তৱায়িত কৰাৰ যাত্ৰাত নেতৃত্ব বহন কৰাৰ লগতে শক্তি যোগোৱা আটাইলৈকে তেখেতসকলৰ সেৱাৰ বাবে মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

এই ছেগতে গ্ৰাম্য বিকাশ মঞ্চৰ লগত ওতপ্ৰোতভাৱে জড়িত প্ৰয়াত বীৰেণ কলিতা আৰু গোপাল দাসক শ্ৰদ্ধাৰে সুঁৱৰিছো।

এখন প্ৰগতিশীল আৰু কল্যাণকামী সমাজ নিৰ্মাণৰ বাবে কেৱল এটা সংগঠনেই যথেষ্ট নহয়। তাৰ বাবে সমাজৰ প্ৰতিটো স্তৰৰ প্ৰতিজন ব্যক্তিয়েই নিজৰ স্বকীয় পৰিসৰৰ ভিতৰতে চেষ্টা চলাব লাগিব। গ্ৰাম্য বিকাশ মঞ্চৰ দৰে সংগঠনবোৰে তাত সহযোগিতাহে আগবঢ়াই আহিছে। গতিকে এই যাত্ৰাত সকলোৰেপৰা দল, মত, ভাষা, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সহায়-সহযোগিতা বিচাৰিছো। কাৰণ মানুহৰ বাবে মানুহেই ভাবিব লাগিব।

✍ **কমলেশ্বৰ ভূঞা**

সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ

## সঞ্চালকৰ অনুভৱ



# শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত এখন সমাজ

ব্যক্তিগত অধ্যয়ন তথা পেছাগত কাৰণত বিগত সময়ছোৱাত ঘূৰি ফুৰোতে বিভিন্ন গাঁৱত উপলব্ধি কৰিছো, আমাৰ গাঁওসমূহত ইতিমধ্যে আৰম্ভ হোৱা কিছুমান সমস্যাই আগন্তুক দিনৰ বাবেই অশনি সংকেত কঢ়িয়াই আনিছে। ক্ৰমবৰ্দ্ধমান হাৰত গাঁৱে গাঁৱে লোক কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ পৰা আঁতৰি আহি য'তে যেনেকৈ পাৰে শ্ৰমিক হিচাপে নিয়োগ হৈ উপাৰ্জনৰ পথ মোকলাবলৈ ঢাপলি মেলিছে। ইখন গাঁৱৰ দহজন, সিখন গাঁৱৰ কুৰিজন, আন এখনৰ ত্ৰিশজন যুৱক এইবেলি একেলগে বাহিৰলৈ গৈছে... কোম্পানীৰ জব (Job) কৰিবলৈ। এনেধৰণৰ বতৰত এতিয়া প্ৰায়ভাগ গাঁৱতে সহজে পোৱা যায়। এসময়ত কৃষিকাৰ্যৰে টি.ভি., ফ্ৰীজ, মটৰ-চাইকেল আনিব নোৱাৰিলেও নিজৰ ল'ৰা-ছোৱালী বা ভাই-ভনীক স্কুল-কলেজত পঢুৱাই প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা বহু কৃষক এতিয়া গাঁৱে গাঁৱে দিন হাজিৰা কৰা বনুৱা হিচাপে পৰিচিত হ'বলৈ বাধ্য হৈছে। দুহাল-তিনিহাল বলদেৰে কৃষি কৰা বহু কৃষকৰ ঘৰত এতিয়া শস্যতো বাদেই, এচপৰা গোবৰো পাবলৈ নোহোৱা হৈছে!

একেদৰে, অষ্টম শ্ৰেণীত পঢ়িও গাঁৱৰ নামটো শুদ্ধকৈ লিখিব নোৱৰা, সত্তৰ-আশী শতাংশ নম্বৰ পায়ো একমাত্ৰ নামভৰ্তিৰ টকাকেইটা একেলগে গোটাব নোৱাৰি নাইবা কলেজৰ এটা ছেমিষ্টাৰৰ পিছত আনটো



ছেমিষ্টাৰত পঢ়াৰ বাবে লগা টকাখিনি যোগাৰ কৰিব নোৱাৰি অনিচ্ছা সত্ত্বেও আধাতে শিক্ষা সামৰি আঁতৰি আহিবলৈ বাধ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি হৈছে, প্ৰায়ভাগ গাঁৱতে। সংস্থাপিত হৈ স্থায়িত্বৰ অনিশ্চয়তাত দিন কটোৱা যুৱক-যুৱতীসকলৰ কথা নকওঁৱেই বাৰু...।

'যাৰ নাই গৰু, সি সবাতোকৈ সৰু" বুলি ভবা আমাৰ গাঁৱত এতিয়া 'যাৰ আছে গৰু, সি সবাতোকৈ সৰু" বুলি মানুহে ভাবিবলৈ বাধ্য হৈছে। একেদৰে, " উন্নত শিক্ষা এচামৰ বাবেহে আমি নামটো লিখিব পাৰিলেই হ'ব" বুলি দৃঢ়তাৰে মানি লৈ ল'ৰা-ছোৱালী ১৮ বছৰৰ ডেওনা পাৰ নৌহওঁতেই অৰ্থ উপাৰ্জনৰ বাবে পঠিয়াবলৈ এচাম বাধ্য হৈছে। শিশুৰ শিক্ষাত গুৰুত্ব দিয়াসকলৰো অধিকাংশই গুণগত শিক্ষাৰ আশাক পিঠি দি নম্বৰ প্ৰদান বা আহৰণৰ প্ৰতিযোগিতাত ভাগ লৈ শিক্ষাৰ সমস্ত প্ৰক্ৰিয়াটোকে বিকৃত কৰাত আগভাগ লৈছে। এনেদৰে আগবাঢ়িছে সাম্প্ৰতিক সময়ত আমাৰ প্ৰায়বোৰ অঞ্চলৰ গাঁওবাসীৰ বিকাশৰ সামূহিক যাত্ৰা।...

হয়, আমি বুজি পাইছো বাস্তৱ পৰিস্থিতিয়ে অনা প্ৰত্যাহ্বান নেওচি এনেধৰণৰ সিদ্ধান্তৰেই আগুৱাই যাবলৈ মানুহ বাধ্য হৈছে। কিন্তু কৃষি, শিক্ষাৰ পৰা ক্ৰমে আঁতৰি অহাৰ এনে সিদ্ধান্ত বা পথে আগন্তুক দিনত আনিব পৰা গভীৰ প্ৰত্যাহ্বান আমাৰ সমাজে কেনেদৰে অতিক্ৰম কৰিব? মানৱ সমাজৰ বিকাশৰ সামূহিক যাত্ৰাৰ দীঘলিয়া পথত উপলব্ধ জ্ঞান আৰু অভিজ্ঞতা পাহৰি সাময়িক সকাহৰ বাবে আমি আন এক ক্ষয়িত পথেৰে আগবাঢ়িছো নেকি?... সমাজখনৰ এনে পৰিস্থিতি দেখি এনেকুৱা অজস্ৰ প্ৰশ্ন আমাৰ মনত উদয় হৈছে।

সমাজৰ প্ৰগতিৰ পথত প্ৰত্যাহ্বান অহাটো নতুন কথা নহয়। বিশ্বৰ বিভিন্ন প্ৰান্তত বিভিন্ন সময়ত ভিন্ন ৰূপৰ প্ৰত্যাহ্বান নেওচি মানৱ সমাজ আগুৱাই আহি আহি সাম্প্ৰতিক পৰ্যায় পাইছে। সময়ৰ সোঁতৰ বিভিন্ন পৰ্যায়ত মানৱ সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ বিশ্লেষণ কৰিলে মানুহে নিজে সৃষ্টি কৰা প্ৰত্যাহ্বান আৰু প্ৰাকৃতিক পৰিঘটনাই আনি দিয়া প্ৰত্যাহ্বান, দুয়ো প্ৰকাৰকে দেখা যায়। আদিম অৱস্থাত মানৱ সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ অধিকাংশই আছিল প্ৰাকৃতিক পৰিঘটনাই অনা প্ৰত্যাহ্বান। এনে প্ৰত্যাহ্বান নেওচি আগুৱাবলৈ মানুহে একত্ৰিত হৈছিল, চিন্তা-চৰ্চা কৰিছিল, কাৰ্যপন্থা বা উপায় উদ্ভাৱন কৰিছিল। তেনে প্ৰেক্ষাপটতে হয়তো আৰম্ভ হৈছিল মানৱ সমাজৰ সামূহিক যাত্ৰাৰ প্ৰাৰম্ভণ। সময়ৰ লগে লগে সামূহিক যাত্ৰাৰ অভিজ্ঞতাৰে পুষ্ট হৈ মানুহে সলনি কৰিলে জীৱন ধাৰণৰ প্ৰণালী তথা নিয়ন্ত্ৰণৰ নীতি-নিয়ম, অংকিত কৰিলে বৃদ্ধি আৰু বিকাশৰ পথ...। সময়ৰ প্ৰতিটো ঢাপতে উত্থান-পতনৰ ইতিহাসেৰে সমৃদ্ধ হৈ এনেদৰে আগবাঢ়ি গ'ল মানুহৰ সামূহিক যাত্ৰা, ভিন্ন প্ৰান্তত, ভিন্ন ৰূপত। আমি আৰু আমাৰ সমাজখনো একেদৰেই আহি আহি আজিৰ পৰ্যায়ত উপনীত হৈছোহি।

মানৱ সমাজৰ সামূহিক যাত্ৰাৰ অতি গুৰুত্বপূৰ্ণ পৰিঘটনাটো হ'ল সংগঠিত ৰূপত কৃষিকাৰ্যৰ আৰম্ভণি, যিয়ে দ্ৰুত গতিত সলনি কৰিলে সামাজিক বিকাশৰ ইতিহাস। লাহে লাহে আৰম্ভ হৈছিল তাকৰীয়া সম্পদৰ ওপৰত একাংশৰ প্ৰভূত্ব। আৰু আৰম্ভ হৈছিল একাংশ সম্পদৰ গৰাকীৰ আন একাংশৰ ওপৰত নিয়ন্ত্ৰণ। আপেক্ষিকভাৱে তেতিয়াৰ সমতাপূৰ্ণ সমাজত আৰম্ভ হৈছিল সক্ষম-অক্ষম, থকা-নথকা, গৰাকী -তলতীয়া ইত্যাদি বিভাজনৰ ধাৰণা। তেনে বিভাজিত সমাজত সংযোজিত হৈছিল মুদ্ৰাৰ জৰিয়তে বিনিময় কিনা-বেচাৰ প্ৰথা। একাংশ জাগ্ৰত হৈছিল সামাজিক জীৱনৰ সকলো প্ৰয়োজনীয়তাক কিনিব বা বেচিব পৰা সামগ্ৰীৰূপে প্ৰতিষ্ঠা কৰা বাসনাৰে। সময়ৰ লগে লগে "ব্যক্তিগত জীৱন" 'পৰিয়াল' আদিৰ ধাৰণা বৃদ্ধি হ'ল। লগে লগে বৃদ্ধি হ'ল সামূহিক প্ৰয়োজনীয়তাৰ বিপৰীতে ব্যক্তিগত প্ৰয়োজনীয়তা পূৰণৰ বাসনা আৰু প্ৰতিযোগিতা। এনে বাসনা আৰু প্ৰতিযোগিতাই সুযোগ আৰু সুবিধা প্ৰদানেৰে সুদৃঢ় কৰিছিল এচামৰ ওপৰত আন এচামৰ সম্পদৰ প্ৰভূত্ববাদ। তেনে সম্পদ আৰম্ভণিতে কৃষি উপযোগী মাটি আৰু উৎপাদিত খাদ্যশস্য আছিল যদিও পিছলৈ কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় সঁজুলি, জন্তু, বীজ ইত্যাদিও অন্তৰ্ভুক্ত হৈছিল। এনেদৰে সময়ে সময়ে বিভিন্ন প্ৰান্তত সামাজিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, আদান-



প্ৰদানেৰে গঢ় লৈ উঠিছিল একো একোটা সভ্যতা, সংস্কৃতিৰ; যিবোৰৰ কেন্দ্ৰস্থলত আছিল কৃষিকাৰ্য। আপোনাৰ, মোৰ, সমাজ-সংস্কৃতিয়েও একে পৰিক্ৰমাৰে গতি কৰি আহিছে।

মানৱ সমাজৰ পৰিবৰ্তনৰ এই দীঘলীয়া যাত্ৰাত যাত্ৰাপথৰ অভিজ্ঞতা, প্ৰত্যাহ্বান নেওচাৰ অভিজ্ঞতা, প্ৰাকৃতিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিশ্লেষণৰ দ্বাৰা উপলব্ধ অভিজ্ঞতা, জীৱন সংগ্ৰামত আহৰণ কৰা অভিজ্ঞতা ইত্যাদিক লৈ আৰম্ভ হৈছিল সামাজিক 'জ্ঞান ভাণ্ডাৰ'। এনে জ্ঞান ভাণ্ডাৰৰ জ্ঞান প্ৰভাৱিত হৈছিল প্ৰজন্মৰ পিছত



প্ৰজন্মলৈ। লাহে লাহে সেয়া আনুষ্ঠানিক প্ৰক্ৰিয়াৰ ৰূপ লৈছিল আৰু সমান্তৰালভাৱে সমাজত জনা-নজনা, জ্ঞানী-অজ্ঞানীৰ ধাৰণা বিয়পিছিল আৰু আপেক্ষিকভাৱে সমতাপূৰ্ণ সমাজখন পুনৰ বিভাজিত হৈছিল ভিন্ন প্ৰান্তত, ভিন্ন ৰূপত। পৰ্যায়ক্ৰমে জনা বা জ্ঞানীসকলৰ প্ৰভাৱ বৃদ্ধি হৈছিল, নজনা বা অজ্ঞানী সকলৰ ওপৰত। জনাসকল হৈ পৰিছল জ্ঞান ভাণ্ডাৰৰ গৰাকী। তেনে লোকসকল সহজে হৈ পৰিছিল সম্পদৰো গৰাকী। এনেদৰেই সমাজত এচাম জ্ঞানৰ গৰাকী হিচাপে প্ৰতিষ্ঠা হৈ আৰম্ভ হৈছিল "জ্ঞানৰ প্ৰভূত্ববাদ'। আৰম্ভ হৈছিল 'গৰাকী'সকলৰ মাজতো প্ৰতিযোগিতা। সমবিতৰণ বা আহৰণৰ পথ ৰুদ্ধ কৰি সম্পদৰ গৰাকী বা জ্ঞানৰ গৰাকী মালিকীস্বত্ব নিজৰ জ্ঞাতি-কুটুম্বৰ মাজতে বংশাণুক্ৰমে বৰ্তাই ৰখাৰ সকলো ব্যৱস্থা কৰি এক নতুন সামাজিক পৰাম্পৰা তথা সংস্কৃতি গঢ়ি তুলিলে। এনেদৰেই স্তৰে স্তৰে বিভাজিত হৈ সামাজিক বিকাশৰ যাত্ৰা আগবাঢ়ি গ'ল।

এনে প্ৰেক্ষাপটতে আৰম্ভ হৈছিল এচামৰ মানুহ হিচাপে জীয়াই থকাৰ বাবে প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণৰ সংগ্ৰাম আৰু এচামৰ 'ইচ্ছা বা আকাংক্ষা' পুৰণৰ বাসনা। সময়ৰ লগে লগে এনে ইচ্ছা বা আকাংক্ষাৰ তালিকা দিঘলীয়া হ'ল। এচামৰ ইচ্ছা আকাংখা পূৰণৰ বাবেই আন এচামৰ ওপৰত বৃদ্ধি হ'ল শোষণ, শাসন, নিয়ন্ত্ৰণ, দমনেৰে সম্পদ দখলৰ কুটিল খেল। সম্পদৰ গৰাকীসকলে যিদৰে প্ৰতিটো সম্পদক কিনা-বেচা কৰিব পৰা সামগ্ৰীৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিলে, জ্ঞানৰগৰাকীসকলেও জ্ঞান বা শিক্ষাক সামাজিক নিয়ন্ত্ৰণ, শাসন, শোষণ, তথা সম্পদ আহৰণৰ উপায় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস অব্যাহত ৰাখিলে। এনেদৰে আৰম্ভণিৰ সমতাপূৰ্ণ সমাজখন বহুধাবিভক্ত হৈ আগবাঢ়িয়েই থাকিল।

মানৱ সমাজৰ এই দীঘলীয়া যাত্ৰাত দেখা যায় এচামে বিচাৰি আহিছে সম্পদ আৰু জ্ঞানৰ সুষম বিতৰণ বা আহৰণৰ পথ আৰু তাৰ জৰিয়তে সমতাপূৰ্ণ সমাজ স্থাপন, আনচামে বিচাৰি আহিছে যিকোনো প্ৰকাৰে প্ৰভূত্ববাদ অক্ষুণ্ণ ৰাখি বংশানুক্ৰমে ইচ্ছা-বাসনাৰ ভোগ দখলৰ স্থায়ী বন্দৱস্ত কৰা। আৰু তেনে অভিপ্ৰায়েৰে এচামে আনচামক সদায় সকলো ক্ষেত্ৰত নিৰ্ভৰশীল হৈ থকাটো বা কৰাটো বিচাৰি আহিছে।

হেজাৰ হেজাৰ বছৰৰ দীঘলিয়া যাত্ৰাৰ অভিজ্ঞতাই আমাক বাৰে বাৰে তাকে সকীয়াই আছে! এনে সকীয়নিৰ পিছতো যদি আমি কৃষি আৰু শিক্ষাক পিঠি দি অন্য পথেৰে আগবাঢ়িব বিচাৰো আমাৰ আনৰ

ওপৰত নিৰ্ভৰশীলতা দিনে দিনে বাঢ়ি গৈ নাথাকিবনে? ব্যক্তিগত জীৱনৰ প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি হ'লে এদিন আমাৰ পৰিচয় হেৰাই যাব। পৰিচয়বিহীন হ'লে আমাৰ যাউতীযুগীয়া সংস্কৃতিও বিলোপ হ'ব। আমাৰ নৱ-প্ৰজন্ম যদি উপযুক্ত শিক্ষাৰে শিক্ষিত তথা জ্ঞানী হ'ব নোৱাৰে, জ্ঞানৰ প্ৰভুত্ববাদ অক্ষুণ্ণ ৰাখিব বিচৰাসকলৰ দ্বাৰা একেদৰেই প্ৰভাৱিত হৈ থাকিব লাগিব, প্ৰতাৰিত হোৱাৰ, শোষিত হোৱাৰ সম্ভাৱনা সদায়ে থাকিব। যিটো আনটো চামে যুগে যুগে বিচাৰি আহিছে।...

সাম্প্ৰতিক সময়ত আমাৰ চৌপাশৰ গ্ৰাম্য সমাজখনৰ পৰিস্থিতি পৰ্যবেক্ষণ কৰিলে তেনে এক ভয়াৱহ ভৱিষ্যতৰ ইংগিতে পোৱা যায়। উপাৰ্জনৰ পথ নহ'লেও পৰিয়ালত প্ৰয়োজনীয় পুষ্টিকৰ খাদ্য উৎপাদনৰ বাবে কৃষিকাৰ্য কৰাৰপৰাও মানুহ আঁতৰি আহিব লাগিছে। এনেদৰে থাকিলে এদিন হয়তো আমাৰ পুষ্টিৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব। একেদৰে আমাৰ মৰ্যাদা বৃদ্ধি আৰু অটুট ৰাখিব পৰা শিক্ষা যেন বহুতৰ বাবে অলাগতিয়াল হৈ পৰিছে। যিকোনো প্ৰকাৰে পৰিয়ালত নগদ ধনৰ সোঁত বোৱাব পৰাটোৱে প্ৰধান লক্ষ্য হৈ পৰিছে। যিটো প্ৰকৃত প্ৰগতিৰ বাবে ভয়াৱহ ধাৰণা।



নীতি নিৰ্দ্ধাৰকসকলৰ উন্নয়নৰ কিছু নীতি যেন বহুতৰ বাবে প্ৰচণ্ড হেঙাৰ হৈ পৰিছে, কৃষি বা শিক্ষাৰ পৰা এচামক আঁতৰি যাবলৈ বাধ্য কৰিছে। হয়তো উন্নয়নৰ এনে নীতিয়ে সম্পদৰ বা জ্ঞানৰ প্ৰভুত্ব এচামৰ বাবে সুৰক্ষিত আৰু বংশাণুক্ৰমিক কৰি ৰখাৰ পৰিকল্পনা মজবুত কৰিব। এচামে আকৌ ডাৰউইনৰ সুৰতে "যোগ্য ভোগ্য বসুন্ধৰা"ক আওৰাই তেনে নীতিৰ সপক্ষে যুক্তি প্ৰদান কৰি নিজৰ মৰ্যাদা অক্ষুন্ন ৰখাৰ প্ৰচেষ্টা কৰিব আৰু ছ'চিয়েল ডাৰউইনিজমৰ প্ৰসাৰেৰে প্ৰবক্তাৰূপে প্ৰতিষ্ঠিত হ'ব। কিন্তু তেনে লোকসকলে এইটোও বুজা উচিত হ'ব যে সকলো ক্ৰিয়াৰে প্ৰতিক্ৰিয়া থাকে। যি ক্ৰিয়াই আজিৰ পৰিস্থিতি সৃষ্টিত ইন্ধন যোগাইছে, এদিন সমাজত তাৰ ভয়াৱহ প্ৰতিক্ৰিয়া হোৱাৰো আশংকা থাকিব।

এনে এক পৰিৱেশত গাঁৱে-ভূঞে ঘূৰি-ফুৰি অনুভৱ হৈছে, পৰিৱৰ্তনৰ এই জটিল সময়ছোৱাত আমাৰ গ্ৰাম্য সমাজখনৰ সাম্প্ৰতিক গতিক লৈ গভীৰভাৱে চিন্তা কৰাৰ সময় হৈছে। এনে চিন্তাই আমাৰ সমাজত কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ বিকাশ, তেনে বিকাশৰ বাবে উপযুক্ত পৰিৱেশ আৰু নীতিৰ নিশ্চিত কৰা, আমাৰ সমাজত প্ৰতিজন শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতীক সুশিক্ষাৰে শিক্ষিত কৰি জ্ঞানৱান কৰা, জীৱন সংগ্ৰাম স্বনিৰ্ভৰশীল হৈ মৰ্যাদা সহ জীয়াই থাকিব পৰাকৈ সক্ষম কৰাৰ সংকল্পৰে আৰম্ভ হ'ব লাগিব। কেৱল খাদ্য সুৰক্ষাই নহয়, আমাৰ পুষ্টি সুৰক্ষাও নিশ্চিত হ'ব লাগিব। কৃষিৰ প্ৰধান উপাদান বীজৰ ওপৰত কৃষকৰ সম্পূৰ্ণ কৰ্তৃত্ব থাকিব লাগিব। জলসিঞ্চনকে ধৰি কৃষিৰ বাবে প্ৰয়োজনীয় সুবিধা নিশ্চিত কৰিব লাগিব। একেদৰে কেৱল আখৰ চিনিব আৰু লিখিব পৰাকৈ নহয়, প্ৰতিটো শিশুৰে বিশ্বমানৰ গুণগত শিক্ষা গ্ৰহণৰ সুযোগ-সুবিধাৰ অধিকাৰ নিশ্চিত কৰিব লাগিব। টকাৰ অভাৱত যাতে আমাৰ গাঁৱৰ কোনোৱে আধাতে শিক্ষা সামৰিব লগা নহয়, তাৰ সুনিশ্চিত দিহা কৰিব লাগিব। এয়াই আজিৰ পৰিস্থিতিত সকলোৰে বাবে সময়ৰ দাবী।

গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাসকলেও আগন্তুক দিনত গাঁৱে গাঁৱে এনেধৰণৰ চিন্তা আৰু সংকল্পৰে "কৃষি আৰু শিক্ষা"ক উন্নয়নৰ প্ৰধান লক্ষ্য হিচাপে লৈ আগবাঢ়ি যাব লাগিব। উপাৰ্জনক্ষম কৃষিকাৰ্য আৰু সুশিক্ষাৰ নিশ্চয়তাৰে আমাৰ সামাজিক বিকাশৰ যাত্ৰা আগুৱাব লাগিব। সুষমভাৱে সম্পদ আৰু শিক্ষা-জ্ঞানৰ গৰাকী হ'বলৈ সকলোকে নিশ্চিত সুযোগ আৰু সুবিধা প্ৰদানৰ বাবে উপযুক্ত পৰিৱেশ, প্ৰক্ৰিয়া আৰু নীতিৰ বাবে প্ৰয়াস কৰিব লাগিব। তেতিয়াহে হয়তো আমাৰ গাঁৱত আমি বিচৰা "শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজখন" এদিন বাস্তৱায়িত হ'ব। সকলোৰে প্ৰতি তাৰেই আহ্বানেৰে...

✍ **পৃথ্বিভূষণ ডেকা,** সঞ্চালক, গ্ৰাম্য বিকাশ মঞ্চ

# সূচীপত্র


- নৱ প্ৰজন্মৰ নেতৃত্বক সৱলীকৰণ ✍ ডাঃ সুৰেণ মজুমদাৰ/১৫
- এজন বৰভগীয়াৰ সুখানুভৱ ঃ প্ৰসঙ্গ জি.ভি.এম. ✍ ফণীধৰ ডেকা/১৭
- অৱহেলিত শিশুৰ ভৱিষ্যতৰ দিক্ নিৰ্ণয় কৰক ✍ মহানন্দ পাঠক/১৯
- 'গ্ৰাম্য বিকাশ মঞ্চ' সম্পৰ্কে মোৰ অনুভৱ ✍ ড° ধনেশ্বৰ বৈশ্য/২০
- মোৰ অনুভৱত জি.ভি.এম. ✍ ড° সুশান্ত কুমাৰ কাশ্যপ/২২
- জি.ভি.এম. ঃ এক মিঠা অনুভৱ ✍ যোগেন্দ্ৰ কলিতা/২৪
- গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰাত সংবাদ মাধ্যমৰ ভূমিকা ✍ ৰমেন কলিতা/২৭
- মৰিচিকা... শিক্ষাৰ অধিকাৰ আইন **(RTE Act-2009)** ৰূপায়ণত চমু পৰ্য্যবেক্ষন ✍ কামিনী মোহন বৰপাত্ৰ গোহাঁই/২৯
- অসমৰ কৃষক আৰু জি.ভি.এম.ৰ অৰ্থনীতি ✍ মৃণ্ময় কুমাৰ নাথ/৩১
- গ্ৰামাঞ্চলৰ বিদ্যালয় বনাম ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ✍ শ্বাহআলম আহমেদ/৩৪
- প্ৰত্যাশা ✍ ক্ষিতীশ ডেকা/৩৬
- কৰ্মভূমি ✍ দেৱ কুমাৰ বড়ো/৩৬
- আশীৰ্বাদ ✍ শান্তনু শৰ্মা/৩৬
- পুৰণি দিনৰ মৃত্যুত ✍ প্ৰণৱ কুমাৰ বৰ্মন/৩৭
- সীৰলুতেই জীৱনৰ ৰং ✍ তৰণী কলিতা/৩৭
- নেতা আৰু নেতৃত্বৰ ধাৰণা ✍ অৰূপজ্যোতি দাস/৩৮
- **The Forgotten Land Policies** ✍ **Kishor Kumar Kalita**/৪১
- **Rapidly Changing Climate Hits Hard Flora, Exotic Plants in NE** ✍ **Anup Sarma**/৪৪
- **Organization Audit Concept, Objectives And Advantages Of Internal Audit** ✍ **Dr. Rajumani Sarma**/৪৬
- **Problems of Girl Child Domestic Workers in India** ✍ **Ms. Girimallika Sarma**/৪৮
- **Cyber World And Crime** ✍ **Kamal Haloi**/৫৫

- **The 'Host' and the 'Other': Narrativising Migration and Identity-Politics in Assam** ✍ **Uddipan Dutta/৫৬**
- **Rush Rush Rush...** (Reflection: 2006-2009, childhood dreams) ✍ **Er. Jitendra Deka/৫৯**
- **Haiku: In my curled Thoughts** ✍ **Gagan Deka/৫৯**
- **Lazy Spider** ✍ **Nabajyoti Haloi/৫৯**
- বাটৰ নাট... ঃ তিতা-মিঠা কিছু অনুভৱ ✍ ৰতন তালুকদাৰ/৬০
- সমবায় ঃ কৃষক সকলৰ নতুন জীৱনৰ পথ ✍ জিতেন্দ্ৰনাথ কলিতা/৬২
- বিপন্ন হৈছে বন্যপ্ৰাণীৰ অস্তিত্ব ✍ পম্পী দাস/৬৪
- সুখী হওঁ আহা ✍ হীৰক জ্যোতি বৰ্মন/৬৭
- নলবাৰীৰ জাপি শিল্প ঃ চমু আলোকপাত ✍ সুনীল কলিতা/৭১
- প্ৰসংগ ঃ এন জি অ' ✍ মুকুট লোচন/৭৩
- ভাৰতবৰ্ষৰ বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধি ঃ এক আলোকপাত ✍ প্ৰাঞ্জল চক্ৰৱৰ্ত্তী/৭৫
- অবিভক্ত উত্তৰ কামৰূপৰ কৃষিভূমি ✍ হৰেশ্বৰ বৰ্মন/৭৮
- উন্নয়নৰ যাত্ৰাত গ্ৰাম্য বিকাশ মঞ্চ ✍ দিবাকৰ ডেকা/৮০
- শিক্ষা সম্পৰ্কীয় কেতবোৰ কথা ✍ ৰমেন দাস/৮৭
- গ্ৰাম্য সংগঠন... কিছু আশা, কিছু প্ৰত্যাশা ✍ নৃপেন্দ্ৰ নাথ ডেকা/৮৯
- প্ৰসংগত শিশু, দুৰ্যোগ ইত্যাদি... ✍ কমল কিশোৰ হাজৰিকা/৯১
- মানৱ অধিকাৰ ঃ এক চমু আভাষ ✍ চন্দন তালুকদাৰ/৯৩
- কন্যা সন্তান দিৱসৰ বিপৰীতে কিছু কথা ✍ প্ৰাঞ্জনা ডেকা/৯৫
- শিশুৰ ব্যক্তিত্ব গঠনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা ✍ হিমানী ৰাজবংশী/৯৭
- সুখ-দুখ ঃ এক পৰ্যালোচনা ✍ ক্ষিতীশ কাকতি/৯৯
- শিশুৰ অধিকাৰ আৰু বাস্তৱ ✍ দ্বিপেন কলিতা/১০১
- গ্ৰাম্য বিকাশ মঞ্চ আৰু 'আবেগ' ✍ জ্যোতিষ দাস/১০২
- **Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 16 Years.../১০৪**


## গ্ৰাম্য বিকাশ মঞ্চ


গ্ৰাম্য বিকাশ মঞ্চ এটি অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। ছ'চাইটি ৰেজিষ্ট্ৰেচন এক্ট 'XXI, ১৮৬০' অধীনত পঞ্জীকৃত অনুষ্ঠানটোৰ পঞ্জীয়ন নং ঃ RS/NAL/B/246/39 of 2000-2001। অনুষ্ঠানটো ভাৰত চৰকাৰৰ ফ'ৰেইন কণ্ট্ৰিবিউচন ৰেগুলেচন এক্টৰ অধীনত পঞ্জীকৃত। পঞ্জীয়ন নং ঃ 020640005। আয়কৰ আইন ১৯৬১ৰ '৮০ জি অধিনিয়ম' অনুসৰি গ্ৰাম্য বিকাশ মঞ্চত দান বৰঙনি আগবঢ়োৱা দাতা, কৰ ৰেহাইযোগ্য বিবেচিত হ'ব। ঠিকনা ঃ কাৰ্যালয় চৌহদ, বৰবৰী, জিলা ঃ নলবাৰী (অসম)। ফোন নং ঃ ০৩৬২৪-২৮৩৭৪০, ২৮৩৮৮৮, ২৮৩৭৭৪। ই-মেইল ঃ gvmassam@gmail.com। ৱেবছাইট ঃ www.gvmassam.org।



# নৱ প্ৰজন্মৰ নেতৃত্বক সবলীকৰণ


✍ **ডাঃ সুৰেণ মজুমদাৰ**
মুখ্য উপদেষ্টা, গ্ৰাম্য বিকাশ মঞ্চ


প্ৰতিখন গাঁৱতে এখন "শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ" গঢ়াৰ লক্ষ্যৰে ইং ১৯৯৯ চনতে আৰম্ভ কৰা গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰাই বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি ষোল্ল বছৰ অতিক্ৰম কৰিলে। বিগত সময়ছোৱাত আমাৰ সেৱাৰ মূল্যায়নৰ ভাৰ সমাজলৈ এৰিলো। লগতে আমাৰ ত্ৰুটি-বিশ্ৰুতি আঙুলিয়াই আগন্তুক দিনত গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰাক আৰু অধিক গতিশীল প্ৰদান কৰাত সহায়-সহযোগ আগবঢ়াবলৈ মই সকলোকে বিনম্ৰতাৰে অনুৰোধ জনালো।

এটি শিশুৰে যেনেকৈ বিকশিত হৈ আগবাঢ়ি যায়, গ্ৰাম্য বিকাশ মঞ্চয়ো অজস্ৰ সীমাবদ্ধতা, ঘাত-প্ৰতিঘাত নেওচি আজিৰ স্তৰলৈ বিকশিত হৈছে। সন্মুখত আৰু বাট আছে...। আশা কৰো ৰাইজৰ/আপোনাসবৰ সৰ্বাত্মক সহযোগত আমাৰ সমাজ ধনাত্মক দিশেৰে আগুৱাই নিয়াত অহা দিনবোৰত গ্ৰাম্য বিকাশ মঞ্চই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব। সমাজত ভিন্ন মন, ভিন্ন ৰুচিবোধ বা ভিন্ন সক্ষমতাৰ ব্যক্তি থাকে। তথাপিতো সমাজ একোখনত বান্ধি ৰাখে কিছু নেদেখা বা হাতেৰে স্পৰ্শ কৰিব নোৱৰা কাৰকে। তেনে কাৰক সমাজভেদে বেলেগ বেলেগ হ'ব পাৰে। আকৌ এখন সমাজক আন সমাজৰ লগত বান্ধি ৰাখিবলৈ কিছু উমৈহতীয়া কাৰক থাকে। সমাজৰ স্তৰভেদে আকৌ ই ভিন্ন ৰূপত প্ৰতিফলিত হয়। এনে কাৰক সমূহ হ'ব পাৰে খাদ্য, পোছাক, পৰম্পৰাগত ৰীতি-নীতি, পৰম্পৰাগত ধ্যান-ধাৰণা, সামাজিক প্ৰমূল্যবোধ ইত্যাদি বিষয়। এয়া হয়তো এটা শব্দত ক'বলৈ গ'লে সামাজিক সংস্কৃতি। এই সংস্কৃতি পৰিবৰ্তনশীল। সময়ৰ লগে লগে পৰিবৰ্তন হৈ সমাজক আগুৱাই নিয়ে।

বিগত ষোল্ল বছৰৰ যাত্ৰাত গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাৰ কাম-কাজৰ জৰিয়তে সাংগঠনিক উত্তৰণৰ পথত একে স্বকীয় সংস্কৃতিয়ে গঢ় লৈ উঠিছে। এই সংস্কৃতিৰ মূল সূতাডাল হ'ল আমাৰ উমৈহতীয়া সপোন "প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া।" এই সপোনৰ বাবে আমি মিলিত হৈছো, সেৱাত জড়িত হৈ আছো আৰু আগবাঢ়ি গৈ আছো। আপোনাৰ মোৰ আৰু আমাৰ সমাজখনক নিজৰ গাঁওখন আগত ৰাখিয়ে আমি আটায়ে এই সপোন ৰচিছো। যি সপোনে আমাক দিন-ৰাতি একাকাৰ কৰি

কঠোৰ পৰিশ্ৰমেৰে সেৱা আগবঢ়াই যাবলৈ প্ৰেৰণা যোগায়। এই সপোন বাস্তৱায়িত কৰাৰ যাত্ৰাত আমি আটায়ে নীতি, নিয়ম, দায়িত্ব, কৰ্তব্য, সীমাবদ্ধতা ইত্যাদি সৃষ্টি কৰি লৈ আগবাঢ়ি গৈ এক সাংগঠনিক সংস্কৃতি গঢ়ি তুলিছো। মই আশা ৰাখিম আমি আটায়ে অতি পৰিশ্ৰমেৰে বিকশাই তোলা গ্ৰাম্য বিকাশ মঞ্চই সেৱাৰ সংস্কৃতি আগন্তুক দিনত আৰু অধিক সুদৃঢ় কৰি তুলিব পাৰিম আৰু ধনাত্মক চিন্তা-চৰ্চাৰে অনুষ্ঠানটোক আগবঢ়াই নিব পাৰিম। কোনো অপশক্তি যাতে আমাৰ সেৱাৰ সংস্কৃতিত হেঙাৰ হ'ব নোৱাৰে তাৰ বাবে আমি আটায়ে সতৰ্কতাকে খোজ দিব লাগিব। আশা কৰো আপোনালোক আটায়ে সহযোগ কৰিব।

গ্ৰাম্য বিকাশ মঞ্চৰ মজিয়াত জীৱনৰ কৰ্ম জীৱন আৰম্ভ কৰি দুই শতাধিক স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই চৰকাৰী/বে-চৰকাৰী বিভিন্ন ক্ষেত্ৰত সফলতাৰে সেৱা আগবঢ়াই আহিছে। অন্যান্য কামৰ লগতে এয়াও আমাৰ গৌৰৱৰ বিষয় যে অসমীয়া শিক্ষিত যুৱক-যুৱতীৰ বাবে গঠনাত্মক দিশেৰে কৰ্ম জীৱনৰ আৰম্ভণি কৰাৰ এক ক্ষেত্ৰ হিচাপে গ্ৰাম্য বিকাশ মঞ্চই বহুতো সীমাবদ্ধতাৰ মাজতো এক বিশেষ ভূমিকা পালন কৰি আহিছে। নলবাৰী জিলাত আৰম্ভ কৰা এনে পদক্ষেপ আগন্তুক দিনত আমি ৰাজ্যখনৰ অন্যান্য প্ৰান্তলৈও আগুৱাই নিব লাগিব; যাতে নিৰাশা, হতাশাৰ বিপৰীতে আমি আশাৰ বেঙুনি বিলাব পাৰো, সৃষ্টিৰ বীজ ৰোপণ কৰিব পাৰো,



ধনাত্মক পৰিৱেশ গঢ় দিবলৈ সমাজক পথ দেখুওৱাব পাৰো। গ্ৰাম্য বিকাশ মঞ্চত জড়িত বৰ্তমান বা প্ৰাক্তন সকলো স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাক মই বিনম্ৰতাৰে তেনে প্ৰয়াসত ব্ৰতী হ'বলৈ আহ্বান জনালো। ইং ২০১৫ বৰ্ষটো গ্ৰাম্য বিকাশ মঞ্চৰ বাবে এটি গুৰুত্বপূৰ্ণ বছৰ। এই বছৰটোত গ্ৰাম্য বিকাশ মঞ্চই বহু গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি অনুষ্ঠানটো আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে। অনুষ্ঠানটোত দ্বিতীয় প্ৰজন্মৰ নেতৃত্বক সবলীকৰণ আৰু আগুৱাই অনাৰ পদক্ষেপ লৈছে। তেনে বহু পৰিবৰ্তনৰ কাম-কাজত কিছু প্ৰভাৱ পৰিছে যদিও আগন্তুক দিনত সুস্থিৰতাৰ ক্ষেত্ৰত ই এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। আশা কৰো সকলোৰে উক্ত ধনাত্মক দৃষ্টি লৈ আগুৱাই যাব।

সদৌ শেষত গ্ৰাম্য বিকাশ মঞ্চৰ উন্নয়ন প্ৰক্ৰিয়াত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা, সদস্য/সদস্যা, কাৰ্যনিৰ্বাহক সদস্য/সদস্যা, শুভাকাংক্ষী ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান তথা আমাৰ অনুষ্ঠানটোৰে ৰূপায়ণ কৰি থকা প্ৰকল্পসমূহৰ লগত জড়িত শ্ৰদ্ধাৰ ৰাইজক মই এই ছেগতে শ্ৰদ্ধা, অভিনন্দন আৰু কৃতজ্ঞতা জনালো। অহা দিনবোৰত গ্ৰাম্য বিকাশ মঞ্চক আৰু অধিক শক্তিশালী কৰাৰ বাবে আপোনাসৱৰ সৰ্বাত্মক সহযোগ বিনম্ৰতাৰে কামনা কৰিলো। আমাৰ আটাইৰে আশাশুধীয়া প্ৰচেষ্টাৰে এদিন আমাৰ "প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া"ৰ সপোন বাস্তৱায়িত হ'ব। তাৰেই কামনাৰে...

# এজন বৰভগীয়াৰ সুখানুভৱ
# প্ৰসঙ্গ জি.ভি.এম.

✍ **ফণীধৰ ডেকা**
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ, বৰভাগ কলেজ

জি.ভি.এম. (গ্ৰাম্য বিকাশ মঞ্চ) নাম আৰু কামৰ মণিকাঞ্চন সংযোগ ঘটোৱা এটি অনুষ্ঠানৰ নাম। চৰকাৰী বিভিন্ন জনকল্যাণমূলক আঁচনিৰ ভেঁকোভাওনাই যি সময়ত সমাজক বিভ্ৰান্ত পৰিস্থিতিলৈ পৰ্যাবেসিত কৰিছে, দালালৰাজে যি সময়ত সমাজ-জীৱন কলুষিত কৰিছে, চৰকাৰী আঁচনিৰ ধনে যি সময়ত জনতাৰ জেপ লুৰুকি ব্যক্তি বিশেষৰ বেংক বেলেঞ্চ টনকিয়াল কৰিছে তথা জনকল্যানৰ নামত অনেক স্বেচ্ছাসেৱী অনুষ্ঠানেও বৃহৎ অংকৰ ধনৰ হৰলুকীৰে বিভিন্ন সংবাদ মাধ্যমৰ লজ্জাজনক শিৰোনাম দখল কৰিছে; সেই সময়ত গ্ৰাম্য বিকাশ মঞ্চই এক ব্যতিক্ৰমধৰ্মী অৱস্থান গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ঐতিহ্যমণ্ডিত নলবাৰী জিলাৰ অন্যতম নৱ সংযোজন গ্ৰাম্য



বিকাশ মঞ্চ যেন এতিয়া জিলাখনৰ গৌৰৱোজ্জ্বল পৰম্পৰাৰ এজন যোগ্য উত্তৰাধিকাৰীৰ নাম, এটা বিশ্বাসৰ নাম, আত্মপ্ৰত্যয়ৰ নাম, হেজাৰজন শোষিত-বঞ্চিতৰ অনুপ্ৰেৰণা তথা ৰাজনৈতিক অস্থিৰতাই দিক্‌ভ্ৰষ্ট কৰা যুৱ সমাজক সু-সংগঠিত কৰি কেনেদৰে তেওঁলোকক সমাজ নিৰ্মাণত ব্ৰতী কৰাই নিৰক্ষৰ তথা মেহনতী লোকসকলক নতুন দিশৰ সন্ধান দিব পাৰি- গ্ৰাম্য বিকাশ মঞ্চ যেন তাৰেই এটা অনুসন্ধানমূলক গৱেষণাৰ কচৰৎস্থলী।



নলবাৰী, বাক্সা আৰু কামৰূপ গ্ৰাম্য জিলাক সামৰি গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মস্থলী বিস্তাৰিত। অনেক সমস্যাৰে জৰ্জৰিত এই অঞ্চলৰ গ্ৰামাঞ্চলৰ বিভিন্ন সমস্যাৰাজি আব্যাহত ৰাখিছে, সি সঁচাই আদৰণীয়। মই ব্যক্তিগতভাৱে খা-খবৰ ৰাখি, প্ৰয়োজনত শাৰীৰিক মানসিক সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে কোনোদিনেই কৃপণালি কৰা নাই।

কলেজলৈ অহা-যোৱা পথত ইয়াৰ কাৰ্যালয়ৰ ওচৰত সদায় মোৰ গাড়ীখনৰ গতিবেগ কমি আহে আৰু স্বেচ্ছাসেৱক সকলৰ তৎপৰতা প্ৰত্যক্ষ কৰি এটা বিমল আনন্দ লাভ কৰোঁ। তেওঁলোকৰ তৎপৰতাত বিদ্যালয়ত পুনৰ অধ্যয়ন কৰিবলৈ সক্ষম হোৱা School Drop ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীবদ্ধ বিদ্যালয় যাত্ৰা দেখি এজন শিক্ষক হিচাপে, তথা এজন অঞ্চলবাসী হিচাপে সদায় গৌৰৱত মোৰ বুকুখন ফুলি উঠে। জন্মলগ্নৰে পৰা এই অনুষ্ঠানটিয়ে কিমানবিলাক সমাজ কল্যাণমূলক আঁচনি সফলভাৱে ৰূপায়ণ কৰিলে, তাক মই উল্লেখ কৰাৰ প্ৰয়োজনবোধ কৰা নাই। যথাস্থানত নিশ্চয় এইবোৰ প্ৰকাশ পাব। মাথোঁ প্ৰতিখন আঁচনি সফলভাৱে ৰূপায়ণ কৰিবলৈ ইয়াৰ স্বেচ্ছাসেৱকসকলৰ যি শৃংখলাবদ্ধ নিৰলস প্ৰচেষ্টা দেখি আহিছোঁ তাৰ বাবে এই অনুষ্ঠানৰ মুখ্য প্ৰবক্তা পৃথ্বিভূষণকে ধৰি সমূহ স্বেচ্ছাসেৱক বন্ধুলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। গ্ৰাম্য বিকাশ মঞ্চই ইয়াৰ সফল আৰু সবল ধাৰা অব্যাহত ৰাখি গ্ৰাম্য জীৱনক, ইয়াৰ জনগণ, বিশেষকৈ যুৱ প্ৰজন্মক নতুন নতুন দিক্ প্ৰদানত বিশিষ্ট ভূমিকা পালন কৰক। সেই আশা এজন জিলাবাসী হিচাপে নিশ্চয় কৰিম। শেষত কথা দি থওঁ, ভৱিষ্যতৰ যত্ৰাপথত গ্ৰাম্য বিকাশ মঞ্চক যদি এই নিঃকিনৰো কিবা প্ৰয়োজন হয়, তেনেহ'লে অকৃপণভাৱে তেনে সেৱা আগবঢ়াবলৈ মই প্ৰস্তুত থাকিম।





# অৱহেলিত শিশুৰ ভৱিষ্যতৰ দিক্ নিৰ্ণয় কৰক

✍ মহানন্দ পাঠক
মুৰব্বী অধ্যাপক, পদাৰ্থ বিভাগ, বৰভাগ কলেজ

সম্পূৰ্ণ স্বকীয় ধ্যান-ধাৰণাৰে অসমৰ নলবাৰী জিলাৰ বৰধনৰা গাঁৱত গঢ় লৈ উঠা "গ্ৰাম্য বিকাশ মঞ্চ" হ'ল "অসম বিজ্ঞান সমিতি"ৰ দৰে অসমৰ এক অনন্য বে-চৰকাৰী সংস্থা (NGO), যিয়ে গ্ৰাম্য অঞ্চলৰ সকলো স্তৰৰ ব্যক্তিকে সামৰি লৈ জনকল্যাণৰ হকে ১৯৯৯ চনৰপৰা আজিলৈকে নিৰৱিচ্ছিন্নভাৱে কাম কৰি আহিছে।

মাজুলী আৰু বৰভাগৰ বানপানীৰ বতৰা সমগ্ৰ বিশ্বৰ জনগণই ইণ্টাৰনেটযোগে ইতিমধ্যে পাইছে। অসমৰ পাগলাদিয়া নৈৰ সুঁতি, ন'না নদীয়ে সৃষ্টিৰ বানপানীৰ তাণ্ডৱ লীলা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত "গ্ৰাম্য বিকাশ মঞ্চ"ৰ অৰিহণা বেছ মন কৰিবলগীয়া বুলি অসম চৰকাৰে ভাবে।

বেচৰকাৰী সংস্থাবিলাকৰ ভিতৰত "গ্ৰাম্য বিকাশ মঞ্চ'ই শিক্ষাৰ ক্ষেত্ৰত যি পৰিবৰ্তন আনিব বিচাৰিছে, সি অদ্বিতীয়। টাটা ট্ৰাষ্টৰ সহযোগত চলি থকা শিক্ষা পদ্ধতিয়েই নিশ্চয়কৈ অৱহেলিত শিশুৰ ভৱিষ্যতৰ দিক্ নিৰ্ণয় কৰোৱাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চ সফল হোৱা বুলিয়েই ক'ব লাগিব।

"অসম বিজ্ঞান সমিতি"য়ে Advanced Study in Science and Technology (IASST) সৃষ্টি কৰাৰ দৰে "গ্ৰাম্য বিকাশ মঞ্চ"য়ো Social Research Centre গঢ়ি তুলিব বুলি আমাৰ দৃঢ় বিশ্বাস আছে।



# 'গ্ৰাম্য বিকাশ মঞ্চ' সম্পৰ্কে মোৰ অনুভৱ

✍ ড° ধনেশ্বৰ বৈশ্য
সহযোগী অধ্যাপক, অসমীয়া বিভাগ, বৰভাগ কলেজ

সাম্প্ৰতিক সময়ত সমাজৰ বিশেষকৈ উন্নয়নশীল দেশৰ সমাজ ব্যৱস্থাৰ সামগ্ৰিক বিকাশ অৰ্থাৎ অৰ্থনৈতিক উন্নয়নৰ লগতে মানৱ অধিকাৰৰ সুৰক্ষা, নাৰী সবলীকৰণ, অশিক্ষিত আৰু গৰীৱসকলৰ সবলীকৰণ, সুস্থ-সবল জনমত গঠন আদি ক্ষেত্ৰ ত নাগৰিক সমাজ তথা বে-চৰকাৰী সংস্থাসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এনে ভূমিকা পালনৰ উদ্দেশ্যে ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো বিভিন্ন বে-চৰকাৰী সংস্থা গঢ়ি উঠিছে। ইয়াৰে বহু বে-চৰকাৰী সংস্থা নামত গঠন হৈছে আৰু এচাম তথাকথিত সমাজসেৱীৰ স্বাৰ্থ পূৰণৰ আহিলা হিচাপে কাম কৰি আহিছে। ইয়াৰ বিপৰীতে আন একাংশ বে-চৰকাৰী সংস্থাই সম্পূৰ্ণ স্বাৰ্থৰহিতভাৱে সমাজৰ উনয়নৰ বাবে



অহৰহ কাম কৰি আছে। মোৰ দৃষ্টিত 'গ্ৰাম্য বিকাশ মঞ্চ' হৈছে তেনে এটা সংস্থা, যিয়ে নিজৰ কাৰ্যৰ জৰিয়তে অসমৰ লগতে ভাৰতবৰ্ষৰ ভিতৰতে নিজৰ সবল স্থিতি সাব্যস্ত কৰিব পাৰিছে। গ্ৰাম্য বিকাশ মঞ্চই বিশেষভাৱে গুৰুত্ব আৰোহণ কৰা দিশসমূহ হৈছে নাৰী সবলীকৰণ আৰু সমাজৰ অশিক্ষিত তথা গৰীব লোকসকলৰ সবলীকৰণ। সমাজৰ প্ৰায় অৰ্ধেকসংখ্যক লোক হৈছে নাৰী। যদিহে তেওঁলোকক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক কাম-কাজত পুৰুষৰ সমানে অংশগ্ৰহণ কৰিবৰ বাবে উপযুক্ত কৰি তোলা নহয়, তেনেহ'লে সমাজৰ আকাংক্ষিত উন্নয়ন অসম্ভৱ। এনে দিশৰ প্ৰতি লক্ষ্য ৰাখিয়ে গ্ৰাম্য বিকাশ মঞ্চই নাৰীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাৰ বাবে আত্মসহায়ক গোট গঠন কৰি দিয়াৰ লগতে এনে গোটসমূহে যাতে লক্ষ্য সাধনৰ বাবে সঠিক দিশত আগুৱাই যাব পাৰে তাৰ বাবেও প্ৰচেষ্টা হাতত ৰাখিছে। ইয়াৰ সুফল বিভিন্ন পিছপৰা মহিলা সমাজে লাভ কৰিছে আৰু গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিও কৃতজ্ঞ হৈছে। এটা সময়ত নাৰীয়ে পুৰুষৰ সৈতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ৰাজনৈতিক পদবী লাভৰ বাবে আগ্ৰহী নাছিল অথবা পুৰুষৰ আধিপত্যৰ বাবে এই দিশত চিন্তা-চৰ্চা কৰা নাছিল। পুৰুষসকলেও নাৰীক ৰাজনৈতিক পদবী লাভৰ বাবে বিশেষকৈ পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ পদবী লাভৰ বাবে উৎসাহিত কৰা নাছিল। পিছে ৭৩ তম্ সংবিধান সংশোধনীয়ে নাৰীৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ কৰাৰ লগে লগে অৱধাৰিতভাৱে পঞ্চায়তীৰাজ অনুষ্ঠানত নাৰীৰ অংশগ্ৰহণ সুনিশ্চিত হৈ পৰিল। সেই সময়ত নাৰীসকলৰ মনত ৰাজনীতিত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত সৃষ্টি হোৱা ভয় আৰু শংকা দূৰ কৰাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চ আগুৱাই আহিছিল। ৰাজনীতিত অংশগ্ৰহণ প্ৰয়াসী নাৰীসকলক প্ৰত্যক্ষ ৰাজনীতিৰ কিছুমান বিধি-বিধান যেনে মনোনয়নপত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ পৰা নিৰ্বাচনী প্ৰচাৰ, ভোট গণনা আদিলৈকে সকলো দিশ শিকাবলৈ প্ৰচেষ্টা হাতত লৈছিল। ইয়াৰ পৰৱৰ্ত্তী পৰ্যায়ত পঞ্চায়তীৰাজ অনুষ্ঠানসমূহলৈ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলক পঞ্চায়তীৰাজ ব্যৱস্থা সম্পৰ্কে উপযুক্ত জ্ঞান প্ৰদানৰ বাবে প্ৰশিক্ষণ ব্যৱস্থা কৰিছিল। নিঃসন্দেহেই আছিল, নাৰী সবলীকৰণৰ ক্ষেত্ৰত লোৱা দৃঢ় পদক্ষেপ।

গ্ৰাম্য বিকাশ মঞ্চই কৃষিজীৱী আৰু গৰীব লোকসকলক সবল কৰাৰ বাবেও প্ৰচেষ্টা চলাই আহিছে। কৃষকসকলক খেতি পথাৰত প্ৰাকৃতিক উৎসৰ পৰা পানী যোগান ধৰাৰ বাবে সুচল ব্যৱস্থা কৰাৰ পৰা খেতিপথাৰত অতিৰিক্ত জলভাগ সৃষ্টি কৰা সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন দিশত গ্ৰাম্য বিকাশ মঞ্চই কাম কৰি আহিছে। আমাৰ শিক্ষা ব্যৱস্থাৰ এক ডাঙৰ সমস্যা হৈছে শিক্ষা গ্ৰহণৰ আধাতে বিদ্যালয় পৰিত্যাগ কৰা বা ড্ৰপ আউটৰ সমস্যা। দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতহে এনে সমস্যা দেখা যায়। গতিকে এনে ড্ৰপ আউটসকলক যাতে পুনৰ শিক্ষা ব্যৱস্থালৈ উভতাই আনিব পৰা যায় আৰু তেওঁলোকৰ মাজত থকা প্ৰচুৰ সম্ভাৱনাক বিকশাই তুলিব পৰা যায় তাৰ বাবেও গ্ৰাম্য বিকাশ মঞ্চই ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন অনুন্নত গাঁৱৰ পৰা ড্ৰপ আউট ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰি তেওঁলোকক আৱাসিক সুবিধা প্ৰদান কৰি এক বিশেষ পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষা প্ৰদান কৰি পুনৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থালৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা দুখীয়া পৰিয়ালৰ যথেষ্টসংখ্যক ল'ৰা-ছোৱালী উপকৃত হৈছে। এইবিলাক হৈছে গ্ৰাম্য বিকাশ মঞ্চই সম্পাদন কৰা বহু কামৰ মাজৰ কেইটামান উদাহৰণহে মাথোঁ। গ্ৰাম্য বিকাশ মঞ্চই যিকোনো আকস্মিক বিপৰ্যয়ৰ সময়ত যাতে জনসাধাৰণক সহায়ৰ হাত আগবঢ়াব পাৰে তাৰ বাবেও সচেষ্ট হৈ থাকে। বৈজ্ঞানিক মানসিকতা সৃষ্টি কৰা আৰু আন প্ৰগতিশীল কামৰ লগত জড়িত শৈক্ষিক আৰু আন কাম-কাজৰ লগত জড়িত নলবাৰী আৰু দাঁতিকাষৰীয়া জিলাসমূহৰ বিভিন্ন অনুষ্ঠানৰ প্ৰতিও গ্ৰাম্য বিকাশ মঞ্চই সততে সহায়ৰ হাত আগবঢ়াই অহা দেখা গৈছে।

বহুতে ক'ব খোজে যে গ্ৰাম্য বিকাশ মঞ্চই এই কাম-কাজসমূহৰ



বাবে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন অনুষ্ঠানৰ পৰা আৰ্থিক অনুদান লাভ কৰে। এনে কামৰ বাবে আৰ্থিক সহযোগিতা লাগিবই। পিছে আমাৰ প্ৰশ্ন হ'ল আৰ্থিক সহযোগিতা লাভ কৰা সত্ত্বেও বহুতো বে-চৰকাৰী সংস্থাই ইয়াৰ সঠিক ব্যৱহাৰ কৰি জনসাধৰনক সুফল দিব পৰা নাই। চৰকাৰেও গ্ৰাম্য বিকাশ মঞ্চই সম্পাদন কৰা কাৰ্যসমূহৰ দৰে বিভিন্ন কাৰ্যৰ বাবে শ শ কোটি টকা খৰচ কৰিও জনসাধৰণক উপকৃত কৰিব পৰা নাই। তেনে দিশৰ পৰা গ্ৰাম্য বিকাশ মঞ্চৰ সজ প্ৰচেষ্টা ধন্যবাদৰ পাত্ৰ।

সাম্প্ৰতিক সময়ত নৈতিকতাৰ অৱক্ষয়, মূল্যবোধৰ অভাৱ, সাংস্কৃতিক বিপৰ্যয়, মানৱ অধিকাৰৰ ব্যাপক হনন আদি গভীৰ সমস্যা হিচাপে দেখা দিছে। চৰকাৰৰ দ্বাৰা এনে সমস্যাসমূহৰ সমাধানৰ কোনো উপায় কৰিব বুলি মুঠেও আশা কৰিব নোৱাৰি। এইবিলাক দিশত গ্ৰাম্য বিকাশ মঞ্চৰ দৰে সংস্থাই বিশেষ ভূমিকা পালন কৰিব লাগিব। আমি গ্ৰাম্য বিকাশ মঞ্চই গ্ৰহণ কৰা আগ্ৰাসী ভূমিকাৰ পিনে আশাৰে বাট চাই ৰয়। শেষত গ্ৰাম্য বিকাশ মঞ্চৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।



# মোৰ অনুভৱত জি.ভি.এম.

✍ ড° সুশান্ত কুমাৰ কাশ্যপ
সহঃ অধ্যাপক, অৰ্থনীতি বিভাগ, বৰভাগ কলেজ

জি.ভি.এম. (গ্ৰাম্য বিকাশ মঞ্চ) নামৰ অনাচৰকাৰী অনুষ্ঠান (এন.জি.অ')খনৰ লগত পৰিচিত হৈছিলো ২০০৪-০৫ ইং চনত বোধহয়। এটা বিশেষ কামত আমাৰ মহাবিদ্যালয়ৰ কেইজনমান অধ্যাপকে ফণীধৰ ডেকাদেৱৰ লগত পদুমকুঁৱৰীত থকা মুখ্য কাৰ্যালয়লৈ গৈছিলো। প্ৰথম গৈয়েই সেই অনুষ্ঠানৰ কৰ্মকৰ্তাসকলৰ লগত মত-বিনিময় কৰি





এটা কথা অনুভৱ কৰিছিলো। এই অনুষ্ঠান এদিন এটা বৃহৎ অনুষ্ঠানলৈ পৰ্যবসিত হোৱাৰ লগতে গ্ৰামাঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ কিছু হ'লেও কল্যাণ সাধন কৰিব। কাৰণ তেখেতসকলৰ কথা-বতৰাৰপৰা অনুষ্ঠানৰ Mission, Visionৰ লগতে কষ্ট স্বীকাৰ কৰিব পৰা মানসিকতাৰ উমান পাইছিলোঁ। সেই সময়ৰ আশাৰ মনোভাব সঁচা প্ৰমাণিত কৰি সাম্প্ৰতিক সময়ত জি.ভি.এম. এটা বৃহৎ অনুষ্ঠানলৈ পৰিণত হোৱাৰ লগতে গ্ৰামাঞ্চলৰ বিকাশৰ ক্ষেত্ৰত অলপ হ'লেও অৰিহণা যোগাবলৈ সক্ষম হৈছে।

এতিয়া জি.ভি.এম.ৰ কাৰ্যালয় বৰবৰীত। আমাৰ কৰ্মক্ষেত্ৰলৈ প্ৰায়েই এই কাৰ্যালয়ৰ সন্মুখত থকা ৰাস্তাৰে অহা-যোৱা কৰা হয়। বিভিন্ন সময়ত মানুহৰ সমাগম দেখা পাওঁ। কেতিয়াবা হয়তো কিবা সামগ্ৰী বিতৰণ কৰিছে, কেতিয়াবা মহিলা সবলীকৰণ সভা, প্ৰশিক্ষণ পাতিছে, কেতিয়াবা সৰু সৰু ল'ৰা-ছোৱালীক ওচৰতে থকা প্ৰাথমিক বিদ্যালয়লৈ লৈ গৈছে, কেতিয়াবা হয়তো কোনোবা বিশিষ্ট ব্যক্তিয়ে ভাষণ দি আছে, ইত্যাদি কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এটা কথা স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰো জি.ভি.এমে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সহযোগত যিবোৰ আঁচনি বা প্ৰকল্পৰ ৰূপায়ণ কৰি আছে, তেনেদৰে যদি চৰকাৰী বিভাগসমূহে অচৰকাৰী আঁচনি আৰু প্ৰকল্পসমূহ ৰূপায়িত কৰিলেহেঁতেন তেনেহ'লে ভাৰতবৰ্ষ নিঃসন্দেহে এখন উন্নত ৰাষ্ট্ৰত পৰিগণিত হ'লহেঁতেন। জি.ভি.এমে কৰা আটাইতকৈ উল্লেখযোগ্য কাম হ'ল নিয়োগ সৃষ্টি। সাম্প্ৰতিক সময়ত নিবনুৱা সমস্যাই জুৰুলা কৰা সমাজখনত কিছুসংখ্যক যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদান কৰিব পৰাতো সফলতা বুলিয়েই ক'ব লাগিব।

জি.ভি.এমে. নিশ্চয় এদিনতেই আজিৰ আস্থা পোৱা নাই। ইয়াৰ অন্তৰালত আছে দশকজোৰা কষ্ট, শ্ৰম, ত্যাগ; যিবোৰ নতুনকৈ প্ৰতিষ্ঠিত হোৱা এন.জি.অ'. আছে সেইবোৰে জি.ভি.এম.ৰ আদৰ্শ আগত ৰাখিয়েই আগবাঢ়ি যাওক। ভাল কামত মনোনিৱেশ কৰক। তেতিয়াহ'লে নিশ্চয় কিছুমান মানুহৰ এন.জি.অ'.ৰ প্ৰতি থকা বিৰূপ মনোভাব আঁতৰি যাব। কাৰণ একাংশ এন.জি.অ'.ই ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ পুঁজিৰ সৎ ব্যৱহাৰ কৰিব নোৱাৰি "Black Listed" হ'ব লগাত পৰিছে। আমি আশা কৰিম "গ্ৰাম্য বিকাশ মঞ্চ"ই এইক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰি গ্ৰামাঞ্চলৰ প্ৰকৃত বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰিব।







# জি.ভি.এম. ঃ এক মিঠা অনুভৱ

✍ যোগেন্দ্ৰ কলিতা

ৰূপান্তৰেহে জগত ধুনীয়া কৰে। এখন সমাজ সংগঠিত কৰি, একোটা বৃহৎ অঞ্চলৰ সৰ্বদিশৰ উত্তৰণ আৰু ৰূপান্তৰৰ গুৰিতে থাকে এক সবল আৰু সফল নেতৃত্ব। সেই নেতৃত্ব দিব লাগিব এজন বা এচাম ব্যক্তি নতুবা কিছুমান স্বেচ্ছাসেৱী অনুষ্ঠানে। সমাজত বসবাস কৰা ব্যক্তিসকলক সংগঠিত কৰি তেওঁলোকৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰ লগতে এখন সৰ্বাংগসুন্দৰ সমাজ গঠন কৰিবলৈ
















হ'লে আমাক লাগিব একাগ্ৰতা আৰু আত্মস্বাৰ্থক তুচ্ছজ্ঞান কৰা মনোভাবধাৰী ব্যক্তিৰ। সততে সমাজত পিছ পৰা বুলি জ্ঞান কৰা আৰু সমাজখনৰ আৰ্থসামাজিক উন্নয়নৰ বাবে সেই সমাজখনৰ গুৰিত একোজন পথপ্ৰদৰ্শকৰ নিতান্তই প্ৰয়োজন। তেনেধৰণৰ সমাজৰ অৰ্থনৈতিক সংস্কাৰ সাধন কৰা সজাগতা আনিবলৈ হ'লে শিক্ষাৰ পোহৰ বিলোৱাটোৱেহে প্ৰথম পদক্ষেপ হোৱা উচিত। তেতিয়াহে সেই অঞ্চলসমূহৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সংস্কাৰ সাধনৰ পথ সুগম হ'ব বুলি ধাৰণা জন্মে। তাৰ লগতে সমাজত উপেক্ষিত দৰিদ্ৰ লোকৰ অভাৱগ্ৰস্ততাক আঁতৰ কৰাৰ বাবে তেওঁলোকক উপযুক্ত কৰ্মসংস্থানৰ ব্যৱস্থাৰ লগতে সেই ব্যক্তিসকলৰ কৰ্মক সন্মান জনাব পাৰিব লাগিব। তেতিয়া হয়তো সমাজৰ প্ৰকটভাৱে দেখা দিয়া অৰ্থনৈতিক বৈষম্য, অস্পৃশ্য কিছু পৰিমাণে আঁতৰি সামাজিক সংহতিৰ বুনিয়াদ ৰচনাৰ সহায় কৰিব।

এনে ধৰণৰ বিভিন্ন ব্যৱস্থাৰ লগত জড়িত সমস্যা সমূহ আঁতৰ কৰাৰ লগতে ইয়াৰ আমুল পৰিবৰ্তন সাধন কৰাৰ এক মহৎ লক্ষ্য লৈ জন্ম লাভ কৰা বে-চৰকাৰী সংস্থা "গ্ৰাম্য বিকাশ মঞ্চ"ৰ ভূমিকা প্ৰশংসনীয়। এই সংগঠনটোৱে ভূমিষ্ঠ হোৱাৰ পিছৰ পৰা বিভিন্ন সমাজহিতৈষী কামত জড়িত হৈ আহিছে। চালুকীয়া অনুষ্ঠানটোৱে আজি দোপতদোপে উন্নতি কৰি এক বৃহৎ আকাৰলৈ ৰূপান্তৰিত হৈছে। তেওঁলোকৰ কৰ্মস্থলী হিচাপে এক বিশাল কৰ্মক্ষেত্ৰক চিহ্নিত কৰি লৈ বিভিন্ন প্ৰকল্প, আঁচনিৰ জৰিয়তে ৰাইজৰ হিতসাধন কৰাৰ লগতে সামাজিক ক্ষেত্ৰত এক পৰিবৰ্তন বিপ্লৱ আনিবলৈ সক্ষম হৈছে। অনুষ্ঠানটোৱে কৰ্মক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰা নলবাৰী জিলাৰ লগতে কামৰূপ (গ্ৰাম্য)ৰ কিছু অঞ্চল, বাক্সা জিলাৰ পিছ পৰা অঞ্চলসমূহত বৰ্তমানে কৰ্মৰত হৈ আছে। সমাজৰ পিছ পৰা শ্ৰেণী বুলি গণ্য কৰা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ শিক্ষাৰ পুতৌ লগা অৱস্থাত ভোক আৰু শিক্ষাৰ পৰা বঞ্চিত কমাৰ, নদীয়াল আৰু উপান্ত কৃষকসকলৰ উন্নতিৰ কামত অহৰহ ব্ৰতী হৈ আছে। তেনে ধৰণৰ সমাজবিলাকৰ জীৱন ধাৰণৰ প্ৰণালী উন্নত কৰাৰ লগতে তেওঁলোকে জীৱন নিৰ্বাহৰ বৃত্তি হিচাপে অৱলম্বন কৰা কৰ্মসমূহৰ স্বীকৃতি দিয়াৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰতো দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও কৰ্ম বিমুখিতা সংস্কৃতিৰ বিপৰীতে সংস্থাটোত জড়িত থকা স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলৰ কৰ্মোদ্যম আৰু কৰ্মসংস্কৃতিৰ সুস্থ বাতাৱৰণে সমাজত এক পৰিবৰ্তনৰ সূচনা কৰিছে। যাৰ ফলশ্ৰুতিত নিবনুৱা শিক্ষিত যুৱক-যুৱতীসকলে স্বেচ্ছাসেৱীসকলক আদৰ্শ হিচাপে গ্ৰহণ কৰি কৃষিক্ষেত্ৰত মনোনিৱেশ কৰাৰ উপৰি বিভিন্ন ধৰণৰ ফাৰ্ম খুলি নিজে স্বাৱলম্বী হোৱাৰ লগতে সমাজৰ অৰ্থনৈতিক ক্ষেত্ৰতো এক মাত্ৰা প্ৰদান কৰিছে। সততে সমাজৰ নিষ্পেষিত, নিপীড়িত, লাঞ্চিতজনৰ পক্ষত অৱস্থান কৰা গ্ৰাম্য বিকাশ মঞ্চৰ ভৱিষ্যতৰ বাবে কৰা পৰিকল্পনাসমূহো লক্ষণীয়। যিসমূহ পৰিকল্পনা বাস্তৱত ৰূপায়িত হ'লে আমাৰ সমাজত এক নতুন দিগন্তৰ সূচনা হ'ব। মুঠতে গ্ৰাম্য বিকাশ মঞ্চৰ কৃতিত্ব আৰু নিঃস্বাৰ্থ সেৱাৰ মানসিকতাৰ কথা কৈ শেষ কৰিব নোৱাৰি। সেইবাবে এই ছেগতে মই ব্যক্তিগতভাৱে অনুষ্ঠানটোৰ উত্তৰোত্তৰ কামনা কৰি সমাজৰ ঐক্য-সংহতিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি এক বাৰ্তাবাহকৰ ভূমিকা গ্ৰহণ কৰিব বুলি আশা ৰাখিলোঁ।







২৫ জুন, বৃহস্পতিবাৰ, ২০১৫, গুৱাহাটী **জনসাধাৰণ**

**ৰাস্তা-খোৱাপানী-টিকাকৰণ-মধ্যাহ্ন ভোজনৰ সুবিধা নথকা গাঁওবাসীৰ দুৰ্বিষহ জীৱনযাত্ৰা**

# এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত নলবাৰীৰ এখন অখ্যাত গাঁও

জনসাধাৰণ সেৱা, বৰভাগ, ২৪ জুন : সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশ আৰু বিকশিত নলবাৰীৰ সপোন দেখুওৱা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ সমষ্টিৰ এখন অখ্যাত গাঁৱত যোৱা ডেৰ মাহ ধৰি পানীৰ বাবে ছাত্ৰ-... পাঠদান বন্ধ থকা ... উন্নয়ন... ৪১০জন। শিক্ষানুষ্ঠান বুলিবলৈ অসহায় আৰু মাকালডোবা প্ৰাথমিক বিদ্যালয় আৰু মজিবুৰ ৰহমান মেম'ৰিয়েল ... মাদ্ৰাছা। স্বাধীনতা... ...দুৰ্যোগপূৰ্ণ অৱস্থাৰ ...ৰিছে গ্ৰাম্য বিকাশ ... শিশু অধিকাৰ ...ছাসেৱকসকলে। ... গ্ৰাম্য বিকাশ ...কিশোৰী শিক্ষা ...ৰীক্ষণ আৰু ...ৰ অতিৰিক্ত ...(ষন) কৃষ্ণ ... দুৰ্বিষহ ...দৰ্শন কৰি ... তদুপৰি ... নিৰ্মাণৰ কৰি উন্নয়ন খণ্ড বিষয়া-অভিযন্তা আৰু পঞ্চায়ত প্ৰতিনিধিয়ে সমুদায় ধন হৰলুকী কৰাৰো অভিযোগ উঠিছে। ইপিনে, শিক্ষানুষ্ঠান বুলিবলৈ দুখন আছে যদিও ৰন্ধন গৃহ নথকাত আজিও গাঁওখনৰ ছাত্ৰ-ছাত্ৰীসকলে মধ্যাহ্ন ভোজনৰপৰা বঞ্চিত হৈ আছে। তদুপৰি গাঁওখনত আজিলৈ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ নোহোৱাতো পৰিতাপৰ বিষয় হিচাপে চৰ্চিত হৈছে। উল্লেখ্য যে চৰকাৰে শিশুৰ শিক্ষাৰ অধিকাৰ প্ৰণয়ন কৰাৰ পিছতো মাকালডোবাৰ শ শ ছাত্ৰ-ছাত্ৰীৰ এনে দুৰ্যোগপূৰ্ণ অৱস্থাত গাঁৱৰ বাইজ ঘটনা অসম ৰাজ্যিক শিশু অধিকাৰ আয়োগৰ ওচৰত লিখিতভাৱে উত্থাপন কৰিছে। সম্প্ৰতি গাঁওখনৰ ৰাইজৰ বাবে শিশু অধিকাৰ প্ৰকল্পত জড়িত স্বেচ্ছাসেৱকসকলে আশা-ভৰসাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। গুৰুত্বপূৰ্ণ যে বাঁহজানীৰ চৰিয়াৰ পাৰ্শ্ববৰ্তী গাঁওখন অতি দ। বৰষুণ দিয়াৰ লগে লগে নলবাৰী চহৰকে ধৰি ভালেমান ঠাইৰ পানী উক্ত গাঁওখনত সোমাই কৃত্ৰিম বানৰ সৃষ্টি কৰি জনজীৱন দুৰ্বিসহ কৰি তোলে। যাৰ পৰিণতিত এইবাৰো বৰষুণৰ পানীয়ে গাঁওখনৰ সকলো ভূমি বুৰাই পেলোৱাৰ ...

**আঞ্চলিক**

৪ অসমীয়া খবৰ ১২ জুলাই, দেওবাৰ, ২০১৫

## দুৰ্বিসহ জীৱন যাত্ৰাৰে দিন পাৰ কৰিছে বাঁহজানীৰ মাকালডোবাৰ ৰাইজে

৮ ডিচেম্বৰ, মঙলবাৰ, ২০১৫, গুৱাহাটী ৰাজ্যৰ বাতৰি **জনসাধাৰণ**

## গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিষ্ঠা দিৱস উদযাপন

## গ্ৰাম্য বিকাশ মঞ্চৰ ষষ্ঠদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

জনসাধাৰণ বিশেষ সেৱা, নলবাৰী, ৬ ডিচেম্বৰ : নলবাৰীৰ স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চৰ ষষ্ঠদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস কাইলৈ মিলেৰে আড়ম্বৰপূৰ্ণভাৱে পালন কৰাৰ আয়োজন কৰা হৈছে। সিদিনা পুৱা আঠ বজাত গ্ৰাম্য বিকাশ মঞ্চৰ পতাকা উত্তোলন কৰিব মুখ্য উপদেষ্টা ডাঃ সুৰেন্দ্ৰ নাথ মজুমদাৰে। ৮.৩০ বজাত কাৰ্যনিৰ্বাহক ৰোহিত লহকৰে শ্বহিদ তৰ্পণ আৰু উপদেষ্টা বিদিত দাসে বৃক্ষৰোপণ কৰিব। দহ বজাত গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰস্তাৱিত অতিথিশালাৰ শিলান্যাস কৰিব জিলা উপায়ুক্ত ডাঃ ওম প্ৰকাশে। ১০.৩০ বজাত গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিব সভাপতি কমলেশ্বৰ ভূঞাই। ১০.৪৫ বজাত স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকাসকলৰ মাজত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব কাৰ্যনিৰ্বাহক ডাঃ ৰাজমণি শৰ্মাই। দুই বজাত আৰম্ভ হ'ব শিশুক আলোচনা... তিনি বজাত অধিবেশন আলাপ, নিতিশানুষ্ঠান আৰু জ্ঞান সংযোগ শিবিৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ সংগীতানুষ্ঠান। সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজ্বলন কৰিব উপদেষ্টা পবিত্ৰ নাথ শৰ্মাই। অনুষ্ঠানত সকলোৰে উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

> ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমৰ পৰা আৰম্ভ কৰি ৰাজ্যিক অথবা জিলা পৰ্যায়ৰ সংবাদ মাধ্যমক নিজস্ব কৰ্মপদ্ধতিৰে আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাতো বৰ্তমানৰ সংবাদ মাধ্যমৰ দ্ৰুত উন্নয়নৰ সময়ত কম কথা নহয়। সৰহসংখ্যক স্বেচ্ছাসেৱী সংগঠনৰ নেতিবাচক কৰ্মকাণ্ডৰে অভিজ্ঞতাপুষ্ট ৰাজ্যৰ সংবাদ মাধ্যম; কি ছপা মাধ্যম, কি বৈদ্যুতিক মাধ্যম সকলোৱে উচিতভাৱে গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজক উপযুক্তভাৱে প্ৰচাৰ কৰি আহিছে।

## গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰাত

# সংবাদ মাধ্যমৰ ভূমিকা

✍ **ৰমেন কলিতা**

স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতি থকা মানুহৰ যি ধাৰণা, তাক সলনি কৰি স্বচ্ছতাৰে মানুহৰ সেৱাৰ বাবে ৰাজ্যখনত যিকেইটা মুষ্টিমেয় স্বেচ্ছাসেৱী সংগঠনে কাম কৰি আহিছে তাৰ ভিতৰত নলবাৰী জিলাৰ বৰবৰীৰ গ্ৰাম্য বিকাশ মঞ্চ অন্যতম। এটা নিজস্ব দৃষ্টিভংগী আগত ৰাখি যেতিয়া এটা স্বেচ্ছাসেৱী সংগঠনে সৰহসংখ্যক লোকৰ অন্তৰ স্পৰ্শ কৰিব পাৰে। তেতিয়াই সেই অনুষ্ঠানটোৱে নিজৰ কৃতিত্ব দাবী কৰিব পাৰে। নলবাৰী এখন অৰ্থনৈতিকভাৱে অনগ্ৰসৰ জিলা হোৱাৰ লগতে বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগে জিলাখনৰ দুখীয়া জনসাধাৰণক জুৰুলা কৰি আহিছে। তেনেস্থলত জিলাবাসীৰ চৰকাৰী অথবা বে-চৰকাৰী পক্ষৰ পৰা যথেষ্ট প্ৰত্যাশা থকাতো অতি স্বাভাৱিক। এটা স্বেচ্ছাসেৱী সংগঠনে নিজস্ব দৃষ্টিভংগী আগত ৰাখি সীমিত সম্পদেৰে সকলো শ্ৰেণীৰ লোকক সন্তুষ্ট কৰি তেওঁলোকৰ মনত সোমাই পৰাৰ বিচক্ষণত গ্ৰাম্য বিকাশ মঞ্চই আয়ত্ত কৰিছে। দুৰ্যোগৰ পৰা আৰম্ভ কৰি দৰিদ্ৰতালৈ, নিৰক্ষৰতাৰ পৰা লিংগ বৈষম্যলৈ, প্ৰাকৃতিৰ সংৰক্ষণৰ পৰা বৃত্তিগত উত্তৰণলৈ, কৃষিক্ষেত্ৰৰ সুৰক্ষাৰ পৰা থলুৱা শিল্পৰ অগ্ৰগতিলৈ, নাৰী স্বাধীনতাৰ পৰা নাৰীৰ কৰ্মক্ষেত্ৰৰ

# নলবাৰীৰ বড়োগাঁও চত্ৰাৰে পৰিৱৰ্তন আনিছে 'বাগ্ৰুম্বা'ই

# চুলাইৰ ব্যৱসায় এৰি তাঁতশালত ৰচিছে জীৱনৰ সপোন

# গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত উপায়ুক্ত-কৃষকৰ মুখামুখি অনুষ্ঠান

গণ অধিকাৰ গুৱাহাটী, বুধবাৰ, ৯ ডিচেম্বৰ, ২০১৫ শেষ পৃষ্ঠা Guwahati : Wednesday : 9 December 2015

# গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিষ্ঠা দিৱস উদযাপন

াফ ৰিপৰ্টাৰ, নলবাৰী, ৮ ডিচেম্বৰ ঃ 'সমাজৰ উন্নয়ন াৰু শান্তি-শৃংখলা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী নুষ্ঠানৰ মূল লক্ষ্য।'— এই মন্তব্য প্ৰদান কৰে নলবাৰী লা উপায়ুক্ত ডাঃ ওম প্ৰকাশৰ। জিলাখনৰ আগশাৰীৰ চ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চৰ (বৰবৰী) ষষ্ঠদশ ৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সংগতি ৰাখি আজি গ্ৰাম্য বিকাশ ৰ প্ৰস্তাৱিত 'অতিথিশালা'ৰ শিলা...

ডিচেম্বৰৰ পৰা নিৰলস প্ৰচেষ্টাত ব্ৰতী থকা স্বেচ্ছাসেৱী সংস্থা গ্ৰাম্য বিকাশ মঞ্চৰ ১৬ বছৰ অতিক্ৰম কৰাত কালি পুৱা ৮ বজাৰ পতাকা উত্তোলন কৰে গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য উপদেষ্টা ডাঃ সুৰেন্দ্ৰ মজুমদাৰে। ৮ ... বজাত শ্বহীদ তৰ্পণ কৰে ...

■ নবেন শৰ্মা, বাহাবৰাট

কামৰূপ গ্ৰাম্য জিলাৰ বঙিয়া মহকুমাৰ অধীনস্থ ...



# বাল্য বিবাহৰ বিৰুদ্ধে সংগ্ৰামত এহেজাৰ চেমনীয়া

গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰকল্প

৬ অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১ অক্টোবৰ, ২০১৫/১৩ আহিন, ১৯৩৭ শক

# নলবাৰীত বাল্যবিবাহৰ বিৰুদ্ধে সংগ্ৰামত নামিল এহেজাৰ কিশোৰ-কিশোৰী

## গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰশংসনীয় পদক্ষেপ

প্ৰতিদিন সেৱা, ঘগ্ৰাপাৰ, ৩০ ছেপ্টেম্বৰ অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ কৰি ইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াভাৱে নলবাৰী জিলাৰ ২০ খন গাঁৱৰ প্ৰায় এহেজাৰ কিশোৰ-কিশোৰীক বাল্যবিবাহ, নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা আঁতৰাই ৰখাৰ লগতে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নয়নৰ বাবে ৰূপায়ণ কৰা 'অসমৰ কিশোৰ-কিশোৰী সবলীকৰণ' প্ৰকল্পটোৱে জিলাখনত ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীৰ নেচনেল ফাউণ্ডেচন অব্ ইণ্ডিয়া নামৰ অনুষ্ঠানটোৱে যুৱ উদ্ভাৱনীমূলক কাৰ্যসূচীৰ অধীনত জিলাখনত ৩ বছৰৰ বাবে প্ৰকল্পটোৰ কাম গ্ৰাম্য বিকাশ মঞ্চই আৰম্ভ কৰিছে। জিলাখনৰ বৰিগোগ, বনভাগ, বৰভাগ আৰু পুব নলবাৰী উন্নয়ন খণ্ডৰ অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘু অধ্যুষিত ২০ খন গাঁৱৰ নিৰ্বাচিত ৩০০ কিশোৰ আৰু ৭০০ কিশোৰীক প্ৰকল্পটোৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ জৰিয়তে জিলাখনৰ সংশ্লিষ্ট তিনিটা উন্নয়ন খণ্ডৰ গুৱাকুছি, চেনিকুছি, নাৰিকুছি, চত্ৰা, কুন্দৰগাঁও, নিমুৱা লাটিমা, মাধাপুৰ, বৰবুকিয়া, বালা, দ ৰাইটকুছি, কৰিয়া, বুৰবুৰী, নিজখগটা, ক্ষুদ্ৰ দিংদিঙি, চান্দকুছি, কুমাৰীকাটা, কএঞাজেনী, জয়মাংলা আদিকে ধৰি কুৰিখন গাঁৱৰ কিশোৰ-কিশোৰী বাছি উলিয়াই বাল্যবিবাহৰ অপকাৰিতা, নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত হোৱা স্বাস্থ্য অপকাৰিতা সন্দৰ্ভত অভিজ্ঞ লোক তথা চিকিৎসকৰ দ্বাৰা সজাগ কৰি তোলা হৈছে। প্ৰকল্পটোৰ অধীনত কিশোৰ-কিশোৰীসকলৰ স্বাস্থ্য পৰীক্ষা, ৰক্তহীনতা আৰু গোপন সমস্যাৰ সমাধানৰ বাবে ফোনৰ ব্যৱস্থাও কৰা হৈছে বুলি স্বেচ্ছাসেৱী সংগঠনটোৰ কৰ্মকৰ্তাসকলে জনাইছে। প্ৰকল্পটোৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল কিশোৰ-কিশোৰীসকলে বাল্যবিবাহৰ অপকাৰিতা সম্পৰ্কে যথেষ্ট সজাগ হৈছে আৰু আনকো বুজাবলৈ আগবাঢ়ি আহিছে। প্ৰকল্পটোৰ অধীনৰ বিভিন্ন ঠাইত পাচলি বাগিচা আৰু পুথিভঁৰাল স্থাপন কৰি কিশোৰ-কিশোৰীসকলৰ গ্ৰন্থ অধ্যয়নৰ লগতে খাদ্যাভ্যাস সম্পৰ্কে সজাগ কৰি তোলাৰ প্ৰয়াস হৈছে। আনহাতে স্বাধীনতা দিৱসৰ দিনা জিলাখনৰ চেনিকুছি, কুন্দৰগাঁও আৰু জাৱৰিহাটীত এটা পুথিভঁৰাল স্থাপন কৰা হয়। প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত প্ৰতিখন গাঁৱৰ মাতৃগোটসমূহৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি মঞ্চই জিলাখনৰ বিভিন্ন ঠাইত সজাগতা সভাৰো আয়োজন কৰি আহিছে।

নিয়মীয়া বাৰ্তা আঞ্চলিক বাৰ্তা মঙলবাৰ, ১ ছেপ্টেম্বৰ ২০১৫ ৯

# নলবাৰীত বাল্যবিবাহৰ বিৰুদ্ধে সৰৱ গ্ৰাম্য বিকাশ মঞ্চ

নিয়মীয়া বাৰ্তা, ঘগ্ৰাপাৰ, ৩১ আগষ্ট ঃ নলবাৰী জিলাৰ সমাজ ব্যৱস্থাৰ লগত অহৰ্নিশে লাগি থকা অগ্ৰণী বেচৰকাৰী সংগঠন গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত জিলাখনত 'অসমত কিশোৰ-কিশোৰী সবলীকৰণ' বিশখন গাঁৱৰ প্ৰায় এহাজাৰতকৈ অধিক কিশোৰ-কিশোৰীক বাল্য বিবাহ, নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা আঁতৰাই ৰখাৰ লগতে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ভাবধাৰাৰ দ্বাৰা পৰিচালিত হোৱাত প্ৰকল্পটোৱে জিলাখনত ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। ফলত জিলাখনৰ সচেতন ৰাইজে আন প্ৰান্তৰ অঞ্চললৈ প্ৰকল্পটো আগুৱাই নিবলৈ গ্ৰাম্য মঞ্চক অনুৰোধ জনাইছে। নতুন দিল্লীৰ নেচনেল ফাউণ্ডেচন অৱ ইণ্ডিয়া নামৰ অনুষ্ঠানৰ যুৱ উদ্ভাৱনীমূলক কাৰ্যসূচীৰ অধীনত জিলাখনত তিনি বছৰৰ বাবে এই প্ৰকল্পটোৰ স্বেচ্ছাসেৱী সংগঠনটোৱে আৰম্ভ কৰি বিপুল সঁহাৰি ... কৰিছে। জিলাখনৰ বৰভাগ, পুব নলবাৰী আৰু ...গোগ-বনভাগ উন্নয়ন খণ্ডৰ অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘু অধ্যুষিত বিশখন গাঁৱৰ ৭০০ কিশোৰী আৰু ৩০০ কিশোৰক নিৰ্বাচন কৰি প্ৰকল্পটোৰ আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। অঞ্চলটোৰ ...াপুৰ, বৰবুকীয়া, দ-ৰাইতকুছি, বালা, কৰিয়া, ক্ষুদ্ৰ ...ডিঙি, চান্দকুছি, কুমাৰীকাটা, ভবানীপুৰ, গুৱাকুছি, ...কুছি, নাৰিকুছি, চত্ৰা, কুন্দৰগাঁও, নিমুৱা-লাটিমা, গাঁওকেইখনৰ কিশোৰ-কিশোৰীসকলক বাছি উলিয়াই তেওঁলোকক বাল্য বিবাহৰ অপকাৰিতা, নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত হোৱা স্বাস্থ্যৰ অপকাৰিতা সম্পৰ্কে অভিজ্ঞ লোক তথা চিকিৎসকৰ দ্বাৰা সজাগ কৰি তোলা হৈছে। আনকি এই প্ৰকল্পটোৰ অধীনত কিশোৰ-কিশোৰীসকলৰ স্বাস্থ্য পৰীক্ষা, ৰক্তহীনতা আৰু তেজৰ গ্ৰুপ পৰীক্ষাৰ বাবে ভ্ৰাম্যমাণ স্বাস্থ্য পৰীক্ষা শিবিৰৰো আয়োজন কৰি আহিছে। গ্ৰাম্য বিকাশ মঞ্চৰ সঞ্চালক পৃথিভূষণ ডেকাই জানিবলৈ দিয়া অনুসৰি কিশোৰ-কিশোৰীসকলৰ বিভিন্ন সমস্যাৰ উত্তৰ ম'বাইল ফোনযোগে দিয়াৰ বাবে এটি হেল্পলাইন (৯২৫৪৯-৮২৫৪৯) মুকলি কৰা হৈছে। সকলো ফোন সম্পূৰ্ণ গোপনীয়তা অৱলম্বন কৰা হ'ব বুলিও ডেকাই জানিবলৈ দিয়ে। ...

আহিছে। গ্ৰাম্য বিকাশ ... জানিবলৈ দিয়া অ... বিভিন্ন সমস্যাৰ উত্তৰ ... এটি হেল্পলাইন (৯... হৈছে। সকলো ফো... কৰা হ'ব বুলিও ডেকা... কিশোৰ-কিশোৰীস... সম্পৰ্কে যথেষ্ট সজা... আগবাঢ়িছে। এই প্ৰ... পাচলি বাগিচা আৰু ... কিশোৰীসকলৰ গ্ৰ... সম্পৰ্কে সজাগ কৰি ... উল্লেখ্য যে যোৱা ১৫ ... সংগতি ৰাখি জিলাৰ ... জাৱৰিহাটীত তিনিটা ... প্ৰকল্পটো সফলভাৱে

প্ৰসাৰলৈকে সকলো ক্ষেত্ৰতে গ্ৰাম্য বিকাশ মঞ্চই নিজস্ব আঁচনিৰে আগবাঢ়িছে। গ্ৰাম্য বিকাশ মঞ্চই তেওঁলোকৰ ১৬ বছৰীয়া পৰিক্ৰমাত গ্ৰহণ কৰা আঁচনিসমূহে স্বাভাৱিকভাৱে সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমৰ পৰা আৰম্ভ কৰি ৰাজ্যিক অথবা জিলা পৰ্যায়ৰ সংবাদ মাধ্যমক নিজস্ব কৰ্মপদ্ধতিৰে আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাতো বৰ্তমানৰ সংবাদ মাধ্যমৰ দ্ৰুত উন্নয়নৰ সময়ত কম কথা নহয়। সৰহসংখ্যক স্বেচ্ছাসেৱী সংগঠনৰ নেতিবাচক কৰ্মকাণ্ডৰে অভিজ্ঞতাপুষ্ট ৰাজ্যৰ সংবাদ মাধ্যম; কি ছপা মাধ্যম, কি বৈদ্যুতিক মাধ্যম সকলোৱে উচিতভাৱে গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজক উপযুক্তভাৱে প্ৰচাৰ কৰি আহিছে। এটা স্বেচ্ছাসেৱী সংগঠনৰ কাম-কাজত কিমান নিষ্ঠা আৰু স্বচ্ছতা থাকিলে তেওঁলোকৰ বাতৰি ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক পৰ্যায়ৰ আগশাৰীৰ কাকতৰ প্ৰথম পৃষ্ঠাত এংকৰ ষ্টৰী হ'ব পাৰে; সেয়া সহজেই অনুমেয়। ৰাজ্যখনৰ কেবাজনো জ্যেষ্ঠ সাংবাদিক হাইদৰ হুছেইন, নৱ ঠাকুৰীয়া, দিলীপ চন্দন, সমুদ্ৰগুপ্ত কাশ্যপ, মুনীন বায়ন, সঞ্জীৱ কুমাৰ ফুকন, ৰমেন কুমাৰ চক্ৰৱৰ্ত্তী, অনিৰ্বাণ চৌধুৰী, অৰূপ সাণ্ডিল্য, সুমিৰ কৰ্মকাৰ আদিয়ে বিভিন্ন সময়ত নলবাৰীলৈ আহি গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজক নৈতিকভাৱে সমৰ্থন আগবঢ়াই আহিছে। ইয়াৰ উপৰি তেওঁলোকে বিভিন্ন প্ৰকল্পস্থলী ভ্ৰমণ কৰি সাধাৰণ লোকৰ লগত মত-বিনিময়েৰে স্বেচ্ছাসেৱী সংগঠনটোৰ কাম-কাজৰ পৰ্যবেক্ষণ কৰি আহিছে। গ্ৰাম্য বিকাশ মঞ্চই জিলাখনৰ সৰহসংখ্যক সংবাদ মাধ্যমৰ লোকৰ পৰা সমৰ্থন লাভ কৰাৰ উপৰিও তেওঁলোকে প্ৰচাৰ কৰা বা বাতৰিসমূহে সংগঠনটোৰ কাম-কাজক জনমুখী কৰি তোলাত সহায়ক হৈছে। সংবাদ মাধ্যমৰ সহায় অবিহনে যে তেওঁলোকৰ কাম-কাজসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাটো সম্ভৱ নহয়, সেই কথা তেওঁলোকে ভালদৰে বুজি পায়। সংবাদ মাধ্যম, জনসাধাৰণ আৰু প্ৰশাসনীয় ব্যৱস্থাৰ সহযোগত এক নিৰ্দ্দিষ্ট লক্ষ্য আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চই আৰম্ভ কৰা দীঘলীয়া যাত্ৰাৰ এয়া মাথোঁ এক আৰম্ভণি। পৰৱৰ্ত্তী সময়ত তেওঁলোকে নিজৰ কৰ্মৰ পৰিসৰ বৃদ্ধি কৰি আৰু অধিক লোকক সামৰি ল'ব পাৰিলে এজন সংবাদ কৰ্মীৰ দৃষ্টিত এয়া হ'ব তেওঁলোকৰ বাবে পৰম প্ৰাপ্তি।

সংবাদ মাধ্যমৰ সহায় অবিহনে যে তেওঁলোকৰ কাম-কাজসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাটো সম্ভৱ নহয়, সেই কথা তেওঁলোকে ভালদৰে বুজি পায়। সংবাদ মাধ্যম, জনসাধাৰণ আৰু প্ৰশাসনীয় ব্যৱস্থাৰ সহযোগত এক নিৰ্দ্দিষ্ট লক্ষ্য আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চই আৰম্ভ কৰা দীঘলীয়া যাত্ৰাৰ এয়া মাথোঁ এক আৰম্ভণি। পৰৱৰ্ত্তী সময়ত তেওঁলোকে নিজৰ কৰ্মৰ পৰিসৰ বৃদ্ধি কৰি আৰু অধিক লোকক সামৰি ল'ব পাৰিলে এজন সংবাদ কৰ্মীৰ দৃষ্টিত এয়া হ'ব তেওঁলোকৰ বাবে পৰম প্ৰাপ্তি।

*বিঃ দ্ৰঃ - ৰমেন কলিতা নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ প্ৰতিষ্ঠান পি.টি.আই.ৰ নলবাৰীৰ সংবাদদাতা*

August, 2015 — শংকৰজ্যোতি — গাঁৱে গাঁৱে



নলপতে গ্ৰাম্য বিকাশ মঞ্চ,নলবাৰীৰ উদ্যোগত বাল্য বিবাহ আৰু শিশু শ্ৰমিক নিৰ্মূলৰ বাবে বাটৰ নাট প্ৰদৰ্শন কৰাৰ দুটি দৃশ্য, ফটো : অজিত চক্ৰৱৰ্তী

জনসাধাৰণ — ৮ আগষ্ট, শনিবাৰ, ২০১৫, গুৱাহাটী



নলবাৰীত 'বাল্য বিবাহ আৰু শিশু শ্ৰমিক নিৰ্মূল' সম্পৰ্কত প্ৰদৰ্শিত বাটৰ নাটৰ দুটি মুহূৰ্ত — অজিত চক্ৰৱৰ্তী

STATE — THE ASSAM TRIBUNE, GUWAHATI 9

TUESDAY, DECEMBER 8, 2015

## Awareness drive to save girl child

NALBARI, Dec 7: In order to spread awareness about girl child, an NGO, Gramya Viksh Mancha, launched a campaign in Nalbari district. As many as 30,000 people visited the temporary stall set up at Nalbari Raas festival where the NGO distributed leaflets, exhibited documentary on girl child protection. – Correspondent

## NGO helps adolescents to stand against child marriage

CORRESPONDENT

NALBARI, Sept 9: In order to reduce the prevalence of child marriage and the use of hazardous substances, the Gramya Vikash Mancha – an NGO – has been implementing a new project, adolescents empowerment in Assam, in 20 remote villages of Nalbari district.

The project, supported by the National Foundation of India (NFI), New Delhi, under the Youth Innovations Programme, covered a thousand adolescents of those villages, mostly dominated by SC, ST and minority people.

The NGO has selected 700 girls and 300 boys for the project and planned to aware them

They will also ensure the physical, mental and spiritual development of the selected adolescents. For that, the NGO has been organising health check up, anaemia and blood group tests of those adolescents.

While talking to this correspondent, Prithi Bhushan Deka, director of the NGO, said, "The most important thing of this project is that the adolescents selected for the project are also engaged in the awareness programme."

Under this project, some rural libraries and gardens were also constructed with the help of those adolescents, he said, adding, "It will help them to build up a reading habit."



# মৰিচিকা...
# শিক্ষাৰ অধিকাৰ আইন (RTE Act-2009) ৰূপায়ণত চমু পৰ্য্যবেক্ষন

✍ কামিনী মোহন বৰপাত্ৰ গোহাঁই
মৰাণহাট, ডিব্ৰগড়, অসম

২০০৯ চনত ইতিহাস ৰচনা কৰি ভাৰতবৰ্ষৰ উভয় সদনে প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰি দেশখনৰ নাগৰিকসকলৰ বাবে অতিকৈ সন্তোষৰ বাতৰি কঢ়িয়াই আনিলে। স্বাধীনতাৰ ৬০ বছৰৰো অধিককাল চিন্তা-চৰ্চা কৰি, একাধিকবাৰ পৱিত্ৰ সদনৰ দুৱাৰডলিত ভুমুকি মাৰি ২০০৯ ইং চনৰ আগষ্ট মাহত মহামান্য ৰাষ্ট্ৰপতিৰ স্বাক্ষৰিত এই বিলখন আইনত পৰিণত হয়। ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলৰ শিক্ষাক বাধ্যতামূলক হিচাপে গণ্য কৰি শিশুৰ বিকাশৰ অধিকাৰ সুনিশ্চিত কৰাত এইবাৰ কৰ্তৃপক্ষ বাধ্য হ'ল। শিশুটিক বাধ্যতামূলকভাৱে গুণগত শিক্ষা প্ৰদান কৰি মানসিক তথা বৌদ্ধিক বিকাশ সাধন কৰাটো লক্ষ্য হিচাপে লৈ ২০১০ ইং চনৰ পহিলা এপ্ৰিলৰ পৰা সমগ্ৰ দেশতে (জন্মু আৰু কাশ্মিৰক বাদ দি) শিক্ষাৰ অধিকাৰ আইন-২০০৯ বলৱৎ কৰা হ'ল।

শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন ২০০৯ কাৰ্যকৰী হোৱাৰ পৰা দেশৰ শিক্ষা ব্যৱস্থাত লক্ষণীয়ভাৱে কিছু কিছু পৰিবৰ্তন প্ৰত্যক্ষ কৰা হৈছে। চৰকাৰে, কৰ্তৃপক্ষই





বিদেশী বিনিয়োগকাৰীৰ পৰা ঋণ লৈ হ'লেও বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা, বাঁহৰ খুঁটা এতিয়া পকী কৰা হৈছে। খোৱাপানীৰ মজুত কৰিবলৈ বৃহৎ বৃহৎ পাত্ৰ প্ৰদান কৰা হৈছে, শিশুসকল একেটা শ্ৰেণীতে দুবছৰ পঢ়িবলগীয়া নহৈছে, শিক্ষকসকলৰ নিযুক্তিকে ধৰি সঘনাই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে, বিদ্যালয়সমূহলৈ অবিৰতভাৱে লাখৰ ঘৰত পুঁজি যোগান ধৰা হৈছে ইত্যাদি... ইত্যাদি...। চমুকৈ, শিক্ষাব্যৱস্থাত চকুতলগা পৰিবৰ্তনৰ জোৱাৰ আনিলে এই আইনখনে।

আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ প্ৰতিষ্ঠানসমূহৰপৰা খুজি-মাগি অনা টকাকেইটাৰে মোৰ গাঁৱৰ স্কুলখনৰ দেৱালবোৰ পকী হ'ল সঁচা, শিশুসকল জানো গুণগত শিক্ষাৰে শিক্ষিত হৈছে? হেজাৰ হেজাৰ শিক্ষক নিযুক্তি দিয়াতো স্বীকাৰ কৰিবই লাগিব, তাৰ বিপৰীতে গাঁৱৰ বিদ্যালয়খনত ছাত্ৰ-শিক্ষকৰ অনুপাত আইনখনে নিৰ্দ্ধাৰণ কৰা মতে হৈছে জানো? বিদ্যালয় পৰিচালনা সমিতিখন গঠন কৰা হৈছে সঁচা, এই প্ৰক্ৰিয়াৰ জৰিয়তে ৰাইজক বিদ্যালয়খনৰ কাষ চপাই নিয়াৰ পৰিবৰ্তে দুটা পৃথিৱীক অস্তিত্বৰ ক্ষমতাৰ যুঁজ-বাগৰ লগোৱা হৈছে। বাধ্যতামূলক শিক্ষাই কেনেবাকৈ শিশুসকলক বিদ্যালয়লৈ অনিয়মীয়াকৈ যোৱাত উদ্‌গনি যোগাইছে নেকি? শিক্ষা বিভাগত 'চাকৰি' কৰাসকল বিভিন্ন পৰ্যায়ৰ 'ঠিকাদাৰ'লৈ ৰূপান্তৰিত হৈছে নেকি?

যদিও আইনখন বিশ্লেষণ কৰিলে কিছুমান আসোঁৱাহ প্ৰত্যক্ষ কৰা হয়, " নাই মোমাইতকৈ কণা মোমায়েই ভাল" হিচাপে গণ্য কৰি সকলোৱে মিলি ইয়াৰ সঠিক ৰূপায়ণ কৰাত হাত উজান দিয়া উচিত। অন্যথা অনাগত প্ৰজন্মৰ ধ্বংসযজ্ঞত আমি সকলো অংশীদাৰ হ'ম।







# অসমৰ কৃষক আৰু জি.ভি.এম.ৰ অৰ্থনীতি

✍ মৃণ্ময় কুমাৰ নাথ
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

মিনু কলিতাৰ চোতালত ভৰি থৈ আমি অনুভৱ কৰিছিলো যেন সেয়া একে সময়তে এখন শোক আৰু আশাৰ পৃথিৱী। সেই শোক অতীতৰ আৰু আশা বৰ্তমান-ভৱিষ্যতৰ। আমি কিবা এখন প্ৰতিবেদন প্ৰস্তুতিৰ কামত যোৱা বুলি কওঁতে তেওঁ বৰ আশাৰে তথ্যবোৰ দি গৈছিল। কৈছিল মাহিলি উপাৰ্জন তিনি হাজাৰ টকা, প্ৰ-পত্ৰ পূৰণ কৰিব নোৱৰাৰ বাবে স্নাতক দ্বিতীয় বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰাৰ কথা, তিনি বছৰ আগেয়ে হেৰুওৱা গিৰীয়েকৰ কথা। তেওঁ উচুপিছিল। চকুলো ঢাকি ৰাখিব পৰা নাছিল। বাৰে বাৰে ভাগি পৰিছিল। আমি বুজাইছিলো- "খুড়ীদেউ, জীৱন এনেকুৱাই।" পিছে আমাৰ সুবিধাবাদী সান্ত্বনাবাণীৰ প্ৰতি তেওঁৰ





কোনো আকৰ্ষণ নাছিল।

এয়া নলবাৰী জিলাৰ এখন গাঁৱৰ কথা। মানুহবোৰ আৰ্থিকভাৱে অতি অনগ্ৰসৰ। খেতি মাটি তিনি-চাৰি বিঘাকৈ আছে। কিন্তু তাত বানৰ উপদ্ৰৱত খেতি কৰিবই নোৱাৰে। পথাৰত পানী যোগান ব্যৱস্থা নাই। চৰকাৰে পানী যোগানৰ মেচিন কেৰোণ ধৰা প্ৰক্ৰিয়া এটাৰ মাজেৰে বিতৰণ কৰিছিল। কিন্তু বিদ্যুতৰ অভাৱত সেইবোৰ এতিয়া কৃষকৰ বাবে ভালুকৰ সাঙী সদৃশহে গৈছেগৈ। পথাৰত বিদ্যুৎ যোগান পাবলৈ হ'লে তেওঁলোকে বহু দূৰৰ বিদ্যুৎ খুঁটাৰ পৰা তাঁৰ টানিব লাগে। ফলত বিদ্যুৎ চুৰিৰ গোচৰত বহু কৃষক থানাৰ অতিথি হ'বলগীয়া হয়। আৰক্ষীয়ে পানী যোগানৰ প্ৰকাণ্ড মেচিন পথাৰৰ পৰা নি থানা চৌহদ পোৱায়। উভতাই অনাৰ বাবে কৃষকৰ হাতত ধন নাথাকে। এনেদৰেই পথাৰবোৰ এৰাবাৰী হয়। খেতিয়কসকল হয় উদ্যোগ ক্ষেত্ৰৰ বনুৱা, দাৰোৱান। এয়া অকল নলবাৰী জিলাৰ সেই বিশেষ গাঁওকেইখনৰ কথা নহয়। এয়া সমগ্ৰ অসমৰ কৃষিক্ষেত্ৰৰ সাম্প্ৰতিক ছবি। এয়া অতি সত্য কথা যে কৃষিৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা আঁচনিবোৰৰ ১০ শতাংশও সঠিকভাৱে কাৰ্যকৰী কৰা হোৱা নাই। প্ৰকৃত কৃষকসকল এলাগি বনুৱা শক্তি হৈ ৰৈ গৈছে। আধুনিক সমাজ বিজ্ঞানে তেওঁলোককো শ্ৰমিক হিচাপে চিহ্নিত কৰিছে। অথচ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংঘ (ILO)ৰ কোনো এটা নীতি-নিয়মে এওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আঠ ঘণ্টাৰ দৈনিক শ্ৰমৰ ধাৰণাটো কৃষি বণুৱা (Agriculturul Labour)ৰ ক্ষেত্ৰত অপ্ৰাসংগিক। অসমত আজিও বহু কৃষকে বন্ধা শ্ৰমিক (Bonded Labour) হিচাপে অইনৰ কৃষি ভূমিত কাম কৰি আছে। নিয়োগ প্ৰক্ৰিয়াৰ পৰম্পৰাগত পদ্ধতিৰ বলি হোৱা 'বন্ধা শ্ৰমিক নিষিদ্ধকৰণ আইন, ১৯৭১''য়েও যে এওঁলোকক মুক্তি দিব পৰা নাই। কিন্তু লোকৰ পথাৰত আধিয়া হিচাপে কাম কৰা কৃষকে দুপৰীয়া শুকান ৰুটি আৰু মালিকৰ কেটেৰা-জেঙেৰাৰ বাহিৰে কি অধিকাৰ পাই সেয়া অসমৰ গ্ৰাম্য জীৱনৰ সৈতে সংযুক্ত প্ৰতিজন ব্যক্তিয়ে জানে।

কৃষক আৰু কৃষিভূমিৰ সাম্প্ৰতিক শোচনীয় অৱস্থাৰ বাবে কোন জগৰীয়া, সেয়া বিচাৰ কৰাৰ আগেয়ে আমি অসমৰ ৰাজনৈতিক, অৰ্থনীতি, সমাজনীতি, সৰ্বোপৰি শ্ৰমৰ হ্ৰাসমান মৰ্যাদাৰ দিশটোও বিচাৰ কৰিব লাগিব। বিচাৰ কৰিব লাগিব সাংগঠনিক শক্তিৰ প্ৰাসংগিকতা আৰু অসমৰ কৃষকসকলক সংগঠিত কৰিব নোৱৰাৰ মূল কাৰণবিলাক। আমি বিভিন্ন অসংগঠিত কৃষকৰ সৈতে হোৱা বাৰ্তালাপ, সভাৰ জৰিয়তে এয়া জানিব পাৰিছিলো যে তেওঁলোকে এখন প্লেটফৰ্মৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে। গাইগুটীয়া দুৰ্বল কণ্ঠই তেওঁলোকক কাহানিও কাংক্ষিত সফলতা দিব নোৱাৰে বুলি তেওঁলোক নিশ্চিত।

এইখিনিতে "গ্ৰাম্য বিকাশ মঞ্চ" নামৰ বে-চৰকাৰী সংগঠনটোৰ নাম উল্লেখৰ প্ৰাসংগিকতা আহি পৰে। এই জি.ভি.এমৰ জৰিয়তে আমি "টাটা ইনষ্টিটিউট অব্ ছ'চিয়েল ছায়েন্স"ৰ পোন্ধৰজনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটাই নলবাৰী জিলাৰ বিভিন্ন গ্ৰামাঞ্চলৰ ৰাইজৰ কাষ চাপিছিলোঁ। "টাটা ইনষ্টিটিউট অব্ ছ'চিয়েল ছায়েন্স"ৰ প্ৰাক্তন ছাত্ৰ পৃথ্বিভূষণ ডেকাৰ লগতে অইনসকলৰ নিঃস্বাৰ্থ সেৱা আৰু আপ্ৰাণ চেষ্টাৰ বলত প্ৰাণ পাই উঠা এই সংগঠনে ইতিমধ্যে চাৰিখন জিলাৰ কৃষকৰ বাবে কাম আৰম্ভ কৰিছে। তেওঁলোকে অৰ্থনৈতিক সবলীকৰণ, সামাজিক ন্যায় আদিৰ হকে কাম কৰি আছে। তেওঁলোকৰ লগত আছে ১১৩ গৰাকী পূৰ্ণ পৰ্যায়ৰ তথা ৩৪৭গৰাকী আংশিক পৰ্যায়ৰ কৰ্মী। গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়, জামছেদ্‌জী টাটা



ন্যাস, ইউনিছেফ, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি, নেশ্যনেল কাউন্সিল অব্ ৰুৰেল ইনষ্টিটিউট আদিৰ সৈতে জি.ভি.এম. বিভিন্ন উন্নয়নমূলক কামত জড়িত হৈ পৰিছে।

মহিলা কৃষক সবলীকৰণ পৰিযোজনা (এম.কে.এছ.পি.)ৰ অধীনত গ্ৰামাঞ্চলৰ মহিলাসকলৰ গোট গঠন কৰি তেওঁলোকক কম খৰচি এছ.আৰ.আই. পদ্ধতিৰে অধিক শস্য উৎপাদনৰ প্ৰশিক্ষণ দিয়া হৈছে। মহিলাসকলৰ উৎসাহ দেখি আমি অভিভূত হৈছিলো। হিন্দু, মুছলমান, খ্ৰীষ্টান সকলো ধৰ্মৰ লোকে যি উৎসাহ আৰু সহৃদয়তাৰে জি.ভি.এম.ৰ উন্নয়নমূলক কামৰ অংশীদাৰ হৈছে সেয়া দেখি ব্যক্তিগতভাৱে আমি অনুভৱ কৰিছিলো যে ধৰ্মভিত্তিক শ্ৰেণী বিভাজন মাথোঁ ভালকৈ দুবেলা দুমুঠি খাবলৈ পোৱা স্বচ্ছল লোকৰ মানসিক বিকাৰৰ সৃষ্টি। আৰ্থিকভাৱে অতি দুৰ্বল লোকসকলৰ হাতত ঠেক মনৰ নেতাৰ ধৰ্মীয় বাণী শুনি বিভাজিত হ'বলৈ তথা সমাজত বিভাজনৰ বীজ সিঁচিবলৈ সময় নাই। একেখিনি কথা বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা উপকৃত হোৱা কৃষক সমাজৰ ক্ষেত্ৰতো প্ৰযোজ্য। পথাৰত পানীৰ অভাৱত হাবু-ডুবু খোৱা কৃষকসকলৰ পানীৰ বাহিৰে অইন একোৱে নালাগে। অথচ অসম চৰকাৰৰ হেমাহিৰ বাবে পানী তেওঁলোকৰ বাবে সবাতোকৈ দুৰ্লভ সম্পদ। বীজ আছে, সেয়া জি.ভি.এম. প্ৰদত্ত। চৰকাৰে বীজ দিলেও শস্যপ্ৰাপ্তিৰ নিশ্চয়তা নাথাকে। বেছিভাগ ক্ষেত্ৰত সেয়া নষ্ট বীজ হিচাপে, উৎপাদন ক্ষমতাহীন বীজ হিচাপে প্ৰমাণিত হয়। কিন্তু এই প্ৰমাণ মাথোঁ কৃষকে এটা দীঘলীয়া কষ্টকৰ প্ৰক্ৰিয়াৰ অন্ততহে পায়। অৰ্থাৎ কষ্টৰ অন্তত ফল নাপালে কৃষকে পেটত গামোচা বান্ধিব লগাটো নিশ্চিত। ইয়াতকৈ অধিক দুখৰ কথা কি হ'ব পাৰে? জি.ভি.এমে কৃষকৰ হাতত বীজ আৰু পথাৰত পানী দিছে। চৰকাৰে কৃষকক মাথোঁ প্ৰতাৰণা কৰিছে। সেই বাবে ৰাইজে জি. ভি.এমক ভাল পায়। চৰকাৰী মানুহক তেওঁলোকৰ উদাসীনতাৰ বাবে শত্ৰুজ্ঞান কৰে। সেইবাবে ব্যৱস্থাৰ পৰিবৰ্তনৰ স্বাৰ্থত চৰকাৰৰ শুভবুদ্ধি উদয় হোৱা প্ৰয়োজনীয়। লগতে প্ৰয়োজনীয় গ্ৰাম্য বিকাশ মঞ্চৰ দৰে স্বেচ্ছাসেৱী সংগঠনৰ প্ৰসাৰ তথা বিস্তাৰ।







# গ্ৰামাঞ্চলৰ বিদ্যালয় বনাম ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

✍ **শ্বাহআলম আহমেদ**
গুৱাকুছি

শিক্ষা ব্যৱস্থাৰ সঘন সংস্কাৰ ঘটাই যিসময়ত ৰাজ্য চৰকাৰে সৰ্বশিক্ষা অভিযান মিছনৰ জৰিয়তে ৰাজ্যৰ প্ৰাথমিক শিক্ষা জগতলৈ আমুল পৰিৱৰ্তনৰ ধাৰা বোৱাবলৈ সক্ষম হোৱা বুলি দাবী কৰিছে তেনে সময়তে প্ৰাথমিক শিক্ষাৰ এক ঋণাত্মক দিশৰ তথ্যই এই দাবীক পোনপটীয়াকৈ খণ্ডন কৰিছে। এই ক্ষেত্ৰত পৰিলক্ষিত হৈছে যে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰ অথবা স্বেচ্ছাসেৱী সংগঠনসমূহে প্ৰচেষ্টা অব্যাহত ৰাখিলেও পৰিবৰ্তিত সমাজ ব্যৱস্থা আৰু যান্ত্ৰিক সভ্যতাৰ ধামখুমীয়াত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহৰ পৰা বছৰি ১০ শতাংশ ছাত্ৰ-ছাত্ৰী হ্ৰাস পাবলৈ ধৰিছে।

অনুৰূপভাৱে অংগনৱাড়ী কেন্দ্ৰসমূহতো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অকল্পনীয়ভাৱে হ্ৰাস হোৱা বিষয়টোৱে প্ৰাথমিক বিদ্যালয়সমূহৰ ভৱিষ্যৎ সম্পৰ্কেও প্ৰশ্নৰ উদয় কৰিছে। সম্প্ৰতি বিভাগীয় কাৰ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অনুপাত সম্পৰ্কীয় তথ্য আহৰণত স্পষ্ট হৈছে যে অধিকাংশ বিদ্যালয়তেই শিক্ষক অনুপাতে ছাত্ৰ-ছাত্ৰী কম। আনকি এখন বিদ্যালয়ত তিনি-চাৰিজন শিক্ষকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৮-১০জন হোৱাৰ উদাহৰণো অলেখ। লক্ষণীয়







যে গ্ৰামাঞ্চলসমূহত জনসংখ্যা সীমিতকৰণ তথা জন্ম নিয়ন্ত্ৰণ আঁচনিয়ে এইক্ষেত্ৰত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। বিদ্যালয়সমূহত এনেদৰে ছাত্ৰ-ছাত্ৰী সীমিত হোৱা বিষয়টোৱে এটা জাতিৰ জনসংখ্যা হ্ৰাসৰ দিশটোও প্ৰতিফলিত কৰিছে। ইফালে, এক নিৰ্দ্দিষ্ট দূৰত্ব সামৰি একোখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হ'ব লাগে যদিও কেতবোৰ অঞ্চলত প্ৰতি কিলোমিটাৰৰ অন্তত তিনিখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন হোৱাৰ ফলতো উক্ত অঞ্চলসমূহৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয়ভাৱে হ্ৰাস পাইছে। আনহাতে, অংগনৱাড়ী কেন্দ্ৰসমূহৰো একাংশত থাকিব লগা সংখ্যাৰ ছাত্ৰ-ছাত্ৰীও নথকাত উপায়বিহীন হৈ একাংশ কেন্দ্ৰই প্ৰাথমিক বিদ্যালয়ৰ পৰা টানি অনা ছাত্ৰ-ছাত্ৰীকে অংগনৱাড়ীত শিক্ষাদান কৰাও পৰিলক্ষিত হৈছে। ইফালে, এনে কাৰ্য্যৰ ফলত প্ৰাথমিক বিদ্যালয়ত সংলগ্নভাৱে চলি থকা অংগনৱাড়ী কেন্দ্ৰৰপৰা বছৰেকত 'ক' শ্ৰেণীত নামভৰ্ত্তি কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শূন্য হোৱাৰ সম্ভাৱনাই অধিক। লক্ষণীয় বিষয় যে গ্ৰামাঞ্চলৰ একাংশ অংগনৱাড়ী কেন্দ্ৰত পুৱা যোগান ধৰা লঘু আহাৰৰ গইনা লৈহে স্থানীয় শিশুসকলক টানি-আঁজুৰি নিয়া পৰিলক্ষিত হয়। এনে অৱস্থাৰে চলি গৈ থাকিলে আৰু দুই-তিনি বছৰৰ ভিতৰত ৰাজ্যৰ ১০ শতাংশ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শূন্য হৈ পৰিব। জিলা আৰু স্থানবিশেষে কোনো কোনো প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী শূন্য হৈ পৰাত তেনে বিদ্যালয়ৰ শিক্ষকসকলক স্থানীয় অন্য বিদ্যালয়ত সংলগ্ন কৰা বা কাৰ্যালয়ৰ বিভিন্ন কামৰ সহায়ক হিচাপে নিয়োজিত কৰাৰ বাহিৰে গত্যন্তৰ নোহোৱা হৈছে। তেনেদৰে গ্ৰামাঞ্চলত থকা মধ্য ইংৰাজী বিদ্যালয়, উচ্চ বিদ্যালয়সমূহৰো একে অৱস্থা হ'বলৈ আৰম্ভ হৈছে। ব্যক্তিগত বিদ্যালয়সমূহতকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমিবলৈ ধৰিছে। অৱশ্যে এই বিষয়টোৰ ওপৰত সমাজৰ সচেতন নাগৰিক গুৰুত্ব সহকাৰে ল'ব লাগিব। গ্ৰামাঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহ কেনেদৰে ৰক্ষা কৰিব পাৰি আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কেনেদৰে বৃদ্ধি কৰিব পাৰি তাৰ ওপৰত পৰ্যালোচনা কৰাৰ প্ৰয়োজন হৈ পৰিছে। এইক্ষেত্ৰত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহো আগবাঢ়ি আহিব লাগিব। নহ'লে এটা সময়ত গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহ বন্ধ হৈ পৰিব। যিসমূহ প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰি এটা সময়ত সমাজৰ গুণী-জ্ঞানী লোকৰ সৃষ্টি হৈছে, য'ত অধ্যয়ন কৰি সমাজ তথা দেশ আৰু জাতিৰ গৌৰৱ অৰ্জন কৰিছে তেনে আমাৰ অতি মৰমৰ আৰু গাঁও শুৱনি কৰা প্ৰাথমিক বিদ্যালয়সমূহ পাহৰণিৰ গৰ্ভত সোমাই যাব। আহক আমি সকলোৱে মিলিজুলি এই সমস্যা সমাধান কৰো।





কবিতা

# প্ৰত্যাশা

✍ **ক্ষিতীশ ডেকা**, বড়িগাঁও

মই এখন সচিত্ৰ,
দিন-ৰাতিবিহীনে, নিঃসংগ মই,
নাই হেনো অতীতৰ কোনো ভাষ্য
মই সপোনৰ বোধিবৃক্ষ।
মোৰ সপোন সপোন লগা শব্দই
সাজে শইচৰ বাট্
জোনাক নিগৰি আহি, দেখো নৱপ্ৰভাত,
জীৱন্ত চাৱনিৰ হৈ পৰো স্ববিৰ,
যদিও মোৰ হৃদয় মৃত-মই অপাৰ্থিৱ।
মোৰ ছবিত অংকুৰণ হয়
হেজাৰ মহিমাৰ শতদ্ৰু,
নিঃশব্দ পাৰিজাতো হয় পলকৰ গাভৰু,
তেজাল অশ্বও হৈ পৰো মই ক্ষন্তেকতে
এয়া মোৰেই চিনাকি সচিত্ৰত
এই প্ৰলয়হীন প্ৰভাতৰ।।

# কৰ্মভূমি

✍ **দেৱ কুমাৰ বড়ো**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

কৰ্ম জীৱনলৈ
এজন যাযাবৰ হৈ
এদিন আহিছিলো।
আশ্ৰয় ল'বলৈ,
নীৰৱ দৰ্শক হৈ
জীৱনৰ এটি বেলা।
সকলোকে আপোন কৰি
সকলোকে সাবটি
হঠাতে অহা হাঁহি এটি
উভতি গ'লগৈ...
অহা বাটেৰে,
এতিয়া আমাৰ বিদায় বেলা।
শূন্য হাতেৰে,
শূন্য হাঁহিটোৰ দৰেই
বিদায় বেলাৰ দুখেৰে দুখী আমি।

# আশীৰ্বাদ

(আমাৰ উত্তৰ প্ৰজন্মৰ হাতত)

✍ **শান্তনু শৰ্মা**

তুমি আহিছিলা মোৰ নথকাবোৰৰ মাজেৰে
মোৰ সকলো শূন্যতাৰ মাজত
জোকাৰণি তুলি তুমি আহিছিলা
মই তোমাক ভাল পাওঁ
আৰু তুমি জানা এই কথা

স্বীকাৰ কৰো— মই তোমাৰ অক্ষম পূৰ্বজ
তুমি আছিলা মোৰ অবাক পৃথিৱী
সন্ধিক্ষণৰ এডাল জোৰ সেঁতু

আজি তুমি নাজানিবা
এনেদৰেই জড়িত হয় জীৱন জীৱনৰ স'তে
মোৰ পৃথিৱী হয় আমাৰ পৃথিৱী

মাজে মাজে সপোনৰ
সমুদ্ৰত জোৱাৰ উঠে
আৰু মই জাগি উঠো
তোমাৰ সপোনৰ স'তে
অথচ যি সপোন চুবলৈ
মই আজীৱন অক্ষম...

তোমাক মই পাইছিলো শুকুলা মেঘবোৰৰ পৰা
নদী আৰু নিজৰাবোৰৰ পৰা
তুমি সৌ দহিকতৰাটোৰ দৰে
মোৰ বুকু খান্দিবলৈ আহিছিলা

তোমাক পাইছিলো মই বেলি আৰু বতাহৰ পৰা
অনন্ত নক্ষত্ৰপুঞ্জ আৰু সকলো নিসৰ্গ
প্ৰাচীন গাঁঠাৰ পৰা

যদিও মই ভাবো তোমাৰ বাবে মই
মোৰ বাবে তুমি
মই জানো
মই কাহানিও চুব নোৱাৰিম তোমাৰ পৃথিৱী

দৃশ্যান্তৰত তুমি মোৰ লাখুটি
হ'বা নে নহ'বা নাজানো
মই হ'লে সদায়ে সপোন দেখো
তুমি ডাঙৰ হ'লে দুখৰ ভাৰ বৈ নিব
পৰা এজন মানুহ হ'বা

মাটি আৰু আকাশক চুই জীৱনক জিনিবা।

# পুৰণি দিনৰ মৃত্যুত

**✍ প্ৰণৱ কুমাৰ বৰ্মন**

পুৰণি দিনৰ মৃত্যুত মানুহবোৰে আততায়ীৰ দৰে
হৰ্ষোল্লাস কৰিছে
যেন পৃথিৱীৰ সকলো পাপ আৰু দুখৰ দিনৰ অৱসান ঘটিল।
পুৰণি দিনৰ মৃত্যুত মানুহে আয়োজন কৰিছে উৎসৱৰ
যেন নতুন দিনবোৰ দুৰ্ভিক্ষ আৰু ক্লেদাক্ত অভিজ্ঞতাৰ পৰা
মুক্তি পাব পৃথিৱী
পুৰণি দিনবোৰ সামৰি থোৱা সোঁৱৰণিয়ে যেন
কাহানিও আৰু উদ্বাউল নকৰিব মানুহক।
গুচি যোৱা দীৰ্ঘকালৰ প্ৰেয়সীৰ ছায়াই আমনি নকৰিব কাকোৱেই
মৃত দেউতাই উভতি আহি চুলিত নুফুৰাব হাত
অনাটনৰ নিদ্ৰাহীন ৰাতিবোৰে উজাগৰে নৰখাৰ
প্ৰতিশ্ৰুতি দিব
ঘাতকৰ তৰোৱালত ধুলি আৰু বৰষুণে মামৰ সানিব
পুৰণি দিনবোৰ যেন সপোন আৰু আশাৰ হত্যাকাৰী
নতুন দিনবোৰে আমাক চিৰনতুন কৰি ৰাখিবনে?
মোৰ হ'লে দুখ দুখ লাগিছে।
মোৰ প্ৰিয় নাৰীৰ দুই এডাল চুলিত যে ৰূপালী ৰং লাগিব
তেওঁ গৈ থাকিব চিৰ-বিচ্ছেদৰ বাটেদি
ঘৰৰ কাষৰ পথাৰখনত সোণালী ধান, সৰিয়হক উচ্ছেদ কৰি
আকাশৰ সমান ওখ এটা ঘৰ হ'ব।
আমাৰ পঢ়াশালীৰ শিক্ষকজনে অৱসৰ লৈ
ভৱিষ্যতৰ অন্ধকাৰৰ পৰ্দাৰ আঁৰত অনিশ্চয়তাৰ
সংশয়ত কঁপিব
আৰু পেঞ্চনৰ বাবে দিন দিনান্তত বাটকুৰি বাব
নতুন দিনবোৰত ৰোগাক্ৰান্ত মানুহজনে জেপৰ ধনেৰে
কিনিব পাৰিবনে দৰব
ছোৱালীকণৰ হ'বনে বিয়া, ল'ৰাটোৰ চাকৰি
অৰণ্যৰ হেংদাং যেন মুখৰ ডেকাবোৰ অবিহনে
উভতি প্ৰাপ্য প্ৰাপ্তিৰ সন্তোষিত মনেৰে
নতুন দিনবোৰ ইমান নতুন হ'বনে
বিপ্লৱ-ৰূপান্তৰিত পৃথিৱীৰ দৰে তেজাল আৰু
ভোক নিপীড়নহীন সমতাৰ সততাৰে দীপ্ত!

# সীৰলুতেই জীৱনৰ ৰং

**✍ তৰণী কলিতা**

ফালৰ আঘাতত চিৰাচিৰ
সীৰলুত উঠি অহা মাটি গচকি মিহি কৰিবলৈ
ৰাতিৰ বিষত কক্‌বকাই থকা
কৃষকৰ ভৰি দুখন খৰকৈ চালনাৰে
প্ৰাণ পাই উঠে।
কেঁচা সপোনৰ মায়াজাল...
শইচ সিঁচা, গজালি মেলাৰ
ঠন ধৰি পক ধৰাৰ সপোন
পদ্ধতিগত জীৱন নিৰ্বাহৰ সমীকৰণ।
হুমুনিয়া, হতাশা নেওচি
প্ৰাণ দি পালনৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ
দুচকুত ধুঁৱলী কুঁৱলী
সৰিয়হ, ধান, কবি, আলু....
হালধীয়া, সেউজীয়া আৰু সোণোৱালী ছবি।
কৃষকৰ সপোন
বানপানীৰ নিষ্ঠুৰ তাণ্ডৱে
বুকুতো সীৰলু আঁকে...
তথাপি নাচোৰবান্দা
সীৰলুতে আশা সিঁচিবলৈ...
প্ৰাণৰ স্পন্দন, অশেষ ভৰসাস্থলী
সীৰলুত ওফন্দি উঠা চপৰাবোৰ
গচকি-মোহাৰি পাওঁ কি যে তৃপ্তি।



একনায়কত্ববাদী নেতাসকলে সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্বকে ধৰি যথাসম্ভৱ অধিক ক্ষমতা উপভোগ কৰে। তেওঁলোকে লগৰবোৰৰ লগত কোনো আলোচনা নকৰে আৰু কোনো ধৰণৰ অৰিহণা যোগাবলৈ তেওঁলোকক সুবিধা নিদিয়ে। কোনো ধৰণৰ আপত্তি নজনোৱাকৈ নেতাৰ নিৰ্দ্দেশ মানি চলাবলৈ এই নেতাৰ অনুসৰণকাৰীসকল বাধ্য হয়। এই ব্যৱস্থাত আনক প্ৰভাৱান্বিত অথবা অনুপ্ৰাণিত কৰিবৰ বাবে নেতাসকলে পুৰস্কাৰ শাস্তিৰ ব্যৱস্থা কৰে।

# নেতা আৰু নেতৃত্বৰ ধাৰণা

✍ অৰূপজ্যোতি দাস
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

*"Leadership is the ability to establish standards and manage a creative climate where people are self-motivated towards the mastery of long term constructive goals, in a participatory environment of mutual respect, compatible with personal values"*

**–Mike Vance**

'নেতা'ৰ ইংৰাজী প্ৰতিশব্দ 'Leader' শব্দটো Lead শব্দৰ বিশেষ্য ৰূপ; যাৰ অৰ্থ হৈছে আগবঢ়াই নিয়া। এই ফালৰ পৰা কবলৈ গ'লে নেতা সেইজন— (ক) যিয়ে এটা দল, সংগঠন নাইবা এখন দেশক আগবঢ়াই নিয়ে আৰু বাট দেখুৱায়। (খ) যাক আন লোকে অনুসৰণ কৰে।

নেতা তেনে এগৰাকী ব্যক্তি, যিয়ে দলক আগুৱাই লৈ গৈ ইয়াৰ বিশেষ উদ্দেশ্য সাধনত সফলতা লাভ কৰে। নেতা আৰু নেতৃত্ব এই শব্দ দুটা বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। এই কথাটো মনত ৰখাতো প্ৰয়োজনীয় যে নেতৃত্বই সদায় দলীয় কাৰ্য সম্পাদনত প্ৰভাৱ পেলায়। এইক্ষেত্ৰত ক্ষমতা, অৱস্থান আৰু সামৰ্থ্য জড়িত হৈ থাকে। নেতাজনে পৰিচালনা, নিৰ্দেশনা প্ৰদান কৰিব পাৰে আৰু পৰিস্থিতিৰ বিশেষ প্ৰয়োজন তথা উদ্দেশ্যত উপনীত হোৱাত আনসকলৰ ব্যৱহাৰ আৰু কাৰ্য্যত প্ৰভাৱ পেলাব পাৰে। নেতৃত্ব হৈছে ব্যক্তিৰ এনে এক সামৰ্থ্য বা দক্ষতা, যিয়ে আনসকলক কাৰ্য সম্পাদনত পতিয়ন নিয়াব পাৰে আৰু বিশ্বাস আৰু উদ্যমৰ সৃষ্টি কৰিব পাৰে।

এজন দলনেতাই দলৰ কাৰ্য সম্পাদনত দায়িত্ব আৰু উন্নতি সাধনত মুখ্য ভূমিকা গ্ৰহণ কৰে। দলনেতাৰ ফলপ্ৰসূতা তেওঁৰ নেতৃত্বৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। দলনেতাই বিশেষজ্ঞ হিচাপে কাৰ্য কৰে, যিজনে সদস্যসকলৰ মাজত আন্তঃসম্পৰ্ক নিয়ন্ত্ৰণ কৰে, শাস্তি আৰু পুৰস্কাৰৰ যোগান ধৰে আৰু

দলৰ মতবিৰোধ আঁতৰায়। প্ৰতিদ্বন্দ্বিতাৰ আদৰ্শ হিচাপেও কেতিয়াবা তেওঁ আৰ্হি হিচাপে ভূমিকা পালন কৰে। দলনেতাই দলত এক বিশেষ স্থান অধিকাৰ কৰে আৰু দলৰ সম্পাদন কৰে, যিয়ে দলৰ উদ্দেশ্য, দলৰ গঠন আৰু দলৰ কাৰ্য বুজি উঠাত সহায় কৰে।

দলনেতাৰ সংজ্ঞা বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে আগবঢ়াইছে—

- চি আই. বাৰ্নাডৰ (C.I. Bernard) মতে, নেতৃত্ব হৈছে ব্যক্তিৰ আচৰণৰ গুণ য'ত তেওঁলোকে অ । ন ব্যক্তিসকলক তেওঁলোকৰ কাৰ্যৰ গঠনাত্মক ফলৰ বাবে পথ প্ৰদৰ্শন কৰে।
- এলফ'ৰ্ড আৰু বিট্টীৰ (Alford and Beatty) মতে, নেতৃত্ব হৈছে শুদ্ধতাৰ ব্যৱহাৰ নকৰাকৈ দলক নিৰ্দিষ্ট কাৰ্য অনুসৰণ কৰিবলৈ সামৰ্থ্য হোৱা ক্ষমতা।
- কেট্‌জ আৰু কেন্‌ৰ (Katz and Kahn) মতে, নেতৃত্ব হৈছে এক প্ৰভাৱ, য'ত এজন ব্যক্তিয়ে নেতা হিচাপে স্থান অগ্ৰাধিকাৰ কৰি অনা ব্যক্তিসকলক প্ৰভাৱিত কৰে।
- ৰবাৰ্ট টেনেহবাম্‌ৰ (Robert Tannehbaum) মতে, নেতৃত্ব হৈছে এক পৰিস্থিতিত আন্তঃব্যক্তি বিশেষ প্ৰভাৱগত অনুশীলন আৰু যোগাযোগৰ প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্দেশিত আৰু কোনো এক বিশেষ উদ্দেশ্যত উপনীত হোৱাৰ প্ৰক্ৰিয়া।

থোৰতে নেতৃত্ব হৈছে এক প্ৰভাৱিত প্ৰক্ৰিয়া, যিয়ে ব্যক্তি বা দলৰ আচৰণ, ব্যৱহাৰ, কাৰ্য আৰু কৰ্মত প্ৰভাৱৰ জৰিয়তে কোনো উমৈহতীয়া লক্ষ্যত উপনীত হোৱাত সহায় কৰে। এতিয়া আমি নতৃত্বৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিম।

ওপৰোক্ত সংজ্ঞা সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে নেতা বা নেতৃত্বৰ ধাৰণাটো ইয়াৰ নিম্নলিখিত বৈশিষ্ট্যসমূহে সহজে বোধগম্য কৰি তোলে—

- নেতা সেইজন, যিয়ে লক্ষ্যত উপনীত হোৱাৰ বাবে মানুহক অনুপ্ৰাণিত বা সৈমান কৰে।
- এদল মানুহক উমৈহতীয়া লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰিবলৈ সৈমান কৰাৰ কলা বা কৌশলেই হৈছে নেতৃত্ব।
- নেতৃত্ব হৈছে এটা প্ৰক্ৰিয়া, যাৰ দ্বাৰা এজন লোকে এদল মানুহক উমৈহতীয়া লক্ষ্যত উপনীত হোৱাৰ বাবে সৈমান কৰায়।
- নেতৃত্ব এক আন্তঃব্যক্তি বিশেষ প্ৰক্ৰিয়া, য'ত এজন ব্যক্তিয়ে তেওঁৰ অনুসৰণকাৰীসকলৰ নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাত সহায় কৰে আৰু দিক্ নিৰ্দেশক হিচাপে কাম কৰে।
- নেতৃত্বৰ বাবে কিছুমান গুণ, যেনে- বুদ্ধি, পৰিপক্কতা আৰু ব্যক্তিত্বৰ প্ৰয়োজন।
- নেতৃত্ব হৈছে এক দলীয় প্ৰক্ৰিয়া। ই দুই বা ততোধিক ব্যক্তিৰ মাজত আন্তঃক্ৰিয়াক সামৰি লয়।
- সাংগঠনিক উদ্দেশ্য বা লক্ষ্যত উপনীত হোৱাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এজন দলনেতাই দলৰ অনুসৰণকাৰীসকলৰ ব্যৱহাৰৰ সংশোধন আৰু উন্নতি সাধন কৰে।

**এগৰাকী সফল নেতা নিম্ন লিখিত গুণাৱলীৰ অধিকাৰী হোৱা দেখা যায় ঃ**

১। **অন্তৰ্দৃষ্টি আৰু দূৰদৰ্শিতা** (Vision and foresight) ঃ এজন নেতাৰ অন্তৰ্দৃষ্টি থকাটো প্ৰয়োজনীয়। তাৰোপৰি যিকোনো কাৰ্য সম্পাদনৰ আগতে দূৰদৰ্শী মনোভাব গ্ৰহণ কৰাটো আৱশ্যক।

২। **বুদ্ধি** (Intelligence) ঃ সমস্যা আৰু পৰিস্থিতিক পৰীক্ষা আৰু চালিজাৰি চাই বিশ্লেষণ কৰাৰ বুদ্ধিমত্তা এজন দলনেতাৰ থকাটো প্ৰয়োজনীয়, যাতে তেওঁ সেই পৰিস্থিতি বা সমস্যাৰ যুক্তিপূৰ্ণ আৰু কাৰ্যকৰী সমাধানৰ সূত্ৰ উলিয়াবলৈ সক্ষম হয়। এজন দলনেতা বুদ্ধিমান হ'ব লাগে যাতে যিকোনো সমস্যা বা গভীৰ পৰিস্থিতি সহজে উপলব্ধি কৰিব পাৰে। সেয়েহে ইতিবাচক মন আৰু পৰিপক্ক ধাৰণা থকাটো অতিকৈ প্ৰয়োজনীয়।

৩। **যোগাযোগমূলক ক্ষমতা বা দক্ষতা** (Communicative Skills) ঃ এজন দলনেতা ভাল যোগাযোগ ৰক্ষাকাৰী হোৱাটো প্ৰয়োজনীয়। তেওঁ স্পষ্টতাৰে উপযুক্তভাৱে আৰু সাৰ্থকভাৱে কৌশল আৰু প্ৰক্ৰিয়াসমূহ যোগাযোগ কৰিবলৈ সক্ষম হ'ব লাগে। এইগুণে অনুসৰণকাৰীসকলক প্ৰভাৱিত আৰু অভিৰোচিত কৰাত সহায় কৰে।

৪। **নিৰ্ণায়ক কৰণ** (Decisiveness) ঃ এজন দলনেতাৰ সিদ্ধান্ত গ্ৰহণৰ সক্ষমতা থাকিব লাগে। তেওঁৰ দলৰ বাকী সকলৰ ওপৰত বিশ্বাস কৰাৰ লগতে তেওঁলোকক কাৰ্য সম্পাদনত উৎসাহিত কৰিব লাগে। আনহাতে তেওঁলোক গতিশীল হ'ব লাগে, যাতে নিজৰ ভুলটো মানি ল'ব পাৰে।

৫। **দায়বদ্ধতা** (Sense of Accountability) ঃ এজন দলনেতাৰ দলৰ কাৰ্য আৰু সাংগঠনিক লক্ষ্যৰ প্ৰতি দায়িত্ব আৰু দায়বদ্ধতা থকাটো প্ৰয়োজনীয়। কাৰণ তেওঁলোকে দলৰ সদস্যৰ সৰ্বাধিক সামৰ্থ বা দক্ষতাক প্ৰকাশ কৰিব পাৰে। সেয়েহে তেওঁ দলৰ সদস্যসকলক অভিৰোচিত কৰিলেহে এইটো সম্ভৱ হ'ব।

৬। **আত্মবিশ্বাস আৰু ইচ্ছাশক্তি** (Self-Sonfidence and will Power) ঃ আত্মবিশ্বাস হৈছে এজন দলনেতাৰ প্ৰয়োজনীয় সংৰক্ষণ। যেতিয়ালৈকে তেওঁ নিজে আত্মবিশ্বাসী নহ'ব; তেতিয়ালৈকে তেওঁ লগৰীয়াসকলৰো আত্মবিশ্বাস গঢ়ি তুলিব নোৱাৰিব। তেওঁ নিজৰ ইচ্ছাশক্তিৰে যিকোনো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব লাগিব। এজন দলনেতা মানৱতাবাদত বিশ্বাসী লোক হ'ব লাগিব। যিহেতু তেওঁ ব্যক্তিৰ লগত আন্তঃক্ৰিয়া সম্পাদন কৰিবলগীয়া হয়। তেওঁ লগৰীয়াসকলৰ সমস্যাসমূহ অধিক যত্ন আৰু মনোযোগেৰে নিয়ন্ত্ৰণ কৰিব লাগিব। আনন্দদায়ক পৰিবেশ সৃষ্টিৰ বাবে তেওঁ মানৱহিতৈষী হ'ব লাগিব।

৭। **বোধগম্যতা** (Understanding) ঃ এজন দলনেতাই কৰ্মচাৰীসকলৰ সমস্যা আৰু অভাৱ-অভিযোগ সমূহ বুজি পাব লাগে। ইয়াৰ উপৰি তেওঁ লগৰীয়াসকলৰ প্ৰয়োজন আৰু অভিলাসক সুম্পূৰ্ণৰূপে বুজি উঠিলেহে উপযুক্ত বিচাৰ কৰিবলৈ সক্ষম হ'ব। এই কাৰ্যই মাননীয় সম্পৰ্ক উন্নত কৰাত আৰু কৰ্মচাৰীসকলৰ ব্যক্তিগত সম্বন্ধ উন্নতী কৰাত সহায় কৰিব।

ওপৰত উল্লেখ কৰা **গুণসমূহৰ** উপৰিও নেতাসকলৰ নিম্নলিখিত সাধাৰণ লক্ষন আৰু **বৈশিষ্ট্যসমূহ** থকা দেখা যায়—

- ন্যায়
- বিচাৰ
- নিৰ্ভৰযোগ্যতা
- সাধুতা
- দক্ষতা
- উচ্চাকাংক্ষা
- বহল আৰু সৰল মন
- আগভাগ গ্ৰহণ
- নিশ্চয়তা
- উদ্যম
- ব্যৱহাৰ/সৌজন্যতা
- নিৰপেক্ষ
- সাহস
- জ্ঞান
- সৃজনীশীলতা
- সহনশীলতা

কিছুমান গুণ বা লক্ষণে নেতাসকলক চিনাক্ত কৰাত সহায় কৰে। প্ৰতিজন নেতাৰে অতি কমেও তিনিটা থকা দেখা যায়।

(ক) **আদৰ্শ বাহক** (Standard Bearers) ঃ নেতাসকলে যিয়েই নকৰক, সেয়া নিয়মত পৰিণত হয় আৰু তাক আনে অনুসৰণ কৰিবলৈ লয়। ভাল চৰিত্ৰ শুনাৰ তুলনাত দেখিহে মানুহ বেছিকৈ আকৰ্ষিত হয়। নেতাসকলে যি কৰে আনেওঁ তেনে কৰিবলৈ আৰম্ভ কৰে আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে আগ্ৰহী হয়।

(খ) **সংগঠক** (Developers) ঃ নেতাসকলে কাম কৰা আৰু শিকাৰ পৰিৱেশৰ সৃষ্টি কৰে। শিকাৰ বাবে তেওঁলোকে আনক উৎসাহ যোগায় আৰু আগ্ৰহীসকলক প্ৰশিক্ষণ দিয়ে আৰু আনকো নিজৰ নিচিনাকৈ তৈয়াৰ কৰিবলৈ চেষ্টা কৰে।

(গ) সমন্বয়ক (Integrators) ঃ কামৰ সমন্বয় সাধন হ'লেহে সাফল্য লাভ কৰিব পাৰি। সেয়েহে নেতাসকলে উদ্দেশ্য, কাম তথা বিভিন্ন কামৰ মাজত সমন্বয় সাধন কৰে আৰু কামৰ মাজত সমস্যা উদ্ভৱ হ'লেই তেওঁলোক উপস্থিত হয় আৰু একেলগে সমাধানৰ চেষ্টা কৰে।

নেতৃত্বৰ প্ৰক্ৰিয়াত ব্যৱহৃত কৌশলৰ ওপৰত নিৰ্ভৰ কৰি নেতা আৰু নেতৃত্বক বিভিন্নজনে বিভিন্ন ধৰণে ভাগ কৰিছে যদিও সাধাৰণভাৱে নেতাসকলক তিনিটা মূল ভাগত ভগাব পাৰি ঃ

(ক) **গণতান্ত্ৰিক নেতা** (Democratic/Participative Leader) ঃ

গণতান্ত্ৰিক নেতাসকলে তেওঁৰ অনুসৰণকাৰীসকলক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ ল'বলৈ সুবিধা আৰু উৎসাহ দিয়ে। গণতান্ত্ৰিক নেতাসকলে তেওঁলোকৰ কাম-কাজৰ সকলো খবৰ আৰু সিদ্ধান্তৰ লগতে সমস্যা সমাধানৰ দায়িত্ব ভগাই লয়। এই ধৰণৰ নেতাসকলে প্ৰশিক্ষকৰ দৰে কাম কৰে যিয়ে নিৰ্দ্দেশ দিয়ে। কিন্তু সিদ্ধান্ত গ্ৰহণৰ আগতে লগৰবোৰৰ পৰা তথ্য তথা দিহা-পৰামৰ্শ লয়।

**গণতান্ত্ৰিক নেতাৰ কাম ঃ**

- লগৰবোৰৰ পাৰদৰ্শিতা বঢ়োৱাত সহায়ক হোৱাকৈ পৰিকল্পনা প্ৰস্তুত কৰা।
- লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ আনক সুবিধা দিয়ে।
- পাৰদৰ্শিতাৰ স্বীকৃতি দিয়ে আৰু উৎসাহ যোগায়।

(খ) **একনায়কত্ববাদী নেতা** (Autocratic Leader) ঃ একনায়কত্ববাদী নেতাসকলে সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্বকে ধৰি যথাসম্ভৱ অধিক ক্ষমতা উপভোগ কৰে। তেওঁলোকে লগৰবোৰৰ লগত কোনো আলোচনা নকৰে আৰু কোনো ধৰণৰ অৰিহণা যোগাবলৈ তেওঁলোকক সুবিধা নিদিয়ে। কোনো ধৰণৰ আপত্তি নজনোৱাকৈ নেতাৰ নিৰ্দ্দেশ মানি চলাবলৈ এই নেতাৰ অনুসৰণকাৰীসকল বাধ্য হয়। এই ব্যৱস্থাত আনক প্ৰভাৱান্বিত অথবা অনুপ্ৰাণিত কৰিবৰ বাবে নেতাসকলে পুৰস্কাৰ শাস্তিৰ ব্যৱস্থা কৰে।

**একনায়কত্ববাদীসকলে—**

- আনক অনুপ্ৰাণিত কৰিবৰ বাবে পুৰস্কাৰ আৰু শাস্তিৰ নীতিত বিশ্বাসী।
- অনুসৰণকাৰীসকলক বিশ্বাস নকৰে।
- অনুসৰণকাৰীসকলক অৰিহনাৰ বাবে সুবিধা নিদিয়ে।

তথাপি একনায়কত্ববাদী সকল সকলো ক্ষেত্ৰতে বেয়া নহয়। কিছুমান পৰিস্থিতি আৰু পৰিৱেশত এনেকুৱা নেতা ফলপ্ৰসূ হোৱা দেখা যায়।

(গ) **নমনীয় নেতা (Laissez-Faire Leader)** ঃ এই শ্ৰেণীৰ নেতাসকলে অনুসৰনকাৰীসকলক খুব কম নিৰ্দ্দেশ দিয়ে আৰু অনুসৰনকাৰী সকলক অধিক স্বাধীনতা দিয়ে।

ক্ষমতাৰ সকলো কৰ্তৃত্ব অনুসৰণকাৰীসকলক প্ৰদান কৰে আৰু লক্ষ্য নিৰ্দ্ধাৰণ, সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধানৰ বাবে তেওঁলোকে নিজেই সকলো কৰিব লগা হয়।

এই ধৰণৰ নেতা তেতিয়া ফলপ্ৰসূ হয় যদিহে—

- অনুসৰণকাৰীসকল উচ্চ শিক্ষিত আৰু উচ্চ অভিজ্ঞতাসম্পন্ন হয়।
- অনুসৰণকাৰীসকল দায়বদ্ধ হয়।
- অনুসৰণকাৰীসকল বিশ্বাসী হয়।

"A leader is one who knows the way, goes the way and shows the way"

**–John C. Maxwell**

"Manegers are people who do things right, while leaders are people who do the right thing"

**–Warren Bennis**



## ‘গ্ৰাম্য বিকাশ মঞ্চ’ৰ কাৰ্যনিৰ্বাহক সদস্য/সদস্যা আৰু বিষয়ববীয়াসকল (২০১৪-২০১৬ বৰ্ষ)



**কমলেশ্বৰ ভূঞা**
সভাপতি



**পৃথ্বিভূষণ ডেকা**
সঞ্চালক



**প্ৰাঞ্জল চক্ৰৱৰ্তী**
উপ-সভাপতি



**দিবাকৰ ডেকা**
সম্পাদক



**ৰোহিত লহকৰ**
কাৰ্যনিৰ্বাহক সদস্য



**চন্দন চক্ৰৱৰ্তী**
কাৰ্যনিৰ্বাহক সদস্য



**হেমেন ডেকা**
কোষাধ্যক্ষ



**ডাঃ ৰাজুমণি শৰ্মা**
কাৰ্যনিৰ্বাহক সদস্য



**পদ্মাৱতী বড়ো**
কাৰ্যনিৰ্বাহক সদস্যা



**সুভাষ দাস**
সহকাৰী সম্পাদক



**বুলু মজুমদাৰ**
কাৰ্যনিৰ্বাহক সদস্যা

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত ইয়াৰ বিদ্যালয় চৌহদত কৰা উদ্যান শস্যৰ বাগিচা পৰিদৰ্শন কৰিছে নলবাৰী জিলাৰ উপায়ুক্ত ডাঃ ওম প্ৰকাশে।



এই বৰ্ষতে গ্ৰাম্য বিকাশ মঞ্চই নিৰ্মাণ কৰি উলিয়াব সকলো সা-সুবিধাৰে পূৰ্ণ এটা অতিথি গৃহ। টাটা ট্ৰাষ্ট, মুম্বাইয়ে এই নিৰ্মাণৰ বাবে আগবঢ়াইছে অৰ্থসাহায্য। ছবিত অতিথি গৃহৰ নিৰ্মাণৰ শুভাৰম্ভৰ এটা দৃশ্য।




ৰাজ্যৰ সংবাদ মাধ্যমত প্ৰায় নিয়মীয়াকৈ প্ৰকাশিত হৈ আহিছে গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত প্ৰকল্পসমূহৰ সফলতাৰ বা-বাতৰি। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো প্ৰকাশিত হৈছে এই অনুষ্ঠানটোৰ সফলতাৰ বাৰ্তা।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...




নলবাৰী জিলাৰ ছত্ৰা গাঁৱৰ শিপিনীসকলৰ জীৱিকা সুনিশ্চিত কৰাৰ বাবে নেড্‌ফি আৰু আই ডি বি আইৰ অৰ্থসাহায্যত নিৰ্মাণ কৰা হৈছে এটি শিপিনীগৃহ। বিত্তীয় সংস্থা দুটাৰ শীৰ্ষ বিষয়াসকলকে ধৰি নলবাৰী জিলাৰ উপায়ুক্তই শিপিনীগৃহটোৰ উদ্বোধন কৰাৰ এটা দৃশ্য। এই শিপিনীসকলৰ অনুষ্ঠান 'বাগৰুম্বা' ইতিমধ্যে এক স্বাৱলম্বী অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছে।



গ্ৰাম্য বিকাশ মঞ্চই শিশুৰ অধিকাৰ তথা শিক্ষাৰ সাৰ্বজনীনতাৰ বিষয়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি আহিছে। ছবিত মঞ্চৰ স্বেচ্ছাসেৱিকাই গাঁৱৰ শিশুসকলৰ লগত ভাৱ বিনিময় কৰাৰ এটা দৃশ্য।



আমাৰ ৰাজ্যৰ গ্ৰামাঞ্চলত পথ যোগাযোগ এতিয়াও এক প্ৰত্যাহ্বানৰ বিষয়। গ্ৰাম্য বিকাশ মঞ্চই দুৰ্যোগ ব্যৱস্থাপনাকে ধৰি বিভিন্ন প্ৰকল্পৰ অধীনত গ্ৰামাঞ্চলৰ আন্তঃগাঠনি তথা সেৱাৰ উন্নয়ণৰ বাবে কাম কৰি আহিছে। ছবিত মঞ্চৰ দ্বাৰা নিৰ্মিত এখন দীঘলীয়া বাঁহৰ সাকোঁৰ দৃশ্য।

# গাঁৱে গাঁৱে গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ...



গ্ৰামাঞ্চলৰ মহিলা কৃষক আৰু শিপিনীসকলৰ দ্বাৰা প্ৰস্তুত বিভিন্ন সামগ্ৰীৰ বিক্ৰীৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই আয়োজন কৰি আহিছে কিছু সংখ্যক প্ৰদৰ্শনী আৰু মেলা। তামুলপুৰত অনুষ্ঠিত হোৱা এখন তেনে মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা মুহূৰ্তত বাগ্‌চা জিলাৰ তদানীন্তন উপায়ুক্ত বিনোদ শেষাণ।



সদৌ অসম কৃষক সংঘই নেতৃত্ব দি অহা কৃষকৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামলৈ সহযোগিতা আগবঢ়াই আহিছে গ্ৰাম্য বিকাশ মঞ্চই। যুটীয়াভাৱে আয়োজন কৰা এক সন্মিলনৰ পিছত সংঘৰ কৰ্মকৰ্তাসকলে সম্বোধন কৰিছে সংবাদ মাধ্যমক, তাৰে এটি দৃশ্য।



নলবাৰী আৰু বাগ্‌চা জিলাৰ বিভিন্ন প্ৰান্তত মহিলা কৃষকসকলে গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত আত্ম নিয়োগ কৰিছে এছ আৰ আই পদ্ধতিৰ কৃষি কাৰ্যত। এম কে এছ পি প্ৰকল্পৰ অধীনত দুয়োখন জিলাৰ চাৰিটা উন্নয়ণ খণ্ডৰ কেইবাশ মহিলা এই পদ্ধতিৰ খেতিৰে উপকৃতও হৈছে।



# The Forgotten Land Policies

✍ **Kishor Kumar Kalita**

For last couple of years the peasant communities of Assam have been relentlessly demanding before the government of Assam to implement the decadal old land policies of the state that were proclaimed officially time to time. These demands are carrying forward by different peasant organization affiliated with the left parties of Assam and also under Krishak Mukti Samngram Sammitte (KMSS), a prominent organization of the state popular for its outstanding advocacy for the causes of vulnerable communities across the state. However, the state government's apathy towards the needs of the peasants' community and apparent inclination of the concerned government to lease out huge portion of government lands to industrial as well as corporate houses has insulted the very idea where a represented government is very much reluctant to do away from its earlier commitment.

**Post-independent policies:** If someone studies carefully the age old policies of the state then it would give an opportunity to understand the ongoing paradoxical stand of each successive government, which committed a lot in their declared official land policies and simultaneously negated the importance of the previous one. Let examine a few government land policies of Assam that again will give a little glimpse of the stated hypothesis. The Land Policy adopted by the Assam Government in 1958 categorically admitted the changing circumstances in the post –independent Assam and accepted the broad principles on land reforms and agrarian reorganization as proposed by the planning commission of India. Having considered the crisis faced by the farmers of the state and principle laid down by the Planning Commission,



the Assam government laid down a comprehensive land policy. The policy of 1958 incorporated some of the historic reform measures among which the implementation of declared land and agrarian reforms and conversion of annual patta to periodic patta could be considered as a step of historical signifance. The said two provisions enumerated as follow–

(i) The implementation of the acts already in existence in respect of land reforms and agrarian reforms shall be taken up immediately; and steps shall be taken to pass legislations in respect of other reform measures.

(ii) The annual patta lands confer no right of transfer or of inheritance beyond the year of issue or of sub-letting .Consequently, there is no security of tenure .And the lands being non-transferable, the owners cannot procure any loan against the securities of these annual lands. The pattas are generally renewed annually on the basis of actual possession. This gives scope for un-authorized occupation. The pattas being liable to cancellation on service of non-renewal notice, there is no security of tenure.

The Government of Assam also formulated in the policy the idea of giving land settlement to the individuals which was limited to 8 bighas to 12 bighas according to the fertility of the soil and stipulated the following preferential order for giving land settlement;

a) The settlement –holders who have been rendered landless due to flood, river erosion or earthquake and whose lands were requisitioned or acquisitioned by Government for public purposes.

b) The landless cultivators and displaced persons.

c) Settlement-holders who have been rendered landless by river erosion and who occupy reserves with the permission of the Deputy Commissioner. Such occupants shall not be removed until alternative land can be provided.

The Land Settlement Policy of 1968 categorically mentioned about the non-implementation of previous land policy and identified certain factors responsible for rapid growth of land less person in the state. The admitted fact of the then government was based on the sixteenth round of national sample survey conducted in the state in 1960-61 which revealed about the existence of 15 per cent of the rural families having no agricultural holdings. Considering the prevailing high pressure on agriculture land the government land settlement policy envisaged certain measures which included-land settlement only with the actual cultivator up to the limit of 10 bighas per family; encouraging formation of Co-operative Farming Societies;



constitution of village level committee for protecting Village Grazing Reserve(VGR) and Professional Grazing Reserve(PGR); expeditious and firm administrative measures for effective eviction of all encroachers in forest, grazing and other reserves; preventive measures to prohibit alienation of agricultural land from cultivators to non-cultivators and also prohibition of sub-cultivator letting and most attention was given to conversion of annual land into periodic by adopting a simple procedure of premium deposition.

Like in all the previous policies, little emphasis was given by the Assam government to implement the reiterated provisions of the said

policy. In 1972, the government of Assam came with a set of new land policy to optimize the use of available land so that the State national income could be increased. Before the adaptation of this policy the government of Assam undertook a survey on the basis of a submitted preliminary report of the Land Settlement Implementation Advisory Committee to enumerate eligible landless agriculturalist (families). According to this survey, the number of landless agriculturist (families) was 6, 22,295 as on 30th September, 1969. The 1972 policy for the first time reaffirmed the government stand to make a transparent and easy procedure to covert the existing patta lands in rural areas falling outside the periphery of 2 miles of Municipalities, Town Committees, and Revenue Towns. It was declared in the policy that a person could automatically convert his/her annual patta land to a periodic one by depositing appropriate premium as decided by the government.



The author's take on Assam Movement and her continuous engagement with its ingrained violence is the essence of the book. Though violence during Assam Movement has been discussed at length by many commentators, their discussions have remained mostly confined to the pre-poll violence of 1983. The well-entrenched violence within the programmes of the movement ever since its flare up has seldom made its way into the discourse of the movement which often is caught up in a wrangling over the number of migrants after the nation-state of India was born. The author has not only brought up the issue of physical violence but also incorporates the invisible forms of violence like corruption in public offices or insistence on a particular dress-code for women within its parameters.

The methodology that she uses to understand the historic movement is also a diversion from the normal academic practices. She starts talking to her colleagues in the university and to the people of her neighbourhood. Some shared their experiences. Some did not. Interspersed with her own intense memories these personal narratives of the informants form a dense account of the movement – an account that can not be understood from the usual movement-documents like memoranda submitted by the students' body spearheading the movement, leaflets distributed by it or the government reports describing the incidents. She also analyses the literary texts

produced during this phase to strengthen her argument of the inherent violence of Assam Movement.

The question of Assamese identity and the perceived threat to it form the basis of the Assam Movement and it would not be an exaggeration to say that it was the culmination of a series of migration of different communities and discourses around it ever since the colonial period. The author has looked at the issue through the analysis of different narratives, models and theories of migration. She observes that in most of the cases the focus is mainly the migrant communities. But her quest for understanding Assamese identity warrants an insight of the effect of migration on the host society. For that she analyses the discourses on migration in Assam which include the historical perspective that try periodising the migration, the attempts at defining Assamese community based on a multicultural model, the narrative of neglect by the central government and lastly the accusation of the linguistic and ethnic minorities supposedly within the fold of Assamese community of not getting equal treatment. The author concludes her narrative by a hint of change in the identity discourse in Assam and as a proof looks at the activities of two major organisations – All Assam Students' Union (AASU) and Asam Sahitya Sabha. AASU's support of a singer from the Barak Valley in a national singing competition aired in a private television channel and the discourse that got produced during the incident has been analysed to give credence to the shift that she alludes. The powerful writing of Kanaksen Deka, the president of Asam Sahitya Sabha condemning the killing of Bihari immigrants by ULFA in 2007 has been invoked by the author to look at this shift. She ends her narrative by locating the existence of multiple and contradictory narratives of collective self making that define redefine Assamese identity. The author on her part suggests the importance of painstaking uncovering of the colonial modernity in Assam and its relationship with Bengal Renaissance which 'is so often perceived to have subsumed Assamese attempts at a similar awakening.'

The book however leaves the reader with questions both epistemological and methodological. The narrative perspective that the author adopts conforming to her disciplinary training though gives a fresh perspective to the understanding of identity politics in the region and the embedded violence within it, also becomes counter-productive when it adopts normative discourses as general statements in the course of its narrative. For example, her continuous assertion in the book that illegal migration into Assam has continued unabated over the last thirty years is a hugely debatable issue among the demographers. The increase of population as shown in the last two censuses may not necessarily be due to unabated large scale migration. There are myriad of reasons attributed to high birth rate among the migrant population like lack of education or early marriage. Their sudden 'visibility' in urban areas can also been linked to massive river-bank erosion. The disciplinary confinement on the part of the author here helps reinforcing the discourse of 'unabated migration'. The other major problem that one encounters is the representation of 'host' and 'migrant' as two distinct categories in the context of ethnic violence in Assam. But the distinction often blurs, shifts and even gets reversed in the local contexts. For example in the 1983 violence in Gohpur, the Bodo-speakers were made the migrant other vis-à-vis the Assamese speaking host. In the same way, during the long period of Bodo Movement and ensuing violence, the Assamese-speakers were projected as the migrant other in the Bodo dominated area as opposed to the host Bodo-speakers. So, the concept of the host and the migrant is quite contextual particularly in a situation of violence. The book is quite provocative as it probes the processes of making of a collective self in a continuous interaction with the writer, the reader and the other participants and undoubtedly, it would always remain a major reference text for the researchers willing to work in the region.

(Dr. Uddipan Dutta is a Social Researcher and writer)

# Rush Rush Rush...

✍ **Er. Jitendra Deka**

Rush RushRush
I uttered and cried,
Growing on my dreamlight
Under the panorama of delight
Talking to the foreigners of six to seven feet height,
in the summer and older sunlight
on the day of my modern life,
how not I can memorise?

Rush RushRush,
When the ACTIONAID'S crew used to ride
Counteracting the voices of dethroned bride
When cyclones swept and kept people in hide,
Then the hazard was bright,
World in village had no light.
So tell, how not I can memorise?

Rush RushRush,
How not I recollect the days,
European Commission's struggles to make
My land a place of almighty and free from tide,
Ran by the "GramyaVikash Mancha's" hands
Which are far wide,
So tell, how not I memorise?

Will go my land, to be the land
Of fortune and successor's cavity
Until the young blood shines and makes duty
Crying and shouting-
"Rush RushRush !we are not aghast at!"

[Er. Jitendra Deka, inhabitant of Dhurkuchi village of Nalbari District is an occasional poet. He did his schooling from PBDHSS, then headed to Cotton College & Royal School of Engg & Tech for his further studies. His living and young memories during his school life with regard to Gramya Vikash Mancha is the reflection through this poem.]

# Haiku: In my curled Thoughts

✍ **Gagan Deka**

Hugging her grand-daughter!!! Cried she,
"Sold my daughter to him.
I too was sold to someone like him.
Don't want you to be sold!"

I try to forecast myself
Not because I love my life enough
Because, afraid of death too.

Labour (9 years old) says:
"Blind my mother is hungry.
Father's backbone is like broken stick.
Tell my brother, how can I touch butter?"

# Lazy Spider

✍ **Nabajyoti Haloi**
Volunteer, GVM

Innocent action
Someone did with or without intention.
By tearing its web apart
By making its homeland
Quite distinct
Quite visionary

Spider lost
Its home
Again renovated
Again devastated
Again renovated
Once again devastated.

Years crossed,
Now it's a lazy spider.
Bears the trouble,
Bears the tears.
Tears in its eye too lost.

But lives in its homeland
It's again to be devastated.
Promises to live again.

# বাটৰ নাট... ঃ তিতা-মিঠা কিছু অনুভৱ

✍ ৰতন তালুকদাৰ
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

ধুম... ম... ম... প্ৰচণ্ড শব্দ এটা শুনি দৌৰা দৌৰিকৈ আহি কিছু দূৰৰ পৰাই দেখিলো আমাৰ অফিচৰ টাটা চুম'খনৰ ওচৰত বহু মানুহৰ জুম। মোৰ বুকুখন চিৰিংকৈ কঁপি উঠিল, ...বুকুখন ঢপঢপাবলৈ ধৰিলে। দুখোজমান আগুৱাই আহিলো, দেখিলো দুই এজন পুলিচে কিবা-কিবি কৈ আছে। কি হ'ল... ? গাড়ীখনৰ ওচৰত ইমান মানুহ থুপ খাবলগীয়াতো তেনে কোনো কাৰণ নাই...! নিশ্চয় কিবা এটা অঘটন ঘটিছে! লাহে লাহে আগুৱাই যাব খুজিছো, কিন্তু ভৰি দুখনেচোন যাব বিচৰা নাই। ভয়ে ভয়ে আগবাঢ়ি গ'লোঁ। গাড়ীখনৰ ওচৰ পাই সোঁফালৰ পেকেটৰপৰা চাবিপাত উলিয়াই সাউতকৈ দৰ্জাখন খুলিলোহে মাত্ৰ, তৎ মুহূৰ্ততে পুলিচ এগৰাকীয়ে গৰজী উঠিল "ঐ চুহৰৰ বাট্‌চা, তোক ইয়াত গাড়ী ৰখাবলৈ কোনে কৈছে? মই আচৰিত হ'লো। কিছু সময় আগতে তেনে আন এগৰাকী পুলিচেইতো মোক গাড়ীখন তাত ৰখাবলৈ কৈছিল! এখেতে আৰু গালি পাৰিলে কিয়? মই কিবা এটা ক'ব খোজোতেই পুলিচগৰাকীয়ে মোক মাৰিবলৈ উদ্যত হ'ল আৰু হাত দাঙিলে। মই হতভম্ব হ'লো। কথাটো কি হ'ল বাৰু। আমি ৰাস্তাটোৰে অহাৰ সময়ত পথছোৱাত ন' এণ্ট্ৰি আছিল। অ' ৰ'ব, কিয় ন' এণ্ট্ৰি আছিল কৈ লওঁ। সেই সময়ত চহৰখনত জিলাখনৰ চিকিৎসকসকলৰ প্ৰায় সপ্তাহজোৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈ আছিল। শেষৰ দিনাৰ কাৰ্যসূচী আছিল বৰ্ণাঢ্য সাংস্কৃতিৰ শোভাযাত্ৰা। আৰু সেই শোভাযাত্ৰাৰ জিলাখনৰ উপায়ুক্তগৰাকীয়ে মুকলি কৰাৰ





কথা। সেই সাংস্কৃতিক শোভাযাত্ৰাৰ অংশ হিচাপে ছোৱাইন ফ্লু নামৰ মাৰাত্মক বেমাৰবিধৰ সজাগতা সৃষ্টিৰ বাবে এখনি বাটৰ নাট পৰিৱেশনৰ উদ্দেশ্যে আমাক নিমন্ত্ৰণ জনোৱা হৈছিল। শোভাযাত্ৰাকাৰী দলটোৰ একেবাৰে আগত নাটখন পৰিৱেশন কৰাৰ বাবে আমাক প্ৰায় ১০ মিনিট সময় নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল। যথাসাধ্য নিজৰ নিজৰ অভিনয় দক্ষতাৰ সুপ্ৰয়োগ ঘটাই আমি আটায়ে নাটখন পৰিৱেশন কৰিছিলো। নাটৰ মূল বিষয়বস্তু উপস্থাপনত আমি তিলমাত্ৰও চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। নাটখন উপভোগ কৰি উপস্থিত ৰাইজে বেছ সন্তোষ লভিলে আৰু আমাক প্ৰশংসাৰে উপচাই পেলালে। আমি আটায়ে বিশেষকৈ মই নিজে সন্তুষ্টিৰ হুমুনিয়াহ কাঢ়িছিলো, কিয়নো নাটৰ পাণ্ডুলিপি মোৰ হাতৰ পৰশতে প্ৰাণ পাই উঠিছিল। উপস্থিত ৰাইজক সন্তুষ্ট কৰিবলৈ পাই ভিতৰি ভিতৰি নিজেই বাৰুকৈয়ে গৰ্ব অনুভৱ কৰিছিলো। দূৰৰ পৰা দুই এজনৰ মুখৰ পৰা ওলোৱা দুই এটা শলাগৰ বাক্যই আমাৰ কাণত খুন্দিয়াইছিল। "জি.ভি.এম. এতিয়া সকলোতে আগবঢ়া, অনুষ্ঠানটোৰ ল'ৰাবিলাক সকলোতে পাকৈত।"

কথাবোৰ শুনি শুনি আমি আটাইকেইজন বৰ উৎফুল্লিত হৈছিলো। আমি নিজকে গৌৰৱ অনুভৱ কৰিছিলো যদিও নাট পৰিৱেশন স্থলীত উপস্থিত দুই-এগৰাকীৰ কটু বাক্যবাণেও আমাৰ বুকুত প্ৰচণ্ড আঘাত হানিছিল। সাধাৰণ ৰাইজৰ উপৰিও তথাকথিত একাংশ সংবাদ মাধ্যমৰ লগত জড়িত লোকেও আমাক উদ্দেশ্যি কটু সমালোচনামুখৰ হৈ পৰিছিল। আন নালাগে আমাৰ কাৰ্যালয় চৌহদতে বিভিন্ন কাৰ্যসূচীত ভাগ লৈ আমাৰ স'তে একেলগে ভাত-চাহ খাই যোৱা সাংবাদিকে এই আক্ৰমণত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ছিঃ ...মানুহ ইমান খাই পাত ফলা হ'ব লাগেনে? মই মনতে ভাবিছিলো এনেকুৱা দুই-এজন খাকি পোছাক পিন্ধা পুলিচৰ কাৰণে বোধহয় গোটেই বিভাগটো বদনামী হয়! কিছু সময় আগতে এজন পুলিচে ইমান ধুনীয়াকৈ ক'লে— গাড়ীখন তাতে ৰাখক আৰু মানুহকেইজন নামি আহি অনুষ্ঠানত অংশগ্ৰহণ কৰক। অথচ আন এগৰাকীৰ মুখত- চুৱাৰৰ বাট্চা, ননচেঞ্চ, আৰু যে ক'ত কি...? অফিচৰ গাড়ীখনত প্ৰচণ্ড কোব শোধাবলৈকো পুলিচগৰাকীৰ হাতখন ক্ষন্তেক সময়ৰ কাৰণেও থমকি ৰোৱা নাছিল। এনেহেন লাগিছিল যেন পুলিচগৰাকীৰ লাঠীৰ কোবকেইটা আমাৰ অনুষ্ঠানটোৰ বুকুতহে পৰিছে! দুখত অন্তৰাত্মা কান্দি উঠিছিল। গাড়ীত থকা আটাইকেইগৰাকী সতীৰ্থৰ তেজ গৰম হৈ উঠিছিল, মইহে বুজাই-বঢ়াই শান্ত কৰি লৈ আহিলো।

উভতি আহি সমগ্ৰ ঘটনাটো মজুমদাৰ ছাৰক বিৱৰি ক'লো, কিন্তু কি হ'ব? ওলাই যোৱা ধনুৰ কাঁড় আৰু মুখৰ শব্দ ওভতাই আনিব নোৱাৰি। মজুমদাৰ ছাৰে আমাৰ বাবে আগটীয়াকৈ সাজু কৰি থোৱা শিঙৰা, ৰসগোল্লাকেইটা মুখলৈ নিওঁতেও আমাৰ হাতবোৰ যেন থমকি ৰ'ব খুজিছিল। আমাৰ বিষণ্ণ মুখবোৰ দেখি মজুমদাৰ ছাৰো মৰ্মাহত হৈছিল যদিও সেয়া নিজৰ ভিতৰতেই লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিল। মই মনতে সিদ্ধান্ত লৈছিলো আজিৰ পৰা মই আৰু বাটৰ নাট কৰিবলৈ নাযাওঁ! ইমান তিতা ভাষা মই আৰু সহ্য কৰিব নোৱাৰো। নাই, নোৱাৰিলো মোৰ সিদ্ধান্ত বেছিদিন নিটিকিল। স্বতঃস্ফূৰ্তভাৱে মই আকৌ বাটৰ নাটৰ কামত নিয়োজিত হৈ পৰিছিলো। কিয়নো অনুষ্ঠানেও স্বভাৱসুলভভাৱে সেইখিনিৰ গুৰু দায়িত্ব মোকে দি আহিছিল। শেষত মনতে ভাবিছিলো অনুষ্ঠানটোৰেতো একো দোষ কৰা নাই! মই কিয় অনুষ্ঠানৰ ক্ষতি কৰিম? মই তেনেকৈয়ে মনতে সান্ত্বনা লভিছিলো। সমাজসেৱাৰ জীৱনত এয়া মোৰ বাবে এক ডাঙৰ অভিজ্ঞতা। এয়া মোৰ বাবে এক সোৱাদ..., তিতা-মিঠা সোৱাদ!



# সমবায়

## কৃষক সকলৰ নতুন জীৱনৰ পথ

✍ জিতেন্দ্ৰনাথ কলিতা
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

কৃষি সমবায় মূলতঃ হৈছে যুটীয়া উৎপাদন, বজাৰকৰণ, যন্ত্ৰপাতি আৰু অন্যান্য কৃষি সঁজুলি ব্যৱহাৰৰ কাৰণে যৌথ গোটবোৰত কৃষক-অৰ্থব্যৱস্থাৰ একত্ৰীকৰণ। সমবায় হৈছে এটা সামাজিক, অৰ্থনৈতিক, এটা ঐতিহাসিক বিষয়। সমবায়ৰ ভূমিকা আৰু উদ্দেশ্য অৱশ্যেই সামাজিক আৰু ৰাষ্ট্ৰীয় ব্যৱস্থাৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি সলনি হয়। সমবায় আন্দোলনৰ উদ্ভৱ হ'ব পাৰে আৰু হৈছিলো কেৱল পুঁজিবাদৰ লগত একেলগেহে, অৰ্থাৎ এনে এক অৰ্থনৈতিক ব্যৱস্থাত, য'ত উৎপাদনৰ সকলো উপায়-উপকৰণৰ একমাত্ৰ গৰাকী হ'ল এমুঠি পুঁজিপতি শ্ৰেণী, আৰু যি ব্যৱস্থাত অধিকাংশ লোক পুঁজিৰ ভেৰোণীয়া দাসত পৰিণত হয়, নাইবা অৱশিষ্ট ক্ষুদ্ৰ মালিক আৰু উৎপাদনকাৰীসকলক তেওঁলোকৰ কামৰ ফল লাভৎ এটা বুজন পৰিমাণ প্ৰাধান্য বিস্তাৰি বুৰ্জোৱা শ্ৰেণীৰ হাতত এৰি দিবলৈ বাধ্য হয়; পুঁজিবাদ বিকশিত হোৱাৰ লগে লগে ভেৰোণীয়া বনুৱাৰ

সমবায় হৈছে পুঁজিবাদী সমাজৰ একমাত্ৰ যন্ত্ৰ ব্যৱস্থা, যাক নতুন কৰ্তৃপক্ষই ধ্বংস নকৰিব; বৰং ইয়াক ৰক্ষা কৰিব, পুনঃগঠিত, বিকশিত আৰু নিখুঁত কৰিব। গণসংগঠন হিচাপে ই গণ উদ্যোগ উদ্দীপিত কৰে আৰু নতুন ৰাষ্ট্ৰ বা দেশখনত খাদ্য যোগানৰ ব্যৱস্থা কৰাত সহায় কৰে।

সংখ্যাও বাঢ়িবলৈ ধৰে, আৰু তেওঁলোকৰ ওপৰত বুৰ্জোৱাৰ শোষনো বাঢ়ি যায়। শোষকৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্ৰামত শ্ৰমজীৱী জনসাধাৰণে একতাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ৰাজনৈতিক পাৰ্টি আৰু ট্ৰেড ইউনিয়ন সংগঠন গঢ়ি তোলে আৰু সমবায়তো অভ্যস্ত হৈ পৰে।

পুঁজিবাদৰ আন্দোলনত সমবায়ে শ্ৰম উৎপাদন-ক্ষমতা বঢ়াবলৈ পুঁজিৰ দ্বাৰা নিয়োজিত সামাজিক শ্ৰমৰ পৰা আৰম্ভ কৰি শ্ৰমিকসকলৰ সংস্থালৈকে এই পথ অতিক্ৰম কৰে, ইয়াৰে ভিতৰতে শ্ৰম আৰু পুঁজিৰ মাজত সংঘাত হৈ নুঠে। যিহেতু সমবায়মূলক শ্ৰমিক সকলৰ কাৰখানাৰ অস্তিত্বৰ কথাটোৱেই প্ৰমাণ কৰে যে পুঁজিৰ মালিকনাৰ পৰা বিচ্ছিন্ন শ্ৰমো আপেক্ষিকভাৱে স্বতন্ত্ৰৰূপে বৰ্তি থাকিবলৈ সমৰ্থ, সেয়ে সমবায়ে মূলতঃ সমাজতন্ত্ৰৰ কাৰণে বাট মুকলি কৰি দিয়ে। শ্ৰমজীৱী জনসাধাৰণ শোষণৰ পৰা মুক্ত হ'ব পাৰে, যদিহে সমবায়মূলক শ্ৰম বিকশিত হয় জাতীয় পৰিসৰত আৰু ৰাজহুৱা তহবিলৰ বিনিময়ত, অৰ্থাৎ পুঁজিবাদী উৎপাদন প্ৰণালীৰ বিলোপ ঘটোৱাৰ মাজেৰে। ই ঘটিব পাৰে শ্ৰমিক শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতা লাভ কৰাৰ পাছতো কেৱল সমাজতান্ত্ৰিক বিপ্লৱৰ ফল স্বৰূপেহে।

সমবায় নিশ্চিতভাৱে ক্ষুদ্ৰ কৃষক অৰ্থব্যৱস্থাৰ সমাজতান্ত্ৰিক পুনঃগঠনৰ সবাতোকৈ গ্ৰহণযোগ্য ৰূপ। সমাজৰ মাজেৰেহে ৰাষ্ট্ৰই সমগ্ৰ সমাজৰ স্বাৰ্থৰ লগত শ্ৰমজীৱী কৃষকসকলৰ ব্যক্তিগত স্বাৰ্থৰ অত্যান্ত উপযুক্ত সমন্বয়ৰ ব্যৱস্থা কৰে। কৃষকৰ উৎপাদন কাৰ্যাৱলীৰ ওপৰত অবিৰত নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰে; আৰু জনসাধাৰণৰ, সমগ্ৰ সমাজৰ উমৈহতীয়া স্বাৰ্থৰ ওচৰত ব্যক্তিগত ব্যাৱসায়িক স্বাৰ্থ অধীনস্থ কৰে।

গুৰুত্বপূৰ্ণ কথা এই যে সমাজৰ সহজ ৰূপবোৰ, অৰ্থাৎ বজাৰকৰণ, যোগান, ক্ৰেতা, ঋণৰ ৰূপবোৰ আৰু ইয়াৰ উৎপাদন ৰূপ এইবোৰ হ'ল ক্ষুদ্ৰ গাইগুটীয়া পৰিয়ালৰপৰা বৃহৎআকাৰ যৌথ কৃষি ব্যৱস্থালৈ অগ্ৰসৰ হোৱাৰ কাৰণ লাখ লাখ খেতিয়কৰ পক্ষে অতি সহজ-সৰল, অতি উজু আৰু অতি সুগম পথ। এই কথাটো অতি গুৰুত্বপূৰ্ণ, কিয়নো সকলোৱে জানে যে জনতাই নিজেহে মাথোঁ সমাজতন্ত্ৰ ৰচিব পাৰে। এই দৃষ্টিকোণৰ পৰা সমবায়ৰ তাৎপৰ্য নিৰ্ণীত হয় এই সত্যৰ পৰা যে ই সমাজতন্ত্ৰৰ নিৰ্মাণ কাৰ্যত অংশগ্ৰহণ কৰিবলৈ প্ৰত্যেক কৃষকৰ পক্ষে সম্ভৱ কৰি তোলে। সমবায়ৰ মাজেৰেই দুখীয়া আৰু মজলীয়া কৃষক পৰিয়ালবোৰৰ সমগ্ৰ জনসাধাৰণক ঐক্যবদ্ধ কৰাৰ কাৰণে উপায় বিচাৰি পোৱা যায়।

সমবায় হৈছে পুঁজিবাদী সমাজৰ একমাত্ৰ যন্ত্ৰ ব্যৱস্থা, যাক নতুন কৰ্তৃপক্ষই ধ্বংস নকৰিব; বৰং ইয়াক ৰক্ষা কৰিব, পুনঃগঠিত, বিকশিত আৰু নিখুঁত কৰিব। গণসংগঠন হিচাপে ই গণ উদ্যোগ উদ্দীপিত কৰে আৰু নতুন ৰাষ্ট্ৰ বা দেশখনত খাদ্য যোগানৰ ব্যৱস্থা কৰাত সহায় কৰে। সমবায়ৰ বাবেহে ব্যক্তিগত পুঁজি সংকুচিত হয় আৰু বাণিজ্যিক নিযুক্ত ধন নিৰ্গত হয়, আৰু বৃহৎ শিল্প আৰু ক্ষুদ্ৰ কৃষক অৰ্থনীতিৰ মাজৰ অৰ্থনৈতিক সম্বন্ধ সুসংহত হৈ পৰে।





# বিপন্ন হৈছে বন্যপ্ৰাণীৰ অস্তিত্ব

✍ পম্পী দাস

*“সৰগী কুলিয়ে মাতে অপূৰ্ব তানেৰে,*
*জিলিয়ে বজায় বীণা মিলন সুৰত,*
*নীৰৱ প্ৰকৃতি ভেদি ললিত ঝঙ্কাৰে,*
*উঠে তাৰ প্ৰতধ্বনি কাব্য কাননত।*

—‘বশিষ্ঠাশ্ৰম’

ৰমন্যাস যুগৰ কবি ৰঘুনাথ চৌধাৰী ৰচিত ‘বশিষ্ঠাশ্ৰম’ নামৰ কবিতাটোৰ উৰ্দ্ধত পংক্তিত কবিয়ে কুলিৰ স্বাভাৱিক সৌন্দৰ্য্য ৰোমন্থন কৰি কাব্যিক মনত প্ৰকৃতি তথা সৌন্দৰ্যপ্ৰীতি ভাবৰ উন্মেষ ঘটাইছে। যদিহে কংক্ৰিতেৰে নিৰ্মিত মানুহৰ মনত প্ৰকৃতিৰ আধুনিকতাই বেৰি ধৰা জীৱনত বন্যপ্ৰাণীৰ প্ৰতি থকা সজাগতা কেনোবা কোণত গৈ যেন হেৰুৱাইছে। গগন বিহাৰী যোৱা বন্যপ্ৰাণীৰ শব্দ নোহোৱা হৈছে। মানুহৰ অত্যাচাৰ নীৰৱে সহ্য কৰিওঁ এই বন্য প্ৰাণীসমূহ প্ৰকৃতিৰ নিয়মৰ বশৱৰ্তী হ’ব লগা হৈছে। কিয়নো সৃষ্টিৰ সাৱলীল গৰ্ভৰ পৰা আৱিৰ্ভাৱ হোৱা শ্যামলা পক্ষীকুলৰ প্ৰশান্ত নিলয়।

প্ৰকৃতিৰ বটবৃক্ষৰ ছায়াতেই ক্ষুদ্ৰ জীৱৰ পৰা আৰম্ভ কৰি জীৱশ্ৰেষ্ঠ মানৱলৈ অলেখ প্ৰাণীৰ জন্ম হ’ল আৰু অলেখ প্ৰাণীৰ জীৱ কংকাল এই গৰ্ভত লীন গ’ল। চিৰসেউজ অৰণ্য যেন বন্যপ্ৰাণীৰ বাবে অভিশাপ। ৰঙীন স্বপ্নৰ জালত নিজকে পনবন্দী কৰা মানুহে প্ৰকৃতিৰ বুকুৰপৰা সেউজ আৱৰণ উৎখাত কৰি পক্ষীকুল, জীৱকুল, আন্যান্য বন্যপ্ৰাণী ধ্বংস কৰি, নিজৰ বিলাস প্ৰশান্তি উপভোগৰ বাবে স্বপ্ন ৰচনাত নিমগ্ন। যাৰ পৰিণতি স্বৰূপে প্ৰকৃতিৰ শ্ৰেষ্ঠ সন্তান আখ্যা দিয়া বন্যপ্ৰাণী বৰ্তমান মানুহৰ নিষ্ঠুৰ কৰ্মৰ আঘাতৰ তথা উপযুক্ত পৰিৱেশৰ আভাৱত বিলুপ্তিৰ পথত অৱনমিত হৈছে। এটা নিৰ্দ্দিষ্ট ধৰণৰ পৰিৱেশৰ প্ৰয়োজন। এটা নিৰ্দ্দিষ্ট প্ৰজাতিয়ে পৰিবে·গত নিজকে খাপ খুৱাবলৈ যদি উপযুক্ত পৰিবেশ নাপায়, তেতিয়া তাৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকা থাকে।

ভোগবাদী, লাহ-বিলাসৰ মানসিকতাৰ পৰিবৰ্তন কৰিব লাগে, সিঁচৰতি হৈ থকা বন্যপ্ৰাণীসমূহক উপযুক্ত বাসস্থানৰ ব্যৱস্থা কৰিব লাগে, নহ’লে মানুহ-বন্যপ্ৰাণীৰ মাজত হোৱা বাসস্থানৰ সংঘাত বৃদ্ধি পাব। নগৰীকৰণ, উদ্যোগীকৰণ, আধুনিকীকৰণ আদিৰ ক্ষেত্ৰত ভাৰসাম্য বৰ্তাই ৰখাটো মানৱ জাতিৰ কৰ্তব্য। কিয়নো বাসস্থানৰ বৈচিত্ৰ্য বৰ্তাই ৰখাৰো দৰকাৰ।



বৰ্তমান সময়ত বাসস্থান ধ্বংস আৰু চোৰাং চিকাৰৰ বাবে বন্যপ্ৰাণী বিলুপ্তি হৈছে। প্ৰজাতিৰ বিলুপ্তি দুই ধৰণৰ- প্ৰাকৃতিক বিলুপ্তি আৰু মানৱসৃষ্ট বিলুপ্তি। প্ৰাকৃতিক বিলুপ্তি বুলি ক'লে— পৰিৱেশ পৰিবৰ্তন, জলবায়ু পৰিবৰ্তন, উষ্ণতা বৃদ্ধি আদিৰ বাবে কোনো প্ৰজাতি পৃথিৱীৰ পৰা নাইকিয়া হৈ যোৱা বুজায়। বিলুপ্তি হোৱা প্ৰজাতিৰ ঠাইত কোনো নতুন প্ৰজাতি আৱিৰ্ভাৱ হ'লে - তেতিয়া তাক "জৈৱ বিৱৰ্তন" (Bio-Revolution) বোলা হয়। উদাহৰণ স্বৰূপে 'মেমোথ' (Memmoth) নামৰ প্ৰজাতিটো প্ৰাকৃতিক বিলুপ্তি। প্ৰায় ৮০ বছৰ আগতে 'ক্ৰেষ্টানিয়াছ' যুগৰ শেষৰ ফালে 'ডাইন'ছৰ'ৰ বিলুপ্তি হৈছিল।



আনহাতে, ভাৰতীয় 'চিতা বাঘ' (Indian Chutah), 'ময়ূৰ' (Peacock), 'গোলাপী মূৰীয়া হাঁহ' (Pink Leaded Duck) আদি মানৱ সৃষ্ট বিলুপ্তিৰ উদাহৰণ। বৰ্তমান সময়ত অসম গৌৰৱ 'এশিঙীয়া গঁড়' মানৱসৃষ্ট বিলুপ্তিৰ কবলত।

উল্লেখযোগ্য যে এক সমীক্ষা মতে যোৱা দুটা শতিকাৰ পৰা প্ৰায় ১২০টা প্ৰজাতিৰ স্তন্যপায়ী আৰু ১৫০টা প্ৰজাতিৰ চৰাই পৃথিৱীৰ পৰা বিলুপ্তি হোৱা বুলি বাতৰি কাকতে নিশ্চিত কৰিছে। সেইবোৰৰ ভিতৰত - 'অভিযাত্ৰী পাৰ' (উত্তৰ আমেৰিকা); মাদাগাস্কাৰৰ 'এলিফেণ্ট বাৰ্ড'; ফ্ল'ৰিডৰ 'ৰঙীন শগুণ'; দক্ষিণ আফ্ৰিকাৰ 'কেপলায়ন' আদি প্ৰজাতি বিলুপ্ত হৈ গৈছে। বায়ুমণ্ডল, জলমণ্ডল, স্থলমণ্ডল সকলোতে হোৱা মানুহৰ নিৰ্বোধ অসহনীয় প্ৰতিযোগিতাৰ বাবে একবিংশ শতিকাতো বহুতো বন্যপ্ৰাণী বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। এইবোৰে যেন মানৱ প্ৰজাতিৰ বিবেকহীন মূল্যবোধৰ পৰিচয় দিছে। প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগৰ ফলত পৃথিৱীত লুপ্তপ্ৰায় প্ৰজাতিৰ বন্যপ্ৰাণীৰ জীৱনৰ আশংকাই দেখা দিছে।

অধ্যয়নকাৰীসকলৰ মতে তীব্ৰতৰভাৱে হোৱা জলবায়ু পৰিবৰ্তনে পক্ষীকূলক অতিষ্ঠ কৰি তুলিছে। তীব্ৰ গৰমৰ বাবে ভাৰতবৰ্ষৰ 'ভৰতপুৰ পক্ষী উদ্যান' তথা 'কেওলাদেওঁ' ৰাষ্ট্ৰীয় উদ্যানখনলৈ জুন মাহতে আহিবলগীয়া 'বৰটোকোলা' নামৰ চৰাইবিধ মে' মাহতে আগতীয়া আগমন ঘটিছে। ইয়াৰ কাৰণ হ'ল- জলবায়ু পৰিবৰ্তনৰ ফলত হোৱা তীব্ৰ গৰম। বৰটোকোলাৰ আগমনে বৰষুণৰ আগজাননী দিয়ে বাবে ইয়াক 'বৰ্ষাপক্ষী' বোলা হয়। বৰ্তমান এই চৰাইবিধ অসমৰ গাঁওসমূহতো লুপ্ত হোৱাৰ পথত। গড় হত্যাৰ উগ্ম-চাঞ্চল্যৰ অৱসান নৌহওঁতেই নাগালেণ্ডৰ উষা জিলাত পৰিভ্ৰমি চৰাইৰ হত্যাকাণ্ডই আলোড়ন সৃষ্টি কৰিছে। সুদুৰ চাইবেৰিয়াৰ পৰা অহা 'ফেলকণ' বা শেন চৰাই নামৰ চৰাইবিধ প্ৰতিদিনে এহাজাৰৰো অধিক হত্যাকাণ্ডই সমগ্ৰ পক্ষীপ্ৰেমীক স্তম্ভিত কৰিব তুলিছে। ভাৰতবৰ্ষৰ গ্ৰামাঞ্চলত অক্টোবৰ-নৱেম্বৰ মাহত আলহী পক্ষীৰ আগমনৰ লগে লগে এই চৰাইবোৰৰ মঙহৰ লোভৰ বাবে বিভিন্ন হাঁহজাতীয় পক্ষী নিধন হৈ আহিছে। যোৱা বছৰৰ অক্টোবৰ মাহত ভৈয়ামৰ পাংটি গাঁৱত কেইবাশও 'আমুৰ' শেন নিধন হৈছিল। পৰিভ্ৰমণৰ সময়ত প্ৰতিদিনে ১২ৰ পৰা ১৪ হাজাৰ চৰাই মানুহৰ জিভাৰ জুতি হয়। একো একোটা চৰাই ১২০ৰ পৰা ১৫০ টকাত বিক্ৰী হয়। অসমৰ কেইবাখনো জিলাত আমুৰ শেনৰ চাহিদা বৃদ্ধি হৈছে। প্ৰতি বছৰে





১২০,০০০ ৰ পৰা ১৪০,০০০পৰ্যান্ত আমুৰ শেন নিধন হয় চিকাৰীৰ হাতত। হেজাৰ হেজাৰ আমুৰ শেনৰ সমৱেত স্থল হ'ল প্ৰধানকৈ - মোককচাং, ঊষা, তামেংলং (মণিপুৰ) আৰৰ সাগৰ, ভৈয়ামস্থিত নিপকোৰ জলবিদ্যুৎ প্ৰকল্প আদি। নীলা-ধোঁৱা বৰণীয়া, পৰ্ঘুমা-হাইঠা আকাৰৰ এই সৰুফুটীয়া শেনবিধৰ বিৰল সমাৱেশত উত্তৰ-পূবৰ লোকে আদৰৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে সিহঁতৰ প্ৰতি চৰম নৃশংসতা প্ৰদৰ্শন কৰাৰ বাবে প্ৰকৃতিপ্ৰেমীয়ে অৰিহণা দিয়ে।

কেৱল পৰিভ্ৰমীয়ে নহয়, ৰাজ্যত পোৱা অতি ক্ষুদ্ৰ পক্ষী "ব্লাইথছ ট্ৰেগ' পান" (Bly th's Tragopan) অগ্ৰসৰ হৈছে বিলুপ্তিৰ পথত। কেৱল মঙহৰ বাবে এই 'ফিজেট' চৰাইবিধৰ সংখ্যা হ্ৰাস পাইছে। জধে-মধে, য'তে-ত'তে মোবাইল ফোনৰ টাৱাৰ স্থাপন, বাতানুকূল ফ্ৰীজ আদি আৰু তাপৰপৰা নিৰ্গত হোৱাৰ বাবে যোৱা পাঁচ বছৰত ৩০ ৰ পৰা ৫০ শতাংশ ঘনচিৰিকা হ্ৰাস পাইছে। এই তথ্য আগবঢ়াইছে R.S.P.B. নামৰ সংস্থাটোৱে। মানৱ জাতিৰ বীভৎস লোভৰ এক অফুৰন্ত উৎস হৈ পৰাৰ ফলত ইহঁতৰ বংশকুল এতিয়া যেন 'Black Hole' পৰিছে। আনহাতে, 'IUCN' (International Union for Conservation of Nature) নামৰ সংগঠনটোৱে নামৰ সংগঠনটোৱে আগবঢ়োৱা সমীক্ষা অনুসৰি লুপ্ত প্ৰায় প্ৰজাতি বোৰৰ লুপ্ত হোৱা প্ৰধান কাৰণসমূহ হ'ল— বাসস্থান ধ্বংস, চোৰাং চিকাৰ, মোবাইল টাৱাৰ স্থাপন, উদ্যোগীকৰণ আদিৰ উপৰিও ৰে'লপথ-ৰাস্তা-ঘাট নিৰ্মাণ আদি। সময়ে সময়ে হোৱা Land useৰ বাবে 'হাতী' আৰু নাহৰফুটুকী বাঘে বনাঞ্চল এৰি মানুহৰ ঘৰ-বাৰীকে নিজকে বাসস্থান কৰি লৈছে। ভাৰতৰ সংবিধানে "ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইন, ১৯৭২" আইনখনে ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষনৰ ভিত্তিত চাৰিটা অনুসূচীত ভাগ কৰিছে। লুপ্তপ্ৰায় বন্যপ্ৰাণী সমূহ প্ৰথম সূচীত অন্তৰ্ভুক্ত কৰিছে। বৰ্তমান ভাৰত ৮১ প্ৰজাতিৰ স্তন্যপ্ৰায়ী, ৩৮ প্ৰজাতিৰ চৰাই, ১৮ প্ৰজাতিৰ উভচৰ আৰু সৰীসৃপ বন্যপ্ৰাণী লুপ্তপ্ৰায়ৰ তালিকাত পোৱা গৈছে।

বন্যপ্ৰাণীক লুপ্ত হোৱাৰ পথৰ পৰা বচাবলৈ মানৱৰ সচেতন তথা সজাগতা বৃদ্ধিৰ প্ৰয়োজন। বন্যপ্ৰাণী বাসস্থানৰ ক্ষেত্ৰত কঠোৰ আইন প্ৰণয়ন কৰিব লাগে। বন্যপ্ৰাণীৰ বাসস্থান আন কোনো কাৰ্য্যত ব্যৱহাৰ নকৰি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। বনাঞ্চলসমূহক অভয়াৰণ্যৰ মৰ্যাদা দিব লাগে। ভোগবাদী, লাহ-বিলাসৰ মানসিকতাৰ পৰিবৰ্তন কৰিব লাগে, সিঁচৰতি হৈ থকা বন্যপ্ৰাণীসমূহক উপযুক্ত বাসস্থানৰ ব্যৱস্থা কৰিব লাগে, নহ'লে মানুহ-বন্যপ্ৰাণীৰ মাজত হোৱা বাসস্থানৰ সংঘাত বৃদ্ধি পাব।



নগৰীকৰণ, উদ্যোগীকৰণ, আধুনিকীকৰণ আদিৰ ক্ষেত্ৰ ত ভাৰসাম্য বৰ্তাই ৰখাটো মানৱ জাতিৰ কৰ্তব্য। কিয়নো বাসস্থানৰ বৈচিত্ৰ্য বৰ্তাই ৰখাৰো দৰকাৰ। ফলস্বৰূপে বসন্তকালত কুলিৰ মাত, চৰাই-চিৰিকটিৰ কিৰীলিও শুনিবলৈ মানুহে অপেক্ষা কৰিব লাগে। প্ৰকৃতিপ্ৰীতি কবি জন্ কীট্‌ছে (John Keats) 'To Autumn' নামৰ কবিতাটিত উল্লেখ কৰিছে—

*"Where are the songs of Spring?*
*at, where are they?*
*Think not of them,*
*thou hast thy music too"........*

মানৱ প্ৰজাতিৰ নৃশংসতাৰ বলি হোৱা নিঃসহায় নিৰ্বল বন্যপ্ৰাণীসমূহৰ অপ্ৰতিৰোধ্য ধ্বংসই প্ৰকৃতিপ্ৰেমীসকলৰ লগতে সচেতন নাগৰিকৰ নিদ্ৰাহৰণ কৰিছে। গতিকে এই কথাটি মনত ৰখাৰ প্ৰয়োজন যে "জনসচেতনতাই বন্যপ্ৰাণী সংৰক্ষণৰ চাবি-কাঠি।"





# সুখী হওঁ আহা

✍ **হীৰক জ্যোতি বৰ্মন**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

যদি কোনো ব্যক্তিয়ে কোনো ব্যক্তিৰ আগত বেলেগৰ দোষসমূহৰ কথা কয় তেতিয়া সেই ব্যক্তিগৰাকীয়েও ভাবে যে তেওঁ যিহেতু আনৰ কথা মোৰ আগত কৈছে, হয়তোবা এদিন মোৰ কথা আনৰ আগত নক'ব তাৰ নিশ্চয়তা নাই। সেয়েহে সেই ব্যক্তি গৰাকী আনৰ কথা ক'বলৈ যাওঁতে নিজেও গম নোপোৱাকৈ সন্দেহৰ পাত্ৰ হ'ব লগা হয়। গতিকে কাৰোবাৰ লগত মনোমালিন্য হ'লেও কেতিয়াও কাৰো বেয়া দিশটো প্ৰচাৰ কৰা অনুচিত।

ডাঙৰৰ চকু চাই কথা নক'বি... মাষ্টৰক বেছি প্ৰশ্ন নুসুধিবি... আদি কথা আমাৰ মাহঁতে বৰকৈ শিকাইছিল। কিন্তু আজিৰ সমাজ ব্যৱস্থাই আমাক বহুতো কথা শিকিবলৈ বাধ্য কৰাই, যিটো সময়েও কৈ আহিছে। আধুনিক শিক্ষা ব্যৱস্থাৰ আন্তঃগাঁথনি আৰু পাঠ্যক্ৰমবোৰৰ পৰিবৰ্তনো এক নজিৰ। ঠিক সেইদৰে মানুহৰ জীৱন প্ৰণালীকো সুস্থ আৰু সবল ৰূপত গঢ়ি তুলি আগুৱাই নিবলৈও জীৱন কৌশলৰ প্ৰয়োজন।

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে প্ৰায় ১০৪ মিলিয়ন মানুহে চিন্তা কৰাৰ ফলত উদ্ভৱ হোৱা অজান বেমাৰৰ ফলত প্ৰতি বছৰে মৃত্যুমুখত পৰে। ইপিনে আত্মহত্যা গড় হিচাপে বছৰে বছৰে বাঢ়ি অহা দেখা পোৱা গৈছে। এইবোৰৰ মূলতে হৈছে মানুহৰ জীৱনত হোৱা বিভিন্ন ঘাত-প্ৰতিঘাতক মুখামুখি কৰাৰ কৌশলৰ অভাৱ।

জীৱন যুদ্ধ জয় কৰাৰ বাবে সময়ে সময়ে বিভিন্ন ধৰণৰ কৌশল, আহিলা, প্ৰক্ৰিয়া ওলাই আহিছে আৰু তাক ব্যৱহাৰ কৰি নিৰ্মূল হোৱা দেখা যায়। একবিংশ শতিকাৰ সমাজ ব্যৱস্থা আৰু সময়ৰ লগত মোকাবিলা কৰাৰ বাবে বিশ্ব স্বাস্থ্য সংস্থায়ো আমাৰ আগত এক কৌশলৰ প্ৰস্তাৱ ৰাখিছে, যাক আমি জীৱন কৌশল বুলি ক'ব পাৰো। "জীৱন কৌশল হৈছে - দৈনন্দিন জীৱনৰ চাহিদা বা প্ৰতিদ্বন্দ্বিতাৰ লগত কাৰ্য্যৰতভাৱে মোকাবিলা কৰি ক্ষমতাসম্পন্ন ইতিবাচক আচৰণৰ বাবে নিজকে প্ৰস্তুত কৰা।"

গতিকে ই হৈছে এক নিতান্তই প্ৰয়োজনীয় বিষয়, ইয়াৰ ভিতৰত আৰু কিছু বিষয় আছে, তাক অতি চমুকৈ আপোনাসবৰ লগত মত-বিনিময় কৰিম বুলি ভাবিছো।

অসমীয়া মাধ্যমত এই ধৰণৰ লেখা অতি কম আৰু এই বিষয়ক লেখা হয়তো কিছু নীৰৱ সাধকে কৰি আছে যদিও পৰ্যাপ্ত নহয়, গতিকে এই লিখনিটোৱে কিছু হ'লেও সহায় হ'ব বুলি আশা কৰিলো।

(১) **আত্মসচেনতা** ঃ প্ৰতিটো কথাতে আমি বেলেগৰ দোষ বিচাৰি পাবলৈ এক ছেকেণ্ডৰো প্ৰয়োজন নায়। কোনোৱে যদি এজন ব্যক্তি বেয়া বুলি কোৱাৰ পিছত সদায় আমাৰ স্বতঃস্ফূৰ্ত আলোড়িত হোৱা এক সহজাত প্ৰবৃত্তি। যদিওবা আমি জানো যে সেইবোৰৰ দ্বাৰা কোনো বিশেষ লাভালাভৰ অংক আমাৰ নাথাকে, কিন্তু কেতিয়াও আমি গুণি নাচাওঁ নিজৰ দোষৰ কথা। কিমান যে



দক্ষতা আমাৰ আছে, কিমান বেয়া গুণ আমাৰ আছে আৰু সেইবোৰ ভাল গুণলৈ ৰূপান্তৰ কৰিব পাৰি। গতিকে আমি সদায় আমাৰ ভাল গুণ আৰু বেয়া গুণৰ তালিকা প্ৰস্তুত কৰা উচিত আৰু কেনেদৰে সেইবোৰ ধনাত্মক দিশলৈ নিব পাৰো। নিজক ভাল পোৱাৰ সমান অতি উৎকৃষ্ট কাম আৰু নাই। আজিৰ সমাজ ব্যৱস্থাত বহুসংখ্যক ল'ৰা-ছোৱালী কম বয়সতে আত্মহত্যা কৰা দেখা যায়। যিয়ে হয়তো নিজে নিজৰ সক্ষমতাৰ বিষয়ে নাজানে বা মাক-দেউতাকেও কেতিয়াও আলোচনা কৰা নাই। আমি সদায় আমাৰ অনুজসকলক শাসন কৰিব বিচাৰো, কেতিয়াও সিহঁতৰ ঠাইত আমাক ৰাখি ভাবিবলৈ ইচ্ছা নকৰো। গতিকে প্ৰতিজন অভিভাৱকে ল'ৰা-ছোৱালীক সিহঁতৰ সামৰ্থ্যৰ বিষয়ে জনাটো উচিত আৰু সিহঁতৰ সামৰ্থ্য অনুসাৰে আশা কৰা উচিত।

(২) **সহানুভূতি** ঃ আমি সৰুতে পঢ়ি আহিছো যে মানুহ সহানুভূতিশীল হোৱা উচিত। যেনেদৰে ৰজা বা ধনী জমিদাৰে তেওঁৰ গাঁৱৰ মাজত সহায় কৰে আৰু গোটেই জীৱনলৈ সেই মানুহখিনিৰ ওপৰত নিজৰ প্ৰভাৱ দেখুৱায়। যিকোনো সৰু কথাতে এই সহানুভূতিৰ পাত্ৰ হোৱা মানুহখিনি নিজৰ কাম একাষৰীয়া কৰি ৰাখি তেওঁ সেই প্ৰভুসদৃশ মহাজনৰ কাম কৰি দিব লগা হয়। সহানুভূতি মানুহৰ প্ৰয়োজন আৰু ইয়াক মানৱ সমাজত প্ৰয়োজনীয় আহিলা হিচাপে ব্যৱহাৰ হোৱা উচিত। সমানুভূতি আৰু সহানুভূতিৰ মিল থকা যেন লাগিলেও সেই সমানুভূতিক আমাৰ মাজত উচ্চস্থান দিয়া উচিত। সমানুভূতি হৈছে আমি আমাৰ ভাৱ ধাৰাক আনৰ ঠাইত ৰাখি চোৱা আৰু নিজকে সেই প্ৰয়োজনীয় সহায় কৰা। জীৱন কৌশলত জয়ী হোৱাৰ বাবে সমানুভূতি হৈছে মাতৃস্বৰূপ। আমি সদায় সমানুভূতিশীল হোৱা উচিত আৰু নিজৰ অনুভূতিক বেলেগৰ হোৱা অসুবিধাৰ লগত মিলাই তেওঁৰ নিঃস্বাৰ্থৰ বাবে সহায় কৰা উচিত।

(৩) **পুংখানুপুংখভাৱে চিন্তা কৰা** ঃ আজি সমাজ ব্যৱস্থাত চলিবলৈ হ'লে পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি থকা দায়িত্বসমূহ পুংখানুপুংখভাৱে ভাৱি চোৱা উচিত। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ চিন্তা কৰাৰ ধৰণটো সৰুৰে পৰা গঢ় দিয়া উচিত। স্বামী বিবেকানন্দই কৈছিল যে সুস্থ দেহত সুস্থ মনৰ স্থান, কিন্তু যদিহে আপুনি বা আপোনাৰ ল'ৰা-ছোৱালী মানসিকভাৱে সুস্থ নহয় তেতিয়াও হয়তো আপোনাৰ জীৱন নৌকাখন সুপথে পৰিচালিত নহ'ব। আপোনাৰ শিশুটি বা আপুনিও চিন্তা কৰাৰ ধৰণবোৰৰ আন্তঃগাঁথনিবোৰ শক্তিশালী কৰা উচিত। যিমান পাৰে আপোনাৰ ল'ৰা-ছোৱালীক প্ৰশ্ন সোধাৰ কাৰণে পৰিৱেশ গঢ়ি তোলক। কেতিয়াও বাধা নিদিব আৰু কেতিয়াও ভুল তথ্য বা ধাৰণা নিদিব। নোৱাৰিলে নোৱাৰো বুলি কওক বা সিহঁতকো সত্যৰ লগত মোকাবিলা কৰিবলৈ উৎসাহ যোগাব। আপোনাৰ ল'ৰা-ছোৱালীয়ে চিন্তা কৰিব পৰা পৰিপক্ক হ'লে বিপথে যোৱাৰ ভয় নাথাকে। অকাল মৃত্যু নহওঁ বুলি আপুনিও আপোনাৰ বাকী থকা দিনকেইটা সুপথে পৰিচালিত কৰক।

(৪) **ধনাত্মক সৃষ্টিশীল চিন্তা** ঃ চিন্তা সদায় ধনাত্মক হোৱা উচিত। আপুনি যদি আপোনাৰ ল'ৰা-ছোৱালীৰ আগত সদায় ঋণাত্মক চিন্তা কৰি থাকে, তেতিয়াহ'লে সি বা তাই অধঃপতে যোৱাটো খাটাং। আপুনি সদায় যিকোনো কথাৰে ধনাত্মক দিশসমূহ ভবা আৰম্ভ কৰক, নহ'লে এনেকুৱা এটা পৰিবেশ হ'ব আপুনি আপোনাৰ জীয়াই থকাৰ অৰ্থ বিচাৰি নাপাব। তেতিয়ালৈ বেলেগৰ বাবে জীয়াই থকা বুলি ভাবিব, জীৱনৰ ৰংবোৰ ধূসৰিত হ'ব; সেয়েহে নিজৰ বাবে জীয়াই থাকক আৰু প্ৰতি মুহূৰ্ততে উপভোগ কৰক। আমি কেতিয়াও আমাৰ অতীতক সলনি কৰিব নোৱাৰো, আৰু ভৱিষ্যতক খাটাংকৈ নিৰূপণ কৰিব নোৱাৰো। সেয়েহে বৰ্তমানৰ প্ৰতিটো মহূৰ্ত আপোনাৰ আৰু মনোমোহা কৰাৰ দায়িত্বও আপোনাৰ। কিন্তু লক্ষ্য ৰখা উচিত যাতে ইয়াৰ বাবে কোনেও দুখ নাপায়। যদি আপুনি একেলগে ২২ দিন ধনাত্মক চিন্তা কৰে আৰু সকলো কথা



ধনাত্মক দিশসমূহ বিচাৰে আৰু ধনাত্মকভাৱে তাৰ কথোপকথন হয়, তেতিয়াহ'লে পৰিৱৰ্তন হ'বই। ই অনুশীলন অবিহনে অসম্ভৱ।

(৫) **সু কথোপকথন** ঃ নলবাৰীত এষাৰ কথা আছে— "আগাল মাতাৰ বাটত ঘৰ, আহাতে লাথি জতে চৰ"। ইয়াৰ দ্বাৰা ইয়াকে কৈছে যে ওপৰে ওপৰে কথা কোৱাজনৰ ক'তো স্থান নাথাকে আৰু তেওঁ লাঠী-চৰ খোৱাৰহে যোগ্য। কোনো এক মনীষীয়ে কৈছিল যে ভাল কথা কোৱা ব্যক্তি হোৱাৰ আগতে তেওঁ এজন ভাল শ্ৰোতা হোৱা উচিত। মই বিশ্বাস কৰো যে কথা সদায় ছুটী আৰু শ্ৰুতিমধুৰ হ'ব লাগে। অকাৰণতে চেলবেলাই থকা উচিত নহয়। আপুনি আপোনাৰ ক্ষেত্ৰত তথা আপোনাৰ ল'ৰা-ছোৱালীক যাতে অকাৰণ আৰু অদৰকাৰী কথা কোৱাত নিমগ্ন নাথাকে। মানুহে সদায় দুই ধৰণে কথা পাতে। শান্ত ব্যক্তিৰে কথোপকথন আৰু অইনৰ লগত কথোপকথন। আমি শান্ত ব্যক্তিৰ লগত কথোপকথন নিজৰ কৰা উচিত। আচলতে আমি নিজৰ বিষয়ে বা নিজৰ লগত সময় দিয়া নহয়। গতিকে আমি দিয়া উচিত। অইনৰ লগত কথা পাতোতেও যাতে আমাৰ লক্ষ্য, দৃষ্টি মানুহৰ চকুৰ ফালে হোৱা উচিত। যদি আপোনাৰ শিশুটিক এতিয়াৰে পৰা চকুৰে কথা কোৱা নিশিকাই তেতিয়া সি বা তাই আপোনাক পিছত মিছা মাতিব আৰু ইণ্টাৰভিউতো পাছ নকৰিব। সুকথোপকথনত সদায় আমি লক্ষ্য ৰখা উচিত আমাৰ হাতৰ ভংগিমা যাতে আমাৰ বুকুৰ সমান ওখকৈ ৰাখি ভংগিমা দি কথা কোৱা হয়। আমি সদায় কথা পাতোতে মিচিকিয়া হাঁহি এটা মুখত ৰাখো। পৰিবেশ আৰু কথাৰ বিষয় অনুসৰি চেলাউৰি লৰাই কথা পতা উচিত। গতিকে আপুনি সেইবোৰ আপোনাৰ ল'ৰা-ছোৱালীৰ আগত আৰম্ভ কৰক। তেতিয়াহে সিহঁতে আপোনাক অনুশীলন কৰিব। সাধাৰণতে কথোপকথন সংঘটিত হয় তিনিটা বস্তুৰ ওপৰত আৰু সেইবোৰ হ'ল— কোৱাজন, মাধ্যম আৰু শুনাজন। যদিহে কোৱাজনৰ কথাবোৰ মাধ্যমেৰে ভালদৰে গৈ নাপাই তেতিয়াহ'লে কথাখিনিৰ খেলিমেলি হ'বই। গতিকে ভাল আৰু সু-কথোপকথন হ'বলৈ তিনিওটা বস্তুৰ মুখ্য ভূমিকা আছে। ল'ৰা-ছোৱালীক কোৱাজনে কোৱা কথাখিনি ভালদৰে শুনি তাৰ কথাৰ প্ৰত্যুত্তৰ দিবলৈ শিকাওক।



(৬) **সমস্যাৰ সমাধান** ঃ আমি সদায় সমস্যাবিলাক যিমানে এৰাই চলিব বিচাৰো, সিমানেই কাষ চাপে। সেয়েহে সমস্যাৰ লগত মোকাবিলা কৰাটোই হৈছে বুদ্ধিমানৰ কাম। আপুনি আৰু আপোনাৰ ল'ৰা-ছোৱালীক সমস্যাৰ প্ৰতি যোদ্ধা কৰিবলৈ তৈয়াৰ কৰক। কেতিয়াও সেই পৰিস্থিতিৰ পৰা পলাবলৈ দিয়া অনুচিত। সিহঁতক এইটো বিশ্বাস দিয়ক যে য'ত সমস্যা থাকে, তাতে সমাধানো থাকে। সমস্যাবোৰ সদায় ধনাত্মক চিন্তা আৰু পুংখানুপুংখভাৱে চিন্তা কৰি সমস্যাৰ সমাধান কৰাবলৈ শিকক আৰু শিকাওক। আপোনাৰ ল'ৰা-ছোৱালীক সমস্যা সমাধানৰ বাবে কিছুমান দৈনিক ব্যৱহাৰ্য্য কাৰুকাৰ্যৰ লগত চিনাকি কৰি তাক সমাধানৰ বাট উলিয়াই দিয়ক। যদিওবা আপুনি সমাধানৰ পথ জানে কিন্তু সমাধান সিহঁতক কৰিব দিব আৰু সময়ে সময়ে উৎসাহ যোগাব। মুঠৰ ওপৰত সমস্যা যিয়েই নহওক তাক হাঁহিমুখে আহ্বান জনাব লাগে আৰু নিৰ্মূল কৰাৰ পৰিবৰ্তে তাৰ পৰা আঁতৰ হোৱাতো এক হতবুদ্ধিৰ পৰিচয়।

(৭) **সিদ্ধান্ত গ্ৰহণ** ঃ সুস্থিৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত আমাৰ বহু অসুবিধা হয়। কিয়নো সৰুৰে পৰা আমাৰ কথা কোনেও গুৰুত্ব নিদিয়ে। মাত্ৰ আমাৰ ওপৰত এক অঘোষিত অৱদমন চলাই সন্তুষ্টি ল'ব বিচাৰে। তেনে স্থলত কেনেকৈ সিদ্ধান্ত ল'ব পাৰো। কেতিয়াবা দৌৰি আহি মা-দেউতাক কিবা সিদ্ধান্ত দিলে কয়— হ'বদে ইমান দেখুৱাব নালাগে, ডাঙৰৰ দৰে কথা নক'বি এতিয়া তই সৰু হৈ আছ। আমি মা-দেউতাৰ ওচৰত, শিক্ষাগুৰুৰ ওচৰত কেতিয়াও

ডাঙৰকৈ কথা ক'ব নোৱাৰো, সিদ্ধান্ত ল'ব নোৱাৰো। সেয়েহে অসমৰ প্ৰায় মানুহে সিদ্ধান্ত ল'ব টান পায়; যিটো আমাৰ কৰ্মক্ষেত্ৰত অসুবিধা হয়। সেয়েহে আপোনাৰ ল'ৰা-ছোৱালীক কেতিয়াও সেই পৰিস্থিতিলৈ ঠেলি নপঠাব। আমি সিদ্ধান্ত লোৱাত অসুবিধা হ'লে কিছুমান কাম কৰা উচিত; যেনে— আপোনাৰ অসুবিধা যে আপুনি কেতিয়াও সুস্থিৰ সিদ্ধান্ত ল'ব নোৱাৰিম বুলি ভাবো তেতিয়াহ'লে আপুনি আপোনাৰ অসুবিধাসমূহ চাই তলত দিয়া প্ৰযুক্তিৰে সুস্থিৰ সিদ্ধান্ত লোৱা উচিত। যিকোনো অসুবিধাসমূহ কাগজত লিখি থ'ব আৰু সেইবোৰ প্ৰাধান্য অনুসৰি সজাব লাগে। প্ৰত্যেকটো যুক্তি পুংখানুপুংখভাৱে লিখি তাত আপোনাৰ লাভালাভ বা শান্তি কি হ'ব তাক চালে নিশ্চয়কৈ আপুনি আচল যুক্তিৰে এক সুস্থ সিদ্ধান্ত লোৱাত সফল হ'ব। যিটোৱে আপোনাৰ সিদ্ধান্তৰ দ্বাৰা হোৱা কথাবোৰৰ আৰু অধিক স্থায়িত্ব হোৱাত সহায় কৰিব।



(৮) **ষ্ট্ৰেচৰ দুচিন্তা মোকাবিলা ঃ** সাধাৰণতে আমি কেতিয়াবা আমাৰ হিতজ্ঞানৰ পৰা বাহিৰ হৈ যাওঁ। আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক ষ্টেচাৰ মোকাবিলা কৰিবলৈ শিকোৱা উচিত। আজিকালি ষ্ট্ৰেচৰ ইণ্টাৰভিউ পাতি চাকৰি লোৱাও দেখো যায়। মানুহৰ দৈনন্দিন জীৱনত সময়ে সময়ে বিভিন্ন কাৰণত দুশ্চিন্তা আহে, যদিহে ইয়াক আমি প্ৰতিহিত কৰিব নোৱাৰো তেতিয়া ই এক বিৰূপ ৰূপ ধাৰণ কৰি আমাকে গ্ৰাস কৰিব। গতিকে দুশ্চিন্তা ৰোধ কৰাৰ বাবে জ্ঞান, যোগা, ভাল লগা মানুহৰ লগত কথা পাতি এই ষ্ট্ৰেচৰ দুশ্চিন্তা ৰোধ কৰিব পাৰিলে ভাল। আজিকালি বহু কোম্পানীত বিভিন্ন ধৰণৰ মৃদু সংগীত লগাই থয়, যাতে তেওঁলোকৰ কামৰ চাপ কমি থাকে। ষ্ট্ৰেচৰ কাৰণত বিভিন্ন ৰোগ হোৱা বুলি আমাৰ চিকিৎসা বিজ্ঞানে প্ৰমাণিত কৰিছে, যেনে— অধিক দুশ্চিন্তাৰ বাবে ভোক নলগা বা বেছিকৈ লগা, ছালৰ বেমাৰ, নখবোৰ মৰি যোৱা, বেছি টোপনি অহা বা কমি যোৱা, মাতবোৰ কৰ্কশ হোৱা ইত্যাদি। গতিকে দুশ্চিন্তা মানুহৰ আহে কিন্তু ইয়াক বেছি ধৰি নাৰাখি আৰম্ভণিতে নিৰ্মূল কৰিলেহে আমি ইয়াৰ পৰা উপক্ৰম পাম।

(৯) **আৱেগৰ সৈতে মোকাবিলা ঃ** সকলো মানুহৰ আৱেগ থাকে। যেনে— হাঁহি, কান্দোন, দুখ আদি। এইবোৰ হৈছে মানুহৰ প্ৰয়োজনীয় বস্তু। কেনেকুৱা পৰিৱেশত আমি ইয়াক কি ধৰণে প্ৰকাশ কৰিম সেই বিষয়ে আমি জনাতো দৰকাৰ। হেড ছাৰৰ আগত কথা কোৱাৰ ধৰণ আৰু ককা-আইতাৰ আগত কথা কোৱা ধৰণ নিশ্চয় একে নহয়। মানুহ বিভিন্ন পৰিৱেশত আৱেগিক হয়। কিন্তু লক্ষ্য ৰখা উচিত যাতে আমি এই পৰিবেশত কিমান আৱেগিক হ'লে ভাল হ'ব। সৰুৰে পৰা এই ধৰণৰ কথাবোৰ শিকোৱাৰ পিছত হয়তো আমি বুজিবলৈ সক্ষম হ'ম যে ইয়াৰ প্ৰয়োজনীয়তা কিমান।

(১০) **আন্তঃব্যক্তি সম্পৰ্ক ঃ** আমি সাধাৰণতে কোনো ব্যক্তিৰ লগত সম্পৰ্ক স্থাপন কৰোতে কিছু সংখ্যক মাৰ্জিত আচৰণৰ দ্বাৰা কাষ চাপো। আমি স্কুলত পঢ়ি থাকোতে বহুত বন্ধু লগ পাওঁ, কিন্তু শেষলৈ মাত্ৰ কেইজনমানৰ লগতহে সেই সম্পৰ্ক বৰ্ত্তি থাকে। ইয়াৰ দ্বাৰা এইটো বুজিব পাৰো যে নীতি, আদৰ্শৰ মিল থকাকেইজনৰ লগত আমাৰ সম্পৰ্ক পিছলৈ থাকে। সম্পৰ্ক সদায় ধনাত্মক হোৱা উচিত। কিবা দেখিলে পিছত কোৱাতকৈ বেয়া নোপোৱাকৈ তেওঁৰ সন্মুখতে আলোচনা কৰা উচিত। সাধাৰণতে যেতিয়ালৈ সম্পৰ্ক গাঢ় হৈ থাকে আমি সদায় তেওঁৰ ধনাত্মক গুণবোৰ দেখো। কিন্তু যেতিয়া কাৰোবাৰ লগত সম্পৰ্কৰ বিচ্ছেদ হয়, তেতিয়া কিন্তু আমি ঋণাত্মকবোৰ প্ৰচাৰ কৰাত ব্যস্ত হওঁ। যিয়ে হয়তো কোনো ধৰনৰ ঋণাত্মক প্ৰভাৱ আপোনাৰ ক্ষেত্ৰতো পেলাব পাৰে। যদি কোনো ব্যক্তিয়ে কোনো ব্যক্তিৰ আগত বেলেগৰ দোষসমূহৰ কথা কয় তেতিয়া সেই ব্যক্তিগৰাকীয়েও ভাবে যে তেওঁ যিহেতু আনৰ কথা মোৰ আগত কৈছে, হয়তোবা এদিন মোৰ কথা আনৰ আগত নক'ব তাৰ নিশ্চয়তা নাই। সেয়েহে সেই ব্যক্তি গৰাকী আনৰ কথা ক'বলৈ যাওঁতে নিজেও গম নোপোৱাকৈ সন্দেহৰ পাত্ৰ হ'ব লগা হয়। গতিকে কাৰোবাৰ লগত মনোমালিন্য হ'লেও কেতিয়াও কাৰো বেয়া দিশটো প্ৰচাৰ কৰা অনুচিত।

ওপৰোক্ত কথাবোৰ যদিহে আমি আমাৰ পৰিয়াল, সমাজ ব্যৱস্থাত প্ৰযোজ্য কৰিব পাৰো, তেতিয়াহ'লে নিশ্চয় সুন্দৰ হ'ব আৰু আমি বিচৰা সমাজখন পাম। শেষত মহাত্মা গান্ধীৰ ভাষাৰে— "তুমি বিচৰা সমাজখন নিজে গঢ়ি লোৱা।"

# নলবাৰীৰ জাপি শিল্প
## চমু আলোকপাত



✍ সুনীল কলিতা
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ



নলবাৰী জিলাৰ সদৰৰ পৰা প্ৰায় ৫ কি.মি. দূৰত্বত দক্ষিণ প্ৰান্তত অৱস্থিত সূতাৰকুছি, তিলানা, বালামুগকুছি, তেৰেছিয়া, দীঘেলী, দোমাহি তোলা, মুগকুছি, মুদৈতোলা গাঁও। অসমৰ জাতীয় সংস্কৃতিৰ প্ৰতীক জাপি শিল্প এই গাওঁকেইখনৰ পৰিয়ালসমূহৰ মুখ্য জীৱিকা। ড° ভূপেন হাজৰিকাৰ মতে জাপি অসমৰ ঐক্যৰ প্ৰতীক, আনহাতে জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীয়ে জাপিক অসমৰ শান্তিৰ প্ৰতীক হিচাপেও অভিহিত কৰিছে। বংশানুক্ৰমে অথবা পৰাম্পৰাগতভাৱে চলি অহা এই শিল্প বিভিন্ন কাৰণৰ বাবে প্ৰায় মৃতপ্ৰায় অৱস্থাত পৰিণত হৈছে। এই গাঁওবোৰৰ বেছিভাগ মানুহেই জাপি শিল্পৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। পৰিয়ালৰ আটায়ে লগ হৈ ৰাতিপুৱাৰ পৰা নিশালৈকে জাপি নিৰ্মাণৰ কাম কৰে। বিভিন্ন সমস্যাৰ কাৰণে এই মানুহখিনিৰ অৰ্থনৈতিক অৱস্থা আজিও স্বচ্ছল হৈ নুঠিল, বিশেষকৈ মহাজনী প্ৰথাৰে চলি অহা এই শিল্পৰ লগত জড়িত লোকসকলে কোনো দিনে উচিত মূল্য পাবলৈ সক্ষম হোৱা নাই। অসমৰ বাহিৰৰ কথা বাদেই, অসমৰ মানুহেই জাপিক জাতীয় সংস্কৃতিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। সুন্দৰ চাহিদা থকা সত্বেও শিল্পীসকলে কিয় উচিত মূল্য পাবলৈ সক্ষম হোৱা নাই? হয়তো উপাৰ্জনৰ সিংহভাগ মহাজন আৰু বেপাৰীবোৰে লাভ কৰে। ফল স্বৰূপে জাপিৰ লগত জড়িত লোকসকলে গভীৰ অৰ্থ সংকটত ভোগা



দেখিবলৈ পোৱা যায়। সেয়ে এওঁলোক স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত সদায় পিছ পৰি ৰবলগীয়া হৈছে।

জাপি সাধাৰণতে দুই প্ৰকাৰৰ— (ক) হালোৱা জাপি (খ) ফুলন জাপি

(ক) **হালোৱ জাপি ঃ** হালোৱা জাপিবোৰ খেতিয়কে পথাৰত ৰ'দ আৰু বৰষুণৰ পৰা কিছু সকাহ পাবলৈ ব্যৱহাৰ কৰে। ১৯৭২ ইং চন মানত অসম চৰকাৰে গড়কাপ্তানি বিভাগত কাম কৰা প্ৰতিজন শ্ৰমিকে মূৰত জাপি লৈ কাম কৰাটো বাধ্যতামূলক কৰিছিল। ঠিক একে সময়তে উজনি অসমত থকা চাহ বাগিচাবোৰেও হাজাৰ হাজাৰ জাপি এই অঞ্চলৰ পৰা ক্ৰয় কৰি বাগিচাৰ শ্ৰমিকসকলে ব্যৱহাৰ কৰিছিল। কোনো কোনোৱে বাৰিষাৰ ছমাহ উজনি অসমত গৈ জাপি বনাই তাতে বিক্ৰী কৰি পেট প্ৰৱৰ্ত্তাইছিল। ১৯৯০ চন মানলৈকে চাহ বাগিছাবোৰত হালোৱা জাপিৰ প্ৰচলন আছিল। অৱশ্যে এতিয়া বাগিচাবোৰৰ হালোৱা জাপিৰ ব্যৱহাৰ নাইকিয়া হ'ল। কিয়নো প্লাষ্টিকৰ দ্বাৰা তৈয়াৰী ৰেইন কোটে জাপিৰ ঠাই দখল কৰিলে। তদুপৰি জাপি মূৰত লৈ চাহপাত ছিঙাত দেখা দিয়া অসুবিধা আৰু প্লাষ্টিকৰ চোলা পিন্ধি এই কাম কৰাত সহজ হোৱা হেতুকে বাগিচাবোৰত জাপিৰ ব্যৱহাৰ ক্ৰমান্বয়ে নোহোৱা হৈ আহে।

আনহাতে অসমৰ বেছিভাগ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হোৱাৰ বাবে বাৰিষা কালত নলবাৰীৰ এই অঞ্চলৰ পৰা অসমৰ বিভিন্ন ঠাইলৈ হালোৱা জাপি নি বিক্ৰী কৰিছিল। আগতে এজন খেতিয়কে আহু আৰু শালি দুয়োটা ধানৰ খেতি কৰিছিল কাৰণে বছৰৰ বেছিভাগ সময় খেতিৰ লগত জড়িত হ'ব লগা হৈছিল। সেই একে ধৰণে একোটা পৰিয়ালত বছৰত কমেও তিনিটা জাপিৰ প্ৰয়োজন আছিল। কিন্তু আজিকালি কৃষকৰ ঘৰত জাপি দেখিবলৈ পোৱা নাযায়। কিয়নো আজিকালি খেতিয়কে আহুধানৰ খেতি কৰিবলৈ বাদ দিলে। অকল শালি ধানৰ খেতি কৰা কাৰমে অতি কম সময়ৰ ভিতৰত কৃষিকাৰ্য সম্পাদন হয়। সেয়েহে খেতিয়কক পথাৰত হালোৱা জাপিৰ প্ৰয়োজন আৰু চাহিদা কমি আহিল। ফলস্বৰূপে জাপি শিল্পীসকলৰ জীৱনলৈ নামি আহিল চৰম আৰ্থিক সংকট।

(খ) **ফুলাম জাপি ঃ** ফুলাম জাপিক অসমীয়া জাতীয় সংস্কৃতিৰ বাহক হিচাপে গণ্য কৰা হয়। কিয়নো অসমৰ প্ৰতিঘৰ মানুহৰে আলহী বহিবলৈ দিয়া কোঠাত কমেও একোটা ফুলাম জাপি দেখিবলৈ পোৱা যায়। সভা- সমিতি পাতিলে সন্মানীয়জনক ফুলাম জাপিৰে সম্বৰ্ধনা জনোৱাটো চিৰাচৰিত প্ৰথা। অন্যহাতে অসমৰ প্ৰতিখন সাংস্কৃতিক আৰু বিহু মঞ্চত দেখিবলৈ পোৱা যায় বিভিন্ন ৰং-বিৰঙৰ ফুলাম জাপি। মনলৈ এনে ভাব আহে যে অসমীয়া সংস্কৃতিত ফুলাম জাপি এক অপৰিহাৰ্য অংগ। এই জাপিবোৰৰ অসম, ভাৰতবৰ্ষ বাদেই বিদেশৰ বজাৰতো ইয়াৰ চাহিদা দেখিবলৈ পোৱা যায়। মুঠৰ ওপৰত নলবাৰীৰ এই জাপি শিল্পই অসমীয়া স স্কৃতিত এক গৌৰৱোজ্জ্বল পৰিচয় দাঙি ধৰা দেখা যায়।

এনে সুন্দৰ চাহিদা থকাৰ পিছতো জাপি শিল্পীসকলে বাৰু কিয় লাভৱান হ'ব পৰা নাই? তেওঁলোকৰ আৰ্থিক অৱস্থা দিনক দিনে বেয়া হৈ গৈ আছে কিয়?

ওপৰৰ চমু আলোচনাৰ পৰা বুজা যায় যে হালোৱা জাপিৰ ব্যৱহাৰ দিনে দিনে হ্ৰাস পাই আহিছে আৰু কালক্ৰমত হয়তো একেবাৰে নোহোৱা হৈ যাব বুলি সন্দেহ হয়। কিন্তু ফুলাম জাপিৰ চাহিদা প্ৰতি দিনেই বাঢ়িহে আছে। কথা হ'ল— শিল্পীসকল কিয় লাভৱান হ'ব পৰা নাই, হয়, শিল্পীসকল এই কাৰণে লাভৱান হ'ব পৰা নাই যে এচাম মধ্যভোগী আৰু বেপাৰীয়ে এই ব্যৱসায়ক নিজৰ হাতৰ মুঠিত ৰাখি ইয়াৰ সিংহভাগ লাভ নিজে ভোগ কৰিবলৈ সক্ষম হৈছে। যিহেতু বছৰৰ বাৰিষাৰ সময়ছোৱাত ফুলাম জাপিৰ চাহিদা কমি যায় (হালোৱা জাপিৰ ব্যৱহাৰ কমি যোৱাৰ বাবে) জাপি শিল্পৰ লগত জড়িত মানুহখিনিৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰে। ঠিক সেই সময়তে এচাম সুবিধাবাদী মধ্যভোগী বা বেপাৰীয়ে আগতীয়াকৈ কম দামত জাপিৰ বাবদ আগধন হিচাপে টকা দিয়ে আৰু সময়ত শিল্পীসকলৰ পৰা জাপিবোৰ কম দামত ক্ৰয় কৰি লৈ যায় আৰু বজাৰত বেছি দামত বিক্ৰী কৰে। ফলস্বৰূপে শিল্পীসকলে কোনো দিনে উচিত মূল্য পাবলৈ সক্ষম নহয়।

ইয়াৰোপৰি জাপি তৈয়াৰ কৰোতে ব্যৱহাৰ হোৱা বাঁহ, টকৌ পাত, সূতা, ভেলভেত, কাপোৰ, আঠা, লেজ আৰু চুমকি ইত্যাদি সামগ্ৰীবোৰৰ প্ৰয়োজন হয়। বাঁহ আৰু টকৌপাত শিল্পী সকলে ছয়-সাত কি.মি. দূৰৰ পৰা কিনিব লগা হয়। অৱশ্যে আজিকালি টকৌপাতৰ গছ নিজৰ ঘৰতে ৰুবলৈ আৰম্ভ কৰিছে যদিও মূল আহিলা বাঁহ নিজৰ বাৰীত পাবলৈ নাই; সেয়েহে বহু দূৰৰ পৰা অধিক ধন দি কিনিব লগা হয়। আকৌ সূতা, ভেলভেত, কাপোৰ, লেছ, চুমকি আদি সামগ্ৰীবোৰ বজাৰৰ পৰা কিনিব লগা হয়। একছত্ৰী বজাৰ ব্যৱস্থাৰ ফলশ্ৰুতিত এই সামগ্ৰীবোৰৰ দাম বছৰত তিনি-চাৰিবাৰকৈ বৃদ্ধি হয়। কিন্তু তাৰ তুলনাত শিল্পীসকলে জাপিৰ দাম বঢ়াব নোৱাৰে। এতিয়া কথা হ'ল যদি কেঁচা সামগ্ৰীৰ দাম বছৰত তিনি-চাৰিবাৰকৈ বেছি বৃদ্ধি হয় আৰু সেই অনুপাতে যদি জাপিৰ দাম নাবাঢ়ে, তেতিয়া শিল্পীসকলৰ ভৱিষ্যৎ কোন দিশে গতি কৰিব বাৰু...? ঐতিহ্যমণ্ডিত এই শিল্পবিধৰ পুনৰুজ্জীৱিতকৰণৰ লগতে স্থায়ী উন্নয়নৰ পদক্ষেপ গ্ৰহণ নকৰিলে অদূৰ ভৱিষ্যতে ই ধ্বসৰ গৰাহত জাহ যাব...!





# প্ৰসংগ ঃ এন জি অ'

✍ মুকুট লোচন কলিতা

(১)

**হ**য়তো সাম্প্ৰতিক সময়ত বহুতৰে মনত যথেষ্ট কৌতুহল উদ্ৰেক কৰা শব্দটোৱেই হৈছে এন জি অ'। মূলতঃ তিনিটা ইংৰাজী শব্দৰ আদি আখৰকেইটাৰ এই সমষ্টিটোক লৈ সমাজৰ বিভিন্নজনৰ মনত থকা বিভিন্ন প্ৰশ্নৰ পৰা শুদ্ধ অশুদ্ধ অৰ্ধশুদ্ধ ধাৰণাবোৰে থকা খুদুৱনিখিনিয়ে বহু পৰিমাণে বেচৰকাৰী সংস্থাৰ সংজ্ঞা আৰু ভূমিকাক অস্পষ্ট কৰি ৰাখিছে। বিশেষকৈ যোৱা বছৰ কেন্দ্ৰত নতুন চৰকাৰ এখন অহাৰ পিছত দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰেই বহু বেচৰকাৰী সংস্থাৰ ক্ৰিয়া-কলাপ সম্পৰ্কে সন্দেহ থকা বুলি যথেষ্ট উৰাবাতৰি ওলোৱাত এনে কৌতূহল আৰু বৃদ্ধি পাইছে। কিন্তু প্ৰকৃততে এন জি অ' বস্তুটোনো কি? এওঁলোকৰ কাম কি? আৰু হকে বিহকে এওঁলোকৰ একাংশৰ প্ৰতি সমাজৰ আন একাংশৰ সন্দেহৰ উৎসৰ কি?

> নলবাৰী জিলা জিভিএমো এই ক্ষেত্ৰতো নতুন সংযোজন। যোৱা তেৰটা দশকৃত বানপানীৰ দুৰ্যোগৰ পিছত বানাক্ৰান্তক সাহায্য দিয়াৰ পৰা আৰম্ভ কৰা এইটো সংস্থাই যথেষ্ট কম সময়ৰ ভিতৰতে যথেষ্টখিনি শিকি আৰু কৰি আজি এক সবল স্থিতি লাভ কৰিছে।

(২)

আমি ব্যক্তিগতভাৱে কেতিয়াও কোনো এন জি অ'ত প্ৰত্যক্ষভাৱে জড়িত নহ'লেও, যোৱা প্ৰায় দুটা দশকৰো অধিক কাল ৰাজ্যৰ ভিতৰত আৰু বাহিৰতো বিভিন্ন এন জি অ'ৰ ক্ৰিয়া-কলাপত পৰোক্ষভাৱে সংলগ্ন হৈ আছোঁ, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত এনে বহুধৰণৰ আৰু বহুতো বেচৰকাৰী সংস্থাৰ স'তে কাম কৰাৰ পৰা হোৱা অভিজ্ঞতাৰ পৰা কিছুখিনি লিখিব খুজিছোঁ?

**এন জি অ'সমূহ মূলত ঃ** স্বেচ্ছাসেৱী সংস্থা (Voluntery organisation)। এনে ধৰণৰ স্বেচ্ছাসেৱী সংস্থাৰ ধাৰণাটো একেবাৰেই নতুন নহয়। আমাৰ ৰাজ্যতো ৰ'টাৰী ক্লাব বা ইণ্ডিয়ান ৰেডক্ৰচ ছ'চাইটিৰ পৰা আৰম্ভ কৰি বিভিন্ন গান্ধীবাদী সংগঠন আৰু স্থানীয় ক্লাব আদিয়ে আগৰে পৰাই সামাজিক ক্ৰিয়া-কলাপ চলাই আহিছে। কেৱল বৰ্তমানৰ বেচৰকাৰী সংস্থাসমূহে এনে কামক পেষাগতভাৱে (Profesionally) কৰিবলৈ চেষ্টা কৰে। পেষাগত কামৰ দুটা দিশ আছে। প্ৰথমেই চকুত পৰা, কিন্তু তাৎপৰ্যপূৰ্ণ কথাটো হৈছে যে ইয়াৰ বেচৰকাৰী সংস্থাসমূহে এইটো স্বীকৃতি দিয়ে যে সামাজিক কাম কৰা ব্যক্তিসকলৰ এটা বৃত্তি আৰু ন্যূনতম কিছু উপাৰ্জনৰ প্ৰয়োজন। সেয়ে তেওঁলোকৰ কামৰ পৰিকল্পনাৰে এই খৰচখিনিও অন্তৰ্ভুক্ত কৰা হয়। এইটো নিতান্তই গুৰুত্বপূৰ্ণ কিয়নো আজিৰ অৰ্থসৰ্বস্ব যুগত কোনেও চিৰদিন বিনামূলীয়া পৰিশ্ৰমৰ যোগেদি সামাজিক কাম কৰিব নোৱাৰে। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ কামত দেখা যায়। এন জি অ'ৰ কৰ্মীসকলে নিজৰ কামৰ ন্যূনতম মাননি বা অন্ততঃ ঘূৰা-ফুৰা আৰু খোৱাৰ খৰচ পাব বুলি নিশ্চিত থাকিলে নিজৰ দায়িত্বখিনি সুচাৰুৰূপে পালন কৰিব পাৰে।

(৩)

বেচৰকাৰী সংস্থাসমূহৰ আন এক ব্যাপক অৰ্থতো পেষাগত। তেওঁলোকে নিজৰ সামাজিক কামখিনি যথেষ্ট পৰিকল্পনা, সাৱধানতা আৰু নিষ্ঠাৰে কৰিবলৈ চেষ্টা কৰে। বৰ্তমান যুগত সামাজিক কামো এক বিজ্ঞান নহ'লেও বিদ্যায়তনিক discipline বা ক্ষেত্ৰ। ইয়াৰ নিজস্ব নীতি-নিয়ম আদৰ কায়দা আছে। বেচৰকাৰী সংস্থাসমূহে

এইসমূহ সাধ্যানুসাৰে পালন কৰিবলৈ চেষ্টা কৰে। যিকোনো কাম বা প্ৰকল্প এটাত হাত দিয়াৰ আগতে যথেষ্ট চিন্তা-চৰ্চা, অধ্যয়ন আৰু পৰিকল্পনা কৰা হয়। ইয়াৰ পিছতহে নিজৰ কামৰ ক্ষেত্ৰ, স্থান আৰু পৰিসৰ নিৰ্ধাৰণ কৰা হয়। উদাহৰণস্বৰূপে কোনো এক এন জি অ'ই যদিহে প্ৰাকৃতিক দুৰ্যোগ নিৰাময়ৰ ক্ষেত্ৰখন বাচি লয়, আন কোনোৱে শিক্ষাৰ বা আন কোনোৱে গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰখন বাচিব পাৰে। তাৰ পিছত তেওঁলোকে এহাতে নিৰ্ধাৰণ কৰিব লগা হয় কোন স্থানত তেওঁলোকৰ কামখিনি কৰিব, আনহাতে চিন্তা কৰিবলগীয়া হয় যে ইয়াৰ বাবে কিমানখিনি সমলৰ প্ৰয়োজন হয় আৰু সেইখিনি ক'ৰ পৰা পোৱা যাব। এই তিনিওটা নিৰ্ধাৰণ কৰি উঠাৰ পিছত নিৰ্ধাৰণ কৰা হয় তেওঁলোকৰ কামৰ পৰিসৰ— কেৱল বৰবৰিৰ ওচৰৰ গাঁওকেইখনতে কৰিব নে সমগ্ৰ নলবাৰী জিলাতে নে কেইবাখনো আঞ্চলিক জিলাত। যদিও পৰিসৰ বা মাত্ৰাৰ ক্ষেত্ৰত




বিশেষ বাধা নাই, আৰম্ভণিত সাধাৰণতে কম পৰিসৰৰ কাম আৰম্ভ কৰি এন জি অ' একোটাই অভিজ্ঞতা বঢ়াৰ লগে লগে কামৰ পৰিসৰ বঢ়াই গৈ থাকে।

(৪)

**এন জি অ' প্ৰসাৰ ঃ**

বেচৰকাৰী অনুষ্ঠান বহু প্ৰকাৰৰ আছে— যিটো কাৰণতেই আমাৰ মাজত অস্পষ্টতা আছে। সাধাৰণভাৱে কৰ্মক্ষেত্ৰত ভিত্তিতেই কেবাপ্ৰকাৰৰ থাকিব পাৰে। প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ স'তে জড়িত, কৃষি বা অন্যান্য গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ স'তে জড়িত বা স্বাস্থ্য বা শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কাম কৰা আদি বৰ্তমান কালত বহু বেচৰকাৰী সংস্থাই অধিকাৰৰ ক্ষেত্ৰতো কাম কৰে— সংবিধান বা আইন প্ৰদত্ত অধিকাৰৰ পৰা আৰম্ভ কৰি বিভিন্ন জীৱিকাৰ পৰা ভূমি অধিকাৰলৈকে।

তেনেকৈয়ে পৰিসৰৰ ভিত্তিতো বেচৰকাৰী সংস্থাৰ প্ৰচাৰ থাকিব পাৰে। আন্তঃৰাষ্ট্ৰীয় পৰিসৰৰ, ৰাষ্ট্ৰীয় পৰিসৰৰ ৰাজ্যিক বা স্থানীয় পৰিসৰৰ এটা সময়ৰ পিছত বিভিন্ন পৰিসৰৰ বেচৰকাৰী সংস্থাসমূহে নিজৰ নিজৰ বাবে ক্ষেত্ৰ এখনো সীমিত বা নিৰ্ধাৰিত কৰি লয়— অধিক সুচাৰুৰূপে কাম কৰাৰ খাতিৰত। স্থানীয় বা ৰাজ্যিক পৰ্যায়ৰ সংস্থাসমূহক বহু সময়ত 'ৰূপায়ণকাৰী' সংস্থাৰূপে কোৱা হয়— সাধাৰণতে এইবোৰে প্ৰত্যক্ষভাৱে ক্ষেত্ৰত কাম কৰে। ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সমূহত সহায়কাৰী বা সমল সংস্থাৰূপে চিহ্নিত কৰা হয়। ৰাষ্ট্ৰীয় স্তৰৰ এন জি অ'ই স্থানীয় এন জি অ'ক পৰিকল্পনা কৰাত আৰু বিভিন্ন বিষয়ক প্ৰয়োজনীয় প্ৰশিক্ষণৰ যোগেদি সহায় কৰে। স্থান বিশেষে এনে সংস্থাই সমল যোগানত অথবা সমলৰ সংগ্ৰহত বিশেষ ভূমিকা লয়। আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহেও এই ভূমিকা গ্ৰহণ কৰিলেও মূলতঃ এওঁলোকৰ বৈশিষ্ট সমলৰ যোগান আৰু গৱেষণা। আন্তঃৰাষ্ট্ৰীয় এন জি অ'সমূহে সমল যোগান ধৰাৰ বাবে যাৱতীয় কামখিনি কৰে। তাৰ বাবে তেওঁলোকে যথেষ্ট গৱেষণা কৰিবলগীয়া হয়— কোন ঠাইৰ কোন সময়ত কি কামৰ প্ৰাসংগিকতা কিমান আৰু সেইখিনি কাৰ জৰিয়তে ভালকৈ কৰিব পৰা যাব।

(৫)

**অসমত এন জি অ'**

অসমত অৱশ্যে এন জি অ'ৰ ক্ৰিয়া-কলাপৰ ইতিহাস বৰ পুৰণি নহয়। এসময়ৰ খাদী-গ্ৰামোদ্যোগ আৰু সমবায় আন্দোলন লাহে-লাহে চৰকাৰীকৰণৰ দিশেষ আগবঢ়াত ক্ৰমাৎ স্থবিৰ হৈ পৰে। গান্ধীবাদী আৰু সৰ্বোদয় সংগঠনসমূহেও কেৱল চৰকাৰী পৃষ্ঠপোষকতাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰাত আৰু নতুন যুগৰ পৰিস্থিতিৰ স'তে নিজকে সলাই নিব নোৱাৰাত ক্ৰমাৎ নিস্তেজ হৈ পৰে।

কিন্তু অলপ আচৰিত ধৰণে প্ৰায় আশীৰ দশকৰ পৰা কিছু চৰকাৰী উদ্যোগতে গ্ৰাম্য অৰ্থনীতিৰ অধ্যয়ন আৰু বিকাশৰ বাবে দুই-এক বেচৰকাৰী সংস্থাই কাম আৰম্ভ কৰে। যথেষ্ট পেছাগতভাৱে আৰু নিষ্ঠাৰে কাম আৰম্ভ কৰা এনে সংস্থা (RVC আৰু NEADSৰ নাম উল্লেখযোগ্য)ই কিছুবছৰৰ ভিতৰত যথেষ্ট সাফল্য আৰু অভিজ্ঞতা অৰ্জন কৰে। প্ৰথমতে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ দ্বাৰা সমৰ্থনপুষ্ট এই এন জি অ'সমূহ এটা সময়ত নিজৰ ভৰিত থিয় দিবলৈ লয় আৰু ক্ৰমাৎ বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সমল সংস্থায়ো এওঁলোকৰ কামৰ ওপৰত চকু দিয়ে।

নলবাৰী জিলা জিভিএমো এই ক্ষেত্ৰতো নতুন সংযোজন। যোৱা তেৰটা দশকত বানপানীৰ দুৰ্যোগৰ পিছত বানাক্ৰান্তক সাহায্য দিয়াৰ পৰা আৰম্ভ কৰা এইটো সংস্থাই যথেষ্ট কম সময়ৰ ভিতৰতে যথেষ্টখিনি শিকি আৰু কৰি আজি এক সবল স্থিতি লাভ কৰিছে।

যোৱা বছৰটোত সামগ্ৰিকভাৱে দেশৰ প্ৰায়বোৰ বেচৰকাৰী সংস্থাই কম-বেছি সন্দেহৰ আৱৰ্তত সোমাই পৰা অৱস্থাত অসমৰ ওপৰত উল্লিখিত সংস্থাকেইটাই কিন্তু নিজৰ কামৰ যোগেদিয়ে নিজৰ পৰিচয় দাঙি ধৰিছে। সম্পূৰ্ণ নিষ্ঠা আৰু পেছাগত কুশলতাৰে পৰিচালিত এইকেইটা সংগঠনৰ কাম-কাজত বিভিন্ন মহলে সন্তুষ্টি প্ৰকাশ কৰিবলৈ বাধ্য হৈছে।



# ভাৰতবৰ্ষৰ বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধি

## এক আলোকপাত

প্ৰাঞ্জল চক্ৰৱৰ্ত্তী
উপ-সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ

১৯৬৭ চন! ভাৰবৰ্ষৰ ৰাজনৈতিক ইতিহাসত তোলপাৰ লগোৱা এটি বিশেষ বছৰ। ভাৰতবৰ্ষৰ ৰাজনৈতিক মহলত সেই সময়ত তোলপাৰ লগাইছিল  বিশেষ এটি বিষয়ে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত বিদেশৰ বৰঙনিৰ ধন ব্যৱহাৰ আৰু প্ৰভাৱ পৰা বুলি কিছু কিছু মহলত তীব্ৰ বাক্-বিতণ্ডা আৰু আলোড়নৰ সৃষ্টি কৰিছিল। আনকি গোটেই বিষয়টোৱে এটা সময়ত সংসদীয় পৰিক্ৰমাতো ব্যাঘাত জন্মাইছিল। সেই সময়তে পৰিস্থিতিৰ গুৰুত্ব বুজি তেতিয়াৰ গৃহমন্ত্ৰী যশোৱন্ট ৰাও চৱনে ভাৰতীয় ৰাজনীতিত যাতে ভৱিষ্যতে কোনো বিদেশী শক্তিৰ হাত থাকিব নোৱাৰে তাৰ বাবে এখন নতুন আইনৰ প্ৰস্তাৱ আগবঢ়াইছিল।

ঠিক তাৰ কেইবছৰমান পিছত ১৯৭৩ চনৰ ডিচেম্বৰ মাহত সেই সময়ৰ গৃহমন্ত্ৰী উমা শংকৰ দীক্ষিতে ৰাজ্যসভাত দাখিল কৰিছিল এখনি বিশেষ বিল আৰু গোটেই বিলখন ভালদৰে চালি-জাৰি চোৱাৰ আগতে আৰু গোটেই ভাৰতত বলৱৎ হোৱা আপাতকালীন অৱস্থাৰ মাজতে দুয়োটা সদনতে বিৰোধী অবিহনে উক্ত বিলখনৰ গ্ৰহণৰ প্ৰক্ৰিয়া আগবাঢ়িছিল।  তাৰ লগে লগে কালক্ৰমত সূচনা হৈছিল এটি নতুন অধ্যায়ৰ। ১৯৭৬ চনত ভাৰতৰ দুয়োটা সদনত গৃহিত হোৱাৰ পাছত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ হোৱাৰ লগে লগে ভাৰতবৰ্ষত বলবৎ হৈছিল এখন নতুন বিধি বা আইন; যাক কোৱা হয় "বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধি-১৯৭৬'। ভাৰতৰ সাৰ্বভৌমত্বত যাতে কোনো বিদেশী শক্তিয়ে ভাবুকি সৃষ্টি নকৰে, ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত যাতে কোনো বিদেশী শক্তিয়ে প্ৰভাৱ পেলাব নোৱাৰে, লগতে ভাৰতৰ জাতীয় বিষয়সমূহত যাতে কোনো বিদেশী কুশক্তিৰ প্ৰভাৱ নাথাকে মূলতঃ সেই উদ্দেশ্যসমূহ আগত ৰাখিয়েই উক্ত আইনখন ভাৰতত বলৱৎ কৰা হৈছিল। যদিও প্ৰথম অৱস্থাত উক্ত আইনখন ৰাজনৈতিক দলসমূহৰ ক্ষেত্ৰত বিশেষ ভাৱে প্ৰযোজ্য হৈছিল, পিছলৈ এই আইনখনে ব্যৱসায়িক লেনদেন থকা বিষয়সমূহক বাদ দি সকলো অনুষ্ঠান-প্ৰতিষ্ঠানতে প্ৰভাৱ পেলাইছিল। আইনখনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়টো লক্ষ্য কৰি ভাৰত চৰকাৰে উক্ত আইনখনৰ বিভিন্ন বিষয়সমূহ চালি-জাৰি চাই সুচাৰুৰূপে চলাই নিবৰ বাবে গৃহ মন্ত্ৰণালয়ক

(Ministry of Home Affairs) দায়িত্ব দি প্ৰয়োজনীয় নীতি প্ৰস্তুতৰ ভাৰ অৰ্পণ কৰিছিল।

গতিকে দেখা যায় যে এসময়ত সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যত জন্ম পোৱা এখন আইনে বিভিন্ন পাকচক্ৰত পিছলৈ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহতো প্ৰভাৱ পেলাইছিল। যিহেতু আমি স্বেচ্ছাসেৱী অনুষ্ঠান আৰু সমাজৰ বিভিন্ন উন্নয়নৰ লগতে মানৱীয় সাঁহাৰিমূলক কাম-কাজৰ লগত জড়িত ব্যক্তি; গতিকে উক্ত লিখনিটো আমাৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ বাবে সময়োপযোগী হ'ব বুলি বিবেচনা কৰিলো।

ভাৰতবৰ্ষৰ বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধিয়ে প্ৰধানতঃ তিনিটা উপায়েৰে বিদেশৰ বৰঙনিৰ ধন আৰু ইয়াৰ ব্যৱহাৰ নিয়ন্ত্ৰণত ৰাখিবলৈ চেষ্টা কৰে...

(ক) উক্ত আইনৰ অধীনত কিছুমান ব্যক্তি বা সংস্থাক বিদেশৰ ধন গ্ৰহণ কৰাত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰে।



(খ) ব্যক্তি বা সংস্থাসমূহক আগতীয়া অনুমোদন বা পঞ্জীয়ণৰ ব্যৱস্থা কৰি উক্ত ব্যক্তি বা সংস্থাৰ ওপৰত অতি চোকা দৃষ্টি ৰাখে।

(গ) যিবিলাক ব্যক্তি বা সংস্থাই তেনেকুৱা বিদেশৰ বৰঙণিৰ ধন গ্ৰহণ কৰিছে সেই ব্যক্তি বা সংস্থাৰ পৰা নিয়মিত তথ্য গ্ৰহণ কৰি উক্ত তথ্য সমূহ অতি সূক্ষ্মভাৱে পৰীক্ষা কৰি পদক্ষেপ গ্ৰহণ কৰে।

যিহেতু, গোটেই আইনখন বিদেশৰ বৰঙনিৰ ওপৰত ভিত্তি কৰি হোৱা এখন আইন, গতিকে বৈদেশিক বৰঙনি বুলিলে উক্ত আইনখনেনো কেনেদৰে ব্যাখ্যা আগবঢ়াইছে তাক অকণমান যুকিয়াই চোৱাতো ভাল হ'ব। আইনখনে বৈদেশিক বৰঙনি সম্পৰ্কে সুন্দৰভাৱে ব্যাখ্যা আগবঢ়াইছে, সেইসমূহ হ'ল—

(ক) যিকোনো দান, বৰঙনি, ধন; যাৰ উৎস ভাৰতৰ বাহিৰৰ বা বেলেগ দেশৰ।

(খ) উক্ত দান, বৰঙনি বা ধন ভাৰতীয় মুদ্ৰাতেই হওক বা বিদেশী মুদ্ৰাতেই হওক যদিহে ইয়াৰ উৎস বিদেশৰ তেতিয়াহ'লে ই বৈদেশিক বৰঙনি হ'ব।

(গ) যিকোনো বিদেশী উৎসৰ বন্ধকী বা জামিনৰ ধন হ'লে ই বৈদেশিক বৰঙনিৰ ভিতৰত পৰিব।

(ঘ) কোনো চৰ্ত বা যুক্তিসাপেক্ষ নোহোৱাকৈ কোনো বিদেশী উৎসৰ সামগ্ৰী দান দিলে ই বৈদেশিক বৰঙণিৰ অন্তৰ্ভুক্ত হ'ব।

(ঙ) যিকোনো বিদেশী উৎসৰ সামগ্ৰী যাৰ বজাৰ মূল্য ২৫,০০০ টকাতকৈ অধিক তেনেকুৱা সামগ্ৰী বৈদেশিক বৰঙনিৰ অন্তৰ্ভুক্ত হ'ব।

(চ) বিদেশৰ ধন বা বৰঙনিৰপৰা পোৱা যিকোনো সুত বৈদেশিক বৰঙণিৰ অন্তৰ্ভুক্ত হ'ব।

(ছ) বিদেশৰ বৰঙনিৰ ধন ব্যৱহাৰ কৰি আহৰণ কৰা সম্পত্তিৰ পৰা কোনো উপাৰ্জন বা আয় হ'লে ইও বৈদেশিক বৰঙনিৰ অন্তৰ্ভুক্ত হ'ব।

(জ) ভাৰতৰ কোম্পানী আইনৰ ২৫ নং অনুচ্ছেদৰ অধীনত গঠন হোৱা কোম্পানীৰ বিদেশী অংশ থাকিলে উক্ত অংশটো বৈদেশিক বৰঙনিৰ অন্তৰ্ভুক্ত হ'ব।

(ঝ) বিদেশী উৎসৰ পৰা পোৱা ঋণ বা কোনো ৰেহাই মূল্যত বিদেশী উৎসৰ পৰা পোৱা ঋণ বৈদেশিক বৰঙনিৰ অন্তৰ্ভুক্ত হ'ব।

ওপৰত উল্লেখ থকা বা আলোচনা কৰা বৈদেশিক বৰঙনিত যি বিদেশী উৎসৰ কথা উপস্থাপন কৰা হৈছে সেই বিদেশী উৎস সম্পৰ্কেও উক্ত আইনখনে সুন্দৰভাৱে ব্যাখ্যা আগবঢ়াইছে। গতিকে উক্ত বিদেশী উৎসৰ ব্যাখ্যা সম্পৰ্কেও অলপ যুকিয়াই লোৱাটো ভাল হ'ব।

(ক) যিকোনো বিদেশী চৰকাৰ বা ইয়াৰ দ্বাৰা গঠিত যিকোনো সংস্থা উক্ত উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(খ) ৰাষ্ট্ৰসংঘ বা ইয়াৰ কিছুমান বিশেষ সংস্থাক বাদ দি যিকোনো আন্তঃৰাষ্ট্ৰীয় সংস্থা উক্ত উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(গ) যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠান যাৰ জন্ম বা যাক প্ৰতিষ্ঠা কৰা হৈছে ভাৰতৰ বাহিৰত বা বিদেশত তেনেকুৱা অনুষ্ঠান-প্ৰতিষ্ঠানো উক্ত বিদেশী উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(ঘ) ভাৰতৰ বাহিৰৰ বা বিদেশৰ যিকোনো কোম্পানী উক্ত উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(ঙ) বহুজাতিক কোম্পানীসমূহো বিদেশী উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(চ) ভাৰতৰ বাহিৰৰ বা বিদেশৰ নাগৰিকো বিদেশী উৎসৰ ভিতৰত থাকিব।

(ছ) ভাৰতৰ বাহিৰৰ বা বিদেশৰ যিকোনো বাণিজ্যিক সংগঠনো বিদেশী উৎসৰ অন্তৰ্ভুক্ত হ'ব।

**তেতিয়াহ'লে আমাৰ দৰে স্বেচ্ছাসেৱী সংগঠনসমূহে**

**তাক যুকিয়াই চাই সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'ল।**

(জ) যিকোনো স্বেচ্ছাসেৱী সংস্থা, সংঘ ইত্যাদি; যাক বিদেশত গঠন আৰু পঞ্জীয়ন কৰা হৈছে তেনেকুৱা সংগঠনসমূহো বিদেশী উৎসৰ অন্তৰ্ভুক্ত হ'ব।

(ঝ) যিকোনো ভাৰতীয় কোম্পানী যাৰ ৫০ শতাংশতকৈ অধীক মূলধনৰ অংশ বিদেশী নাগৰিক বা বিদেশী শক্তিৰ হাতত থাকিব; তেনেকুৱা ভাৰতীয় কোম্পানিসমূহো বিদেশী উৎসৰ অন্তৰ্ভুক্ত হ'ব।

ওপৰত উল্লেখ কৰা বিদেশী বৰঙনি আৰু বিদেশী উৎসসমূহৰ বিষয়ে আইনখনত বিৱৰণ সুন্দৰভাৱে দাঙি ধৰাৰ উপৰিও অন্যান্য বহু বিষয়ত স্পষ্ট ব্যাখ্যা আগবঢ়াইছে। আইনখনত উল্লেখ থকা ধৰণে যিবোৰ ব্যক্তি বা সংস্থাক এই আইনখনে বিদেশৰ বৰঙনি বা ধন লোৱাত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰিছে; তাৰ বিষয়ে উল্লেখ নকৰিলে লিখনিটো আধৰুৱা হ'ব। তলত তেনেকুৱা ব্যক্তি বা সংস্থাৰ বিষয়ে উল্লেখ কৰা হ'ল—

(ক) ভাৰতৰ যিকোনো নিৰ্বাচন (পঞ্চায়তৰ পৰা সাংসদীয় নিৰ্বাচন)ত প্ৰতিদ্বন্দ্বিতা কৰা ব্যক্তিয়ে বিদেশী বৰঙনিৰ ধন গ্ৰহণ কৰিব নোৱাৰিব।

(খ) যিকোনো পঞ্জীয়নকৃত বাতৰি কাকতৰ স্থানীয় সংবাদদাতা, লিখক, স্তম্ভলিখক, কাৰ্টুনিষ্ট, বাতৰি কাকতৰ সম্পাদক, মালিক, মুদ্ৰক বা প্ৰকাশককো উক্ত বিদেশী ধন গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে।

(গ) যিকোনো পৰ্যায়ৰ আদালতৰ বিচাৰপতি, চৰকাৰী চাকৰিয়াল, যিকোনো চৰকাৰৰ দ্বাৰা পৰিচালিত সংস্থা বা অনুষ্ঠানৰ কৰ্মী উক্ত আইনৰ আওতাত থাকিব।

(ঘ) পঞ্চায়তৰ পৰা সংসদীয় পৰ্যায়ত জড়িত থকা সদস্য বা প্ৰতিনিধিও বৈদেশীক বৰঙণিৰ ধন গ্ৰহণ কৰিব নোৱাৰিব।

(ঙ) যিকোনো ৰাজনৈতিক দল মুখ্য কাৰ্যকৰ্তা আৰু পদবীত থকা ব্যক্তিসকল ইয়াৰ আওতাত থাকিব।

(চ) চৰকাৰীভাৱে স্বীকৃত দল বা সংগঠন; যাৰ কাম-কাজৰ ধৰণ ৰাজনৈতিক দলসমূহৰ ধৰণৰ তেনেকুৱা সংগঠনসমূহেও বৈদেশিক বৰঙনিৰ ধন গ্ৰহণ কৰিব নোৱাৰিব।

(ছ) যিকোনো অনুষ্ঠান বা কোম্পানী; যিয়ে সময়সাপেক্ষ বিভিন্ন ঘটনা, কাৰ্যসূচীৰ ওপৰত বিভিন্ন ধৰণৰ শ্ৰব্য বা দৃশ্য শ্ৰাব্য বাতৰি প্ৰস্তুত বা প্ৰকাশৰ লগত জড়িত তেনেকুৱা অনুষ্ঠান বা কোম্পানীসমূহেও বিদেশৰ বৰঙনিৰ ধন গ্ৰহণ কৰাত উক্ত আইনখনে বাধা আৰোপ কৰিছে।

গতিকে ওপৰত উল্লেখ কৰা প্ৰতিটো বিষয় ভালদৰে লক্ষ্য কৰিলে বুজা যায় যে স্বেচ্ছাসেৱী সংস্থাসমূহে উক্ত আইনখন আৰু ইয়াৰ লগত জড়িত নীতি-নিৰ্দেশনা ভালদৰে ফহিয়াই চাই তাৰ বিধানসমূহ সুচাৰুৰূপে পালন কৰাৰ গুৰুত্ব আছে। বিভিন্ন সময়ত উক্ত আইনখনৰ বিভিন্ন বিষয়সমূহৰ অজ্ঞতাৰ বাবে বা জানিও ভুল কৰাৰ বাবে বহু স্বেচ্ছাসেৱী সংগঠনে তাৰ ফল ভোগ কৰিব লগা হৈছে। হয়তো কেতিয়াবা বহুত পৰিমাণৰ জৰিমনাৰ সন্মুখীন হৈছে নাইবা ইয়াৰ অধীনত থকা পঞ্জীয়ন বাতিল হৈছে, হয়তো বহুত স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিষয়ববীয়াক কাৰাদণ্ডও বিহা হৈছে।

১৯৭৬ চনৰ পৰা ২০১৫ ইং চনলৈ এই দীঘলিয়া যাত্ৰাত উক্ত আইনখনৰ বহুতো সালসলনি হয়। ২০১০ চনত পূৰ্বৰ "বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধি-১৯৭৬" বাতিল কৰি "বৈদেশিক বৰঙনি নিয়ন্ত্ৰণ বিধি-২০১০' কৰা হৈছে। ইয়াৰ লগে লগে উক্ত আইনৰ বাবে প্ৰয়োজনীয় নীতি নিৰ্দ্ধাৰণ কৰি ১ মে', ২০১১ চনৰ পৰা ইয়াক কাৰ্যকৰী কৰা হৈছে। বৰ্তমান ভাৰতৰ গৃহমন্ত্ৰণালয়ে উক্ত ব্যৱস্থাটো অনলাইন (Online) মাধ্যমলৈ পৰিবৰ্তন কৰি ইয়াত অধিক স্বচ্ছ, নিকা আৰু সহজ কৰি তুলিছে। ইয়াৰ লগে লগে গৃহমন্ত্ৰণালয়ে বিভিন্ন সময়ত উক্ত আইনৰ অধীনত সংস্থাসমূহলৈ সতৰ্কতামূলক জাননী প্ৰেৰণ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ উদাহৰণ হিচাপে - ২০১৫ চনৰ ৬ এপ্ৰিল তাৰিখে এক নিৰ্দেশযোগে একেলগে ৮,৯৭৫টা অনুষ্ঠানৰ পঞ্জীয়ন বাতিল কৰাটো উল্লেখনীয়। ইয়াৰ আগতে গৃহমন্ত্ৰণালয়ে আন এক নিৰ্দেশযোগে মুঠ ৪,১৩৮টা অনুষ্ঠানৰ পঞ্জীয়ন বাতিল কৰিছিল। আজিৰ পৰা কিছুদিন আগতে, যোৱা ২ ছেপ্তেম্বৰ, ২০১৫ ইং তাৰিখে এক নিৰ্দেশযোগে ভাৰতৰ আগশাৰীৰ



স্বেচ্ছাসেৱী অনুষ্ঠান "গ্ৰীণপিচ ইণ্ডিয়া ছ'চাইটি" (Greenpeace India Society)ৰ পঞ্জীয়ন বাতিল কৰাৰ খবৰ হয়তো আমি সকলো সংবাদ মাধ্যমতে পাইছো।

বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানৰ পঞ্জীয়ন বাতিল কৰাক লৈ বাক-বিতণ্ডা, মতভেদ দেখা যায়। কিন্তু এই লিখনিৰ উদ্দেশ্য তাৰ সপক্ষে বা বিপক্ষে মাত মাতি আন এক বিতৰ্কৰ সৃষ্টি কৰাটো নহয়। বৰঞ্চ উক্ত আইনৰ বিভিন্ন বিষয় সমূহ ফহিয়াই চোৱাহে। কিন্তু এটা কথা শেষত উল্লেখ কৰিব লাগিব যে কোনোবা বিদেশী শক্তিয়ে যদি ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব খুজিছে, ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াত বিদেশৰ ধন ব্যৱহাৰ কৰি বিদেশী শক্তিৰ প্ৰভাৱ বিস্তাৰ কৰিব বিচাৰিছে লগতে ভাৰতৰ জাতীয় বিষয়সমূহত বিদেশী কুশক্তিৰ প্ৰভাৱ আনিব বিচাৰিছে; তেতিয়াহ'লে আমাৰ দৰে স্বেচ্ছাসেৱী সংগঠনসমূহে তাক যুকিয়াই চাই সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'ল। নহ'লে হয়তো এটা সময়ত সমগ্ৰ ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াটো আন দেশৰ হাতৰ মুঠিত থাকিব। ভাৰতবৰ্ষৰ সংসদ ভৱনলৈ কোন যাব, ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী কোন হ'ব সেয়া নিৰ্দ্ধাৰণ কৰিব কোনোবা বেলেগ দেশৰ চৰকাৰ নাইবা সেই দেশৰ চৰকাৰৰ দ্বাৰা গঠিত কোনো সংস্থা বা কোনো বহুজাতিক কোম্পানীয়ে।




# অবিভক্ত উত্তৰ কামৰূপৰ কৃষিভূমি

✍ হৰেশ্বৰ বৰ্মন

এই কথা সৰ্বজনবিদিত যে ভাৰত চৰকাৰৰ ৰাজহ ভড়াললৈ অহা সমুদায় ধনৰ পঞ্চাশ শতাংশ আহে কৃষি খণ্ডৰ পৰা আৰু কৃষি খণ্ডতেই সংস্থাপন লাভ কৰি আছে দেশৰ পঞ্চাশ শতাংশ মানুহ। অকল সেয়াই নহয় ভাৰতীয় সভ্যতা কৃষি সভ্যতা হিচাপেই জনজাত। পিছে ৰাষ্ট্ৰীয় অৰ্থনৈতিক মেৰুদণ্ড হিচাপে চিহ্নিত এই খণ্ডটিয়ে হ'ল সবাটৌকৈ অৱহেলিত। এই কথা পৰিষ্কাৰ হ'ব যদিহে আমি চৰকাৰে প্ৰতি বছৰে প্ৰস্তুত কৰা বাজেটৰ কৃষি খণ্ডলৈ অনুমোদিত ধনৰ সাধাৰণ চিত্ৰ খন প্ৰত্যক্ষ কৰো। ২০০৯ আৰু ২০১০ ইং বৰ্ষত কৃষি শিতানত কেন্দ্ৰীয় বাজেটৰ অংশ হিচাপে ৩৮.৩ বিলিয়ন। পিছে ২০১০-১৫ বৰ্ষৰ উক্ত শিতানত অনুমোদিত ধন হ'ল ২০.৫২ বিলিয়ন। অথচ আমি সকলোৱে জানো উল্লেখিত সময়ছোৱাত কৃষিখণ্ডলৈ বিনিয়োগৰ চাহিদা সাংঘাতিকভাৱে বৃদ্ধি পাইছে। এই বিষয়ত অসমৰ চিত্ৰখন আৰু বেছি শোচনীয়। আনকথা বাদেই ৰাজ্যখনত কমেও ৩০ শতাংশ কৃষিজীৱি মানুহৰ হাতত জনমূৰি ৫ বিঘা কৃষিভূমিও নাই। ৰাজ্যখনৰ আধাতকৈ বেছিসংখ্যক খেতিয়কে কৃষিকাৰ্য চলাই থকা চৰ-চাপৰি আৰু নৈ পৰীয়া কৃষিভূমি গড়াখহনীয়াৰ আক্ৰান্ত। বাকীখিনিৰ প্ৰায় ৮০ শতাংশ ভাগে বানপানী আৰু কৃত্ৰিম বানপানীৰ গ্ৰাসত। উল্লেখযোগ্য যে ৰাজ্যখনত কৃষিত আধুনিক কৃষি প্ৰযুক্তিৰ প্ৰৱেশে নাই বুলি কলেও বঢ়াই কোৱা নহয়। মুঠ কৃষি ভূমিৰ এক শতাংশও স্থায়ী জলসিঞ্চন ব্যৱস্থাই ঢুকি পোৱা নাই ইত্যাদি ইত্যাদি কাৰণত ৰাজ্যখনৰ কৃষিখণ্ডৰ উৎপাদনৰ হাৰ বাঢ়ক চাৰি কমিছেহে। বিশেষকৈ খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰ ত। এই ক্ষেত্ৰত এটি পৰিসংখ্যালৈ মন কৰিলে বিষয়তো বুজিবলৈ সহজ হয়। সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতি হেক্টাৰ মাটিত গড় হিচাপেত খাদ্য শস্য উৎপাদনৰ হাৰ হ'ল ১৮৬০ কে.জি. আনহাতে, অসমত এই পৰিমান হ'ল ১৩৭৮ কে.জি.। অথচ পশ্চিমবংগত এই

> জাতীয় স্বাৰ্থ পৰিপন্থী এনে ধৰনৰ কৃষি ভূমি হস্তান্তৰ প্ৰক্ৰিয়া যদি চলি থাকে তেতিয়া হ'লে কম দিনৰ ভিতৰতে সংশ্লিষ্ট অঞ্চলটিৰ অসমীয়া কৃষক সমাজখন কৱ নোৱাৰাকৈ কোম্পানীক মজুৰ দান বা ক'ৰ্প'ৰেট ৰাজৰ নিকিনা গোলামলৈ অৱনমিত হ'ব।

পৰিমাণ ২৫২৫ কে.জি.। আটাইতকৈ হ'ল কৃষি কৰ্মত নাখায় নবৈ হ'লেও জাতিটোৰ ভেটি সুৰক্ষাৰ বাবে কঠিন যুঁজত দিন কটোৱা খেতিয়ক সকলৰ দুৰৱস্থাৰ ভয়াবহ চিত্ৰখন সঁচাকৈয়ে চিন্তনীয়। প্ৰকৃত খেতিয়কৰ মাটিখিনিও নিজৰ পট্টাহীন বা মালিকাধীন নহয়। কমেও



৬০ শতাংশ কৃষিজীৱি পৰিয়ালৰ ঘৰৰ ভেটিটেও নাই। আনৰ ভূমিত আধিয়াৰ বা আন প্ৰকাৰৰ ৰায়ত দখলকাৰী হিচাপেহে কৃষি কাৰ্যত নিয়োজিত হৈ প্ৰজন্মৰ পিছত প্ৰজন্ম কটাব লগা হৈছে দৰিদ্ৰ আৰু ক্লান্তিয় খেতিয়ক সকলে। খ্যাত মজদুৰসকলে কৃষি ক্ষেত্ৰত কাম নাপায় চহৰ-নগৰ আনকি অন্যান্য প্ৰদেশলৈ পলাব লগা হৈছে জীৱিকাৰ সন্ধানত। উপনীনিৱেশ যুগতে চাহবাগানৰ মালিককে ধৰি বিদেশী বনিক আৰু মাৰোৱাৰী সূতখোৰ মহাজনৰ স্বাৰ্থত প্ৰণয়ন কৰা ১৮৪৬ চনৰ অসম ভূমি আৰু "ৰাজস্ব" আনিখনে কৃষকক নিজভূমি স্বত্ব সুৰক্ষা কৰা কৃষিভূমিৰ অনা কৃষিখণ্ডলৈ হস্তান্তৰিত কৰণৰ জাতিদ্ৰোহী প্ৰক্ৰিয়াত বাধা দিবলৈ সক্ষম। যাৰ কাৰণে দ্ৰুত গতিত হ'বলৈ লৈছে কৃষিভূমি সংকোচন আৰু এনে সংকোচনৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত হ'বলৈ লৈছিল ঐতিহাসিক উত্তৰ কামৰূপৰ সুজলা-সুফলা কৃষি পথাৰ। যোৱা ১০টা বছৰত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আমিন গাঁৱৰপৰা নলবাৰীলৈকে থকা ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োপাৰে হেজাৰ হেজাৰ বিঘা কৃষিভূমি বৰ্হিৰাগত বণিয়াৰ হাতলৈ হস্তান্তৰিত হ'ল "আইনী-বেআইনী দুয়োবিধ উপায়েৰে।"

যোৱা বছৰৰ অসম বিধান সভাৰ মজিয়াত বিভাগীয় মন্ত্ৰীয়ে দাখিল কৰা প্ৰতেবেদনৰ এটা বছৰৰ তথ্যতে ওলাল পোন্ধৰশ বিঘা কৃষি ভূমি বহুজাতিক কোম্পানীক আৰু সিহঁতৰ সহযোগি পিথানী, লোহিয়া আদি দালালী আৰু জালিয়তিৰে প্ৰচুৰ ধনৰ মালিক সকলৰ হাতলৈ। এই সকলৰ ভূমি লুট অভিযানত সহযোগ কৰিছে স্থানীয় এদল ভূ-মাফিয়াই। ইহঁতে এই সমগ্ৰ অঞ্চলৰ সমস্যা জৰ্জাৰিত খেতিয়কসকলৰে জাতিৰ বৰ্দ্ধিত মূলৰ টোপ দি বহিঃৰাগিত বণিয়া আৰু কোম্পানীৰ হাতলৈ মাটি বিক্ৰী কৰি প্ৰচুৰ নগদ টকাৰ লোভত প্ৰলোভিত কৰি আটাইতকৈ পলসুৱা আপেক্ষিকভাৱে কমকৈ প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত কৃষিভূমি সমূহ কোম্পানীৰ হাতলৈ বিক্ৰী কৰাৰ বাবে প্ৰৰোচিত কৰিছে। জাতীয় স্বাৰ্থ পৰিপন্থী এনে ধৰনৰ কৃষি ভূমি হস্তান্তৰ প্ৰক্ৰিয়া যদি চলি থাকে তেতিয়া হ'লে কম দিনৰ ভিতৰতে সংশ্লিষ্ট অঞ্চলটিৰ অসমীয়া কৃষক সমাজখন কব নোৱাৰাকৈ কোম্পানীক মজুৰ দান বা ক'ৰ্প'ৰেট ৰাজৰ নিকিনা গোলামলৈ অৱনমিত হ'ব। গতিকে যদিও এই অঞ্চলৰ কৃষি খণ্ডই হেজাৰ সমস্যাত ককবকাইছে এইবোৰৰ ভিতৰত কৃষিভূমিয়ে অনা কৃষি খণ্ডলৈ হস্তান্তৰৰ বাবে অনিবাৰ্য্য জাতীয় বিপৰ্য্যয়ক বাধা দিয়াটোৱেই হ'ল এই মুহূৰ্তৰ সবাতোকৈ জৰুৰী দায়িত্ব।





# উন্নয়নৰ যাত্ৰাত গ্ৰাম্য বিকাশ মঞ্চ

✍ দিবাকৰ ডেকা
সম্পাদক, গ্ৰাম্য বিকাশ মঞ্চ

গ্ৰাম্য বিকাশ মঞ্চই ইতিমধ্যে যোল্ল বছৰ সফলতাৰে অতিক্ৰম কৰিলে। নলবাৰী জিলাকে ধৰি অসমৰ ভিন্ন প্ৰান্তত সমাজৰ অৱহেলিত আৰু নিপীড়িত নাগৰিকসকলক তেওঁলোকৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত গ্ৰাম্য বিকাশ মঞ্চই প্ৰতিষ্ঠা কালৰে পৰাই কেতবোৰ অভিলাসী পদক্ষেপ লৈ আহিছে। গ্ৰাম্য বিকাশ মঞ্চই বিশ্বাস কৰে যে, অৱহেলিত আৰু নিপীড়িতসকলক সংগঠিত কৰি তেওঁলোকক নিজৰ ভৱিষ্যৎ গঢ়াৰ বাবে সক্ষম কৰিব পাৰিলেহে সঁচা অৰ্থত তেওঁলোকৰ বাবে কাম কৰা হয়। এনে প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান আৰু চৰকাৰী, বে-চৰকাৰী অনুষ্ঠানৰ পৃষ্ঠপোষকতাত গ্ৰাম্য বিকাশ মঞ্চই বিগত সময়ছোৱাত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ জৰিয়তে কৃষি আৰু শ্ৰমজীৱী লোকক সংগঠিত কৰি তেওঁলোকক জীৱিকা নিৰ্বাহৰ সুষম বিকল্পসমূহৰ বিষয়ে অৱগত কৰি তেওঁলোকক আৰ্থসামাজিক বিকাশ সাধন কৰি আহিছে। ইয়াৰ উপৰিও মহিলা আৰু শিশুসকলৰ প্ৰতিও প্ৰাধান্যতাৰে তেওঁলোকৰ সামাজিক তথা অৰ্থনৈতিক সবলীকৰণৰ প্ৰচেষ্টা চলোৱা হয়। য'ত তেওঁলোকৰ অধিকাৰ সুনিশ্চিত কৰি এখন শোষণমুক্ত, সমৃদ্ধিশালী, সমতাপূৰ্ণ সমাজ গঢ়াৰ লক্ষ্য আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চই সেৱা আগবঢ়াই আহিছে। আনহাতে দুৰ্গতসকলক মানৱীয় দৃষ্টিভংগীৰে সহায়ৰ হাত আগবঢ়োৱাৰ লগতে দুৰ্যোগৰ সময়ত মোকাবিলা কৰাৰ ক্ষেত্ৰতো বিভিন্ন কৌশল আৰু প্ৰচেষ্টা হাতত লোৱা হৈছে। সম্প্ৰতি গ্ৰাম্য বিকাশ মঞ্চই ২০১৫ ইং বৰ্ষত ৰূপায়ণ কৰি থকা বিভিন্ন কাৰ্য্যসূচী তথা প্ৰকল্পসমূহৰ বিষয়ে



এই লিখনিৰ জৰিয়তে আলোকপাত কৰা হ'ল।



**প্ৰকল্প ঃ ১) মহিলাকৃষক সবলীকৰণ পৰিযোজনা ঃ** কৃষিকাৰ্যত মহিলা সবলীকৰণ আৰু ইয়াত পদ্ধতিগত বিনিয়োগৰ জৰিয়তে তেওঁলোকক কৃষি কাৰ্যত অধিক জড়িত কৰি উৎপাদন মূলক কাম-কাজ বৃদ্ধি কৰাৰ লক্ষ্যৰে অসমৰ সাতখন জিলাৰ মুঠ ১৪,০০০ মহিলা কৃষকক সামৰি ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰাণালয় আৰু ছাৰ ডৰাব্‌জী টাটা ট্ৰাষ্টৰ অৰ্থসাহাৰ্য্যত গ্ৰাম্য বিকাশ মঞ্চই মহিলা কৃষক সবলীকৰণ পৰিযোজনা নামৰ এটি প্ৰকল্প যোৱা ১ মাৰ্চ, ২০১৪ ইং চনৰ পৰা ৰূপায়ণ কৰি থকা হৈছে। "পূৰ্বোত্তৰ বিকাশৰ এক যৌথ মঞ্চ" চমুকৈ এন.ডি.চি.ৰ জৰিয়তে অসম ৰাজ্যিক জীৱিকা অভিযানৰ সহযোগত নলবাৰী আৰু বাক্সা জিলাৰ ক্ৰমে- পুব-নলবাৰী, বড়িগোগ, বনভাগ, তামুলপুৰ আৰু বাক্সা উন্নয়নখণ্ডৰ ১০খনকৈ মুঠ ৪০খন গাঁৱক সামৰি এই প্ৰকল্প ৰূপায়ন কৰি থকা হৈছে। চলিত বৰ্ষৰ কৃষি কৰ্মৰাজিৰ বিৱৰণ এনে ধৰণৰ—

(ক) প্ৰকল্পৰ আৰম্ভণিতে মহিলা কৃষকসকলক নিৰ্বাচিত কৰি ইয়াৰ অধীনৰ দুয়োখন জিলা ক্ৰমে নলবাৰী আৰু বাক্সাৰ চাৰিটা উন্নয়ন খণ্ডৰ ৫-৬খন গাঁৱৰ মহিলা কৃষকসকলৰ মাজত "শ্ৰী" পদ্ধতিৰে শালিধান খেতিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল কৃষক সকলৰ মাজত ধানৰ "শ্ৰী" পদ্ধতিটো জনপ্ৰিয় কৰা। প্ৰশিক্ষণটোত "শ্ৰী" পদ্ধতিৰ উৎপাদনশীলতা আৰু বৰ্তমান সময়ত ইয়াৰ উপযোগিতাৰ বিষয়ে বিষদভাৱে আলোচনা কৰা হয়। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীৰ ফলস্বৰূপে দুয়োখন জিলাৰ ৪৬০২জনী মহিলা কৃষকে মুঠ ৩২৮বিঘা মাটিত "শ্ৰী" পদ্ধতিৰ ধান খেতিত আত্মনিয়োজন কৰে।

(খ) প্ৰকল্পৰ অধীনৰ গাঁওসমূহত মহিলা কৃষকসকলে "ভিন্ন শস্যৰ প্ৰদৰ্শনীমূলক খেতি, মীনপালন, গাহৰি পালন, জৈৱ সাৰ প্ৰস্তুতকৰণ" আদিত নিয়োজিত হয়। কাৰ্যসূচীটো ৰূপায়ণৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই প্ৰতিটো গ্ৰাম্য সংগঠনক ৮,০০০.০০ টকাকৈ অনুদান দিয়ে। ভিন্ন শস্যৰ প্ৰদৰ্শনীমূলক খেতিত মহিলাসকলে প্ৰধানতঃ দ্বিতীয় শস্য অৰ্থাৎ ধান চপোৱাৰ পাছত মাটি ডৰাত কৰিব পৰা শস্য যেনে সৰিয়হ, ধনিয়া, আলু ইত্যাদিৰ খেতি কৰি লাভান্বিত হয়। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল একেডৰা মাটিতে ভিন্ন শস্যৰ খেতি কৰি কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ হাৰ বঢ়োৱা।

প্ৰকল্পটোৰ প্ৰথম বৰ্ষৰ উক্ত দুয়োটা কাৰ্যসূচীৰ ফলস্বৰূপে মহিলাসকলৰ কৃষিকৰ্মৰ প্ৰতি আগ্ৰহ জন্মে আৰু ভৱিষ্যতেও এনেধৰণৰ কৃষিকৰ্মৰ জৰিয়তে সমাজ সবলীকৰণৰ বাবে সংগবদ্ধ হয়।

**প্ৰকল্প ঃ ২) বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্পঃ**

জামছেটজী টাটা ট্ৰাষ্ট, মুম্বাইৰ অৰ্থসাহায্যত নলবাৰী, কামৰূপ(গ্ৰাম্য) আৰু বাক্সা জিলাক সামৰি ২০১২ ইং চনৰ এপ্ৰিল মাহৰ পৰা ২০১৫ চনৰ মে' মাহলৈ উক্ত প্ৰকল্পটো ৰূপায়ণ হৈ আছে। তিনিখন জিলাৰ মুঠ আঠটা ক্ষেত্ৰ ক সামৰি কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকৰ আৰ্থসামাজিক বিকাশৰ ক্ষেত্ৰ ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হয়। এই প্ৰকল্পৰ অধীনত প্ৰাকৃতিক জান, জলাশয়সমূহ মুকলি কৰণ, কৃষিবান্ধ তথা কৃষকসকলক বিভিন্ন প্ৰশিক্ষণৰ জৰিয়তে কৃষি খণ্ডক অধিক উৎপাদন ক্ষম কৰি তোলা তথা সক্ষমতা বৃদ্ধি বিষয়ক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত প্ৰকল্পটোৰ জৰিয়তে জিলা তিনিখনৰ প্ৰায় ৬০,০০০ কৃষকক সামৰি এক সুষম কৃষিকাৰ্যত নিয়োজিত কৰাৰ লগতে কৃষকৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ দিশে বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত প্ৰকল্পৰ জৰিয়তে যোৱা তিনিটা বৰ্ষত মুঠ ১৯২ কি.মি. জান খনন আৰু মুকলিকৰণ কাৰ্য সম্পন্ন কৰাৰ লগতে ১৯টা পকীবান্ধ নিৰ্মাণ কৰা হয়, যাৰ ফলত বহু খেতিয়কে পতিত ভূমিত খেতি কৰাৰ লগতে খেতি পথাৰলৈ পানী যোগানৰ সুব্যৱস্থা লাভ কৰে। উল্লেখ্য যে বাক্সা জিলাৰ ভোগপাৰা, সুবনশ্ৰী, দক্ষিণ ভূটান, গুৱাবাৰী, নলবাৰী জিলাৰ চত্মা, জাহা, ক্ষুদ্ৰকুলহাটী, কামৰূপ জিলাৰ সৌৰামুৰি, পূৰ্ণখুণ্ডুম আদি গাঁৱত ভিন্ন শস্যৰ প্ৰদৰ্শনীমূলক কৃষিকাৰ্যই জিলাকেইখনৰ অন্যান্য খেতিয়কসকলকো উৎসাহিত কৰিছে। ইয়াৰ উপৰি জিলাকেইখনত জিলা প্ৰাধিকাৰী তথা উন্নয়ন কৰ্তৃপক্ষৰ লগত মুখামুখি অনুষ্ঠান, যোগসূত্ৰ স্থাপনৰ লগতে কৃষি সম্বন্ধীয় বিভিন্ন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। কৃষকৰ সামৰ্থ বৰ্ধন তথা বিশেষ পাৰদৰ্শিতাসম্পন্ন কৃষক গঢ় দিয়াৰ ক্ষেত্ৰতো কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি বিশ্ববিদ্যালয়ৰ জৰিয়তে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়।

উল্লেখ্য যে ২০১৫ বৰ্ষতো গ্ৰাম্য বিকাশ মঞ্চই টাটা ট্ৰাষ্টৰ সহযোগত আগন্তুক তিনিটা বৰ্ষৰ বাবে উক্ত প্ৰকল্পৰ কাম-কাজ সম্প্ৰসাৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**প্ৰকল্প ঃ ৩) জীৱিকাৰ বাবে এক সুষম বিকল্প** - SOUL ঃ Sustainable Option for Upliftment Livelihood : বিগত



সময়ছোৱাত ৰাজ্যখনৰ কৃষিখণ্ডৰ সুষম বিকাশ, মহিলা সবলীকৰণ, কৃষি উৎপাদনৰ বজাৰ সৃষ্টি আৰু সামগ্ৰিকভাৱে কৃষকৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে কেতবোৰ সময়সাপেক্ষ ব্যৱহাৰিক পদক্ষেপ গ্ৰহণ কৰি আহিছে। আমাৰ অনুষ্ঠানটোৱে এনে পদক্ষেপৰ অংশ হিচাপে বাক্সা জিলাৰ লগতে অসমৰ অন্যান্য জিলাসমূহক সামৰি কৃষক সংঘ আৰু কৃষিখণ্ডৰ লগত নিবিড়ভাৱে জড়িত আত্মসহায়ক গোটসমূহৰ সামূহিক কল্যাণৰ বিষয় আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চই IGSSS নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ সহযোগত চলিত বৰ্ষৰ ১ জুলাইৰ পৰা ৩১মাৰ্চলৈ Sustainable Option for Upliftment Livelihood (জীৱিকাৰ বাবে এক সুষম বিকল্প) চমুকৈ SOUL নামৰ এটি প্ৰকল্প বাক্সা জিলাৰ অন্তৰ্গত তামুলপুৰ উন্নয়নখণ্ডৰ গাঁওসমূহত সামৰি ৰূপায়ণ কৰা হয়। এই প্ৰকল্পটোৰ জৰিয়তে মহিলাসকলৰ সবলীকৰণ, উন্নয়ন প্ৰকল্পত মহিলাৰ জড়িতকৰণ তথা চৰকাৰী আঁচনিৰ সা-সুবিধাসমূহ সুনিশ্চিতকৰণৰ উদ্দেশ্যে উক্ত উন্নয়নখণ্ডটোৰ অন্তৰ্গত প্ৰায় ৫০টি আত্মসহায়ক গোটৰ সন্মিলিত মঞ্চ "মৰ্যাদা মহিলা সন্মিলন"ৰ সহযোগত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ উপৰিও অসমৰ ১৮খন জিলাক লৈ গঠিত "সদৌ অসম কৃষক সংঘ"ৰ সহযোগত জিলাসমূহৰ কৃষক সংঘ তথা দুখীয়া কৃষকসকলক কৃষিৰ জৰিয়তে সবলীকৰণ, কৃষকৰ প্ৰাপ্য আৰু অধিকাৰ সুনিশ্চিতকৰণ, উন্নয়ন প্ৰাধিকাৰীৰ লগত মুখামুখি তথা কৃষকৰ স্বাৰ্থত কৃষি নীতি ৰূপায়ন বিষয়ক লৈ বিভিন্ন ধৰণৰ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। ইয়াৰ উপৰিও উক্ত প্ৰকল্পৰ অধীনত যোৱা ১৬, ১৭ আৰু ১৮ ফেব্ৰুৱাৰী,২০১৫ ইং তাৰিখে তামুলপুৰ ঘগ্ৰা চ'কত এক তিনিদিনীয়া বৃহৎ কৃষক আৰু আত্মসহায়ক গোটৰ মেলা অনুষ্ঠিত হয়। উক্ত মেলাত অসমৰ কেবাখনো জিলাৰ কৃষক প্ৰতিনিধি আৰু বাক্সা জিলাৰ মহিলা আত্মসহায়ক গোটৰ উপস্থিতিত বাক্সা জিলাৰ উপায়ুক্ত বিনোদ শেষাণ ডাঙৰীয়াই মেলাৰ শুভ উদ্বোধন কৰাৰ লগতে বাক্সা জিলাৰ কৃষকৰ সমস্যা সন্দৰ্ভত এক মুখামুখি অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে উক্ত তিনিওটা দিনত উন্নয়ন প্ৰাধিকাৰী আৰু কৃষকসকলৰ মাজত কৃষকৰ সমস্যা আৰু সমাধানৰ ক্ষেত্ৰত মত বিনিয়মৰ অনুষ্ঠানো অনুষ্ঠিত হয়। মেলাত জিলাখনৰ ভিন্ন প্ৰান্তৰপৰা অহা গোটসমূহে থলুৱা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ আয়োজন কৰে। উক্ত প্ৰকল্পটোৰ জৰিয়তে ইতিমধ্যে সদৌ অসম কৃষক সংঘ আৰু মৰ্যাদা মহিলা সন্মিলনে কেতবোৰ উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰি কৃষক, কৃষিখণ্ড আৰু আত্ম সহায়ক গোটসমূহে সন্মুখীন হোৱা সমস্যা তথা প্ৰত্যাহ্বান আৰু সম্ভাৱনা বিষয়ত আগভাগ লোৱা দেখা গৈছে।

**প্ৰকল্প ঃ ৪) শ্ৰী (SRI) পদ্ধতিৰে ধান খেতি (ধানৰ সবলীকৰণ পদ্ধতি) ঃ**

নলবাৰী, কামৰূপ (গ্ৰাম্য) আৰু বাক্সা জিলাৰ ১০টা উন্নয়ন খণ্ডৰ প্ৰায় ১০০খন গাঁৱত টাটা ট্ৰাষ্টৰ সহযোগত শ্ৰী পদ্ধতিৰে (ধানৰ সবলীকৰণ পদ্ধতি) ধানৰ উৎপাদন বৃদ্ধি আৰু ইয়াৰ জৰিয়তে কৃষকৰ অৰ্থনৈতিক সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা তিনি বছৰৰ ভিতৰত প্ৰায় ৬০০০ হাজাৰ পৰিয়ালৰ কৃষিৰ উৎপাদন ৬০ শতাংশ বৃদ্ধি কৰা লগতে সেই পৰিয়ালকেইটাৰ বাৰ্ষিক আয় ৪০ শতাংশ বৃদ্ধি কৰা, ধান খেতিত হোৱা উৎপাদন ব্যয় ৪০ শতাংশ হ্ৰাস কৰা আৰু উক্ত খেতিয়কসকলৰ পৰিয়ালৰ খাদ্য সুনিশ্চিত তথা সুৰক্ষিত কৰাই এই প্ৰকল্পৰ মূল লক্ষ্য।

**প্ৰকল্প ঃ ৫) কৃষিৰ জৰিয়তে ক্ষুদ্ৰ জীৱিকাৰ উন্নয়ন ঃ**

গ্ৰাম্য বিকাশ মঞ্চই দ্যা হান্চ ফাউণ্ডেচন আৰু নেশ্যনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়াৰ পৃষ্ঠপোষকতাত নলবাৰী জিলাৰ বড়িগোগ বনভাগ উন্নয়নখণ্ডৰ অধীনস্থ ১০খন গাঁৱক সামৰি কৃষিৰ জৰিয়তে

বিভিন্ন ক্ষুদ্ৰ জীৱিকাৰ উৎসৰ উন্নয়ন বিষয়ক প্ৰকল্প ৰূপায়ন কৰি আহিছে। কৃষি আৰু ইয়াৰ আনুষংগিক বিষয়সমূহৰ জৰিয়তে১২,০০০ পৰিয়ালৰ বছৰি আয় ২০,০০০ টকা পৰ্যন্ত বঢ়োৱা, পঞ্চাশটা সামূহিক সংগঠনৰ সক্ষমতা বৃদ্ধি কৰা, অহা চাৰিবছৰৰ ভিতৰত ১৪,০০ পৰিয়ালৰ উপযুক্ত জীৱিকাৰ পথ দেখুওৱা আৰু খাদ্য সুৰক্ষা সুনিশ্চিত কৰাই এই প্ৰকল্পৰ মূল লক্ষ্য।

প্ৰকল্প ঃ ৬) কিশোৰ-কিশোৰীৰ শিক্ষা অসম (Adolescent Education In Assam)

উক্ত প্ৰকল্পটো টাটা এডুকেশ্বন ট্ৰাষ্টৰ অৰ্থ সাহায্যত নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ গাঁওসমূহকলৈ ১৪ বছৰৰ তলৰ প্ৰায় ১০০০ কিশোৰ-কিশোৰীক বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে শৈক্ষিক, সামাজিক তথা বৌদ্ধিক বিকাশৰ লগতে এক ধনাত্মক মানসিকতা গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে। আনহাতে ২০১৪-১৫ ইং বৰ্ষত দুখীয়া, পিচপৰা গ্ৰামাঞ্চলৰ শিশু তথা কিশোৰ-কিশোৰীসকলৰ শৈক্ষিক উন্নয়নৰ বাবে কিশোৰ-কিশোৰীৰ শিক্ষা (Adolescent Education In Assam) নামৰ প্ৰকল্পটো ৰূপায়িত হৈ আছে। Tata Education Trustৰ অৰ্থ সাহায্যত ৰূপায়ণ কৰি থকা প্ৰকল্পটিত নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ অন্তৰ্গত সমূহ শিক্ষা খণ্ডকে সামৰি ২৬০গৰাকী শিক্ষাৰ পৰা বঞ্চিত কিশোৰ-কিশোৰীক (প্ৰত্যেকটি আৱাসিক ৫ মাহ ১৫ দিনীয়া) জ্ঞান সংযোগ শিবিৰৰ জৰিয়তে সংগতি ৰাখি ১২ টা জ্ঞানকেন্দ্ৰ (Learning Centre) ইতিমধ্যে চলি আছে। ইয়াৰ উদ্দেশ্য হ'ল - য'ত গ্ৰাম্য বিকাশ মঞ্চৰ জ্ঞান সংযোগ শিবিৰৰপৰা যোৱা ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়লৈ অনিয়মীয়াকৈ যোৱা শিশু, আধাতে বিদ্যালয় এৰা, একেবাৰে বিদ্যালয়লৈ নোযোৱা শিশু আৰু শিশুমঞ্চৰ অন্য সদস্য-সদস্যাসকলক এই কেন্দ্ৰৰ জৰিয়তে শিশুৰ প্ৰয়োজনীয়তাৰ ভিত্তিত সহজে বুজি পোৱাকৈ শিক্ষাৰ ব্যৱস্থা কৰা হ'ব; যাৰ জৰিয়তে গাঁৱৰ প্ৰতিগৰাকী শিশুকে শিক্ষা গ্ৰহণ আৰু বিদ্যালয়মুখী হোৱাত সহায় হ'ব। আমাৰ এই জ্ঞান কেন্দ্ৰসমূহ তিনিটা স্তৰত স্থাপন কৰা হৈছে- (ক) বিজ্ঞান কেন্দ্ৰ (খ) গ্ৰাম্য পুথিভঁড়াল (গ) হস্তকলা শিল্প। উক্ত কাৰ্যাৱলীৰ জৰিয়তে সমাজত সমতাপূৰ্ণ, শান্তিপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ প্ৰয়াস কৰা হৈছে।



**প্ৰকল্প ঃ ৭) আই. টি.ই. (ITE) (শিক্ষাৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী যাত্ৰা)**

শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ এক সংহত পদ্ধতি বা আই.টি.ই.; যিয়ে কিশোৰ-কিশোৰী সকলক বিদ্যালয়ত গ্ৰহণ কৰা শিক্ষাৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া অন্বেষণৰ যথাৰ্থতা প্ৰমাণ কৰাত সুযোগ প্ৰদান কৰে। এনে চিন্তা আগত ৰাখি উক্ত প্ৰকল্পৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ সংহত পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহনৰ অনুৰাগ সৃষ্টি, উপস্থিত বা হাজিৰা তথা ছাত্ৰ-ছাত্ৰীক জ্ঞানাৰ্জনৰ প্ৰক্ৰিয়াত ধৰি ৰাখিব পৰা পৰিৱেশ সৃষ্টি, শিক্ষা গ্ৰহণৰ সাফল্য আৰু শিক্ষা গ্ৰহণৰ পদ্ধতি আৰু শিক্ষণশৈলীৰ উৎকৰ্ষ সাধনৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছে। গ্ৰাম্য বিকাশ মঞ্চই অসমৰ তিনিখন জিলা ক্ৰমে— নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাত এই প্ৰকল্পটোৰ জৰিয়তে মুঠ পঞ্চাশ (৫০) খন চৰকাৰী বিদ্যালয়, চৌধ্যখন আদৰ্শ বিদ্যালয়, তিনিটা বিশেষ আৱাসিক প্ৰশিক্ষন কেন্দ্ৰ আৰু দুখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত টাটা ট্ৰাষ্টৰ সহযোগত বিভিন্ন শিক্ষা সম্বন্ধীয় উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

**প্ৰকল্প ঃ ৮) অৱদমিত শিশুসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঃ**

যোৱা ১ এপ্ৰিল, ২০১৪ ইং তাৰিখৰ পৰা একচন এইড এছ'চিয়েচনৰ অৰ্থসাহায্যত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত অৱদমিত শিশুসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ নামৰ এটি প্ৰকল্প নলবাৰী আৰু কামৰূপ জিলাত ৰূপায়ণ কৰি থকা হৈছে। উক্ত প্ৰকল্পত মুঠ চাৰিটা শিক্ষা খণ্ডকে ধৰি দুখন জিলাত ৰূপায়ণ

কৰি থকা হৈছে; য'ত ১৯খন গাঁৱৰ ৩০খন স্কুলক সামৰি লোৱা হৈছে। উক্ত প্ৰকল্পৰ মূল লক্ষ্য হৈছে- শিক্ষাৰ অধিকাৰ আইন-২০০৯ৰ সম্পূৰ্ণভাৱে বলৱৎ কৰা আৰু প্ৰতিখন বিদ্যালয়কে আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলা। উক্ত প্ৰকল্পটিৰ অইন কিছুমান কাৰ্যাৱলী হৈছে— (ক) ছাত্ৰ-ছাত্ৰীক ভাট্টা প্ৰদান কৰা (খ) শিক্ষক-অভিভাৱকৰ সভা আহ্বান কৰা লগতে শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ বিষয়ে ৰাইজৰ মাজত অৱগত কৰা। (গ) শিশু মঞ্চ, যুৱ মঞ্চ আৰু মাতৃ গোট গঠন কৰি তেওঁলোকৰ দ্বাৰা সমাজত নেতৃত্ব দিব পৰা গুণসমূহৰ বিকাশ সাধন কৰা (ঘ) আমি আৰু আমাৰ সপোনৰ বিদ্যালয়ৰ কাৰ্যাৱলীৰ দ্বাৰা স্কুলৰ ভৱিষ্যৎ পৰিকল্পনা তথা ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ দ্বাৰা প্ৰস্তুত কৰা বিদ্যালয়ৰ পৰিকল্পনাসমূহৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱা।

উক্ত কাৰ্যাৱলীৰ জৰিয়তে অহা চাৰি বছৰত প্ৰত্যেকখন চৰকাৰী স্কুলতে নামভৰ্ত্তিৰ সংখ্যাৰ হাৰ বঢ়োৱা আৰু শিক্ষাৰ অধিকাৰ আইন বলৱৎ কৰাই এই প্ৰকল্পৰ মূল লক্ষ্য।

**প্ৰকল্প ঃ ৯) শিশু সৱলীকৰণ ঃ** Child Rights And You (CRY)ৰ অৰ্থসাহায্যত ৰূপায়িত এই প্ৰকল্পটোৰ অধীনত নলবাৰী জিলাৰ পূব-নলবাৰী আৰু বৰভাগ উন্নয়ন খণ্ডৰ ১৮খন গাঁৱত ১৮ বছৰৰ তলৰ ৫০০০ শিশুক বিভিন্ন কাৰ্যসূচীৰে সামৰি লোৱা হৈছে। প্ৰকল্পৰ প্ৰধান বিষয়বস্তু হ'ল—

- শিশু নৱজাতক আৰু মাতৃৰ মৃত্যুৰ হাৰ ৰোধ কৰা (IMR, CMR & MMR)
- শিশুৰ পুষ্টিহীনতা ৰোধ কৰা।




- গুণগত শিক্ষা সুনিশ্চিত কৰা।
- শিশু শ্ৰমিক, বহিঃৰাজ্যলৈ শিশুৰ প্ৰব্ৰজন, শিশুৰ মাজৰ পৰা ধূমপানৰ ব্যৱহাৰ তথা বাল্য বিবাহ ৰোধ কৰা।
- শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ জৰিয়তে এখন সমূহীয়া মঞ্চৰ সৃষ্টি কৰা।
- সকলো ধৰণৰ নিৰ্যাতনৰ পৰা শিশুৰ সুৰক্ষা দিয়া।

উপৰোক্ত বিষয়বস্তুসমূহ সাফল্যমণ্ডিত হোৱাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। মানুহৰ মাজত জ্ঞান আৰু সজাগতা বৃদ্ধিৰ বাবে এক শক্তিশালী যোগসূত্ৰ স্থাপন কৰিছে। প্ৰকল্পৰ অন্তৰ্গত গাঁওসমূহত পূৰ্বৰ তুলনাত নৱজাতকৰ মৃত্যুৰ হাৰ যথেষ্ট পৰিমাণে ৰোধ পাইছে; শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ শূন্য পোৱা গৈছে। ৯খন গাঁৱত আদৰ্শ পৰিপুষ্টি বাগিচা স্থাপন কৰা হৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰকল্পৰ অন্তৰ্গত গাওঁসমূহৰ সকলো গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃ লগতে আশাকৰ্মী, অংগনৱাড়ী কৰ্মীসকলক পৰিপুষ্টি তথা স্বাস্থ্য সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা হৈছে। আঠটা পুষ্টিহীনতাত ভোগা শিশুক নলবাৰী অসামৰিক চিকিৎসালয়ত থকা "পুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰলৈ" পঠাই স্বাস্থ্য স্বাভাৱিক অৱস্থালৈ আনিছে। Advocacyৰ ফলত ৰাইমাধা, চেৰাবাৰী আৰু জানিগোগ গাঁৱৰ তিনিটা অংগনৱাড়ীৰ আন্তঃগাঁথনি ভাল হৈছে। মাকালডোবা গাঁৱত এম.ই. মাদ্ৰাছাত মধ্যাহ্ন ভোজন আঁচনি যোগানৰ বাবে বিভাগীয়ভাৱে যোগসূত্ৰ স্থাপন কৰি মধ্যাহ্ন ভোজন আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। কমাৰকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে ৩০০জনী কিশোৰীৰ হিম'গ্লোবিন পৰীক্ষা কৰি আইৰণ, ফলিক এচিড দিয়াৰ ব্যৱস্থা কৰা হৈছে, যাৰ ফলত কিশোৰীসকলৰ ৰক্তহীনতা কিছু পৰিমাণে কমা পৰিলক্ষিত হৈছে। এই প্ৰকল্পৰ জৰিয়তে প্ৰকল্প গাঁৱৰ গৰ্ভৱতী তথা প্ৰসূতি মাতৃৰ আৰু প্ৰতিটো শিশুৰ নিয়মীয়াকৈ Tracking কৰি থকা হৈছে; যাৰ ফলত এই প্ৰকল্পৰ জৰিয়তে শিশুৰ চাৰিটা অধিকাৰ যেনে- জীয়াই থকাৰ অধিকাৰ, বিকাশৰ অধিকাৰ, সুৰক্ষাৰ অধিকাৰ আৰু অংশগ্ৰহণৰ অধিকাৰসমূহ সুৰক্ষিত হোৱা পৰিলক্ষিত হৈছে।

**প্ৰকল্প ঃ ১০) কিশোৰ-কিশোৰী সৱলীকৰণ প্ৰকল্প, অসম ঃ**

উক্ত প্ৰকল্পটো (National Foundation for India)ৰ অৰ্থ সাহায্যত নলবাৰী জিলাৰ অন্তৰ্গত পূব-নলবাৰী, বড়িগোগ বনভাগ আৰু বৰভাগ উন্নয়ন খণ্ডৰ অধীনস্থ মুঠ ২০খন গাঁৱক লৈ ২০১৪ ইং চনৰ মাৰ্চ মাহৰপৰা ২০১৭ ইং চনৰ ফেব্ৰুৱাৰী মাহলৈ ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

প্ৰকল্পটোৰ জৰিয়তে—

(ক) এখন বাল্যবিবাহ মুক্ত সমাজ গঢ়ি তোলা।

(খ) প্ৰত্যেক গাঁৱৰ কিশোৰ-কিশোৰীসকলৰ মাজত থকা মাদক দ্ৰব্যৰ ব্যৱহাৰ মষিমূৰ কৰা।

(গ) প্ৰত্যেকখন গাওঁৰ কিশোৰ-কিশোৰীৰ স্বাস্থ্যৰ মান উন্নত কৰা।

এই উদ্দেশ্যসমূহ আগত লৈ উক্ত প্ৰকল্পৰ জৰিয়তে ইয়াৰ অধীনস্থ গাঁওসমূহৰ ১১ বছৰৰ পৰা ১৯ বছৰৰ ভিতৰত প্ৰায় ১০০০ কিশোৰ-কিশোৰীক সামৰি লোৱা হৈছে। ইতিমধ্যে যোৱা বৰ্ষটোত বাল্য বিবাহ, মাদক দ্ৰব্যৰ আসক্তি আৰু কিশোৰ-কিশোৰীসকলৰ শাৰীৰিক, মানসিক স্বাস্থ্যসমূহ যাতে কিছু পৰিমাণে হ'লেও হ্ৰাস কৰিব পাৰি সেই উদ্দেশ্যে কাম কৰি থকা হৈছে। উক্ত প্ৰকল্পৰ জৰিয়তে বড়িগোগ বনভাগ উনয়নখণ্ড আৰু বৰভাগ উন্নয়নখণ্ডৰ মুঠ ৯ (ন)খন গাঁৱৰ ২৩০গৰাকী কিশোৰীৰ Himoglobin Level আৰু Blood Group পৰীক্ষা কৰা হৈছে, যাতে সেইসকল লোক এনিমিয়াৰ দ্বাৰা আক্ৰান্ত নহয়। যিসকলে এনিমিয়াত ভুগিছে তেওঁলোকক আইৰণ, ফলিক এছিড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ [P.H.C.] সমূহৰ পৰা যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে আৰু যুৱ মঞ্চসমূহৰ মাজত প্ৰায় ১১খন পৰিপুষ্টি বাগিচা প্ৰস্তুত কৰা হৈছে। এই পৰিপুষ্টি বাগিচাকেইখনৰ জৰিয়তে যাতে বিভিন্ন পৰিপুষ্টি বিষয়ক জ্ঞান লাভ কৰি নিজৰ নিজৰ ঘৰত বাগিচা তৈয়াৰ কৰি এনিমিয়াৰ পৰা হাত সাৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। দুখন গাঁৱত চেমনীয়া চ'ৰা প্ৰস্তুত কৰা হৈছে। এই চেমনীয়া চ'ৰাত কিশোৰ-কিশোৰীসকলে বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় জ্ঞান বৃদ্ধিৰ বাবে স্বাস্থ্য বিষয় IEC Material, AIDS সম্পৰ্কীয় IEC Material উপলব্ধ হৈছে। এই কেন্দ্ৰটোত বিভিন্ন কিতাপ পত্ৰ, খেল-ধেমালিৰ সামগ্ৰী যোগান ধৰা হৈছে, যাতে তেওঁলোকে অৱসৰৰ সময়খিনি গঠনমূলক কামত লিপ্ত হ'ব পাৰে। লগতে উক্ত প্ৰকল্পৰ জৰিয়তে কিশোৰ-কিশোৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে ৬খন গাঁৱত ভ্ৰাম্যমাণ চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। এই চিকিৎসা শিবিৰত চিকিৎসকৰ দ্বাৰা উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা প্ৰায় ৫ গৰাকী কিশোৰ-কিশোৰীক অৰ্থসাহায্য প্ৰদান কৰা হৈছে, লগতে এই ২০খন গাঁৱৰ মাতৃগোট আৰু যুৱ মঞ্চৰ প্ৰতিনিধিৰ দ্বাৰাই দুখন কেন্দ্ৰীয় কমিটী গঠন কৰা হৈছে। এই কেন্দ্ৰীয় কমিটী দুখনে গাঁৱৰ কিশোৰ-কিশোৰী সম্পৰ্কীয় সমস্যাসমূহ কেন্দ্ৰীয়ভাৱে সমাধান কৰিবলৈ আগবাঢ়ি যাব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰাই এই ২০খন গাঁৱৰ কিশোৰ-কিশোৰীসকলে সুস্থ-সবল সমৃদ্ধিশালী সমাজ গঢ়াত অৰিহণা যোগাব পাৰে।

**প্ৰকল্প ঃ ১১) ৰাইজৰ সহযোগত শিশুকেন্দ্ৰিক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্প ঃ**

উক্ত প্ৰকল্পটো এটি ইটালিয়ান আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু উন্নয়নমূলক সংস্থা ফাউণ্ডেচন এলবেৰো ডেলা ভিটা (Fondazione L'Albero Della Vita-FADV) নামৰ সংস্থাৰ অৰ্থসাহায্য




কামৰূপ (গ্ৰাম্য) জিলাৰ দহখন গাঁও আৰু তিনিখন বিদ্যালয়ত ৰূপায়ণ কৰা হৈছে। ২০১৪ ইং চনত হৈ যোৱা প্ৰলয়ংকৰী বানপানীত বিধ্বস্ত হোৱা কামৰূপ (গ্ৰাম্য) জিলাৰ হাজো আৰু ৰঙিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত জয়ন্তীপুৰ, ধুহিবালা আৰু শ্বহীদ সত্যনাথ গাঁওপঞ্চায়তৰ অতি পিচপৰা তথা বানপানীৰ দ্বাৰা ক্ষতি হোৱাৰ আশংকা থকা দহখন গাঁৱক এই প্ৰকল্পৰ জৰিয়তে সামৰি লোৱা হৈছে।

উক্ত প্ৰকল্পটো ৰূপায়ণৰ ক্ষেত্ৰত প্ৰধানকৈ তিনিটা কৌশল অৱলম্বন কৰা হৈছে- প্ৰথমে ৰাইজৰ মাজত শিশুকেন্দ্ৰীক দুৰ্যোগৰ প্ৰতি সজাগতা, সংঘবদ্ধতা আৰু পূৰ্বপ্ৰস্তুতিৰ জ্ঞান আৰু কৌশল বৃদ্ধি কৰা। দ্বিতীয়তে, শিশুসকলক দুৰ্যোগৰ প্ৰতি জ্ঞান আৰু কৌশল বৃদ্ধি তথা বিদ্যালয়ত সুৰক্ষা নিশ্চিত কৰাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক দুৰ্যোগৰ প্ৰতি সজাগ, সংঘবদ্ধতা আৰু পূৰ্বপ্ৰস্তুতিৰ জ্ঞান আৰু কৌশল বৃদ্ধি কৰা। তৃতীয়তে, ৰাইজ আৰু বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় সংঘ, চৰকাৰী/বে-চৰকাৰী সেৱা প্ৰদানকাৰী গোটসমূহৰ মাজত এক যোগসূত্ৰ প্ৰতিষ্ঠা কৰি শিশুৰ দুৰ্যোগৰ প্ৰতি মোকাবিলা কৰিবলৈ সমূহীয়া প্ৰচেষ্টা বৃদ্ধি কৰা।

ইতিমধ্যে, এই প্ৰকল্পটোৰ জৰিয়তে ৰাইজৰ মাজত দুৰ্যোগৰ প্ৰতি সজাগতা সৃষ্টিৰ হকে মাতৃগোট, দুৰ্যোগ প্ৰতিৰক্ষা সমিতি, ট্ৰাস্ক ফৰ্চ, শিশু মঞ্চ গঠন কৰা হৈছে। এই গোট সমূহৰ মাজত বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমনৰ বাবে তেওঁলোকৰ কৰণীয় সমূহৰ প্ৰতি সচেতনতা বৃদ্ধিৰ চেষ্টা কৰা হৈছে। দহখন গাঁৱৰ প্ৰায় দুশৰো অধিক যুৱক-যুৱতীক সামৰি প্ৰাথমিক চিকিৎসা, উদ্ধাৰ আৰু সাহাৰ্য্য, শিবিৰ পৰিচালনাৰ বিশেষ

প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু প্ৰশিক্ষিত যুৱক-যুৱতী সকলে নিজৰ নিজৰ গাঁৱত ইয়াক নিজাববীয়াকৈ অনুশীলনো কৰি আছে। ইয়াৰ উপৰিও জৰুৰী অৱস্থাত সহায়ক হোৱাকৈ প্ৰতিখন গাঁৱতে উদ্ধাৰ সামগ্ৰীৰ একোটাকৈ বাকচ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি শিশুসকলৰ মাজত- নাট কৰ্মশালা, কলা আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰি শিশুসকলৰ বৌদ্ধিক বিকাশ তথা অংশগ্ৰহণৰ অধিকাৰো সাব্যস্ত কৰাৰ বাবে সুবিধা কৰা হৈছে। গাঁওসমূহত শিশুৰ দুৰ্দশাগ্ৰস্ততা হ্ৰাস কৰাৰ বাবে সৰু সৰু নিৰ্মাণকাৰ্য হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত ইতিমধ্যে সম্পাদন কৰা কাৰ্যসমূহৰ ভিতৰত- বাঁহৰ দলং নিৰ্মাণ, বিদ্যালয়ক অহা-যোৱা কৰাৰ সুবিধাৰ্থে পথ নিৰ্মাণ, বিদ্যালয়ৰ খেলপথাৰ উন্নয়ন ইত্যাদি মুঠ সাতটা কাম সম্পাদন কৰা হৈছে। বিদ্যালয় সমূহত ল'ৰা-ছোৱালীৰ জীৱন সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বিদ্যালয়ত হ'ব পৰা সম্ভাব্য ভাবুকি যেনে— ভূমিকম্প, ধুমুহা, বানপানী, জুই ইত্যাদিৰ পৰা মোকাবিলাৰ বাবে




সজাগতা সভা আয়োজন কৰা হৈছে। শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক সামৰি "বিদ্যালয় দুৰ্যোগ ব্যৱস্থাপনা সমিতি" গঠন কৰা হৈছে আৰু বিদ্যালয়সমূহৰ পৰ্যালোচনা কৰিবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্যৰ নীতি অনুসৰি প্ৰকল্পটো ৰূপায়িত সকলো ধৰণৰ কাৰ্যতে অংশগ্ৰহণপূৰ্ণ আলোচনাৰ মাধ্যমত সম্পন্ন কৰাৰ চেষ্টা কৰা হৈছে আৰু ইতিমধ্যে প্ৰতিখন গাঁৱতে ৰাইজৰ সহযোগত সমূহীয়া কাৰ্যসূচী প্ৰস্তুত কৰি লোৱা হৈছে। কাৰ্যসূচীৰ আধাৰতেই ভৱিষ্যতে গাঁওসমূহত সকলো কাৰ্যসূচী ৰূপায়ণৰ লগতে বিভাগীয় কৰ্তৃপক্ষক হেঁচা প্ৰদান কৰা হৈছে।

যিহেতু এই প্ৰকল্প আৰম্ভ হোৱা এবছৰো হোৱা নাই, সেয়েহে প্ৰকল্পটোৰ জৰিয়তে বিচৰা ফলাফল সমূহ এতিয়াও পৰিস্ফুট হোৱা নাই যদিও ৰাইজৰ মাজত শিশু দুৰ্যোগসমূহৰ প্ৰতি এটা জাগৰণ নিশ্চিতভাৱে লক্ষ্য কৰিব পাৰি।

**প্ৰকল্প ঃ ১২) চিলাই স্কুল কাৰ্যসূচী ঃ**

USHA Internationalৰ পৃষ্ঠপোষকতাত গ্ৰাম্য বিকাশ মঞ্চই অসমৰ পাঁচখন জিলাক সামৰি ৫০খন চিলাই স্কুল স্থাপন কৰি গ্ৰামাঞ্চলৰ দুখীয়া মহিলাসকলক চিলাই প্ৰশিক্ষণৰ জৰিয়তে সংস্থাপনৰ দিহা কৰিছে। এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ পৰৱৰ্ত্তী পদক্ষেপ হিচাপে নতুনকৈ আৰু তিনিখন জিলালৈ কাৰ্যসূচীটো সম্প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰা হৈছে।

জীৱিকাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই লৈ অহা উপৰোক্ত পদক্ষেপ সমূহৰ উপৰিও ২০০৯ চনত নলবাৰী জিলাৰ এখন ভিতৰুৱা চত্ৰা গাঁৱত গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰচেষ্টাত বড়ো মহিলাসকলৰ সংগঠিত কৰি বয়ন শিল্পৰ জৰিয়তে তেওঁলোকৰ স্বাৱলম্বনৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল আৰু এই প্ৰচেষ্টাৰ অংশ হিচাপে যোৱা বৰ্ষত উক্ত গাঁৱত নেড্‌ফি আৰু আই.ডি.বি.আইৰ সহযোগত নিৰ্মাণ কৰি উলিওৱা হয় এটি স্থায়ী বয়ন গৃহ। নেড্‌ফিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক বি.পল মুক্তিয়া আৰু আই. ডি.বি.আইৰ মহাপ্ৰবন্ধক উগেন টাছিৰ উপস্থিতিত যোৱা ইং ৭ আগষ্টত, এই বয়ন গৃহটোৰ শুভ উদ্বোধন কৰে নলবাৰী জিলাৰ উপায়ুক্ত মহোদয়ে। সম্প্ৰতি উক্ত বয়ন গৃহত প্ৰায় ৫০গৰাকী শিপিনী জড়িত হৈ নিজকে স্বাৱলম্বী কৰি তুলিবলৈ সক্ষম হৈছে। আনহাতে গ্ৰাম্য বিকাশ মঞ্চই যোৱা বৰ্ষটোত বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম-কাজ কৰাৰ লগতে স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলক সামথ্য বৰ্ধনৰ হকে অসম তথা ভাৰত বৰ্ষৰ বিভিন্ন ঠাইত প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে।

শ্ৰদ্ধাৰ সদস্য-সদস্যাসকল, গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰথমখন মুখপাত্ৰ 'সীৰলু" জিলা উপায়ুক্ত ড° ওমপ্ৰকাশৰ উপস্থিতিত যোৱা ইং ১ জানুৱাৰী, ২০১৫ তাৰিখে আনুষ্ঠানিক ভাৱে উন্মোচিত কৰি গ্ৰাম্য বিকাশ মঞ্চৰ এক বহুদিনীয়া অভাৱ পূৰণ কৰে। এই ছেগতে "সীৰলু" সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যা আৰু লেখক-লেখিকাসকলক এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো—

এইখিনিতে উল্লেখ কৰো যে গ্ৰাম্য বিকাশ মঞ্চই শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ পদক্ষেপ হাতত লৈ "শৈশৱ" নামৰ এখন প্ৰাথমিক শিক্ষানুষ্ঠানৰ জন্ম দিছে। যোৱা ইং ২৩ জানুৱাৰী, ২০১৫ তাৰিখে উক্ত বিদ্যালয়খন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য উপদেষ্টা ড° সুৰেন মজুমদাৰদেৱে। আনহাতে এই বিদ্যালয়ৰ পৰৱৰ্তী শ্ৰেণীসমূহ পৰ্যায়ক্ৰমে আগবঢ়াই নিয়াৰ বাবে পৰিকল্পনা হাতত লোৱা হৈছে আৰু স্কুল সম্প্ৰসাৰণ বিষয়ত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

যোৱা বৰ্ষটোত গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়ণ কৰা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ লগত লহযোগিতা আগবঢ়োৱা সমূহ সচেতন সমাজ, যুৱক-যুৱতী, অনুষ্ঠান-প্ৰতিষ্ঠান, জিলা প্ৰশাসন, বিভিন্ন চৰকাৰী বিভাগ, সংবাদ মাধ্যম, শিক্ষানুষ্ঠান তথা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহক এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পৰৱৰ্তী দিনবোৰতো একেই সহায়-সহযোগিতা আগবঢ়াব বুলি কামনা কৰিলো। আশা কৰো আটাইৰে সহযোগত গ্ৰাম্য বিকাশ মঞ্চই আগুৱাই নিব উন্নয়নী যাত্ৰা।



# শিক্ষা সম্পৰ্কীয় কেতবোৰ কথা

✍ ৰমেন দাস

ভাৰতবৰ্ষৰ প্ৰতি ৯গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মাত্ৰ এগৰাকীয়েহে বিদ্যালয়ৰ শিক্ষা সাং কৰি মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষ হৈছে বিশ্বৰ ভিতৰত উচ্চ শিক্ষাত নামভৰ্তিৰ ক্ষেত্ৰত আটাইতকৈ নিম্নহাৰসম্পন্ন দেশসমূহৰ এখন আৰু উচ্চ শিক্ষাত ভাৰতৰ নামভৰ্তিৰ হাৰ হৈছে ১১ শতাংশ। মাৰ্কিন যুক্তৰাষ্ট্ৰত এই হাৰ ৮৩ শতাংশ। ২০১২ চনত নাম ভৰ্তিৰ হাৰ ১৫ শতাংশ বৃদ্ধি কৰিবলৈ দেশৰ একাদশ পৰিকল্পনাই শিক্ষাত বিনিয়োগৰ পৰিমাণ ধাৰ্য্য কৰিছিল ২,২৬,৪১০ কোটি টকা কিন্তু এই মুঠ প্ৰয়োজনৰ এক চতুৰ্থাংশহে অৰ্থাৎ ৭৭,৯৩৩ কোটি টকা আবণ্টন কৰা হয়।

- NAACয়ে কৈছে যে ভাৰতৰ ৯০ শতাংশ মহাবিদ্যালয় আৰু ৭০ শতাংশ বিশ্ববিদ্যালয়ৰ গুণগত মান মধ্যমীয়া ধৰণৰ আৰু অতি দুঃখজনক।
- ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে বিদেশত উচ্চ শিক্ষা গ্ৰহণৰ বাবে হোৱা ব্যয়ৰ পৰিমাণ হৈছে ৭ বিলিয়ন ডলাৰ। এই পৰিমাণৰ পুঁজিৰে ভাৰতত আৰু ১০খন আই আই টি স্থাপন আৰু পৰিচালনা কৰিব পৰা যাব।








- শেহতীয়া এক অধ্যয়নত কোৱা হৈছে যে দেশৰ বিদ্যালয় শিক্ষাৰ গুণগত মান উন্নত হোৱা নাই। কিয়নো গড় হিচাপত দিনে উত্তৰ ভাৰতৰ গ্ৰামাঞ্চলৰ ৫০ শতাংশ প্ৰাথমিক বিদ্যালয়ত শিক্ষন শিকন কাৰ্য এবাৰো পৰিচালিত নহয়।
- দেশৰ অৰ্দ্ধেক জনসংখ্যা হৈছে ২৫ বছৰৰ অনুৰ্দ্ধৰ। ইয়াৰে প্ৰায় ১০ শতাংশ, অৰ্থাৎ ১২ কোটি জনসংখ্যা হৈছে ১৮-২৩ বছৰ বয়সৰ। যদি এই বয়সৰ জনসংখ্যাক জ্ঞান আৰু দক্ষতা প্ৰদান কৰা হয়; তেন্তে ই দেশক সু-উদ্যোগী আৰু প্ৰতিযোগিতামূলক প্ৰতিভাৰে পৰিপূৰ্ণ কৰি তুলিব আৰু বিশ্ব শক্তিক নেতৃত্ব দিব।
- ইউনেস্কোৰ তথ্য অনুযায়ী ২০১০ চনত বিশ্বৰ ৬১ মিলিয়ন শিশু প্ৰাথমিক বিদ্যালয় শিক্ষাৰ পৰা বঞ্চিত হয় আৰু ইয়াৰে ৪৭ শতাংশ শিশু বিদ্যালয় শিক্ষাৰ আওতালৈ অহাৰ কোনো সম্ভাৱনা নাই। ২০১২ চনত বিশ্বৰ ৩১ মিলিয়ন শিশুৱে প্ৰাথমিক বিদ্যালয় অকালতে ত্যাগ কৰে।
- বিশ্বৰ ৫৮ মিলিয়ন প্ৰাথমিক বিদ্যালয় পৰ্যায়ৰ ল'ৰা-ছোৱালী আৰু ৬৯ মিলিয়ন কিশোৰ-কিশোৰী এতিয়াও বিদ্যালয় শিক্ষাৰ আওতাৰ বাহিৰত আছে।
- বিশ্ব নাগৰিক অৰ্থাৎ বিশ্বৰ ১৬০খন দেশৰ প্ৰতিনিধিয়ে যোৱা মে' মাহত কোৰিয়াৰ ইনচন চহৰত গঠন কৰা বিশ্ব শিক্ষা মঞ্চ ২০১৫ই ২০৩০পৰ্যন্ত শিক্ষাৰ এক নৱচিন্তন গ্ৰহণ কৰে। ইউনেস্কোৰ তত্ত্বাৱধানত গঠন কৰা এই মঞ্চই শিক্ষাৰ জৰিয়তে জীৱন পৰিচালনা, উন্নয়নৰ মূল চালিকা হিচাপে শিক্ষাক চয়ন কৰা আৰু স্থায়ীকৰণযোগ্য বিকাশ লক্ষ্যসমূহত উপনীত হ'বৰ বাবে ব্যাপক গুৰুত্ব প্ৰদান কৰিছে। থোৰতে এই লক্ষ্যত কোৱা হৈছে যে "Ensure inclusive and equitable quality education and promote lifelong learning opportunities for all." এই নতুন বিশ্ব কাৰ্যক্ৰমণিকাৰ শিৰোনাম হৈছে "শিক্ষা ২০৩০"।



*(লেখক ৰাজ্যিক মাধ্যমিক শিক্ষা অভিযান, অসমৰ ৰাজ্যিক প্ৰালোচক)*

> গ্ৰাম্য সংগঠনে আগন্তুক দিনত কাৰ্যনিৰ্বাহ কৰিলে প্ৰতিখন গাঁৱতে একোখনকৈ সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ আন্দোলনৰ লগতে সমাজ পৰিবৰ্তনত মহিলা সকলে নেতৃত্ব ল'ব পাৰিব আৰু গ্ৰাম্য মহিলাসকলে মৰ্যাদাসহ এক উন্নত জীৱন যাপনৰ সুযোগ পাব বুলি আশা কৰিব পাৰি।

# গ্ৰাম্য সংগঠন...
## কিছু আশা, কিছু প্ৰত্যাশা

✍ **নৃপেন্দ্ৰ নাথ ডেকা**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

সদ্যপ্ৰচলিত বিশ্ব বজাৰ (Global Marketing) ব্যৱস্থাই আমাৰ দেশখনৰ বিশেষকৈ গ্ৰাম্য অৰ্থনৈতিক ক্ষেত্ৰখনক পংগু কৰি পেলাইছে। গাঁওসমূহৰ সৰ্বসাধাৰণ লোকৰ সহজ ধন (Easy Money) ঘটাৰ প্ৰৱণতাই গ্ৰাম্য সমাজখনক কলুষিত কৰি তুলিছে। ধনিক শ্ৰেণীৰ শোষণ, প্ৰলোভন, প্ৰৱঞ্চনাত নিপীড়িত নিচলা লোকসকলে দিক্‌বিদিক্ হেৰুৱাইছে। জীৱিকাৰ ক্ষেত্ৰখন সৰ্বসাধাৰণৰ বাবে হৈ পৰিছে সংকুচিত। সৰ্বদিশতে লোকচানৰ সন্মুখীন হৈছে সাধাৰণ পৰিয়ালসমূহ। একেধৰণে জীৱিকাৰ অনিশ্চয়তাই পৰিয়ালসমূহৰ শৈক্ষিক, সামাজিক, ধৰ্মীয় দিশতো বাৰুকৈয়ে বিৰূপ প্ৰভাৱ পেলাইছে। কোঙা কৰি পেলাইছে গ্ৰাম্য দৰিদ্ৰ জনগণক। এফালে উন্নয়নৰ নামত তুমূল প্ৰতিযোগিতা আৰু আনফালে শোষণ, বঞ্চনা, অন্যায়, অসমতাৰ এনেহেন এক জটিল সন্ধিক্ষণত গ্ৰামাঞ্চলৰ অনগ্ৰসৰ পৰিয়াল বিশেষকৈ মহিলাসকলক সংগঠিত কৰি তেওঁলোকক জীৱিকা কাৰ্যত নিয়োজিত কৰি সামগ্ৰিকভাৱে পৰিয়ালসমূহৰ আৰ্থ-সামাজিক স্বচ্ছলতা অনাৰ উদ্দেশ্যৰে গ্ৰাম্য বিকাশ মঞ্চকে ধৰি মুঠ পাঁচটা স্বেচ্ছাসেৱী অনুষ্ঠানে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰাণালয় আৰু টাটা ট্ৰাষ্টৰ পৃষ্ঠপোষকতাত ৰাজ্যখনৰ সাতখন জিলাত মহিলা কৃষক সবলীকৰণৰ এক অভিলাসী প্ৰকল্প আৰম্ভ কৰিছে। গ্ৰামাঞ্চলৰ মূল জীৱিকাৰ উপায় কৃষিকাৰ্যত আত্মসহায়ক গোটৰ জৰিয়তে নিয়োজিত কৰি পৰৱৰ্তী









পৰ্যায়ত তেওঁলোকক গ্ৰাম্য সংগঠন (Village Organization)ৰ আওতালৈ আনি তিষ্ঠি থাকিব পৰা উন্নয়নৰ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পৰাকৈ মহিলাসকলক সবল কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। এই গ্ৰাম্য সংগঠনৰ জৰিয়তে গ্ৰাম্য মহিলাসকলে সমাজ পৰিবৰ্তনত নিম্নলিখিত ভূমিকা সমূহ পালন কৰিব পাৰিব



বুলি আশা কৰিব পাৰি—

(ক) কৃষিকাৰ্যত মহিলাৰ আত্মনিয়োগৰ জৰিয়তে পৰিয়ালসমূহৰ আৰ্থিক অৱস্থা সুচল কৰা।

(খ) চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণত মহিলাসকলে অংশগ্ৰহণ কৰি প্ৰকৃত হিতাধিকাৰীক উপকৃত কৰণৰ ব্যৱস্থা কৰা।

(গ) গ্ৰামাঞ্চলৰ বিশেষকৈ বাক্সা জিলাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত একতাৰ ভাব সুদৃঢ় কৰা।

(ঘ) মহিলা বেংক গঠন কৰা।

(ঙ) মহিলাৰ বিভিন্নসামাজিক বিষয়সমূহক আলোচনাৰ থলী হিচাপে কাম কৰা।

(চ) গ্ৰামাঞ্চলত প্ৰচলিত বিভিন্ন সামাজিক ব্যাধি। যেনে— লিংগ বৈষম্য, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা, ডাইনী হত্যা, নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ প্ৰচলন বন্ধ, শিশু শ্ৰমিক, বৃদ্ধ-বৃদ্ধাৰ প্ৰতি অৱহেলা আদি নিৰ্মূলৰ বাবে পদক্ষেপ হাতত লোৱা।

(ছ) ধনী-দুখীয়াৰ মাজত প্ৰভেদ হ্ৰাস কৰা।

(জ) শিক্ষা বিশেষকৈ মহিলা শিক্ষা উন্নয়নৰ ক্ষেত্ৰত পদক্ষেপ হাতত লোৱা।

(ঝ) গাঁৱৰ খাদ্য, স্বাস্থ্য, অনাময় আদি বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

(ঞ) বিশেষভাৱে সক্ষ্যম ব্যক্তিসকলক সংগঠিত কৰি বৃত্তিমূলক প্ৰশিক্ষণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত তেওঁলোকক অংশীদাৰ হোৱাৰ সুযোগ দিয়া।

(ট) গাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত মহিলাৰ অংশগ্ৰহণ আৰু প্ৰতিনিধিত্ব সুনিশ্চিত কৰা।

ওপৰোক্ত ধৰণে গ্ৰাম্য সংগঠনে আগন্তুক দিনত কাৰ্যনিৰ্বাহ কৰিলে প্ৰতিখন গাঁৱতে একোখনকৈ সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ আন্দোলনৰ লগতে সমাজ পৰিবৰ্তনত মহিলা সকলে নেতৃত্ব ল'ব পাৰিব আৰু গ্ৰাম্য মহিলাসকলে মৰ্যাদাসহ এক উন্নত জীৱন যাপনৰ সুযোগ পাব বুলি আশা কৰিব পাৰি।







# প্ৰসংগত শিশু, দুৰ্যোগ ইত্যাদি...

✍ **কমল কিশোৰ হাজৰিকা**, স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰচলিত পদ্ধতি বা নীতিত প্ৰায়ে প্ৰাপ্তবয়স্কসকলকহে সামৰি লোৱা দেখা যায়। এইক্ষেত্ৰত শিশুসকলৰ প্ৰয়োজনীয়তা প্ৰায়ে এৰাই চলা দেখা গৈছে। কিন্তু আমি প্ৰত্যেকেই এটা বিষয়ত একমত হ'ব পাৰো যে দুৰ্যোগৰ সময়ত শিশুসকলৰ প্ৰয়োজনীয়তা স্পষ্ট ৰূপত বেলেগ। উদাহৰণস্বৰূপে—

- জৈৱিক, ৰাসায়নিক আৰু তেজস্ক্ৰিয়তাজনিতকাৰকত প্ৰাপ্তবয়স্কসকলতকৈ শিশুসকল সদায় বেছি স্পৰ্শকাতৰ তথা সহজে আক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে।
- শিশুসকলৰ এনে ক্ষয়-ক্ষতিৰ ফলত ৰক্তক্ষৰণ হ'লে সুস্থিৰতালৈ আহিবলৈ সক্ষম নহয়।
- শিশুসকলৰ পুষ্টিগত উপাদান আৰু পৰিমাণ প্ৰাপ্তবয়স্কসকলতকৈ বেলেগ।
- দুৰ্যোগৰ সময়ত অত্যাৱশ্যকীয় যতন বা আহিলা যেনে নীডল, জীৱনৰক্ষী জেকেট, অক্সিজেন মুখা ইত্যাদিৰ গঠন আৰু মাপ প্ৰাপ্তবয়স্কসকলতকৈ শিশুসকলৰ বেলেগ হোৱাৰ প্ৰয়োজন।
- তেনে মুহূৰ্তত শিশুসকলে সহায় ল'ব নোৱাৰে, নিজে প্ৰতিৰোধ বা প্ৰতিৰক্ষাও কৰিব নোৱাৰে।
- দুৰ্যোগৰ মুহূৰ্তত শিশুসকলে সময়োপযোগী যুক্তিযুক্ত বা শুদ্ধ সিদ্ধান্ত ল'ব নোৱাৰে।
- শিশুসকলে নিজৰ মনৰ ভাব ব্যক্ত কৰিব নোৱাৰে আৰু বুজাবও নোৱাৰে।
- জীৱনৰ বৃদ্ধি আৰু বিকাশৰ প্ৰতিটো ঢাপতে শিশুসকলৰ প্ৰয়োজনীয়তা সলনি হোৱা দেখা যায়।

গতিকে শিশুসকলৰ প্ৰয়োজন পূৰাব পৰাকৈ দুৰ্যোগ ব্যৱস্থাপনা বা প্ৰতিৰোধী পদ্ধতিত প্ৰয়োগ আৰু তাৰ বাবে নীতি নিৰ্দ্ধাৰণৰ প্ৰয়োজন আহি পৰিছে।

**শিশুৰ দুৰ্দশাগ্ৰস্ততা ঃ ধাৰণা আৰু ইয়াৰ প্ৰকাৰ ঃ**

শিশু বুলিলে United Nations Conventions on the Rights of the Child (UNCRC) দিয়া সংজ্ঞা অনুসৰি জন্মৰ পৰা ১৮ বছৰ বয়সৰ সকলোকে সামৰি লোৱা হৈছে। এই বয়সৰ শিশুসকলে সদায়ে যিকোনো দুৰ্যোগতে বেয়াকৈ ভুক্তভোগী। পৰিসংখ্যা একে কথাকেই কয়। কাৰণ বিংশ শতিকাৰ শেষাৰ্ধত বা একবিংশ শতিকাৰ আৰম্ভণিৰ দশকটোত বছৰি প্ৰায় ৬৬.৫ মিলিয়ন শিশু দুৰ্যোগত আক্ৰান্ত হৈছে। কিন্তু দ্বিতীয় দশকত সেই সংখ্যা দুগুণ হৈ প্ৰায় ১৭৫ মিলিয়ন হৈছেগৈ।

দুৰ্দশাগ্ৰস্ততা (Vulnerability) বুলিলে আমি কোনো ব্যক্তি, বিষয় বা সম্পত্তি বা বস্তুৰ যেতিয়া দুৰ্যোগৰ সময়ত আটাইতকৈ বেছি আৰু সহজতে ক্ষতি বা ঘায়েল হ'ব পৰা সম্ভাৱনাৰ মাত্ৰাকে বুজো। দুৰ্দশাগ্ৰস্ততা সাধাৰণতে তুলনামূলক আৰু আঘাত (Hazard)ৰ প্ৰকাৰভেদে ইয়াৰ প্ৰাৰ্থক্য আছে। শিশু বা কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ দুৰ্দশাগ্ৰস্ততা এজন প্ৰাপ্তবয়স্ক ব্যক্তিতকৈ সদায় বেছি। ইয়াৰ কাৰণ কেইবাটা। পৰিসংখ্যাৰ ফালৰ পৰাও এই কথাটোকে সঁচা বুলি প্ৰমাণিত হৈছে।

আজিৰ সমাজ ব্যৱস্থাত প্ৰচলিত বিভিন্ন আৰ্থসামাজিক স্পৰ্শকাতৰ বিষয় আছে যিবিলাকৰ কাৰণে বা এই বিষয়সমূহৰদ্বাৰা প্ৰভাৱিত সামাজিক ব্যৱস্থাৰ বাবে বিভিন্ন সময়ত শিশু সকল আৰু অধিক দুৰ্দশাগ্ৰস্ত হ'ব লগাত পৰিছে। শিশুৰ ক্ষেত্ৰত দুৰ্দশাগ্ৰস্ততা বিভিন্ন ধৰণে আহিব পাৰে। এইক্ষেত্ৰত বিস্তৃত আলোচনা হোৱা নাই যদিও বিগত কেইবাদশকৰ অভিজ্ঞতাৰ পৰা শিশু বিশেষজ্ঞসকলে বা দুৰ্যোগৰ ক্ষেত্ৰখনৰ গৱেষকসকলে দুৰ্যোগৰ সময়ত শিশুৱে পোৱা অভিজ্ঞতাৰ ভিত্তিত প্ৰধানত তিনি প্ৰকাৰৰ দুৰ্দশাগ্ৰস্ত বাচি উলিয়াইছে।

(ক) মানসিক দুৰ্দশাগ্ৰস্ততা (Psychological Vulnerability)
(খ) শাৰীৰিক দুৰ্দশাগ্ৰস্ততা (Physical Vulnerability)
(গ) শৈক্ষিক দুৰ্দশাগ্ৰস্ততা (Educational Vulnerability)

**যিকোনো সৰু-বৰ দুৰ্যোগ বা অঘটন এটাই শিশু এটিৰ জীৱনলৈ বিভিন্ন প্ৰকাৰৰ ভাবুকি আনিব পাৰে ইয়াৰ ভিতৰত প্ৰধান হৈছে—**

| মানসিক দুৰ্যোগ | শাৰীৰিক দুৰ্যোগ | শৈক্ষিক দুৰ্দশাগ্ৰস্ততা |
|---|---|---|
| - দুৰ্ঘটনাৰ পিছৰ মানসিক চাপৰ বিসংগতি (PTSD)<br>- হতাশা (Depression)<br>- বিষাদগ্ৰস্ততা (Anxiety)<br>- আৱেগিক বিচ্যুতি (Emotional Disorder)<br>- টোপনিৰ বিসংগতি (Sleep Disorder)<br>- আচৰণৰ সমস্যা (Behavioural Problem)<br>শাৰীৰিক পীড়া (Somatic Complain) | - মৃত্যু<br>- আঘাত<br>- বেমাৰ-আজাৰ<br>- পুষ্টিহীনতা<br>- গ্ৰীষ্মৰ চাপ<br>- শাৰীৰিক আৰু যৌন নিৰ্যাতন | বিদ্যালয়ৰ পৰা আঁতৰি থকা<br>- পৰীক্ষাত বিফলতা<br>- শৈক্ষিক প্ৰগতিত স্থিৰতা<br>- অসমাপ্ত শিক্ষা |

**শিশুৰ দুৰ্দশাগ্ৰস্ততাৰ কাৰকসমূহ হ'ল—**

| মানসিক কাৰক | শাৰীৰিক কাৰক | শৈক্ষিক কাৰক |
|---|---|---|
| - পৰিয়ালৰ আস্থা<br>- জীৱনৰ প্ৰতি প্ৰত্যাহ্বান<br>- ঋণাত্মক খাপখোৱা কৌশল (Negative Coping Skill)<br>- দুৰ্যোগৰ খাপ খোৱাকৈ প্ৰয়োজনীয় আহিলা বা সহায়ৰ অভাৱ।<br>- স্থানান্তৰকৰণ | - আঘাতপ্ৰৱণ এলেকাত বসবাস কৰা দুখীয়া পৰিয়াল।<br>- দুৰ্বল গাঁথনিৰ বিদ্যালয় বা গৃহ<br>- মাক-দেউতাকৰ মৃত্যু<br>- পৰিয়াল পৃথিকীকৰণ<br>- জাতি, বৰ্ণ তথা লিংগ বৈষম্য<br>- আকাৰ, সক্ষমতা তথা বিকাশৰ বৈষম্য<br>- খাদ্যৰ অভাৱ<br>- অভিভাৱকৰ দুৰ্দশাগ্ৰস্ততা<br>- অসুৰক্ষিত/ লেতেৰা পৰিৱেশৰ আশ্ৰয়স্থলী | - বিদ্যালয়গৃহৰ নষ্ট হ'লে<br>- ছাত্ৰ-শিক্ষকৰ স্থানান্তৰকৰণ<br>- মূল্যৱান নথি/তথ্য লোকচান<br>- পলমকৈ নামভৰ্ত্তি<br>- সঘনাই বিদ্যালয়ৰ স্থানান্তৰকৰণ<br>- পৰিয়ালত অস্থিৰতা<br>- আসোঁৱাহপূৰ্ণ বিদ্যালয় চৌহদ<br>- প্ৰাক্‌দুৰ্যোগ কালত হোৱা অনিয়মীয়া পাঠদান<br>- মাক-দেউতাকৰ মৃত্যু<br>- খাদ্যৰ বাবে শ্ৰমত নিয়োগ। |

সমগ্ৰ দুৰ্যোগৰ জীৱন প্ৰক্ৰিয়া (Disaster Life Cycle) এটাত শিশু এগৰাকীয়ে দিব পৰা অৱদান সম্পৰ্কে বিভিন্ন সময়ত অৱহেলা কৰা দেখা যায়। এইক্ষেত্ৰ ত শিশুৰ ক্ষেত্ৰত 'সাধাৰণ' সময়ত বিভিন্ন আইনী প্ৰক্ৰিয়া জড়িত থাকে; যাৰ বাবে তেওঁলোকক দুৰ্যোগ ব্যৱস্থাপনা প্ৰক্ৰিয়াটোত প্ৰত্যক্ষভাৱে সামৰি লোৱাত বিভিন্ন ধৰণে অসুবিধা আহে। কিন্তু যিহেতু দুৰ্যোগ বা অঘটন এটা স্বাভাৱিক জীৱনযাত্ৰা বা







সামাজিক পৰিৱেশত স্থবিৰতা আহে। গতিকে দুৰ্যোগ হৈ যাৱাৰ পিছত স্বাভাৱিক জীৱন এটা ঘূৰাই আনিবলৈ সমাজৰ অংশীদাৰ হিচাপে শিশুসকলকে জড়িত কৰাটো নিত্যান্তই অপৰিহাৰ্য।

**শিশুকেন্দ্ৰিক দুৰ্যোগ আৰু গ্ৰাম্য বিকাশ মঞ্চৰ ভূমিকা ঃ** স্বেচ্ছাসেৱী সংস্থা হিচাপে গ্ৰাম্য বিকাশ মঞ্চৰ জন্ম দুৰ্যোগৰ পৰাই হৈছে। বৃহত্তৰ বৰভাগ অঞ্চলৰ ৰাইজে প্ৰতিবছৰে ভুগি অহা বানপানী সমস্যাৰ আধাৰতেই জন্ম হোৱা গ্ৰাম্য বিকাশ মঞ্চই যোৱা পোন্ধৰ বছৰত দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ বিভিন্নধৰণৰ কাৰ্যসূচী/ প্ৰকল্প ৰূপায়ণ কৰি আহিছে। এই কাৰ্যসূচীৰ সময়ত শিশুসকলৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে বিভিন্ন মাধ্যম লোৱা হৈছিল। যোৱা পোন্ধৰ বছৰত গ্ৰাম্য বিকাশ মঞ্চই শিশুকেন্দ্ৰিক দুৰ্যোগৰ ক্ষেত্ৰত পদক্ষেপ হাতত লৈছে। বিদ্যালয়ৰ জৰিয়তে শিশুকেন্দ্ৰিক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্পৰ আধাৰত নলবাৰী জিলাৰ আশীখন বিদ্যালয়ত ল'ৰা-ছোৱালীৰ মাজত দুৰ্যোগৰ প্ৰতি সজাগতা, প্ৰশিক্ষণ তথা উদ্ধাৰ আৰু সাহায্য দল গঠন কৰিছে। বিদ্যালয়ত হ'ব পৰা সম্ভাব্য দুৰ্যোগৰ বিষয়ে পদ্ধতিগতভাৱে বিশ্লেষণ কৰি ল'ৰা-ছোৱালীৰ লগতে ৰাইজ আৰু চৰকাৰৰ সৈতে বিভিন্ন পৰ্যায়ত হেঁচা প্ৰয়োগ কৰিছে। বিদ্যালয়ৰ পাঠ্যপুথিত দুৰ্যোগৰ বিষয়ে শিক্ষা প্ৰদানৰ বাবে নিজাববীয়াকৈ পাঠ্যপুথি প্ৰস্তুত কৰি শিক্ষকৰ দ্বাৰা প্ৰশিক্ষণৰো ব্যৱস্থা কৰিছিল।



বিদ্যালয়গৃহ, খেল-পথাৰ উন্নয়ন তথা সমূহীয়া আশ্ৰয়স্থলী নিৰ্মাণৰ জৰিয়তে বানপানীৰ সময়ত বিদ্যালয়ৰ পাঠদান কাৰ্য সুনিশ্চিত কৰিবলৈও প্ৰচেষ্টা চলাইছিল। বৰ্তমানেও অনুষ্ঠানটিয়ে কামৰূপ (গ্ৰাম্য) জিলাৰ ৰঙিয়া আৰু হাজো উন্নয়ন খণ্ডৰ দহখন গাঁৱত অনুৰূপ এক প্ৰকল্প ৰূপায়ণ কৰি আছে। এই প্ৰকল্পৰ জৰিয়তে ৰাইজৰ মাজত শিশুকেন্দ্ৰিক দুৰ্যোগৰ বিষয়ে এক সজাগতামূলক কাৰ্যসূচী চলাই আহিছে; য'ত শিশুসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে।



# মানৱ অধিকাৰ ঃ এক চমু আভাষ

✍ **চন্দন তালুকদাৰ**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

অধিকাৰ হ'ল এনে এক সুযোগ-সুবিধা যিবিলাক নহ'লে মানুহে নিজৰ ব্যক্তিত্বৰ পুনঃবিকাশ কৰিব নোৱাৰে আৰু মৰ্যাদাসহ জীয়াই থাকিব নোৱাৰে। মানুহ হৈছে সভ্য সমাজৰ সভ্য যুক্তিৱান প্ৰাণী। মানুহ হোৱাৰ সুবাদতে মানুহে কিছুমান অহস্তান্তৰিক অধিকাৰ লাভ কৰে আৰু এনে অধিকাৰবোৰক সাধাৰণতে মানৱ অধিকাৰ বুলি কোৱা হয়। এজন ব্যক্তিয়ে এই পৃথিৱীত জন্ম লাভ কৰাৰ লগে লগে অধিকাৰসমূহ লাভ কৰে। যাৰ জৰিয়তে ব্যক্তিজনৰ নিজৰ অস্তিত্ব তথা মৰ্যাদা বাহাল থাকে। মানৱ অধিকাৰ জন্মগত অধিকাৰ হোৱা হেতুকে জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু জাতীয়তা নিৰ্বিশেষে সকলোৱে সমানে লাভ কৰে। মানৱীয় গুণসমূহৰ বিকাশ, বুদ্ধিমত্তা, বিবেক, আধ্যাত্মিক প্ৰয়োজনীয়তা আদি পূৰণৰ ক্ষেত্ৰত মানৱ অধিকাৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুঠতে ক'বলৈ গ'লে মানুহৰ মান-মৰ্যাদা আৰু প্ৰমূল্য সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে মানৱ অধিকাৰৰ ওপৰত।

মানৱ অধিকাৰ বুলি কওঁতে কোনো এক নিৰ্দ্দিষ্ট ধৰণৰ অধিকাৰক সামৰি নলয়। মানৱ অধিকাৰে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি অধিকাৰকে সামৰি লয়। বিভিন্নজন মানৱ অধিকাৰৰ পণ্ডিত আৰু সংগঠনসমূহে মানৱ অধিকাৰ সম্পৰ্কে বেলেগ বেলেগ ধাৰণা ব্যক্ত কৰিছে যদিও মানৱ অধিকাৰ বুলিলে মানুহৰ মৰ্যাদা ৰক্ষাৰ বাবে প্ৰয়োজনীয় অধিকাৰসমূহেই হ'ল মানৱ অধিকাৰ ।

ওপৰোক্ত আলোচনা তথা মানৱ অধিকাৰ সম্পৰ্কে বিভিন্ন পণ্ডিতসকলে দিয়া ধাৰণাসমূহৰপৰা মূল কথা হিচাপে তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

- মানৱ অধিকাৰ জন্মগত অধিকাৰ।
- মানৱ অধিকাৰক ব্যক্তি অথবা ব্যক্তি সমষ্টিৰ দ্বাৰা ৰাষ্ট্ৰৰ সপক্ষে বা বিপক্ষে কাৰ্যকৰী কৰিব পাৰি।
- মানৱ অধিকাৰ ব্যক্তি বা ব্যক্তি সমষ্টিৰ অধিকাৰ।
- জীৱনৰ সকলো দিশতে মানৱ অধিকাৰ হৈছে স্থায়ী সাৰ্বজনীন আৰু বৈধ।
- মানৱ অধিকাৰে কোনো বৈষম্য নৰখাকৈ সকলোৰে মৰ্যাদা আৰু সমতা প্ৰতিষ্ঠা কৰাৰ লগতে স্বাধীনতা তথা ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ বাবেও কাম কৰে।
- মানৱ জাতি অথবা মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে মানৱ অধিকাৰ হৈছে নিম্নতম প্ৰয়োজনীয়তা।
- অধিকাৰসমূহক সকলো পৰ্যায়তে সমাজে অথবা ৰাষ্ট্ৰৰ কৰ্তৃত্বই সুৰক্ষিত আৰু কাৰ্যকৰী কৰে।

**মানৱ অধিকাৰৰ বৈশিষ্ট্যসমূহ ঃ**

মানৱ অধিকাৰসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ হ'ল—

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহে মানুহৰ জীৱনৰ নিম্নতম প্ৰয়োজনীয়তা বোৰ পূৰণৰ নিশচয়তা প্ৰদান কৰে। এই অধিকাৰসমূহ অবিহনে মানুহৰ অস্তিত্বৰ প্ৰতিয়ে ভাবুকি আহিব পাৰে।

১. মানৱ অধিকাৰ জন্মাগত অধিকাৰ। মানুহ হিচাপে জন্মগ্ৰহণ কৰাৰ লগে লগে মানৱ অধিকাৰসমূহ ভোগ কৰিব পাৰি। সমাজ, জাতি, ধৰ্ম, লিংগ, ভাষা নিৰ্বিশেষে সকলো লোকেই সমানেই অধিকাৰ লাভ কৰে।
২. মানৱ অধিকাৰে সকলো ধৰণৰ অধিকাৰ, যেনে— সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক ইত্যাদি অধিকাৰ সামৰি লয়। সমাজত শান্তি, নিৰাপত্তা আৰু মৰ্যাদাপূৰ্ণ জীৱনৰ বাবে ব্যক্তিসকলক প্ৰয়োজনীয় সকলোৰে অধিকাৰ মানৱ অধিকাৰৰ অন্তৰ্ভুক্ত হয়।
৩. প্ৰতিজন লোকে মানৱ অধিকাৰ সম্পৰ্কে জ্ঞাত হওক বা নহওক, মহান মানৱ সমাজৰ অংশীদাৰ হোৱা বাবেই এই অধিকাৰসমূহ লাভ কৰে।
৪. মানৱ অধিকাৰৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিব পৰা যায়। ৰাজহুৱা শান্তি, সামাজিক নৈতিকতা, ৰাজনৈতিক নিৰাপত্তা ইত্যাদি কাৰণৰ বাবে মানৱ অধিকাৰৰ ওপৰত বাধা নিষেধ আৰোপ কৰিব পৰা যায়।
৫. মানৱ অধিকাৰসমূহৰ লগতে কৰ্তব্য ওতপ্ৰোতভাৱে জড়িত থাকে।

**মানৱ অধিকাৰসমূহ ঃ**

**পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ঃ**

জীৱনৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাসমূহক সুৰক্ষিত কৰাৰ সৈতে জড়িত থকা অধিকাৰ সমূহক পৌৰ অধিকাৰ (Civil Rights) আখ্যা দিব পাৰি। এই অধিকাৰসমূহ মানুহে ব্যক্তি হিচাপে ভোগ কৰে। পৌৰ বা নাগৰিকৰ অধিকাৰ বিভিন্ন ধৰণৰ হ'ব পাৰে।

১. জীৱন ৰক্ষাৰ অধিকাৰ।
২. সম্পত্তিৰ অধিকাৰ।
৩. শিক্ষাৰ অধিকাৰ।
৪. ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ।
৫. ধৰ্মৰ অধিকাৰ।
৬. পৰিয়ালৰ অধিকাৰ।
৭. অমানৱীয় আৰু নিষ্ঠুৰ ব্যৱহাৰৰ বিপক্ষে স্বাধীনতা।

এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থা অথবা চৰকাৰ গঠনত অংশগ্ৰহণৰ সুযোগ-সুবিধা প্ৰদান কৰা অধিকাৰসমূহেই হৈছে ৰাজনৈতিক অধিকাৰ। প্ৰত্যেক ৰাষ্ট্ৰৰ নাগৰিকসকলে ৰাষ্ট্ৰৰ কাম-কাজত অংশগ্ৰহণৰ সুযোগ পোৱা উচিত। গতিকে যিবিলাক সুযোগ-সুবিধাই নাগৰিকসকলক ৰাষ্ট্ৰৰ কাম কাজত অংশ গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰে, সেইবিলাকেই হৈছে ৰাজনৈতিক অধিকাৰ। এই অধিকাৰসমূহ হ'ল—

১. ভোটদানৰ অধিকাৰ।
২. নিৰ্বাচিত হোৱাৰ অধিকাৰ।
৩. চৰকাৰী চাকৰি লাভৰ অধিকাৰ।
৪. চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ... ইত্যাদি।

**অন্যান্য পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ঃ**

১. সমতা আৰু বৈষম্যহীনতাৰ অধিকাৰ।
২. জীৱন আৰু স্বাধীনতাৰ অধিকাৰ।
৩. জোৰকৈ গ্ৰেপ্তাৰৰ বিৰুদ্ধে অধিকাৰ।
৪. চিন্তা আৰু বক্তব্য প্ৰকাশৰ স্বাধীনতা।
৫. শান্তিপূৰ্ণভাৱে সমৱেত হোৱাৰ অধিকাৰ।
৬. ৰাজহুৱা কৰ্মত অংশগ্ৰহণৰ অধিকাৰ।
১. সংস্থা গঠনৰ অধিকাৰ।
২. সাংস্কৃতিক অধিকাৰ।
৩. শিশুৰ অধিকাৰ।
৪. সুবিচাৰ লাভৰ অধিকাৰ ইত্যাদি।

**অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিক অধিকাৰ ঃ**

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহে মানুহৰ জীৱনৰ নিম্নতম প্ৰয়োজনীয়তা বোৰ পূৰণৰ নিশ্চয়তা প্ৰদান কৰে। এই অধিকাৰসমূহ অবিহনে মানুহৰ অস্তিত্বৰ প্ৰতিয়ে ভাবুকি আহিব পাৰে। উদাহৰণ স্বৰূপে এজন মানুহৰ উপযুক্ত আহাৰ, বস্ত্ৰ, বাসস্থান, কৰ্মসংস্থান আদিৰ অধিকাৰ নাথাকিলে মানুহজন জীয়াই থাকিব নোৱাৰে।

**এনে অধিকাৰসমূহ হ'ল—**

১. কৰ্মৰ অধিকাৰ।
২. সামাজিক নিৰাপত্তাৰ অধিকাৰ।
৩. সমান কামৰ বাবে সমান মজুৰিৰ অধিকাৰ।
৪. জিৰণিৰ অধিকাৰ।
৫. মাতৃত্ব আৰু শিশুৰ সুৰক্ষাৰ অধিকাৰ।
৬. শিক্ষাৰ অধিকাৰ।
৭. ধৰ্মঘটৰ অধিকাৰ।
৮. ট্ৰেড ইউনিয়নৰ অধিকাৰ।
৯. বিবাহ আৰু পৰিয়ালৰ অধিকাৰ।
১০. মাতৃত্বৰ সা-সুবিধাৰ লাভৰ অধিকাৰ... ইত্যাদি।

**সামূহিক বা সমলিংগৰ অধিকাৰ ঃ**

সামূহিক বা সমলিংগ অধিকাৰ সমূহৰ ব্যক্তি সমষ্টিৰ হাততহে অৰ্পণ কৰিছে। কোনো নিৰ্দ্দিষ্ট ব্যক্তিবিশেষক দিয়া হোৱা নাই। মানৱ জাতিৰ অস্তিত্ব আৰু কল্যাণৰ বাবে এই অধিকাৰসমূহ অতিশয় গুৰুত্বপূৰ্ণ।

সামূহিক বা সমষ্টিগত অধিকাৰৰ কেইটামান গুৰুত্বপূৰ্ণ অধিকাৰ হৈছে—

১. আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ।
২. স্থিতিশীল বিকাশ লাভৰ অধিকাৰ।
৩. শান্তিপূৰ্ণ আৰু হিংসাবিহীন জীৱন ধাৰণৰ অধিকাৰ।
৪. অস্ত্ৰবিহীন এখন শান্তিপূৰ্ণ বিশ্ব লাভৰ অধিকাৰ।
৫. বিবাহৰ জৰিয়তে পৰিয়াল গঠন কৰাৰ লগতে বিবাহ বিচ্ছেদৰ অধিকাৰ... ইত্যাদি।




# কন্যা সন্তান দিৱসৰ তাৎপৰ্য

✍ প্ৰাঞ্জনা ডেকা
স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ

সন্তান ভগৱানৰ এক অন্যান্য মহান দান। বিবাহৰ পিছতে সামাজিক ৰীতি অনুসৰি এটি দম্পতী বা তেওঁলোকৰ পৰিয়ালে সন্তান এটিৰ কামনা কৰে; কন্যা সন্তানেই হওক বা পুত্ৰ সন্তানেই হওক। তথাপিও যেন এই সন্তান বিচাৰোতে আমাৰ ক'ৰবাত অকণমান হ'লেও স্বাৰ্থপৰতা দেখা যায়। সেয়া চাক্ষুস দৃষ্টিত যদিও অনস্বীকাৰ্য তথাপিও সেয়া আমাৰ সমাজত দেখা পোৱা এটা ৰীতি বুলিয়ে ক'ব পাৰি। কন্যা সন্তানেই হওক বা পুত্ৰ সন্তানেই হওক আমি যদি ভগৱানৰ দান বুলি ভাবো, তথাপিও আমি ক'ৰবাত যেন অকণমান হ'লেও কন্যা সন্তান বুলি ক'লে সামান্য হ'লেও কম্পিত হৈ পৰো, যেন সেয়া আমাৰ কাম্য নাছিল।

এতিয়া প্ৰশ্ন হ'ল— আমাৰ মনত এই বিভেদৰ কাৰণ কি? আমিতো সদায় কওঁ বা যিকোনো মাধ্যমতে দেখা পাওঁ যে কন্যা বা পুত্ৰ সন্তানে একেলগে সমাজত আগবাঢ়ি গৈছে বা যাব লাগে। আপতঃদৃষ্টিত সেয়া সত্য হ'লেও আমাৰ সমাজত কন্যা সন্তানক সম্পূৰ্ণ মৰ্যাদা বা স্বীকৃতি দিয়া হৈছেনে? আমাৰ সমাজ বাদেই আনকি সমগ্ৰ বিশ্বতে এতিয়াও কন্যা সন্তানক সম্পূৰ্ণ মৰ্যাদা বা স্বীকৃতি দিব পৰা নাই।

"তুমি এইটো কাম নকৰিবা, এয়া ল'ৰা মানুহৰ কাম।"

"কিয় তুমি অকলে গ'লা, কাৰোবাক লগত লৈ যাব লাগিছিল।"

"ছোৱালী মানুহ দেৰিলৈকে ঘৰৰ বাহিৰত নাথাকিবা।"

"লাও যিমানে ডাঙৰ নহওক কিয়, পাতৰ তল।"

এনে মন্তব্য কন্যা সন্তানৰ ক্ষেত্ৰত প্ৰায়ে শুনিবলৈ পোৱা যায়, কিন্তু পুত্ৰ সন্তানৰ ক্ষেত্ৰত কেতিয়াবা

কোনোবাই এনেকুৰা মন্তব্য দিয়া শুনিবলৈ পাইছেনে? কিয় কন্যা সন্তানৰ ক্ষেত্ৰত এনেকুৰা টুলুঙা দৃষ্টিভংগীৰে টুলুঙা মন্তব্য দিওঁ।

বিজ্ঞানৰ বিপুল অগ্ৰগতি আৰু বিশ্বত ইলেক্ট্ৰনিক মাধ্যমৰ প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ লগে লগে সমগ্ৰ বিশ্বই আজি অসম্ভৱকো সম্ভৱৰ দিশে ধাৱমান কৰি বা সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে। কিন্তু যদি এই সফলতাৰ বিপৰীতে কিছু দ'কৈ যুকিয়াই চাওঁ, তেন্তে সমাজ ব্যৱস্থাৰ এনে আকাশলংঘী উৰ্দ্ধমুখী যাত্ৰাই আমাৰ মনুষ্যত্বৰ মানসিকতাৰ গতি কোন দিশে ধাৱমান হৈছে। কিছুমান ক্ষেত্ৰত এতিয়াও আমি সেই মান্ধাতাযুগৰ এলান্ধুকলীয়া মানসিকতাৰ মাজত বিচৰণ কৰি থকা নাইনে, নে আমি সঁচাকৈ উন্নতি আৰু অগ্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰিছো।

ওপৰে ওপৰে চালে তেনেকুৱাই লাগিব। কিন্তু যদিহে সমাজৰ ভিতৰলৈ অলপ দকৈ জুমি চাওঁ, দেখা পাম আমাৰ মানসিকতাৰ এতিয়াও পৰিবৰ্তন হোৱা নাই যেন লাগে। আমাৰ সমাজখনে এতিয়াও সন্তান জন্মৰ ক্ষেত্ৰত কন্যা সন্তানৰ পৰিবৰ্তে অলপ হ'লেও বেছিকৈ পুত্ৰ সন্তান কামনা কৰে। এইযাৰ কথা এই কাৰণে ক'ব খোজা হৈছে যে সমগ্ৰ পৃথিৱীতে এতিয়ালৈকে কোনো ধৰণৰ পুত্ৰ সন্তান দিৱস পালন কৰি অহা নাই। এই প্ৰসঙ্গত ২০১২ চনৰ ১১ অক্টোবৰৰ দিনটোৰ কথা ক'ব খুজিছো। এই দিনটোক কিয় ৰাষ্ট্ৰ সংঘই 'কন্যা সন্তান দিৱস' হিচাপে পালন কৰাৰ বাবে ঘোষণা কৰি প্ৰতি বছৰে ১১ অক্টোবৰ দিনটো "কন্যা সন্তান দিলস" হিচাপে পালন কৰি আহিছে। এইখিনিতো এটা প্ৰশ্নৰ উদয় হয় যে এয়া আমাৰ সমাজতে নহয় সমগ্ৰ বিশ্বতে কন্যা সন্তান ক'ৰবাত অকণমান হ'লেও অৱহেলিত, লাঞ্ছিত, বঞ্চিত হৈ আহিছে। যাৰ বাবে ৰাষ্ট্ৰ সংঘই পুত্ৰ সন্তানৰ নিচিনাকৈ সমমৰ্যাদা পোৱাৰ স্বাৰ্থতে আন্তঃৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস পালন কৰাৰ কথা ঘোষণা কৰে। আনকি আমাৰ দেশতো কিয় 'বেটী বচাও, বেটী পঢ়াও' অভিযান উলিয়াব লগা হ'ল। আচলতে এয়া কন্যা সন্তানৰ প্ৰতি সমাজৰ সমমৰ্যাদা স্থাপনৰ পদক্ষেপ, নে সেয়া কন্যা সন্তান এটিক জন্মৰ আগৰেপৰাই কন্যা সন্তান যে সমাজত অৱহেলিত সেয়া কৰাৰ ৰীতি। কিয়নো আমি কিছুমান কথা গম নোপোৱালৈকে বিশেষভাৱে নাভাবো, কিন্তু যেতিয়া এই আইন, অভিযান বা দিৱসবোৰ আমাৰ লগত থাকে তেতিয়া আমি সেইবোৰ কৰাৰ প্ৰতি বিশেষ ভাৱে অগ্ৰহান্বিত হওঁ।

পুৰণি দিনত মানুহে কন্যা সন্তানে হওক বা পুত্ৰ সন্তানেই হওক প্ৰাকৃতিক নিয়মেৰে সন্তান জন্ম দিছিল। কিন্তু বৰ্তমান বিজ্ঞান-সভ্যতা ইমানেই আগুৱাই গ'ল যে আমি কন্যা সন্তান নে পুত্ৰ সন্তান সেয়া জন্মৰ আগতে পৰীক্ষা কৰি চাব পৰা হ'ল আৰু নিজৰ প্ৰয়োজন অনুসাৰে তাক ব্যৱহাৰ কৰিব পৰা হ'ল। আনকি কন্যা সন্তানৰ ভ্ৰূণ নষ্ট কৰিবলৈকো কুণ্ঠাবোধ নকৰা হ'ল। কিন্তু আজিলৈকে সমাজত কোনোবাই কেতিয়াবা শুনিছেনে যে পুত্ৰ সন্তানৰ ভ্ৰূণ নষ্ট কৰা হ'ল। আনকি জন্মৰ পিছতে মাক-দেউতাক বা পৰিয়ালৰ অন্য লোকে কন্যা সন্তানৰ তুলনাত পুত্ৰ সন্তানৰ পৰিচৰ্যাক লৈ অলপ হ'লেও বেছিকৈ কৰা দেখা যায়। গতিকে এই প্ৰসংগত আপুনিও এজন দায়িত্বশীল মানুহ হিচাপে ভাবক— "যেতিয়ালৈকে সমাজত মানসিকতাৰ সলনি নহয়, তেতিয়ালৈকে অভিযান, আইন বা দিৱসে এখন সমাজত নৈতিকতাৰ মূল্যবোধৰ পৰিবৰ্তন কৰিব নোৱাৰে।

*"ঘৰৰ ছোৱালী ঘৰৰ লখিমী*
*তাইক আদৰ সন্মান কৰক*
*ছোৱালী নহ'লে বোৱাৰী পাব ক'ত*
*বোৱাৰী নহ'লে, দেশৰ ভৱিষ্যৎ ক'ত।।"*














# শিশুৰ ব্যক্তিত্ব গঠনত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা

✍ হিমানী ৰাজবংশী
স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ

বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাৰ প্ৰয়োজন ব্যাপকভাৱে অনুভৱ কৰি অহা হৈছে। নৱজাত এটি শিশু হৈছে নৈতিক চেতনাহীন জীৱ। আন আন জীৱ-জন্তুৰ দৰেই এটি শিশুৰ আচৰণো হয় প্ৰবৃত্তি পৰিচালিত। এই সময়ত শিশু আচৰণৰ কোনো নৈতিক-অনৈতিকতাৰ প্ৰশ্ন নুঠে। লাহে লাহে সমাজৰ লোকৰ সংস্পৰ্শ আৰু পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগে লগে সুখ-দুখৰ অনুভূতি আৰু অভিজ্ঞতাৰ যোগেদি শিশুৱে নৈতিক চেতনা লাভ কৰি উঠে। সেয়েহে ক'ব পাৰি যে শিশুৰ নৈতিকতা হৈছে এক শিক্ষালব্ধ অভিজ্ঞতা। এই প্ৰসংগতে এটি শিশুক নৈতিক অথবা অনৈতিক স্বৰূপে গঢ় দি তোলা হয়।

নৈতিক শিক্ষাৰ মূল উদ্দেশ্য হৈছে ব্যক্তিৰ সহজাত জৈৱিক প্ৰবৃত্তি পৰিচালিত আচৰণসমূহ সংশোধন কৰি উচ্চমান বিশিষ্ট আদৰ্শ, মূল্যবোধ, মনোভাব আৰু মানৱীয় অনুভূতিসমূহ বিকশাই তোলা। এনে কাৰ্যৰ যোগেদি শিশুৰ চৰিত্ৰ গঠন আৰু ব্যক্তিত্বৰ প্ৰয়োজনীয় গুণ বিকশাই তুলিব পাৰি, সুস্থ সুন্দৰ, সামাজিক আৰু নৈতিক জীৱনত সহায় কৰিব পাৰি। মানুহৰ সমগ্ৰ শিক্ষা ব্যৱস্থাটোৱে এনে নৈতিক শিক্ষা বিকাশৰদ্বাৰা অনুভূতিসিক্ত কৰি তোলাটো অতি প্ৰয়োজনীয়।

বৰ্তমান বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ দিশত লাভ কৰা অগ্ৰগতিয়ে মানুহৰ মন বস্তুবাদী জগতৰ প্ৰতি অধিক আকৰ্ষিত কৰি তুলিছে। দৈহিক সুখাভিমুখতাই মানুহক অধিক আত্মকেন্দ্ৰিক আৰু তেওঁলোকৰ মনৰ মূল্যবোধ, মনোভাব আৰু মানৱীয় অনুভূতিসমূহৰ সুস্থ আৰু আদৰ্শ বিকাশত বাধাৰ সৃষ্টি কৰি তুলিছে। তেওঁলোকৰ আচৰণত সুস্থ সুন্দৰ, মাৰ্জিত আৰু সুৰুচীপূৰ্ণ ভাব-অনুভূতিবোৰৰ বিশেষ অভাৱ ঘটিছে। নৈতিকতাৰ দিশত বিবেকৰ বিপৰ্যয় ঘটিছে। এনে এক অৱস্থাত আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত নৈতিকতাৰ স্খলন পৰিলক্ষিত হৈছে। সেয়েহে ইয়াৰ প্ৰতিকাৰ কৰিবৰ বাবে বৰ্তমান সমাজত সকলোৱে নৈতিক শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰাৰ পৰিলক্ষিত হৈছে। শিশু প্ৰায় দুবছৰ বয়সলৈকে নৈতিক চেতনাহীন হৈ থকাৰ বাবে এই সময়ছোৱাত নৈতিক শিক্ষাৰ প্ৰয়োজন



নাই। কিন্তু প্ৰাক্ প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ত এনে শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগে। শিশুৰ নৈতিক শিক্ষা প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো প্ৰকাৰে দিয়া উচিত। ইয়াৰ বাবে শিশুৰ বয়স, বোধশক্তি আৰু তাৰ নৈতিক চেতনা বিকাশৰ বিভিন্ন স্তৰত দেখা পোৱা বৈশিষ্ট্যবোৰৰ প্ৰতি অভিভাৱকসকল সজাগ হোৱাৰ প্ৰয়োজন।

শিক্ষাৰ এই দুই পৰ্যায়ত শিশুৰ সমূহীয়া প্ৰাৰ্থনা, গীত-মাত, নৃত্য আদি নৈতিক শিক্ষাৰ বিষয় স্বৰূপে গ্ৰহণ কৰিব লাগে। খেলা-ধূলা আদিত যাতে শিশুৱে অনুশাসন মানি গ্ৰহণযোগ্য নীতি নিয়মৰ অনুৱৰ্তী হৈ চলে আৰু আনুগত্যৰ ভাব প্ৰকাশ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। পৰিষ্কাৰ-পৰিচ্ছন্নতা, নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা আদি আচৰণসমূহ অনুশীলনৰ যোগেদি শিশুৰ অভ্যাসত পৰিণত কৰিব লাগে। শিশুক সকলোৱে নৈতিক শিক্ষাদানৰ বাবে দৃশ্য-শ্ৰাব্য সঁজুলিবোৰৰ সৎ ব্যৱহাৰ কৰিব পাৰে। বিশেষকৈ শিশু মনত নৈতিকতাৰ ভাব জগাই তোলা চিত্ৰ, ৰঙীন চিত্ৰকলা ভাস্কৰ্য, কথাচিত্ৰ প্ৰদৰ্শন আদিৰ সহায় লৈ শিশুসকলক নৈতিক শিক্ষা প্ৰদান কৰিব পাৰে। শিশুৰ মনঃপুত হোৱা সাধুকথা, কাহিনী আদিৰ যোগেদি সহজে নীতিজ্ঞান আৰু নীতিশিক্ষা দিব পাৰি। বিশেষকৈ মহাভাৰত, ৰামায়ণ আদি মহাকাব্যৰ পৰা নীতিজ্ঞান দিব পৰা বহুতো কাহিনী নৈতিক শিক্ষাৰ বাবে নিৰ্বাচন কৰি সত্যৰ জয়, অসত্যৰ পৰাজয় হোৱা, অন্যায়ৰ প্ৰতি ভয় কৰা, পাপক ঘৃণা কৰা, ভগৱানৰ প্ৰতি বিশ্বাস কৰা, দুখীয়া-নিচলা আৰু দৈহিকভাৱে অক্ষম লোকক সহায় কৰা, গুৰুৰ প্ৰতি ভক্তি আৰু আনুগত্য প্ৰকাশ কৰা, জীৱ-জন্তুৰ প্ৰতি দয়া-কৰুণাৰ দৃষ্টিৰে চোৱা আদি নৈতিকতাৰ আদৰ্শ আৰু উপলব্ধি শিশুসকলৰ মনত জগাই তুলিব পাৰি। পৃথিৱীৰ বিখ্যাত ধৰ্মগুৰু আৰু সমাজ সংস্কাৰক মহাপুৰুষসকলৰ জীৱনী আৰু তেওঁলোকৰ আদৰ্শসমূহো শিশু উপযোগী কৰি শিক্ষা প্ৰদান কৰিব পৰা যায়।



ইয়াৰ উপৰি ব্যৱহাৰিক জীৱনত প্ৰয়োজন হোৱা কেতবোৰ মানৱীয় অনুভূতিও শিশুৰ নিজৰ ক্ৰিয়া আচৰণৰ জৰিয়তে জগাই তোলাৰ ব্যৱস্থা কৰিব পাৰি। যেনে, দেশৰ প্ৰতি ভাল পোৱা, সমাজৰ প্ৰতি আনুগত্য, কৰ্তব্যৰ প্ৰতি নিষ্ঠা আৰু একাগ্ৰতাৰ ভাব, দুখ-কষ্টৰ প্ৰতি সহিষ্ণুতাৰ ভাব আৰু আনৰ প্ৰতি আত্মীয়তাৰ ভাব জগাই তোলা আদি পৰিৱেশ গঢ়ি তুলিব লাগে। বৰ্তমান সময়ত বন সংৰক্ষণ; বনৰীয়া জীৱ-জন্তু সংৰক্ষণ, বৃক্ষ ৰোপন, বিশ্ব পৰিৱেশ দিৱস পালন, শিক্ষক দিৱস পালন আদি কাৰ্যসূচী গ্ৰহণৰ যোগেদি শিশুৰ মনত সেইবিলাক বিষয়ৰ ওপৰত নৈতিক চেতনা জগাই তুলিব পাৰি। নৈতিক শিক্ষা ব্যৱস্থাই সমাজ আৰু সম্প্ৰদায়ৰ লোকৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় জীৱনৰ আশা-আকাংক্ষাও পূৰণ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।





# সুখ-দুখ ঃ এক পৰ্যালোচনা

✍ ক্ষিতীশ কাকতি
স্বেচ্ছাসেৱক
গ্ৰাম্য বিকাশ মঞ্চ

*সুখ সুখ বুলি মানুহ বলিয়া*
*নেদেখে সুখৰ মুখ*
*সুখ বিচাৰোতে পাই সংসাৰত*
*দুখৰ উপৰি দুখ।*

**—আনন্দ চন্দ্ৰ আগৰৱালা**

সৃষ্টিৰ আদিৰে পৰা যুগে যুগে যিটো বস্তুৰ অন্বেষণত মানুহে হাবাথুৰি খাব লাগিছে, সেইটোৱেই হ'ল সুখ। প্ৰতিগৰাকী মানুহে সুখ আৰু আনন্দৰ মাজেৰে জীৱনটো অতিবাহিত কৰিব বিচাৰে। কিন্তু সুখ আছে যদিও তাক ধৰি ৰাখিব নোৱাৰি। আমাৰ মনত বিভিন্ন ভাবে ক্ৰিয়া কৰে। সুখ একপ্ৰকাৰ ভাব, দুখো একপ্ৰকাৰ ভাব। মনটো সুন্দৰ কৰি ৰাখিব পাৰিলে, ভাবো সুন্দৰ হয় আৰু ভাবে ভাষা মুখৰিত কৰে। নিজৰ লগতে আনৰ সুখ-দুখৰ সমভাগী হ'ব পাৰিলে নিজৰ লগতে আনৰ মঙ্গল চিন্তা কৰি তাক বাস্তৱ ৰূপ দিব পাৰিলে মনৰ প্ৰসাৰণ আহে আৰু এই প্ৰসাৰণেই সুখ। অকল যদি আত্মস্বাৰ্থত ডুবি থকা যায়, আনৰ স্বাৰ্থৰ কথা ভবা নাযায়, সেইটোৱেই মনত সংকোচ আনি দিয়ে আৰু সেই সংকোচেই দুখ।

আমি আটায়ে আল্লা বা ঈশ্বৰৰ সন্তান। আমি প্ৰত্যেকেই ভাই-ভনীৰ নিচিনা। এনে ভাবে মনত আত্মীয়তাবোধ তথা প্ৰেম-প্ৰীতিৰ ভাব সৃষ্টি কৰে। প্ৰেম-প্ৰীতিৰ ভাব সৃষ্টি হ'লে কাৰো পৰা কোনেও হেৰাই নাযায়। কিন্তু এজনে আন এজনৰ দোষ দেখাৰ মানসিকতা গঢ়ি উঠিলে, সমালোচনা কৰা অভ্যাস গঢ়ি উঠিলে, এজনে আনজনক হেৰুৱাব, তাক আৰু নাপায়। তেতিয়াই মানুহৰ মন দুখত ভাৰাক্ৰান্ত হয়। আমি যদি কাৰো দুখৰ কাৰণ নহওঁ, তেন্তে কোনে আমাৰ দুখৰ কাৰণ নহ'ব।

মানুহৰ ভালটো দেখিলো আৰু দীপ্তকণ্ঠে প্ৰচাৰ কৰিলো। এইটোৱেই ভালপোৱাৰ অনুশীলন। সকলোকে লৈ মই চলিম। সকলো মোৰ আপোন এনে ভাব লৈ মই চলিম। এনে ভাব লৈ চলিব পাৰিলে দুখ নাথাকে।

কোনো কুকাৰ্য কৰি প্ৰকাশ কৰিব নোৱাৰিলেও মনত সংকোচ আহে আৰু তাতেই আনন্দৰ অভাৱ হয় আৰু সিয়েই দুখ দিয়ে। দুখ নানা প্ৰকাৰে হ'ব পাৰে। আনৰ পৰা কিবা এটা বিচাৰি ব্যৰ্থ হ'লো, তেতিয়া মনটো বেয়া লাগে, মনত দুখ হয়। আনৰ পৰা যদি একো নিবিচাৰো সকলো ক্ষেত্ৰতেই নিজেই তৎপৰ হৈ চলো দুখে একো কৰিব নোৱাৰে। দুখ কাৰো প্ৰকৃতিগত নহয়।

দম্ভ-দৰ্প, মান-অভিমান যাৰ যিমান, দুখো তাৰ সিমান। নিজৰ পৰিৱেশ ঠিকভাৱে গঢ়ি তুলিব নোৱাৰিলেও তাৰ পৰা দুখ আহে। আকৌ নানা প্ৰকৃতিমাৰ্গী চাহিদাৰ পিছত ঘূৰিলে আচল চাহিদা হেৰাই যায়, দুখ আহে। বিভিন্ন কাৰণত আমাৰ দুখ আহিলেও প্ৰতিটো ক্ষেত্ৰতে সজাগ থাকিলে দুখে ক্ৰিয়া কৰিব নোৱাৰে।

সুখ পাবলৈ হ'লে সকলোকে আপোন কৰাৰ চেষ্টা কৰিব লাগিব। সহ্যগুণ নাথাকিলে আমি কাকো আপোন কৰাৰ ভাব মনত সৃষ্টি নহ'ব। নিজৰ সন্তানকো সহ্য কৰিব লগীয়া হয়। সহ্যগুণৰ মাজেৰে মানুহ আপোন হয়। কোনো ব্যক্তিৰ মনত দুখ দিয়াৰ আচৰণ যদি কৰা নাযায় কোনোবাই দুখ দিলেও তাক সহ্য কৰাৰ ভাব যদি থাকে তেনেহ'লে দুখ আপোনা-আপুনি আঁতৰি যাব। এই ক্ষন্তেকীয়া জীৱনটো সুখৰ মাজেৰে কটাবলৈ হ'লে জীৱনৰ সময়বোৰ সৎচিন্তা আৰু সৎকৰ্মৰ মাজেৰে পৰিপূৰ্ণভাৱে ব্যৱহাৰ কৰিব লাগিব।

মানুহে যেনেকৈ কৰ্ম কৰে, জীৱ-জন্তুৱেও কৰ্ম কৰে। জীৱ-জন্তুৰ কৰ্মৰ উদ্দেশ্য থাকে, মানুহৰো কৰ্মৰ উদ্দেশ্য তথা উচিত-

অনুচিত বোধশক্তি থাকে। কিন্তু জন্তুৰ উচিত-অনুচিত বোধশক্তি নাথাকে। বোধৰ দ্বাৰা কৰ্ম নিয়ন্ত্ৰিত হ'লে সেই কৰ্মই সুখ দিয়ে।

কোনো মানুহেই এশ শতাংশ সুখী হ'ব নোৱাৰে। মানুহ মাত্ৰেই দুখ আছে। কাৰোবাৰ মঙ্গলৰ স্বাৰ্থত দুখ-কষ্ট হ'লেও সেইটোৱেই মানুহক সুখ দিয়ে। কেতিয়াবা দুখৰ মাজতো সুখ পোৱা যায়। মৌমাখিয়ে বেয়া বস্তুৰ পৰা চেনি শুহি নি মৌ তৈয়াৰ কৰে। হতাশাৰ মাজেদিও প্ৰত্যাশাকে পোৱা যায়। ক্লেশ-সুখপ্ৰিয়তা যেন আমাৰ চৰিত্ৰ হয়।

কোনো এজন ব্যক্তিক আন ব্যক্তিৰ লগত তুলনা কৰিব নালাগে। আমি নিজক যদি আন কাৰোবাৰ লগত তুলনা কৰিবলৈ যাওঁ তেতিয়া দুখ আহে। কিয়নো নিজৰ নিজৰ স্থানত সকলোৱে সুন্দৰ, সকলো অনন্য। এটা কাহিনী শুনিছিলো।

এখন অৰণ্যত এটা কাউৰীয়ে বহু সুখেৰে জীৱন যাপন কৰিছিল, কিন্তু এদিন ইফালে সিফালে ঘূৰি ফুৰোতে এটা ৰাজহাঁহ দেখা পালে আৰু সেই দিন ধৰি তাক অশান্তিয়ে নেৰা হ'ল। সি সদায় ভাবিবলৈ ধৰিলে যে সি ইমান কলা অথচ ৰাজহাঁহটো সম্পূৰ্ণ বগা। ৰাজহাঁহতকৈ সুখী চৰাই এই পৃথিৱীত ক'তো নাই চাগে! এদিন কাউৰীটোৱে ৰাজহাঁহটোক লগ ধৰি তাৰ দুখ প্ৰকাশ কৰিলে। তেতিয়া ৰাজহাঁহটোৱে ক'লে, তুমি বোধহয় মোক সুখী বুলি ভাবিছা। যিদিনা মই এটা ভাটৌ দেখিবলৈ পালোঁ সেই দিন ধৰি মই সুখেৰে থাকিব পৰা নাই। কেৱল এটা ৰঙেৰে মই কেনেকৈ সুখী হৈ থাকিম কোৱা। ভাটৌৰ দুটা ৰং আছে। মোৰ ধাৰণা সকলো পশুকুলৰ ভিতৰত ভাটৌৱেই চাগে শ্ৰেষ্ঠ সৃষ্টি। ৰাজহাঁহৰ কথা শুনি কাউৰীৰ অশান্তি আৰু বৃদ্ধি পালে। সি বহু চেষ্টা কৰি ভাটৌটো বিচাৰি উলিয়ালে আৰু মনৰ দুখৰ কথা কৈ শুনালে। কাউৰীৰ কথা শুনি ভাটৌৱে ক'লে তুমি মোক কেনেকৈ সুখী বুলি ভাবিব পাৰা, মই সুখী আছিলো সঁচা, যিদিনা এটা ময়ূৰ দেখিবলৈ পালো সেই দিন ধৰি অকণো সুখ অনুভৱ কৰিব নোৱৰা হ'লো। কেনেকৈ মই দুটা ৰঙেৰে সুখী হ'ব পাৰিম। ময়ূৰৰ কেৱল এটা বা দুটা ৰঙেই নহয় তাৰ গোটেই পাখী বিবিধ ৰঙেৰে আবৰি আছে। কাউৰীটোৱে বিচাৰি বিচাৰি এখন চিৰিয়াখানাত এটা ময়ূৰ দেখিবলৈ পালে। তাক চাবলৈ বহু মানুহে বেৰি ধৰিছে। তাকে দেখি কাউৰীটোৰ নিজক লৈ আৰু অধিক দুখ লাগিল। মানুহবোৰ যোৱালৈকে সি অপেক্ষা কৰি থাকিল। মানুহবোৰ যোৱাৰ পিছত সি ময়ূৰক ক'লৈগে— তুমি বিবিধ ৰঙেৰে দেখিবলৈ ইমান ধুনীয়া। প্ৰতিদিনে হাজাৰ হাজাৰ মানুহে তোমাক চাবলৈ আহে। মোক দেখিলে মানুহে মূৰ ইফালে সিফালে ঘূৰাই দিয়ে। এই পৃথিৱীত তোমাতকৈ চাগে সুখী চৰাই আৰু কোনো নাই। কাউৰীৰ কথা শুনি ময়ূৰীয়ে হুমুনিয়াহ কাঢ়ি ক'লে— ময়ো ভাবিছিলো যে ময়েই চাগে আটাইতকৈ সুখী আৰু ধুনীয়া চৰাই। কিন্তু চোৱাচোন মই ধুনীয়া বাবেই মানুহে বন্দী কৰি মোক চিৰিয়াখানাত ৰাখিছে। চিৰিয়াখানাখন বহুদিন ভালকৈ মন কৰাৰ পিছত এতিয়া মই ভাবো কাউৰীয়ে চাগে আটাইতকৈ সুখী চৰাই, কাৰণ কাউৰীক কোনেও বন্দী কৰি নথয়। এতিয়া মোৰ মনত ভাব হয় ময়ো যদি কাউৰী হ'লোহেঁতেন মুক্ত মনেৰে য'লৈ ইচ্ছা তালৈ যাব পাৰিলোহেঁতেন। দেখা যায় যে অপ্ৰয়োজনীয় তুলনাই আমাক অসুখী কৰি তোলে। নিজৰ অৱস্থাক লৈ আমি সুখী হ'বলৈ শিকিব লাগে। অনন্যখিনিক উৎযাপন কৰিবলৈ শিকিলে আমি বেয়া বা দুৰ্ভাগ্যখিনিৰ পৰা বহু পৰিমাণে মুক্ত হ'ব পাৰো।

মানৱ জীৱন এক পৰম বিস্ময়। সুখে-দুখে এই জীৱন। এজন ব্যক্তিয়ে নিজকে যিমানখিনি অসুখী বুলি ভাবে তেওঁ সিমানখিনিয়ে অসুখী হয়। আকৌ নিজকে যিমানখিনি সুখী বুলি মন বান্ধি ৰাখিব পাৰে সিমানে সুখী হ'ব পাৰে। আন এটা কাহিনী পাইছিলো।

এখন গাঁৱত এজন বুঢ়া মানুহ আছিল। তেওঁ ভাবে যে পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া মানুহজন তেৱেঁই। অনবৰতে কেৱল ওজৰ-আপত্তি কৰি উদাসীন মনেৰে থাকে বাবে মানুহে তেওঁক লৈ বৰ আমনি পায়। তেওঁৰ প্ৰবৃত্তি আনলৈ সোঁচৰাৰ ভয়ত গাঁৱৰ ৰাইজ তেওঁৰপৰা পলাই ফুৰে। আনৰ মনটো অসুখী হোৱাৰ বীজ তেওঁ সিঁচি পেলাইছে। তেওঁৰ ওচৰত থাকিলে সুখী হৈ থকাটো আছিল এক অবাস্তৱ কথা। তেওঁৰ যিদিনা ৮০ বছৰ বয়স হ'ল সেইদিনা বৰ আচৰিত ঘটনা এটা ঘটিল। তেওঁ হেনো খুব স্ফূৰ্তি আৰু আনন্দ কৰি আছে। তেওঁৰ আগৰ নিচিনা ওজৰ-আপত্তি সকলো বাদ দি আনন্দ-হাঁহিৰে তেওঁৰ মুখ উজ্বলিহে আছিল। আচৰিত হৈ মানুহবোৰে তেওঁক সুধিলে— কি হৈছে আপোনাৰ? তেওঁ মিচিকিয়াই হাঁহি ক'লে— বিশেষ একো হোৱা নাই।

আজি ৮০ বছৰে মই সুখ বিচাৰি সুখৰ পিছত দৌৰিয়েই থাকিলো। সকলো কষ্ট মোৰ অথলে গ'ল। সেয়ে মই সিদ্ধান্ত ল'লো যে সুখী হোৱাৰ কথা নভবাকৈয়ে মই জীৱনটো পাৰ কৰিম আৰু কেৱল জীৱনটো উপভোগহে কৰিম। এতিয়া মই সুখী হৈ থকাৰ কাৰণ সেয়ে।

নানা ধৰনৰ অৰ্থহীন চিন্তা ভাৱনা আৰু অপ্ৰয়োজনীয় হতাশাৰ পৰা বহুখিনি ৰেহাই পাবলৈ হ'লে নিজক চিনি পোৱা অতি প্ৰয়োজন। নিজক চিনি পালে জীৱনত সুখী হোৱা যায়। সুখী হ'বলৈ এটা সুস্থিৰ মনৰো প্ৰয়োজন। সুস্থিৰ মনেহে যিকোনো সুস্থিৰ সিদ্ধান্ত ল'ব পাৰে। আকৌ সুস্থিৰ মন এটা গঢ়িবলৈ এক আদৰ্শ জীৱন গঢ়ি তুলিব লাগিব। য'ত হিংসা, কপটতা, অন্যায় নাথাকে। আৰু তাৰ বাবে এটা সৎ পথ অৱলম্বন নিশ্চয় কৰিব লাগিব। পাশ্চাত্যৰ মনীষী W.Copperয়ে কৈছে— "My sorrows I then might assuse in the ways of truth and religion" (সত্য আৰু ধৰ্মৰ পথত চলিলেহে মোৰ দুখ প্ৰশমিত হ'ব)

এচাম ব্যক্তিয়ে সুখ ধনেৰে কিনিব পাৰি বুলি ভাবে। বহু শিক্ষিত লোকে নিজৰ সন্তানক অধিক ধন খৰচ কৰি হ'লেও বহিঃৰাজ্যত ইঞ্জিনীয়াৰিং বা ডাক্তৰী পঢ়ুৱাই বহু ধন ঘটাৰ সপোন দেখে। আচলতে ধন প্ৰাপ্তিয়ে সাময়িকভাৱে মানুহৰ জীৱনত প্ৰভাৱ পেলাই যদিও প্ৰকৃত সুখ দিব নোৱাৰে। সন্তানে জ্ঞান আহৰণৰ লগে লগে সমান্তৰালভাৱে নৈতিক বা আধ্যাত্মিক শিক্ষা পাবই লাগিব। তেতিয়াহে বাঞ্ছিত সুখ লাভ কৰিব পাৰিব।

# শিশুৰ অধিকাৰ আৰু বাস্তৱ

**দ্বিপেন কলিতা**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

অধিকাৰনো কি? ইয়াক লৈ কেতিয়াবা বহু মানুহ দোমোজাত পৰে। বহু মানুহে নিজৰ প্ৰাথমিক অধিকাৰ সম্পৰ্কেও নাজানে। কিছুমানে আকৌ প্ৰাথমিক অধিকাৰৰ কাৰণে বিপ্লৱ কৰিব লগা হয়। আন কিছুমানে অজ্ঞনতা, দুৰ্বলতাৰ সুযোগ লৈ শোষণ, নিৰ্যাতন চলাই যায়। এটা সময়ত ইয়ে বিপ্লৱৰ সূচনা কৰে।

সেয়ে বিভিন্ন সময়ৰ উপলদ্ধিয়ে, সমাজ বিজ্ঞানীসকলে অধিকাৰক দুই ধৰণে ভাগ কৰিছে। প্ৰাকৃতিক অধিকাৰ (Natural Rights) আৰু ন্যায়িক অধিকাৰ (Legal Rights), য'ত মানুহৰ মূল্যবোধ (Dignity, Respect, Justic and equalities) প্ৰাকৃতিক অধিকাৰসমূহ মানুহে জন্মসূত্ৰে লাভ কৰা অধিকাৰ, য'ত কোনো ধৰণৰ আইন, বিধি-বিধান, বিশ্বাস (Belief), প্ৰথাই (Custom) মানুহৰ জীৱনক লৈ মিতিৰালী কৰিব নোৱাৰে। মতামত প্ৰকাশ কৰাৰ অধিকাৰ (Freedom of expression) ইত্যাদি। আনহাতে ন্যায়িক অধিকাৰ (Legal Rights) সমূহ দেশৰ নীতি বা আইনৰ জৰিয়তে সকলো শ্ৰেণীৰ মানুহকে প্ৰদান কৰা হয়। অধিকাৰ সকলোৰে বাবে আপুনি কোন, ক'ৰপৰা আহিছে, কি ধৰ্মৰ বা কি ভাষা কয়, তাৰ বিচাৰ নকৰে। মানুহৰ কৰ্তব্য হ'ল - আনৰ অধিকাৰকো সন্মান জনোৱা (Respect the Rights of other) সেইমৰ্মে ১৯৪৮ চনত ৰাষ্ট্ৰীয় সংঘৰ সৰ্বসন্মতি মৰ্মে মানুহৰ সাৰ্বজনীন অধিকাৰসমূহ ঘোষণা কৰা হয় (Universal Declaration of Human Rights), য'ত মানুহৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰকো সামৰি লোৱা হৈছে। তাৰ পিছতো বিভিন্ন সময়ত বিভিন্ন দেশত শিশুৰ ওপৰত হোৱা অত্যাচাৰ, নিৰ্যাতন, শোষণ, ধৰ্ষণ, বৈষম্য কমি নোযোৱাত ১৯৮৯ চনত ৰাষ্ট্ৰসংঘই ১৯২খন বিভিন্ন দেশৰ প্ৰতিনিধিৰ সৈতে শিশু অধিকাৰক লৈ এখন সভা আহ্বান কৰিছিল (United Nations Conuention on Rights of the Child) এই UNCRC স'তে প্ৰতিখন দেশে ০-১৪ বছৰৰ সকলো ল'ৰা-ছোৱালীৰ "জীয়াই থকাৰ অধিকাৰ', 'বিকাশৰ অধিকাৰ', 'সুৰক্ষাৰ অধিকাৰ' আৰু অংশ গ্ৰহণৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ সংকল্পবদ্ধ হয়।

ভাৰতবৰ্ষত ১৯৯২ চনতহে শিশুৰ মৌলিক অধিকাৰসমূহ অনুমোদিত (Ratified) হয়। ভাৰতবৰ্ষত মুঠ জনসংখ্যাৰ তিনিভাগৰ এভাগ হ'ল শিশু। ইয়াৰ অৰ্থ হ'ল ভাৰতবৰ্ষখন ৪০০ মিলিয়ন (৪০,০০০০০০০) শিশুৰ এখন ঘৰ, দেশৰ ভৱিষ্যৎ। কিন্তু ২০১১ চনৰ জৰীপমতে ১০.১২ মিলিয়ন শিশু শ্ৰমিক আছে, যাৰ বয়স ৫ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰত। আনহাতে ভাৰতৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ মতে ১১.৬.

এতিয়াও দেশৰ অধিকসংখ্যক শিশু গুণগত শিক্ষা আৰু স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত বিভিন্ন ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰতিটো শিশুৰ প্ৰাথমিক অধিকাৰসমূহ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস কৰি আহিছে। Child Rights & Yoy (CRY), Childline India, Save the Children, Uniceft etc. অন্যতম যিয়ে শিশুৰ অধিকাৰৰ কাৰণে কাম কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহতো এই অনুষ্ঠানসমূহে স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে বিশেষ ভাৱে কাম কৰি আহিছে। বিশেষকৈ CRY নামৰ অনুষ্ঠানটোৱে মণিপুৰ আৰু অসমত শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে স্থানীয় অনুষ্ঠানৰ সহযোগত কাম কৰি আহিছে। অসমৰ নলবাৰী আৰু কামৰূপ (গ্ৰাম্য) জিলাত গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত বহুখিনি উৎকৰ্ষ সাধন হৈছে। এতিয়ালৈ CRY য়ে ভাৰতবৰ্ষৰ ৬২৬ খন গাঁৱত শিশু শ্ৰমিক নোহোৱা কৰিছে, ৩৩৩৬ টা শিশু মঞ্চ গঠন কৰিছে, ৪,৬১,০০০ শিশু (৬-১৮)বছৰ স্কুলত নামভৰ্ত্তি হৈছে যি আধাতে স্কুল এৰিছিল। মুঠতে ৮,৭৯,০১১ শিশু বিভিন্ন প্ৰকাৰে উপকৃত হৈছে। ২০১১ ইং চনত গ্ৰাম্য বিকাশ মঞ্চত CRY ৰ শিশু অধিকাৰ প্ৰকল্প আৰম্ভ হৈছিল। এই প্ৰকল্পৰ জৰিয়তে নলবাৰী জিলাৰ পুব নলবাৰী আৰু বৰভাগ উন্নয়নখণ্ডৰ ১৮ খন গাঁৱক সামৰি তাৰ বাবে চৰকাৰী সেৱা খণ্ডক অধিক শক্তিশালী কৰাৰ বাবে আৰু ৰাইজৰ সজাগতা বৃদ্ধি কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। ২৫খন শিশুমঞ্চ গঠন কৰিছে, ১৮খন গাঁৱৰ প্ৰায় ৮০০ শিশুক Computer Database ত ভৰাই Tracking কৰি থকা হৈছে, প্ৰতিটো গভৰ্ৱৰ্ত্তী মহিলাক Tracking কৰি থকা হৈছে। তাৰ ফলস্বৰূপে ০-১ বছৰৰ শিশুৰ এশ শতাংশ Immunization হৈছে, ৯৯ শতাংশ Instational Delivery MMR শূন্য আৰু নৱজাতকৰ মৃত্যুৰ হাৰ আগৰ তুলনাত কমি ৩টা হৈছে। আনহাতে ১৫খন গাঁৱৰ শূন্য Drop out, স্কুল আৰু অংগনৱাড়ীৰ আন্তঃগাঁথনি শক্তিশালী হৈছে। তদুপৰি গ্ৰাম্য বিকাশ মঞ্চই অন্যান্য প্ৰকল্পৰ জৰিয়তে যেনে শিক্ষা খণ্ডলৈ আমূল পৰিৱৰ্তন আনিবলৈ প্ৰয়াস কৰিছে। এতিয়ালৈ এই প্ৰকল্পৰ জৰিয়তে বহুতো শিশু উপকৃত হৈছে। কিন্তু বাস্তৱত আৰু বহু কৰিবলৈ বাকী আছে; য'ত চৰকাৰী, বে-চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে জনসাধাৰণ আগবাঢ়ি আহিব লাগিব।



# গ্ৰাম্য বিকাশ মঞ্চ আৰু 'আৱেগ'

✍ জ্যোতিষ দাস
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ



আৱেগ এটি শব্দ। আৱেগ সকলো মানুহৰ থাকে। বিশেষকৈ ডেকাকালত ইয়াৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। আৱেগৰ বশৱৰ্ত্তী হৈ মানুহে বিভিন্ন ধৰনৰ কৰ্ম কৰে। কিছুমান ভাল আৰু কিছুমান বেয়া কৰ্ম দেখা পোৱা যায়। যৌৱনৰ আৱেগত বহুতো সমাজ ধ্বংস হয় আৰু বহুতো সমাজ উন্নয়ন হয়। বহুত দেশ ধ্বংশ হয় আৰু বহুত দেশে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিকভাৱে আগবাঢ়ি গৈ থাকে আৱেগিক সিদ্ধান্তত।

উদাহৰণস্বৰূপে প্ৰেমৰ আৱেগত ত্ৰয় নগৰ ধ্বস হৈ গৈছিল। ইয়াৰ বিপৰীতে বহুতো সাহিত্যৰ সৃষ্টিও হৈছিল। ছাহজাহানে তেওঁৰ পত্নী মমতাজৰ কাৰণে স্মৃতিসৌধ আগ্ৰাত তাজমহল সজাইছিল। গতিকে মানুহে ডেকাকালত আৱেগৰ কাৰণে বিভিন্ন ধৰণৰ কাম কৰে, তাৱে কিছুমান ধনাত্মক হয় আৰু কিছুমান ঋণাত্মক হয়। ধনাত্মক দিশটো বাছি উলিওৱাত মানুহৰ অসুবিধা হয় কাৰণ বেছিভাগ ঋণাত্মক হয়। যিয়েই দূৰদৰ্শী হয় তেওঁৰ আৱেগত সমাজ গঢ়াৰ সপোন থাকে, সৃষ্টিৰ মানসিকতা থাকে, জীয়াই থকাৰ সমল থাকে, অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ গোন্ধ থাকে; লগতে তাত বাস্তৱ জীৱনৰ অনুভূতি থাকে। সেয়ে হ'ল সৃষ্টিৰ বাবে আৱেগ।

গ্ৰাম্য বিকাশ মঞ্চৰ জন্মৰ আগত কেইজনমান ডেকাৰ মনত নিশ্চয় এটি সমাজ গঢ়াৰ আৱেগ আহিছিল। তেওঁলোকৰ মনত প্ৰতিখন গাঁওক বিকাশ কৰাৰ উদ্দেশ্যৰে, প্ৰতিখন গাঁৱক সমৃদ্ধিশালী, সমতাপূৰ্ণ, শোষণমুক্ত সমাজ গঢ়াৰ উদ্দেশ্য আগত ৰাখি প্ৰতিজ্ঞাবদ্ধ হৈ গ্ৰাম্য বিকাশ মঞ্চৰ জন্ম দি লগতে পৰিচালনা কৰিবলৈ সুপৰিকল্পনা হাতত লৈছিল ১৯৯৯ চনৰ ৭ ডিচেম্বৰত। তেতিয়াৰ সমাজ ব্যৱস্থা একেবাৰে শোচনীয় আছিল। যোগাযোগৰ বাবে ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ, খোৱা পানী,



প্ৰতিষ্ঠানে গ্ৰাম্য বিকাশ মঞ্চক দুখীয়া জনসাধাৰণৰ কাৰণে কাম কৰাৰ বাবে সহযোগ কৰিছে। লগতে চাৰিখন জিলাৰ শ শ গাঁৱৰ হাজাৰ হাজাৰ জনসাধাৰণে উপকৃত হৈছে। আশা কৰিছো গ্ৰাম্য বিকাশ মঞ্চ অহা দিনবোৰত ভাৰতবৰ্ষত এটি উদাহৰণ হ'ব; এইটো নিশ্চিত যদিহে নতুন সমাজ গঢ়াৰ ১৯৯৯ চনৰ ৭ ডিচেম্বৰত লোৱা শপত সকলোৰে মনত থাকে।

ইয়াৰ লগতে বৰ্তমান গ্ৰাম্য বিকাশ মঞ্চৰ ছৱিখন দেখি বৰ্তমান বিভেদকামী শক্তিয়ে আশ্ৰয় ল'ব নোৱাৰে, তাৰ প্ৰতি আমি সকলোৰে এক হৈ থাকিব লাগিব। সকলোৱে ন্যায়ৰ ওচৰত থাকিব লাগিব। অন্যায়ক আঁতৰাব লাগিব; কাৰণ ইয়াত বহুতৰে ত্যাগ জড়িত হৈ আছে। বহুতে ইয়াৰ বাবে প্ৰাণ আহুতি দিছে, আকৌ বহুতে নিজৰ ঘৰ-সংসাৰ সান্নিধ্যৰ পৰা আঁতৰত থাকি অনুষ্ঠানৰ কাৰণে সময় অতিবাহিত কৰিছে। এই ত্যাগৰ মূল্য আমি সকলোৱে ৰাখিব লাগিব সমাজৰ দায়বদ্ধতাৰ বাবে। এই ছেগতে গ্ৰাম্য বিকাশ মঞ্চ আমাৰ অনুষ্ঠানটিৰ উন্নতিৰ বাবে, লগতে ইয়াৰ লগত জড়িত পৰিয়ালকেইটিৰ বাবে নিজৰ কৰ্মব্যস্ততাৰ মাজতো সময় দি অনুষ্ঠানটিক দিহা-পৰামৰ্শ দি দেখুওৱা নলবাৰী জিলাৰ উপায়ুক্ত মাননীয় ডাঃ ওমপ্ৰকাশ দেৱ, মাননীয় ডাঃ সুৰেণ মজুমদাৰদেৱ, মাননীয় লোহিত লহকৰ, মাননীয় ডাঃ ৰাজুমণি শৰ্মা, মাননীয় যোগেন কলিতাদেৱ (অধ্যক্ষ, বনভাগ কলেজ), নয়নজ্যোতি ভূঞাক ধন্যবাদ জনোৱাৰ লগতে অনাগত দিনত আকৌ দিহা-পৰামৰ্শ কামনা কৰিলো, লগতে গ্ৰাম্য বিকাশ মঞ্চৰ শুভ কামনা কৰিলো।

স্বাস্থ্য, শিক্ষাৰ লগতে প্ৰতি বছৰে অহা বানপানীৰ বাবে মানুহে দুবেলা দুসাঁজ খাবলৈ সংগ্ৰাম কৰিব লগা হৈছিল। সেই সময়ত গ্ৰাম্য বিকাশ মঞ্চই কোনো স্থায়ী কাৰ্যালয় নথকা অৱস্থাত সমাজৰ কাৰণে জীৱিকা, স্বাস্থ্য আৰু শিক্ষাৰ কাৰণে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল। কৰ্তব্যত সততা থকাৰ কাৰণে গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন ধৰণৰ কাম-কাজ কৰি থাকি স্বেচ্ছাসেৱকৰ নিজা দান-বৰঙনিৰ দ্বাৰা নিজাকৈ সাধাৰণ কাৰ্যালয় হয়। লগতে থকা-খোৱাৰ কাৰণে সাধাৰণ চালি ঘৰ দুটা বনোৱা হয়।

সেই সময়ত স্বেচ্ছাসেৱকৰ সংখ্যা কম আছিল যদিও এটি পৰিয়ালৰ নিচিনা মিলাপ্ৰীতি আছিল। সকলোৱেই কৰ্তব্যপৰায়ণ আছিল। সকলোৰে অনুষ্ঠানৰ প্ৰতি ত্যাগৰ মানসিকতা আছিল। সকলোৱে ডাঙৰজনক সন্মান আৰু সৰুজনক মৰম কৰিবলৈ জানিছিল। নিজৰ কৰ্তব্য বুজি পাইছিল। সাংবিধানিক নিয়মক সন্মান কৰিছিল। প্ৰতিজনেই আনজনৰ ওপৰত নজৰ ৰাখিছিল। যেন এটি আদৰ্শৱান পৰিয়ালহে। তেতিয়া মনত সকলোৰে ভাব হৈছিল যে এই অনুষ্ঠান এৰি আমি ক'লৈকো নাযাওঁ, ইয়াতে থাকি যাম; এইখনেই আমাৰ মৰমৰ পৰিয়াল।

সময়ৰ লগে লগে গ্ৰাম্য বিকাশ মঞ্চৰ পৰিসৰ বাঢ়ি যায়। এটি অঞ্চলৰ পৰা বাঢ়ি গৈ প্ৰায় চাৰিখন জিলাক বৰ্তমান সামৰি ল'লে। অনুষ্ঠানটো দিনক দিনে আগবাঢ়ি গৈ আছে। লগতে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন



# Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 16 Years...

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| **1999-2000** | | |
| Plantation Programme | Members Contribution | Puberun Jatiya Vidyalaya, Baridatara, Nalbari |
| **2000-01** | | |
| District level Work Camp | Nehru Yuva Kendra, Nalbari | Sonkani, Jugurkuchi, Nanai village, Barbhag, Nalbari |
| Entrepreneurship Development Programme on Radio, Tap and TV repairing | Nehru Yuva Kendra, Nalbari | Pajipar LP School, Barbhag, Nalbari |
| Hepatitis Vaccination Programme | Members Contribution | Barbhag, Pub-Nalbari and Barigog Banbhag Dev. Block, Nalbari |
| Self Employment Training on Jute and Cloth Fabrics Painting | Nagen Sarma Memorial Trust | Gopuja L P School, Pub-Nalbari, nalbari |
| **2001-02** | | |
| World AIDS Day celebration | Assam State AIDS Control Society, Khanapara | Barkhetri Dev. Block |
| Awareness programme on Iodizes Salt | Field Publicity Office, Nalbari | Kothora Village, Nalbari |
| | | |
| **2002-03** | | |
| Self Employment Training | State Institute of Rural Development (SIRD) | Kamarkuchi, Barbhag, Nalbari |
| World AIDS Celebration | District Joint Director Health, Nalbari | Barbhag Dev Block |
| National Science Day | Science Communication Forum and GVM | Arangamou Girls ME School , Barbhag, Nalbari |
| **2003-04** | | |
| Targeted Intervention Project (TI Project) for migrant labour in Char and reverie areas | Assam State AIDS Control Society, Assam | Barkhetri Dev. Block of Nabari District |
| Rural Entrepreneurship Development Programme on Agro machineries and Fabric painting | NABARD, Regional Office Guwahati, | Barbhag Collage, Barbhag, Nalbari |
| Free Health Camp | Joint Director health, Nalbari | Bhangnamari Char, Barkhetri Dev. Nalbari |
| **2004-05** | | |
| Total Sanitation Campign (TSC) Programme | District water and Sanitation Committee (DWSC) Public Health Engineering Department, | Barbhag Dev Block. |

| | | |
|---|---|---|
| | Nalbari | |
| Emergency Relief and Rehabilitation | Action Aid India, Guwahati | Barbhag Dev. Block |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Office, Guwahati | Barbhag and Pub-Nalbari Dev. Block, Nalbari |
| **2005-06** | | |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Office, Guwahati | Barbhag and Pub-Nalbari Dev. Block, Nalbari |
| World AIDS Day Celebration | District Administration | Socio Light, Barbhag, Nalbari |
| **2006-07** | | |
| Construction of Fuel Efficient Crematorium (FEC) | CAPART, New Delhi | Barbgag and Barkherti Dev Block, Nalbari |
| Reproductive Child Health | Rural Women Uplifment Association of Assam (RWUAA), Japarigog, Guwahati | Barkhetri Dev. Block, Nalbari |
| SHG Formation and Promotion Programme | NABARD Regional Office, Guwahati | Pub-Nalbari, Barbhag and Barigog Dev. Block |
| DRR Though School project | Action Aid International , New Delhi | 80 Nos. Govt School in Nalbari district of Assam |
| Pottery Cluster Development Project | NABARD Regional Office, Guwahati | Chanmaguri and Purnakhundum Village of Kamrup District of Assam |
| Construction of Community Building under MPLAD Fund | MP Indramoni Bora | Kardaitola, Barbari, Nalbari |
| **2007-08** | | |
| DRR Though School project | Action Aid International , New Delhi | 80 Nos. Govt School in Nalbari district of Assam |
| Awareness Building of Natural Wetlands of Nalbari district | Environmental Equity Justice Partnership (EEJP) | Barigog Banbhag and Barbhag Dev. Block of Nalbari |
| Empowerment of Elected women representative in Nalbari District | The Hunger Project (THP), New Delhi | Nlabari district |
| National Youth Dev. Programme | Nehru Yuva Kendra, Nalbari | Nalbari |
| Village Development Programme (Village Adoption programme) | NABARD, Regional Office | Barsimalua village, Nalbari District |
| Strengthening SHGs in Nalbari , Assam | Sir Dorabji tata Trust, Mumbai | Barbhag Dev Block, Nalbari |
| **2008-09** | | |
| DRR Though School project | Action Aid International , New Delhi | 80 Nos. Govt. School in Nalbari district of Assam |
| Flood Relief and Rehabilitation project | Action Aid International , New Delhi | Barbhag Dev. Block, Nalbari |
| Center for practical Livelihood Training on | NEDFi, Guwahati | Chatra and Thanpatkuchi of |

| | | |
|---|---|---|
| Tailoring and Weaving | | Nalbari District. |
| SHG Formation and Promotion Program | NABARD Regional Office, Guwahati | Pub-Nalbari, Barbhag and Barigog Dev. Block |
| Bamboo Cluster Development project (Japi Cluster) | NABARD, Regional Office, Guwahati | Pub Nalbari, Nalbari Dsitrict. |
| Skill Development Training | State Institute of Rural Development (SIRD) | Nalbari |
| Awareness programme on Right to Information (RTI) | North East Network (NEN) | Nalbari district. |
| **2009-10** | | |
| **P**eople **E**mpowerment for **A**ccessing **R**ights to Livelihood (**PEARL) Project** | Indo Global Social Service Society (IGSSS) | Tamulpur and Nagrijuli Dev. Block, Baksa district. |
| Promoting and Strengthening Disaster Risk Reduction in Assam | DFID and Action Aid International , New Delhi | Nalbari District |
| Promotion of Diversion Base Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari District. |
| Mobilizing communities on MGNREGS | Action Aid India, Regional Office, Guwahati | Pub Nalbari, Barigog Banbhag and Barbhag Dev. Block of Nalbari District. |
| Skill Development Programme on Water Hyacinth craft | NEDFi, Guwahati | Barbhag and Barigog Banbhag Dev. Block of Nalbari |
| Community Based Disaster Risk Reduction (CBDRR) | UNICEF, Reginal Office Guwahati | Hajo, Rangia and Kamalpur Development Block of Kamrup ( Rural) district. |
| Disaster Risk management programme (DRMP) | District Disaster management Authority (DDMA) Nalbari | Barbhag and Pub nalbari Dev. Block, Nalbari |
| Promotion of Pease and Social harmony | National Council of Rural Institute (NCRI, Hyderabad. | Pub-Nalbari, Barbhag and Barigog Banbhag Dev. Block of Nalbari District. |
| **2010-11** | | |
| Extension of SRI (System of Rote Intensification) | Professional Assistance for Development Action (PRADAN) | Nalbari and Baksa District of Assam |
| Mother Group Members Training Programme on RTE | Assam Mahila Samata Society, Guwahati | Nalbari and Baksa District |
| District Youth Convention and Youth Club Exchange Programme | Nehru Yuva Kendra , Nalbari | Nalbari District |
| **2011-12** | | |
| Study on Children engagement in Brick Kilns | Aid Et Action, Guwahati | Kamrup Rural district |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Adolescent Education in Assam | Sir Dorabji Tata Trust (SDTT) Mumbai | Nalbari, Baksa and Kamrup Rural |

| | | |
|---|---|---|
| Child Friendly School System (CFSS) | UNICEF | Rani Rampur, Kamrup Rural District |
| Celebration of International Women's Day | District Administration, Nalbari | Nalbari District |
| Awareness on MGNREGA | NYK, Nalbari | Nllbari District |
| Exhibition at Rakh Mela | NABARD and NEDFi | Nalbari District |
| **2012-13** | | |
| Flood Response in Kamrup, 2012 | Save the Children | Kamrup Rural District |
| Humanitarian Assistance to Vulnerable Population Affected by Flood in Assam ( ECHO) | ECHO/ Action Aid International | Kamrup Rural District |
| ECHO supported Flood Response in Nalbari district of Assam | Save the Children | Nalbari District |
| IKEA supported Flood response in Nalbari district of Assam | Save the Children | Nalbari District |
| Flood Response in Tinsukia and Kamrup (rural) district of Assam | Sir Dorabji Tata Trust, Mumbai | Kamrup Rural and Sadia (Tinsukia) district |
| Flood Response in Nalbari and Kamrup district of Assam | Help age India, new Delhi | Kamrup Rural and Nalbari District |
| Flood Response in Assam | Franklin Templeton India Pvt. Ltd., | Nalbari District |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust , Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | SDTT, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Extension of SRI | Professional Assistance for Development Action (PRADAN) | Nalbari and Baksa district. |
| **2013-14** | | |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust , Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Minisitry of Rural Development (MoRD) Govt if India | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baska dev Block of Nalbari and |

| | | |
|---|---|---|
| | | Baska district. |
| Adolescent Empowerment Project | National Foundation of India (NFI), new Delhi | Nalbari and Kamrup Rural District |
| Strengthening Capacity Building and Sustainable farming | Action Aid Association, Regional Office, Guwahati | Assam |
| **2014-15** | | |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust , Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Minisitry of Rural Development (MoRD) Govt if India | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baska dev Block of Nalbari and Baska district. |
| Adolescent Empowerment Project | National Foundation of India (NFI), new Delhi | Nalbari and Kamrup Rural District |
| Strengthening Capacity Building and Sustainable farming | Action Aid Association, Regional Office, Guwahati | Assam |
| Empowering Access to Education for Marginalized Children in Kamrup and Nalbari | Action Aid Association, Guwahati | Nalbari and Kamrup Rural District |
| Sustainable Option for Upliftment Livelihood (SOUL) | Indo Global Social Service Society (IGSSS) | Baksa district of Assam |
| Community Led Child Centered Disaster Risk Reduction | Fondazione L'Abro della Vita (FADV), Italy | Kamrup Rural District |
| Flood Emergency Response Project 2014 | Fondazione L'Abro della Vita (FADV), Italy | Bako and Goalpara of Assam |
| **2015-16** | | |
| Empower Community for ensuring child Rights in Nalbari district Assam | Child Rights and You (CRY) Kolkata | Nalbari District |
| Scaling up ITE in government Schools in Assam | Jamsetji Tata Trust,Mumbai | Nalbari, Baksa, Kamrup(Rural),Nagoan Marigaon Hailakandi,Karbi Anlong,Barpeta,Sivsagar,Karimgong and Goalpara |
| Bagurumba - CFC | NEDFi | Nalbari District |
| Enhance food and nutritional security along with income enhancement of 6000 household in Assam through SRI,SMI,and Value chain interventions | Jamstji Tata Trust, Mumbai | Nalbari,Baksa and Kamrup(Rural) |
| Adolescent Education in Assam | Tata Education Trust,Mumbai | Nalbari,Baksa and Kamrup(Rural) District |
| Empowering Access to Education for Marginlized Children in Kamrup and Nalbari | Action Aid Assoociation, Guwahati | Nalbari and Kamrup(Rural)District |
| Community Led Child Centered Disaster Risk Reduction | Fondazione L' Abro della Vita (FADV), Italy | Kamrup (Rural) District |
| Adolescent Empowerment Project | National Foundation of India (NFI), new Delhi | Nalbari District |
| ·Improving Smallholders livelihoods through agriculture and allied intervention in 10 villages of Nalbari district of Assam | The Hans Foundation (THF) and National Foundation of India (NFI) | Nalbari District |

**Published by: Dibakar Deka, Secretary, Gramya Vikash Mancha**



গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা নলবাৰী আৰু বাগ্‌চা জিলাত ৰূপায়িত মহিলা কৃষক সবলীকৰণ প্ৰকল্পত অংশগ্ৰহণ কৰা মহিলা কৃষকসকলক জৈৱ কীটনাশক প্ৰস্তুতকৰণৰ প্ৰশিক্ষণৰ বাবে অনুষ্ঠিত এটা কৰ্মশালাৰ দৃশ্য।



গ্ৰাম্য বিকাশ মঞ্চৰ স্থায়ী চৌহদত ষষ্ঠদশ প্ৰতিষ্ঠা দিৱসৰ দিনা ইয়াৰ স্বেচ্ছাসেৱকসকলে ৰছী টনা খেলত অংশগ্ৰহণ কৰাৰ দৃশ্য।






নতুন সাহস, নতুন যাত্ৰা...

SHOISHAV

শৈশৱ | SHOISHAV | शैशव

Vill. : Barmurikona, P.O. : Barbari
Dist. : Nalbari, Assam, Pin : 781351




